# ASSAM
# LEGISLATIVE ASSEMBLY
# DEBATES

## OFFICIAL REPORT

**ELEVENTH SESSION OF THE
ASSAM LEGISLATIVE ASSEMBLY
ASSEMBLED AFTER THE ELEVENTH
GENERAL ELECTIONS UNDER SOVEREIGN
DEMOCRATIC REPUBLICAN
CONSTITUTION OF INDIA**

## BUDGET SESSION

**NO. 10**

The 14th March, 2005

Price : Rs. 65.00 (only)

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## MONDAY THE 14TH MARCH, 2005

The House met at 9 A.M. of the Clock in the Assembly Chamber at Dispur with Sri Prithibi Majhi, Speaker in the Chair.

## STARRED QUESTIONS AND ANSWERS

(To which oral replies were given)

**Mr. Speaker :** Now Q. No. 160, Hon'ble Member, Shri Kali Ranjan Deb, Hon'ble Minister, Home to reply.

* **শ্রীদীনেশ চন্দ্র চৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভাৰতীয় জনতা পাৰ্টিৰ তৰফৰ পৰা ৩১৬ নিয়ম অনুসৰি আপোনাক এখন নটিচ দিয়া হৈছিল। তাত ১১/৩/০৫ তাৰিখে আন্দোলনকাৰীৰ ওপৰত নিৰ্য্যাতন কৰা হৈছিল।

(PANDEMONIUM)

---

* Speech not corrected

**Mr. Speaker :** আপোনাৰ নটিচ পাইছো। Let me say.

(PANDEMONIUM)

(All the Hon'ble Members from BJP objected against the Question Hour and demanded on the top of their voices reaching nearer to the dias, about the fate of their Notice.)

You have asked to raise the matter under Rule 316 of the Rules of Procedure and Conduct of Business in Assame Legislative Assembly. The Rule says that :

Any Member may, with the consent of the Speaker, move that any rule may be suspended in its application to a particular motion before the House and if the motion is carried the rule in question shall be suspended for the time being.

You have asked me to raise the matter under Rule 316 of the Rules of Procedure and Conduct of business in Assam Legislative Assembly to suspend the Question Hour. But there is nothing in this notice. So, I cannot allow to raise any matter in this manner.

Starred Question No. 160, Hon'ble Member Shri Kali Ranjan Deb.

* **শ্ৰীবিমলাংশু ৰয় ঃ** মহিলা সকলক জেললৈ নি অত্যাচাৰ কৰিছে...........

(সদনত গণ্ডগোল)

---

* Speech not corrected

**Mr. Speaker :** Mr. Roy, you are a senior Member in this House. You know how to run the House.

## Sub : Creation of Katigorah Sub-Division.

**Sri Kali Ranjan Deb** asked :

*160/ Will the Chief Minister be pleased to state :

a) Is it a fact that during the visit of the Hon'ble Chief Minister at Katigorah last year for election campaign, the Hon'ble Chief Minister had assured the people of Katigorah that his Government will actively consider the creation of Katigorah circle as sub-division within the year, 2005 ?

b) If so, whether process for creation of Katigorah as sub-division has since been stated ?

**Shri Rockybul Hussain** (Minister of State, G.A.D., Home etc.) replied:

a) No.

b) Does not arise.

**শ্ৰীকালি ৰঞ্জন দেৱ ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন আছিল যে যোৱা পাৰ্লিয়ামেন্টৰ নিৰ্বাচনৰ সময়ত মাননীয় মুখ্যমন্ত্ৰীয়ে কাটিগড়াত এখন মিটিং কৰিছিল আৰু কাটিগড়াত এটা চাব ডিভিজন কৰাৰ বাবে বিবেচনা কৰা হ'ব বুলি কৈছিল। ১৯৯৫ চনৰ পৰাই এই দাবী মই কৰি আহিছোঁ। কিন্তু

বৰ্তমানেও গুৰুত্ব দিয়া নাই। কিন্তু ইতিমধ্যে দুটা চাব ডিভিজন গহপুৰ আৰু তিতাবৰত দিয়া হৈছে। কাটিগড়াৰটো বিবেচনা কৰিব নে কি ?

**শ্ৰীৰকিবুল হুছেইন ঃ** (ৰাজ্যিক মন্ত্ৰী) ঃ হয়, মাননীয় সদস্যজনে কোৱাৰ দৰে সেই ঠাইৰ জনসাধাৰণেও বহুত দিনৰ পৰা কাটিগড়াত চাব ডিভিজন এটাৰ বাবে জোৰ দি আহিছে। বৰ্ত্তমান চাব ডিভিজন কৰাটো Delimitation Commission of India ৰ নিৰ্দ্দেশ মৰ্ম্মে বন্ধ কৰি থোৱা হৈছে। মাননীয় মুখ্যমন্ত্ৰীয়ে অসমৰ সকলো জিলাৰ অন্তৰ্গত এই দাবীসমূহ পৰীক্ষা কৰিবৰ কাৰণে অতিৰিক্ত মুখ্য সচিব শ্ৰীচি কে দাসৰ অধ্যক্ষতাত এখন কমিটি গঠন কৰি দিছে। পৰীক্ষা-নিৰীক্ষা কৰাৰ পিচত ৰিপৰ্ট আহিলেহে বিবেচনা কৰিব পৰা হ'ব।

**শ্ৰীকালি ৰঞ্জন দেৱ ঃ** মোৰ এটা আপত্তি আছে। I would like to request the Hon'ble Chief Minister to consider it for creation of a Sub-division at Katigorah.

**Mr. Speaker :** Now, Starred Question No. 161, Hon'ble Member, Shri Raju Sahu.

## বিষয় ঃ দিনজান বিদ্যুৎ যোগান কেন্দ্ৰ।

**শ্ৰীৰাজু চাহুয়ে সুধিছে ঃ**

* ১৬১/ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) চাবুৱা সমষ্টিৰ দিনজান বিদ্যুৎ যোগান কেন্দ্ৰৰ পৰা দিনজানস্থিত সেনা চাউনীলৈ দিনটোৰ ২৪ ঘণ্টাই বিদ্যুৎ সৰবৰাহ অব্যাহত থাকে, অথচ এই একেটা কেন্দ্ৰৰ পৰাই যোগান ধৰা বিদ্যুৎ সেনা চাউনীৰ আশে-পাশে থকা গাওঁ সমূহলৈ নিয়মীয়াভাৱে কিয় অব্যাহত নাথাকে ?

খ) সেনা চাউনীৰ কাষৰীয়া গাওঁ সমূহৰ যেনে বৰাগাধৈ,

সৰবৰাহ নিয়মীয়া কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ?

গ) যদি কৰে কিমান দিনৰ ভিতৰত ইয়াক কাৰ্যকৰী কৰা হ'ব ?

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ** (শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)য়ে উত্তৰ দিছে ঃ

(ক) চাবুৱা সমষ্টিৰ দিনজান বিদ্যুৎ যোগান কেন্দ্ৰৰ পৰাই দিনজানস্থিত সেনা চাউনীলৈ অসমৰ সাম্প্ৰতিক আইন ও শৃঙ্খলা (Law and order) পৰিস্থিতিৰ বাবে ২৪ ঘণ্টাই বিদ্যুৎ সৰবৰাহৰ ব্যৱস্থা কৰা হৈছে। সেনা চাউনীৰ আশে পাশে অৱস্থিত গাওঁ সমূহলৈ বিদ্যুৎৰ বিতৰণ ব্যৱস্থা বিদ্যুৎ প্ৰাপ্তি ও বিদ্যুৎ চাহিদাৰ ওপৰত নিৰ্ভৰ কৰে। বিদ্যুৎ উৎপাদন/ বিদ্যুৎ ক্ৰয়ৰ ও বিদ্যুৎৰ চাহিদা অনুসৰি বিদ্যুৎৰ যোগান দিয়া হয়।

(খ) সেনা চাউনীৰ কাষৰীয়া গাওঁ সমূহলৈ বিদ্যুৎ সৰবৰাহ নিয়মীয়া কৰাৰ বাবে ব্যৱস্থা কৰা হৈছে।

(গ) অহা জুন /জুলাই '০৫ ৰ ভিতৰত বিদ্যুৎ প্ৰাপ্তি যথেষ্ট উন্নত হোৱাৰ আশা আছে আৰু সেয়ে হলে উক্ত সময়ৰ পৰা বিদ্যুৎ সৰবৰাহ নিয়মীয়া হ'ব বুলি আশা কৰা হৈছে।

**শ্ৰীৰাজু চাহু ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ইয়াত উত্তৰ দিছে যে দিনজানস্থিত সেনা চাউনীলৈ আইন শৃঙ্খলা পৰিস্থিতিৰ বাবে ২৪ ঘণ্টাই বিদ্যুৎ সৰবৰাহ কৰি থকা হৈছে। অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যে কাষৰীয়া গাওঁ যিবিলাক সেনা চাউনীৰ চাৰিওফালে আছে যেনে বৰাগাধৈ, মোলকগাওঁ, পুখুৰীজান আদি গাওঁবিলাকত কমেও ৪-৫ ঘণ্টা বিজুলী যোগান ধৰাৰ ব্যৱস্থা কৰিব পাৰিব নেকি ? মই বিশেষ ভাৱে অনুৰোধ কৰিব বিচাৰিছো এতিয়াই অতি জৰুৰীভাৱে বিদ্যুৎ দিব লাগে। মন্ত্ৰীয়ে কৈছিল জুন/জুলাই মাহৰ ভিতৰত কৰিব পৰা যাব। জুলাইৰ ভিতৰত কৰিব পাৰিব

নেকি ?

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমত বিশেষ ভাৱে তিনচুকীয়া, ডিব্ৰুগড় জিলাত বিদ্যুৎৰ নাটনি হয়। ইয়াৰ ঘাই কাৰণ হৈছে আমাৰ বিদ্যুৎ পৰিবাহী ব্যৱস্থাটো আওপুৰণি। ইয়াক পৰিচালনা কৰা হোৱা নাছিল। এতিয়া অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মাননীয় সদস্য গৰাকীক কবলৈ পাই ভাল পাইছো। এতিয়া আমি বিদ্যুৎ পৰিবাহী ব্যৱস্থাটো উন্নত কৰাৰ কাৰণে বিভিন্ন প্ৰকল্প হাতত লৈছো। কঠালগুৰীৰ, তিনচুকীয়া ট্ৰেঞ্চফৰ্মাৰটো সম্পূৰ্ণ কৰাৰ ব্যৱস্থা লোৱা হৈছে। আশা ৰাখিছো ট্ৰেঞ্চফৰ্মাৰটো সম্পূৰ্ণ হলে তিনচুকীয়া, ডিব্ৰুগড়ত বিদ্যুৎৰ নাটনি মাৰিব পৰা যাব।

**শ্ৰীচন্দন কুমাৰ চৰকাৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ইয়াত উত্তৰত কৈছে যে আইন শৃঙ্খলাৰ কাৰণে ২৪ ঘণ্টাই সেনা চাউনীত বিদ্যুৎ যোগান ধৰিব লাগে। অধ্যক্ষ মহোদয় তেনেকুৱা কিবা আইন আছে নেকি যে ৰাইজক বাদ দি সেনা চাউনীক ২৪ ঘণ্টাই বিদ্যুৎ যোগান ধৰিব লাগে।

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ** (মন্ত্ৰী) ঃ মাননীয় সদস্য শ্ৰীচৰকাৰ ডাঙৰীয়াই যি ব্যাখ্যা দিছে তেনেকুৱা নহয়। অধ্যক্ষ মহোদয়, সেনা চাউনী হৈছে অতি স্পৰ্শকাতৰ ঠাই। সেই কাৰণে তাত ২৪ ঘণ্টাই বিদ্যুৎ যোগান অব্যাহত ৰখাটো প্ৰয়োজনীয়। তাৰোপৰি যিবিলাক ৰাজহুৱা স্বাৰ্থজৰিত অনুষ্ঠান যেনে মেডিকেল কলেজ, হাস্পাতাল আদি অনুস্থান বিলাকত বিদ্যুৎ যোগানৰ অগ্ৰাধিকাৰ দিয়া হয়। দিনজানস্থিত সেনা চাউনীটো আইন শৃঙ্খলাৰ কাৰণে অসুবিধা হয় কাৰণে তাত অহৰহ ভাৱে বিদ্যুৎ যোগান ধৰা হয়। লগতে দেশৰ প্ৰতিৰক্ষাৰ প্ৰতি গণ্য কৰিয়েই এইটো কৰা হৈছে।

---

* Speech not corrected

**Mr. Speaker :** Now Starred Question No. 162, Hon'ble Member, Shri Ranjit Dutta.

**বিষয় ঃ উগ্ৰপন্থীৰ গুলীত হতাহত ব্যক্তিৰ সংখ্যা ।**

**শ্ৰীৰণ্জিৎ দত্তই সুধিছে ঃ**

* ১৬২/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) বিহালী সমষ্টিৰ গেলাপুখুৰীত ২-১০-০৪ তাৰিখে উগ্ৰপন্থীৰ গুলীত কিমান জন লোকৰ মৃত্যু হ'ল আৰু কিমানজন আহত হ'ল ? (ব্যক্তি সকলৰ নাম দিব)

খ) চৰকাৰে মৃতলোক সকলৰ পৰিয়াললৈ ঘোষণা কৰা সাহাৰ্য্য আজি পৰ্য্যন্ত আদায় নিদিয়াৰ কাৰণ কি ?

গ) কিমান দিনৰ ভিতৰত চৰকাৰে উক্ত সাহাৰ্য্য দিব ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) যোৱা ২-১০-০৪ ইং তাৰিখে উগ্ৰপন্থীৰ গুলীত গেলাপুখুৰীত কোনো ব্যক্তিৰ মৃত্যু হোৱা নাই। কিন্তু ৩/১০/০৪ তাৰিখৰ মাজনিশা সন্দেহযুক্ত এন ডি এফ বি উগ্ৰপন্থীয়ে গেলাপুখুৰীত চলোৱা গুলী চালনাত ৬ (ছয়) জন ব্যক্তি নিহত আৰু ৮ (আঠ) জন ব্যক্তি আহত হয়। মৃত আৰু আহত হোৱা ব্যক্তিসকলৰ নাম তলত উল্লেখ কৰা হ'ল।

মৃত ব্যক্তিসকলৰ নাম ঃ

১) ইন্দ্ৰ বাহাদুৰ মগৰ, পিতা ভক্ত বাহাদুৰ মগৰ

২) যাদৱ উপাধ্যায়, পিতা গঙ্গাৰাম উপাধ্যায়

৩) পিংকি আগৰৱাল, পিতা সত্য নাৰায়ণ আগৰৱাল

৪) পুকলু কেঁওট, পিতা ভিমা কেঁওট

৫) কমল কিশোৰ আগৰৱাল, পিতা আন্নদি আগৰৱাল

৬) চন্দন কেঁওট, পিতা দুখী কেঁওট

আহত সকলৰ নাম ঃ

১) বন্দি আগৰৱালা, স্বামী ওংকাৰমল আগৰৱালা

২) সত্য নাৰায়ণ আগৰৱালা, পিতা ওংকাৰ আগৰৱালা

৩) চঞ্চল আগৰৱালা, পিতা সত্য নাৰায়ণ আগৰৱালা

৪) বিমলা দেৱী আগৰৱালা, স্বামী সত্য নাৰায়ণ আগৰৱালা

৫) আন্নদি আগৰৱালা, পিতা ওংকাৰ আগৰৱালা

৬) পাৰ্ব্বতী দেৱী আগৰৱালা, স্বামী আন্নদি আগৰৱালা

৭) জ্যোতি (অনু) আগৰৱালা, পিতা আন্নদি আগৰৱালা

৮) প্ৰদীপ নিৰলা, পিতা টংগা নাথ নিৰলা

খ) চৰকাৰে মৃত ৬ (ছয়) জন ব্যক্তিৰ নিকটতম আত্মীয়লৈ এক লাখ টকাকৈ এককালীন সাহাৰ্য্য মঞ্জুৰ কৰিছে আৰু ইতিমধ্যে প্ৰয়োজনীয় চিলিং (ceiling) মোকলাই দিছে।

গ) চলিত মাহৰ ভিতৰতে সাহাৰ্য দিবৰ বাবে প্ৰচেষ্টা হাতত লোৱা হৈছে।

* **শ্ৰীৰণ্‌জিৎ দত্ত ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১নং প্ৰশ্ন (ক)ৰ উত্তৰত কৈছে যে ৬ জন নিহত আৰু ৮ জন ব্যক্তি আহত হৈছে। আহত সকলৰ ভিতৰত ৭ জনেই একেটা পৰিয়ালৰ ব্যক্তি। ২ নং প্ৰশ্নৰ উত্তৰত কৈছে যে ১ লাখ টকাকৈ এককালীন সাহাৰ্য মঞ্জুৰ কৰিছে আৰু

* Speech not corrected

চিলিং মোকলাই দিছে। অধ্যক্ষ মহোদয়, মই কথাটো বিশ্বাস কৰিব টান পাইছো। মই এটা কথা জানিব বিচাৰিছো যে এন ডি এফ বিয়ে ফায়াৰিং কৰাৰ পিচত মাননীয় গৃহমন্ত্রী ডাঙৰীয়া তালৈ গৈছিল আৰু ঘোষণা কৰিছিল যে ৪৫ দিনৰ ভিতৰত আমি নিহত সকলক ৩ লাখকৈ টকা দিম। এতিয়া ইয়াত উত্তৰত কৈছে যে ১ লাখ টকা মঞ্জুৰ কৰিছে আৰু চিলিং মোকলাই দিছে। এতিয়া প্রশ্ন হৈছে আমি কোনটো বিশ্বাস কৰিম মাননীয় গৃহমন্ত্রীৰ ঘোষণা নে ইয়াত দিয়া উত্তৰটো। গতিকে মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে ১ লাখ টকাৰ ঠাইত ৩ লাখ টকা দিয়াৰ ব্যৱস্থা কৰিব নেকি। এই টকা ৪৫ দিনৰ ভিতৰত দিম বুলি ঘোষণা কৰিছিল যদিও ৬ মাহ হ'ল এতিয়ালৈ দিয়া নাই। মাননীয় ৰাজ্যপালৰ ভাষণৰ আলোচনা কালটো এইটো কথা উল্লেখ কৰিছিলো। মাননীয় গৃহমন্ত্রী ডাঙৰীয়াই টকাটো সোনকালে ৰিলিজ কৰাৰ ব্যৱস্থা কৰিব নেকি আৰু কিমান দিনৰ ভিতৰত কৰিব।

**শ্ৰীৰকিবুল হুছেইন** (ৰাজ্যিক মন্ত্রী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে ঠিকেই কৈছে। আমি সেই ঠাইলৈ গৈছিলো। মাননীয় সদস্য জনক এটা কথা কব বিচাৰিছো যে আহত বা নিহত সকলৰ পৰিয়ালক আৰ্থিক ভাৱে সকাহ দিয়াৰ কাৰণে বৰ্ত্তমানৰ যিটো চিষ্টেম মাননীয় মুখ্যমন্ত্রী মহোদয়ে সলনি কৰিব বিচাৰিছে। আৰ্থিক সাহাৰ্য্য পুনৰসংস্থাপন বিভাগে দিয়ে আৰু তাৰ পিচত ডি চিলৈ যায় আৰু ডি চিয়ে টকাটো মোকলাই দিয়ে। এতিয়া মাননীয় মুখ্যমন্ত্রী মহোদয়ে পুনৰসংস্থাপন বিভাগৰ পৰা ডাইৰেক্টলি গৃহ বিভাগক দিয়াৰ কাৰণে চিন্তা চৰ্চ্চা কৰিছে। আমি নিহত সকলক ৩ লাখ টকা দিম বুলি কৈছিলো। এতিয়াও কৈছো যে ৩ লাখ টকা দিয়া হ'ব। বৰ্ত্তমান ১ লাখ টকা মোকলাই দিছো, ট্ৰেজাৰী খোলাৰ লগে লগে পাব। বাকী ২ লাখ টকাও সোনকালে পাব। মাননীয় সদস্য জনে ৰাজ্যপালৰ

ভাষণৰ আলোচনা কালতো এই কথাটো উত্থাপন কৰিছিল। আমিও সেই হিচাপে কথা ৰাখিম।

* **শ্ৰীপৰিমল শুক্ল বৈদ্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ তাত ২৭ জনে পায়। এজনৰ ডেড বডি পোৱা নাছিল। পুলিচৰ ৰিপোৰ্ট দিয়াত পলম কৰিছিল। মই এতিয়া মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে অনুৰাধা বৰ্ম্মনৰ হাচবেন্ডক এই সাহাৰ্য দিব পাৰিলে ভাল হয়। ২৭ জনেও ৫০ হাজাৰ টকাকৈ পাইছে। বাকী টকা সোনকালে দিয়াৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নেকি ?

**শ্ৰীৰকিবুল হুচেইন** (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে লিখিত ভাৱে দিয়ক। ডি চিৰ পৰা ৰিপোৰ্ট পালে ব্যৱস্থা লম।

* **শ্ৰীদিলীপ কুমাৰ শইকীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, ধেমাজিত পোনপটীয়া ভাৱে চেক বিতৰণ কৰিছে। এইটো মাননীয় মুখ্যমন্ত্ৰীয়ে ভালকাম কৰিছে। গতিকে মন্ত্ৰীমহোদয়ক অনুৰোধ কৰিব বিচাৰিছোঁ এনেকৈ যাতে ডি চিৰ জৰিয়তে ডাইৰেক্টলি চেক দিয়াৰ ব্যৱস্থা কৰে।

**শ্ৰীৰকিবুল হুছেইন** (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, গৃহ বিভাগে যাতে নিজে দিব পাৰে। সেই কাৰণে পুনৰসংস্থাপন বিভাগক গৃহ বিভাগৰ লগত সংযোগ কৰাৰ কাৰণে ব্যৱস্থা লোৱা হৈছে যাতে টকা বিলাক সোনকালে দিব পৰা যায়।

* **শ্ৰীপানীৰাম ৰাভা** ঃ মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাৰ বৰমাত দুজন যুৱ-কংগ্ৰেছৰ সদস্যক গুলিয়াই মাৰা হৈছিল, তেওঁলোকৰ পৰিয়ালেও সাহায্য পোৱা নাই। এইটো চাব লাগে। তাৰোপৰি বোমা বিস্ফোৰণত

* Speech not corrected

যিবিলাকৰ মৃত্যু হয়, তেওঁলোকৰ পৰিয়ালক ডি. চিৰ জৰিয়তে আনুস্থানিকভাৱে চেক বিতৰণৰ ব্যৱস্থা কৰিব লাগে।

* **শ্ৰীচন্দন কুমাৰ সৰকাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, বঙাইগাওঁ জিলাত এনেকুৱা বিষ্ণুপুৰ অঞ্চলৰ ১৩ জন মানুহৰ মৃত্যু হৈছিল, আজিলৈকে সাহায্য পোৱা নাই। ডেৰ দুই বছৰ ধৰি পোৱা নাই। অকল বঙাইগাওঁ জিলাতে নহয় অসমৰ সকলো জিলাতে সাহার্য্য পোৱাৰ ব্যৱস্থা কৰিব নেকি ? এই চেচন চলি থাকোতে সাহায্য দিব নেকি?

**শ্ৰীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চেচন চলি থাকোতে দিয়াটো সম্ভৱ নহব। আমি এই চিষ্টেমটো ঠিক কৰিব বিচাৰিছো। মাননীয় সদস্য চন্দন সৰকাৰ ডাঙৰীয়াই যিটো কৈছে আমি সোনকালে দিয়াৰ বাবে চেষ্টা কৰিম। মাননীয় সদস্য দিলীপ শইকীয়া ডাঙৰীয়াই যি ধৰণে কৈছে সেইধৰণে ব্যৱস্থা কৰা হ'ব।

* **শ্ৰীপানীৰাম ৰাভা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উগ্ৰপন্থী সকলৰ হাতত নিহত হোৱা সকলক এককালীন সাহায্য দিয়াৰ ব্যৱস্থা আছিল। তাৰোপৰি ভিক্‌টিমাইজ সকলক চাকৰি দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'ব নেকি ?

**শ্ৰীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ব্যৱস্থা সলনি কৰা হৈছিল। বহুত নিহত পৰিয়ালক চাকৰি দিব পৰা হোৱা নাই। সেই কাৰণে এক লাখৰ পৰিবৰ্ত্তে তিনি লাখ টকা সাহায্য দিয়াৰ ব্যৱস্থা কৰা হৈছে। তেখেতে যিটো কৈছে, সেইটো চিন্তা-চৰ্চ্চা কৰা হ'ব।

* **শ্ৰীভুপেন ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত কেইজনমান মানুহ

---

* Speech not corrected

সন্ধানহীন হৈ আছে। সেইবিলাকৰ পৰিয়ালক পুনৰসংস্থাপন বা সাহাৰ্য্য দিয়াৰ বাবে ব্যৱস্থা কৰিব নেকি ?

শ্ৰীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী) ঃ সাহাৰ্য্য দিয়াৰ বাবে পুনৰসংস্থাপন বিভাগৰ লগত যোগাযোগ কৰিলে ভাল হ'ব। এইটো বেলেগ প্ৰশ্ন।

(Starred Question No. 163 and 164 could not be taken up for disposal as the quetioners were not present in the House when called for. However the said questions deemed to have been laid on the table of the House with replies thereto.)

## SUB : ENTRY TAX

## Sri Gunin Hazarika asked :

* 163 : Will the Minister of Finance be pleased to state:

a) It is true that entry tax on raw materials plant and machinery for industry has regulative impact on industrial growth ?

b) What steps Goverenment will take to stop this negative impact ?

c) Will the Government amend the entry tax Act suitably for encouragement of setting up new industries ?

d) Has the Government received any memorandum from FINER and industrial organization regarding amendment of Entry Tax Act ?

**Shri Himanta Biswa Sarma (Minister of State, Finance) replied:**

a) To encourage the growth of local products as well as for improving harmonious growth of revenue of the State Entry Tax was levied @ 4% on plant and machineries. However, after proper review and in conformity of the Finance Ministers' Budget Speech in the last Budget Session, the rate of Entry Tax has been drastically reduced. So as to give priority to the growth of industry than revenue collection, Health institution including Medical Colleges are totally exempted now from such Entry Tax. For small scale Industries it is levied in the nominal rate of 1% only and for medium scale Industries upto Rs. 5 crores levied only at 2%. For capital investment on plant and mechineries on major and heavy Industries Entry Tax remains at 4%. As such, it is expected that there will be no regulative impact on Industries as the revised rates are nil or nominal for those who may suffer more from imposition of higher tax.

b) Steps have already been taken as in (a) above.

c) As in (a) above.

d) Yes, Govt. have responded by reviewing the Entry Tax rate.

**Subject : Enquiry Committee on Excess Expenditure.**

**Sri Hitendra Nath Goswami** asked :

*** 164 :** Will the Minsiter of Finance be pleased to State:

a) It is a fact that in persuance of the recommendation of the Committee on Public Accounts, an enquiry Committee was constituted by the Govt. of Assam in regard to the excess expenditure over the budget provision by successive Government ?

b) If so, place a copy of the notification ?

c) Whether the Committee has submitted its report?

If so, place a copy of it and state what steps Government has taken on the report ?

d) If not, why and in such a case whether Govt. will issue a final deadline to submit the report, state the Government view in this regard clearly?

**Shri Himanta Biswa Sarma** (Minsiter of State, Finance) replied :

a) Yes.

b) Copy of Notification No. FM. 55/2003/6 dt. 17.5.2004 and No. FM. 55/2003/52 dt. 1.2.2005 are enclosed as Annexure-I and Annexure-II respectively.

c) The Committee submitted a 1st part report which is not a final report. The 1st part report is under examination of Govt.

d) The Govt. have extended the term of the Committee for submisstion of report upto 31st March, 2005 vide

Notification No. FM.55/2003/52 dt. 1.2.2005.

**Mr. Speaker :** Now Starred Question No. 165, Hon'ble Member, Shri Girindra Kr. Baruah.

**বিষয় ঃ পুজি আৱণ্টন**

* **১৬৫/ শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই** সুধিছে ঃ মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্যৰ চহৰ (নগৰ সমিতি, পৌৰসভা, পৌৰনিগম)ৰ উন্নয়নৰ বাবে বিভাগৰ তৰফৰ পৰা পুঁজি আৱণ্টন দিয়া হৈছে নেকি ?

খ) যদিহে পুঁজিৰ আৱণ্টন দিয়া হৈছে, অসমৰ কোন কোন নগৰ সমিতি, পৌৰসভা আৰু পৌৰনিগমত কিমান টকা দিয়া হ'ল ?

গ) পুঁজি আৱণ্টনৰ নিৰ্দ্দিষ্ট উদ্দেশ্য বান্ধি দিয়া হৈছে নেকি ?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ** (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) হয়, দিয়া হৈছে।

খ) নগৰ উন্নয়ন বিভাগৰ জৰিয়তে নগৰ সমিতি, পৌৰসভা আৰু পৌৰ নিগম সমূহলৈ মটৰ ভিহিকুল টেক্স, স্বৰ্ণ জয়ন্তী চহৰী ৰোজগাৰ যোজনা আৰু একাদশ বিত্তীয় আয়োগ, ৰাষ্ট্ৰীয় বস্তী উন্নয়ন আৰু সৰু আৰু মজলীয়া নগৰ উন্নয়নৰ ধন আৱণ্টন দিয়া হয়। উক্ত ধনৰ মটৰ ভিহিকুল টেক্সৰ ধন তালিকা (ক)ত স্বৰ্ণ জয়ন্তী চহৰী ৰোজগাৰ যোজনা তালিকা (খ)ত, ৰাষ্ট্ৰীয় বস্তী উন্নয়ন তালিকা (গ)ত আৰু সৰু আৰু মজলীয়া নগৰ উন্নয়ন ধন তালিকা (ঘ)ত দেখুওৱা হয়। (See Annexure - II)

গ) হয় আৱণ্টিত পুঁজি ব্যৱহাৰৰ ক্ষেত্ৰত নিৰ্দ্দিষ্ট উদ্দেশ্য বান্ধি দিয়া

হয়।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে যে নগৰ সমিতি, পৌৰসভা, পৌৰনিগমৰ কাৰণে বিভিন্ন আঁচনি আছে। এইবিলাকলৈ মটৰ ভেহিকুল টেক্স, স্বৰ্ণ জয়ন্তী চহৰী ৰোজগাৰ যোজনা আৰু একাদশ বিত্তীয় আয়োগ, ৰাষ্ট্ৰীয় বস্তী উন্নয়ন আৰু সৰু আৰু মজলীয়া নগৰ উন্নয়নৰ ধন আৱণ্টন দিয়া হয় বুলি কৈছে। কি উদ্দেশ্যে দিয়া হৈছে, এইটো কোনে কাৰ্যকৰী কৰিব ?

* **শ্ৰীহেমপ্ৰকাশ নাৰায়ণ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই ধন নিৰ্দ্দিষ্ট কামৰ বিপৰীতে দিয়া নাই । নগৰ সমিতিক মটৰ ভেহিকুল টেক্স দিয়া হয়। এইটো মেৰামতি কৰিবৰ কাৰণেহে দিয়া হয়। ৰাস্তা-পদূলি বনাবৰ কাৰণে দিয়া নহয়। এইখিনি কাম মিউনিচিপালিটিয়ে কৰিব পাৰে।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, কাৰ্যকৰী কোনে কৰিব সেইটো মই জানিব বিচাৰিছো।

* **শ্ৰীহেমপ্ৰকাশ নাৰায়ণ** (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মিউনিচিপালিটিয়ে কৰিব।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ক'ৰবাত ক'ৰবাত ডি, চিৰ দ্বাৰা কৰা হৈছে আৰু মিউনিচিপালিটিৰ অধিকাৰ খৰ্ব্ব কৰা হৈছে। সৰু আৰু মজলীয়া নগৰ উন্নয়নৰ ধন আৱণ্টন দিয়াৰ কথা কৈছে। ২০০৪-২০০৫ চনত ২৯ খন চহৰত পইচা দিয়া হৈছে, কিন্তু নগাওঁ চহৰত দিয়া হোৱা নাই। নগাওঁ চহৰে কি কাৰণে টকা নাপালে মই জানিব বিচাৰিছো।

---

* Speech not corrected

* **শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সৰু আৰু মজলীয়া নগৰ উন্নয়ন শিতানত প্ৰতি বছৰে বিভিন্ন শিতানত টকা আৱণ্টন দিয়া হয়। নগাওঁ চহৰত যিখিনি টকা দিয়া আছে, সেইখিনি খৰচ কৰিব পৰা নাই। টকা শেষ নোহোৱাৰ কাৰণে তাত দিয়া হোৱা নাই।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, সৰু বৰ চহৰ বুলি কোনো কথা নাই। যোৱা বছৰ যোৰহাটত প্ৰধান মন্ত্ৰী ডাঙৰীয়াই শতবৰ্ষ উৎসৱত যোগদান কৰিছে। সেই যোৰহাট চহৰত ৩৫ লাখ টকা দিয়া হৈছে। কিন্তু নগাওঁ, তেজপুৰত পোৱা নাই। তাত কংগ্ৰেছ দলে পৌৰ সভা গঠন কৰিব পৰা নাছিল। এই ক্ষেত্ৰত মোৰ অভিযোগ আছে, এইটো ৰাজনৈতিক ভাবেহে কৰিছে কাৰণে তাত গুৰুত্ব দিয়া নাই।

* **শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যই কোৱাৰ দৰে ৰাজনৈতিক ভাৱে হোৱা নাই। উন্নয়ন শিতানৰ টকা তেজপুৰ আৰু নগাওঁ জিলাই পাইছে, কিন্তু খৰচ হোৱা নাই। যদি তাত টকা খৰচ হৈছে, এইটো চাই কি কাৰণত তাত পইচা দিয়া হোৱা নাই ব্যৱস্থা লোৱা হ'ব।

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেজপুৰ নগাওত টকা দিম বুলি কোৱাৰ বাবে মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। ৩১ মাৰ্চৰ ভিতৰত টকা ৰিলিজ কৰিবনে ?

* **শ্ৰীগৌতম ৰয় (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ৰেভিনিউ মিনিষ্টাৰৰ দায়িত্বত আছো। নগাওঁ চহৰত এক কোটি ষাঠি লাখ টকা দিয়া হৈছে।

---

* Speech not corrected

* **শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱা** ঃ মাননীয় অধ্যক্ষ মহোদয়, তেখেতক ধন্যবাদ দিছো। সেইটো নিৰ্দ্দিষ্ট ৰাস্তাৰ কাৰণে কৰিছে। কিন্তু বিশেষ ৰাস্তাৰ কাৰণে কৰা নাই।

* **শ্ৰীৰকিবুল হুছেইন** (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় মন্ত্ৰী মহোদয়, নগাওঁ জিলাত অন্যান্য ৰাস্তাঘাট হৈ আছে। মাননীয় সদস্যই বোধহয় দেখা নাই, তেখেতে ঘুৰি ফুৰি চালে দেখা পাব। নগাওঁত যিবিলাক প্ৰয়োজন বুলি ভবা হৈছে সেইবিলাক কৰা হৈছে।

* **শ্ৰীৰূপম সিং ৰংহাং** ঃ মাননীয় অধ্যক্ষ মহোদয়, পৌৰ নিগমত ৩৪ খন টাউনত টকা দিয়া দেখা গৈছে। আমাৰ ডিফু টাউনৰ বাহিৰে আন ঠাইত অৰ্থাৎ হাফলং হামৰেণ আদিত বাজেট পোৱা নাই। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে হাফলং আৰু হামৰেণৰ নিচিনা টাউন বিলাকত বাজেট দিয়াৰ ব্যৱস্থা কৰিব নে ?

* **শ্ৰীহেমপ্ৰকাশ নাৰায়ণ** (মন্ত্ৰী) ঃ পাৰ্বত্য জিলা সমূহ কাউনচিলে চোৱা চিতা কৰে। আমাৰ ইয়ালৈ অহাৰ পিচত আমি চাওঁ। যদি কিবা আছে জনালে আমি চাম।

* **শ্ৰীৰাজু চাহু** ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাষ্ট্ৰীয় বস্তী উন্নয়ন আঁচনিৰ ক্ষেত্ৰত মই কব খুজিছো যে আটাইখিনি ডিব্ৰুগড়তেই দিয়া হৈছে। চাবুৱাটো থাকি গ'ল, সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে চাবুৱাতো দিব লাগে।

* **শ্ৰীহেমপ্ৰকাশ নাৰায়ণ** (মন্ত্ৰী) ঃ সেইটো আমি চাম।

**Mr. Speaker :** Now, Starred Question No. 166, Hon'ble Member, Shri Bhupen Roy.

---

* Speech not corrected

14|5

**বিষয় ঃ আত্মসমৰ্পনকাৰী উগ্ৰপন্থীৰ সংখ্যা।**

**শ্ৰীভুপেন ৰয়ে সুধিছে ঃ**

* ১৬৬/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰ্ত্তমান চৰকাৰৰ কাৰ্য্যকালত (২০০১ চনৰ পৰা) বিভিন্ন উগ্ৰপন্থী সংগঠনৰ কিমান জন সদস্য চৰকাৰৰ ওচৰত আত্মসমৰ্পন কৰিলে ? (আত্মসমৰ্পন কৰা সদস্য ও সংগঠনৰ নাম উল্লেখ কৰিব)

খ) আত্মসমৰ্পন কৰা সদস্যসকলৰ পুনৰ সংস্থাপনৰ কিবা ব্যৱস্থা লোৱা হৈছে নেকি ?

**শ্ৰীৰকিবুল হুছৈইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) ৪৭৬৮ জন। আত্মসমৰ্পন কৰা সদস্য ও সংগঠনৰ নাম তালিকা সংলগ্ন কৰা হ'ল। (See Annexure-III)

খ) হৈছে।

* **শ্ৰীভুপেন ৰয় ঃ** মাননীয় অধ্যক্ষ মহোদয়, আত্মসমৰ্পন কৰা উগ্ৰপন্থী সকলক সংস্থাপনৰ কাৰণে চৰকাৰৰ কি আঁচনি আছে ? আমি দেখিছো এন ডি এফ বি কিছুমান লোকক ইতিমধ্যে চি আৰ পি এফত মকৰল কৰিছে, বাকী যুৱক-যুৱতীৰ কথা চিন্তা কৰিছে নেকি ?

**শ্ৰীৰকিবুল হুছৈইন (মন্ত্ৰী) ঃ** ১৯৯৮ চনৰ এক এপ্ৰিলৰ পৰা কাৰ্য্যকৰী হোৱাকৈ কেন্দ্ৰীয় চৰকাৰে উগ্ৰপন্থী সকলৰ সংস্থাপনৰ আঁচনি লৈছিল। যিসকল উগ্ৰপন্থী কেম্পত থাকে তেওঁলোকে ২ হাজাৰ টকা পায়। আমাৰ চৰকাৰ অহাৰ পাচত এই ২ হাজাৰ টকাৰ উপৰিও মূল সূতিলৈ ঘূৰি

---

* Speech not corrected

আহি যিসকলে অন্য কিবা ব্যৱসায় বাণিজ্য কৰিব খোজে যাৰ মাৰ্জিন মানি নাই, তেওঁলোকৰ সংস্থাপনৰ কাৰণে আমি কেন্দ্ৰীয় চৰকাৰলৈ সংস্থাপনৰ এখন আচনি পঠাইছে। ইতিমধ্যে বি, এল, টি সদস্যসকলৰ কাৰণে সংস্থাপনৰ ব্যৱস্থা কৰা হৈছে। কেম্পত থাকি যি সকলে ২ হাজাৰ টকা লৈ আছে যিসকলৰ চলন-ফুৰণ ভাল হৈছে তেওঁলোকক মাৰ্জিন মানি দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে।

**Mr. Speaker :** Now, Starred Question No. 167, Hon'ble Member, Shri Gautom Bora

## বিষয় ঃ পুলিচ আউট পোষ্ট স্থাপন।

**শ্ৰীগৌতম বৰাই সুধিছে ঃ**

* ১৬৭/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নগাওঁ জিলাৰ জাজৰি থানাৰ অন্তৰ্গত ৰাইদিঙিয়া অঞ্চলত এটা Police Out Post দিয়াৰ ব্যৱস্থা কৰিবনে ?

খ) নগাওঁ জিলাৰ অন্তৰ্গত ধিং থানা এলেকাৰ আহোম গাওঁত থকা Police Out Post টোৰ গৃহৰ অৱস্থা জৰাজীৰ্ণ হৈ থকাটো চৰকাৰ অৱগতনে ?

গ) যদি অৱগত উক্ত Out Post টোৰ গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) চৰকাৰৰ ওচৰত প্ৰস্তাৱ নাই।

খ) আহোম গাওঁত কোনো Police Out Post নাই।

কিন্তু অস্থায়ী ভাৱে পহৰাকাৰী দল নিয়োগ কৰা হৈছে।

গ) প্ৰশ্ন নুঠে।

**শ্ৰীগৌতম বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো আছিল নগাওঁ জিলাৰ জাজৰী থানাৰ অন্তৰ্গত ৰায়দিঙীয়া অঞ্চলত এটা পুলিচ আউটপোষ্ট দিয়াৰ ব্যৱস্থা কৰিবনে ? মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে প্ৰস্তাৱ নাই। অধ্যক্ষ মহোদয়, তেখেত নগাওঁ জিলাৰ মন্ত্ৰী হিচাবে ভালদৰে জানে যে সেই অঞ্চলত বেচি চোৰ-ডকাইতি হয়। সেই কাৰণে মই কব বিচাৰিছো যে হয়বৰ গাওঁ দলঙৰ ওপৰত বৰ্ত্তমান নিশা পহৰাৰ ব্যৱস্থা আছে। জাজৰি থানাৰ পৰা এই অঞ্চলটোলৈ যথেষ্ট দূৰ হয় সেইবাবে এটা আউট পোষ্টৰ ব্যৱস্থা কৰিব লাগে। মই পুনৰবাৰ সুধিছো ইয়াত এটা আউট পোষ্ট কৰা ব্যৱস্থা কৰিব নে ?

**শ্ৰীৰকিবুল হুছৈইন (ৰাজ্যিক মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, প্ৰস্তাৱটো অতি প্ৰয়োজনীয়। কিন্তু পূজিৰ অভাৱত কৰিব পৰা নাই। প্ৰয়োজন নাই বুলি কোৱা নাই। মাননীয় সদস্য গৰাকী তাৰ স্থানীয় বিধায়ক হিচাবে জানে যে গিৰিণ শইকীয়া নামৰ এজন ব্যক্তিয়েও এবিঘা মাটি দান দিছে। ডি আৰ ডি এ তাত ঘৰ নিৰ্মাণ কৰি দিছে। তথাপি পূজিৰ অভাৱত মঞ্জুৰ কৰিব পৰা নাই। এচ পিৰ পৰা আৰু এটা প্ৰস্তাৱ প্ৰেৰণ কৰিলে ভাল হ'ব।

**শ্ৰীগৌতম বৰা ঃ** মহোদয় জানে যে ৰাইজে মাটি দিছে। ডি আৰ ডি এ ঘৰ কৰি দিছে গতিকে এতিয়া চৰকাৰৰ আৰু কি খৰচ হব ? গতিকে সোনকালে কৰিব বুলি আশ্বাস দিব নে ?

**শ্ৰীৰকিবুল হুছৈইন (ৰাজ্যিক মন্ত্ৰী) ঃ** মাটি ঘৰ দিলেও বিভিন্ন ৰেংকৰ পুলিচ বিষয়া নিযুক্তি দিব লাগিব। যাৰ কাৰণে আজিৰ তাৰিখত চেংচন কৰিম বুলি কোৱাটো সম্ভৱ নহয়। প্ৰয়োজন নাই বুলি কোৱা নাই, পৰীক্ষা-নিৰীক্ষা নিশ্চয় কৰিম।

**শ্ৰীগৌতম বৰা ঃ** মই যোৱা বাৰো এই প্ৰস্তাৱটো দিছিলো। যোৱা বিধান সভাতো একে উত্তৰ। গতিকে স্পষ্ট কওক হ'ব নে নহয়।

**শ্ৰীৰকিবুল হুছেইন** (ৰাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই আপত্তি কৰা নাই। প্ৰয়োজন নাই বুলিও কোৱা নাই কিন্তু পুঁজিৰ অভাৱৰ কাৰণে কৰিব পৰা নাই। পুঁজি পালেই ব্যৱস্থা কৰিব পৰা যাব।

* **শ্ৰীভীমা তাতী ঃ** ৰঙাপাৰাত এটা আৰ্মি কেম্প আছিল সেই কেম্পটো উঠাই দিয়াৰ পাছত এতিয়া আকৌ বহুত চুৰি-ডকাইতি আৰম্ভ হৈছে, সিদিনা আকৌ ৫০ লাখ টকা বেংকৰ পৰা উঠাই লৈ গ'ল। গতিকে তৰাজুলী বাগিছাত পুনৰ এই কেম্পটো দিয়াৰ ব্যৱস্থা কৰিব নে ?

**শ্ৰীৰকিবুল হুছেইন** (ৰাজ্যিক মন্ত্ৰী) ঃ এই প্ৰশ্নটো ইয়াৰ লগত জড়িত নহয় তথাপি সদন শেষ হোৱাৰ পাছত মোৰ চেম্বাৰলৈ আহিলে উচ্চ পদস্থ বিষয়া সকলৰ লগত আলোচনা কৰি নিৰ্দ্দেশ দিম।

**শ্ৰীৰূপন সিং ৰংহাং ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিটো মেঘালয় ৰাজ্যৰ সীমাৰ লগত জড়িত। কিন্তু ক'তো আউটপোষ্ট নাই যি দুই এটা বেটেলিয়ান কেম্প আছে সিও নিস্ক্ৰীয়। মেঘালয় চৰকাৰৰ বেটেলিয়ান কেম্প আমাৰ সীমাৰ ভিতৰত আছে যাৰ কাৰণে আমি আমাৰ মাটি পৰ্যন্ত ৰক্ষণাবেক্ষণ দিব পৰা নাই আৰু প্ৰায়ে সংঘৰ্ষ হৈ থাকে। সীমামুৰীয়া ঠাই বিলাকত আউটপোষ্ট খোলাৰ ব্যৱস্থা কৰিব নে ?

**শ্ৰীৰকিবুল হুছেইন** (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় সদস্য গৰাকীয়ে কোৱা কথাখিনি সত্য আৰু বিষয়টো বৰ চেনজিটিভ। প্ৰস্তাৱ আছে যদিও পূজিৰ অভাৱত আমি আউটপোষ্ট বিলাক কৰিব পৰা নাই, কিছুমান আউটপোষ্ট চলি আছে কিন্তু মঞ্জুৰী নাই। মাননীয় সদস্য গৰাকীয়ে কোৱা কথাখিনি গুৰুত্বপূৰ্ণ, আমি এচ পিৰ দ্বাৰা প্ৰস্তাৱ আনি অগ্ৰাধিকাৰ ভিত্তিত ব্যৱস্থা লম।

* Speech not corrected

* শ্ৰীবিদ্যাসিং ইংলেং ঃ কাৰ্বি আংলংৰ ভিতৰত অৰ্থাৎ হামৰেণত মেঘালয় চৰকাৰৰ এটা পুলিচ বেটেলিয়ান আছে। অসমৰ মাটিত পুলিচ বেটেলিয়ান থকাটো আচৰিত কথা গতিকে এই বেটেলিয়ানটো উঠোৱাৰ ব্যৱস্থা চৰকাৰে অতি সোনকালে কৰিব নে ?

শ্ৰীৰূপন সিং ৰংহাং ঃ মেঘালয়ে আমাৰ সীমাৰ ৯ কি.মি. ভিতৰত তেওঁলোকৰ বেটেলিয়ান কেম্প কৰিছে মাননীয় সদস্য ইংলেং ডাঙৰীয়াই কোৱাৰ দৰে অতি সোনকালে তাক উঠাই দিয়াৰ ব্যৱস্থা চৰকাৰে কৰিব নে ?

* শ্ৰীঅজিৎ সিং ঃ অসমৰ মাটিত তেওঁলোকে কেম্প কেনেকৈ কৰিবলৈ সাহস কৰিলে ? গতিকে মন্ত্ৰী মহোদয়ে নিজে গৈ চাই-চিতি বিধান সভা চলি থাকোতে তাৰ ব্যৱস্থা কৰক এইটো নকৰিলে কালি মিজোৰাম নাগালেণ্ডেও সেই সুবিধা ল'ব।

শ্ৰীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী) ঃ এই প্ৰশ্নটো আছিল জাজৰী সংক্ৰান্তত কিন্তু মাননীয় সদস্য সকলে কোৱা কথাখিনিৰ ওপৰত বৰ্ত্তমান তথ্য নাই। তেখেত সকলে যদি বিধান সভাৰ পাছত মোৰ চেম্বাৰলৈ আহে উচ্চ পদস্থ বিষয়া সকলক মাতি আনি আলোচনা কৰি ততাতৈয়াকৈ ব্যৱস্থা লোৱা হ'ব।

**Mr. Speaker :** Starred Question No. 168, Hon'ble Member, Sri Premadhar Bora.

**বিষয় ঃ খালী পদৰ সংখ্যা।**

**শ্ৰীপ্ৰেমধৰ বৰাই সুধিছে ঃ**

* ১৬৮/ মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

---

* Speech not corrected

ক) অসম আৰু ভাৰত চৰকাৰৰ মাজত বুজা বুজিৰ চুক্তিত (MOU) সম্পন্ন হোৱাৰ পৰা বৰ্ত্তমানলৈকে অসম চৰকাৰৰ বিভিন্ন বিভাগত খালী হৈ থকা পদৰ সংখ্যা কিমান ?

খ) উল্লেখিত পদসমূহ পূৰণ নকৰাৰ ফলত বিভাগীয় কাম কাজত অসুবিধা হৈছে নেকি ?

গ) বৰ্ত্তমানৰ বৰ্দ্ধিত নিবনুৱা যুৱক-যুৱতীলৈ কৰ্ম্মসংস্থাপনৰ স্বাৰ্থত এই বুজা-বুজি চুক্তিটো বাতিল কৰাৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) এই সম্পৰ্কে সংশ্লিষ্ট বিভাগসমূহৰ পৰা বিতং তথ্য বিচৰা হৈছে আৰু সমূহ তথ্য এতিয়াও আহি পোৱা নাই।

খ) এই বিষয়েও সমূহ বিভাগৰ পৰা মতামত বিচৰা হৈছে।

গ) বৰ্ত্তমানৰ চৰকাৰে ২০০৩ চনৰ ২৬ মাৰ্চত স্বাক্ষৰ কৰা বিত্তীয় সংস্কাৰ আঁচনিৰ ম্যাদ ৩১ মাৰ্চ ২০০৫ ত সমাপ্ত হ'ব। ২০০৩ চনত স্বাক্ষৰ কৰা বিত্তীয় সংস্কাৰ আঁচনিয়ে চৰকাৰী নিযুক্তিত কোনো বাধাৰ সৃষ্টি কৰা নাই।

* **শ্ৰীপ্ৰেমধৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ (ক) প্ৰশ্নটো আছিল অসম আৰু ভাৰত চৰকাৰৰ মাজত থকা বিত্তীয় চুক্তি সম্পন্ন হোৱাৰ পৰা বৰ্ত্তমানলৈকে অসম চৰকাৰৰ বিভিন্ন বিভাগত খালি হৈ থকা বিভিন্ন পদৰ সংখ্যা কিমান ? উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে সংশ্লিষ্ট বিভাগৰ পৰা বিতং তথ্য বিচৰা হৈছে। অধ্যক্ষ মহোদয় এই প্ৰশ্নটো এমাহ আগতে দিছিলো। তেখেতে কি বিবেচনা কৰি উত্তৰটো দিলে ফেক্স কৰি হলেও উত্তৰটো সোনকালে আনিব পাৰে, যদি তথ্য নাই প্ৰশ্নটো পেণ্ডিং কৰি থব লাগিছিল, কিয় নকৰিলে ?

শ্ৰীৰবি

* Speech not corrected

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা** (ৰাজ্যিক বিত্ত মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, যোৱা ২-৮-২০০৪ চনত অসম বিধান সভাত তেতিয়াৰ কৰ্ম্মচাৰী বিভাগৰ মন্ত্ৰী শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে ২৬ হাজাৰ ২৬৪ টা খালি পদ থকা বুলি কৈ গৈছে এতিয়া দুই এটা বিভাগত পূৰণ কৰা পদ আৰু কনিষ্টবল পদক ধৰিলে এই সংখ্যা কম হব। সদনত বিচাৰিছে যেতিয়া তথ্য সংগ্ৰহ কৰি অতি সোনকালে দিম।

* **শ্ৰীপ্ৰেমধৰ বৰা** ঃ বেচৰকাৰী হিচাবত আমি জনাত বিভিন্ন বিভাগত প্ৰায় ৩০ হাজাৰ খালি পদ আছে একেবাৰে চতুৰ্থ শ্ৰেণীৰ পৰা আৰম্ভ কৰি। প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি মাধ্যমিক বিদ্যালয় তথা বিষয় শিক্ষক ও মহাবিদ্যালয় শিক্ষকৰ প্ৰায় ১৫ হাজাৰ শিক্ষক পদ খালি আছে। সেই কাৰণে মই সুধিছিলো যে উল্লেখিত পদ সমূহ পূৰণ নকৰাৰ ফলত বিভাগীয় কাম কাজত কিবা অসুবিধা হৈছে নেকি ? মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে বিভিন্ন বিভাগৰ মতামত বিচৰা হৈছে। আজি বিদ্যালয় বিলাকত অংক, ইংৰাজী, ভুগোল আদি বিভাগৰ শিক্ষক নোহোৱা কাৰণে কি লোকচান হৈছে বিভাগৰ মত ল'ব লাগে।

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা** (ৰাজ্যিক মন্ত্ৰী) ঃ আচলতে এইবিলাক তথ্য বিত্ত বিভাগে দিব লগা নহয়। আমি নিজে মতামত দিলে বা হৈছে বুলি কলে প্ৰতিক্ৰিয়া হ'ব, লগে লগে পদ পূৰণ কৰা উপৰিও পদ সৃষ্টি কৰাৰ কাৰণেও জোৰ দিব। প্ৰশ্নটো কৰ্ম্মচাৰী বিভাগৰ তেওঁলোকেহে মতামত দিব পাৰিব। কিন্তু বুজাবুজি চুক্তিৰ কথাটো থকা কাৰণে আমি তাৰ উত্তৰ দিব লগা হৈছে তথাপি আমি খবৰ লৈ জনাম।

* **শ্ৰীপ্ৰেমধৰ বৰা** ঃ মোৰ (গ) প্ৰশ্নটো আছিল বৰ্ত্তমানৰ বৰ্ধিত নিবনুৱা যুৱক-যুৱতীৰ কৰ্ম্মসংস্থাপনৰ স্বাৰ্থত বুজাবুজিৰ চুক্তি বাতিল কৰাৰ ব্যৱস্থা

* Speech not corrected

ক) অসম আৰু ভাৰত চৰকাৰৰ মাজত বুজা বুজিৰ চুক্তিত (MOU) সম্পন্ন হোৱাৰ পৰা বৰ্ত্তমানলৈকে অসম চৰকাৰৰ বিভিন্ন বিভাগত খালী হৈ থকা পদৰ সংখ্যা কিমান ?

খ) উল্লেখিত পদসমূহ পূৰণ নকৰাৰ ফলত বিভাগীয় কাম কাজত অসুবিধা হৈছে নেকি ?

গ) বৰ্ত্তমানৰ বৰ্দ্ধিত নিবনুৱা যুৱক-যুৱতীলৈ কৰ্ম্মসংস্থাপনৰ স্বাৰ্থত এই বুজা-বুজি চুক্তিটো বাতিল কৰাৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) এই সম্পৰ্কে সংশ্লিষ্ট বিভাগসমূহৰ পৰা বিতং তথ্য বিচৰা হৈছে আৰু সমূহ তথ্য এতিয়াও আহি পোৱা নাই।

খ) এই বিষয়েও সমূহ বিভাগৰ পৰা মতামত বিচৰা হৈছে।

গ) বৰ্ত্তমানৰ চৰকাৰে ২০০৩ চনৰ ২৬ মাৰ্চত স্বাক্ষৰ কৰা বিত্তীয় সংস্কাৰ আঁচনিৰ ম্যাদ ৩১ মাৰ্চ ২০০৫ ত সমাপ্ত হ'ব। ২০০৩ চনত স্বাক্ষৰ কৰা বিত্তীয় সংস্কাৰ আঁচনিয়ে চৰকাৰী নিযুক্তিত কোনো বাধাৰ সৃষ্টি কৰা নাই।

* **শ্ৰীপ্ৰেমধৰ বৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ (ক) প্ৰশ্নটো আছিল অসম আৰু ভাৰত চৰকাৰৰ মাজত থকা বিত্তীয় চুক্তি সম্পন্ন হোৱাৰ পৰা বৰ্ত্তমানলৈকে অসম চৰকাৰৰ বিভিন্ন বিভাগত খালি হৈ থকা বিভিন্ন পদৰ সংখ্যা কিমান ? উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে যে সংশ্লিষ্ট বিভাগৰ পৰা বিতং তথ্য বিচৰা হৈছে। অধ্যক্ষ মহোদয় এই প্ৰশ্নটো এমাহ আগতে দিছিলো। তেখেতে কি বিবেচনা কৰি উত্তৰটো দিলে ফেক্স কৰি হলেও উত্তৰটো সোনকালে আনিব পাৰে, যদি তথ্য নাই প্ৰশ্নটো পেণ্ডিং কৰি থব লাগিছিল, কিয় নকৰিলে ?

---

* Speech not corrected

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা** (ৰাজ্যিক বিত্ত মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, যোৱা ২-৮-২০০৪ চনত অসম বিধান সভাত তেতিয়াৰ কৰ্ম্মচাৰী বিভাগৰ মন্ত্ৰী শ্ৰীওৱাজেদ আলী চৌধুৰীয়ে ২৬ হাজাৰ ২৬৪ টা খালি পদ থকা বুলি কৈ গৈছে এতিয়া দুই এটা বিভাগত পূৰণ কৰা পদ আৰু কনিষ্টবল পদক ধৰিলে এই সংখ্যা কম হব। সদনত বিচাৰিছে যেতিয়া তথ্য সংগ্ৰহ কৰি অতি সোনকালে দিম।

* **শ্ৰীপ্ৰেমধৰ বৰা** ঃ বেচৰকাৰী হিচাবত আমি জনাত বিভিন্ন বিভাগত প্ৰায় ৩০ হাজাৰ খালি পদ আছে একেবাৰে চতুৰ্থ শ্ৰেণীৰ পৰা আৰম্ভ কৰি। প্ৰাথমিক বিদ্যালয়ৰ পৰা আৰম্ভ কৰি মাধ্যমিক বিদ্যালয় তথা বিষয় শিক্ষক ও মহাবিদ্যালয় শিক্ষকৰ প্ৰায় ১৫ হাজাৰ শিক্ষক পদ খালি আছে। সেই কাৰণে মই সুধিছিলো যে উল্লেখিত পদ সমূহ পূৰণ নকৰাৰ ফলত বিভাগীয় কাম কাজত কিবা অসুবিধা হৈছে নেকি ? মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে বিভিন্ন বিভাগৰ মতামত বিচৰা হৈছে। আজি বিদ্যালয় বিলাকত অংক, ইংৰাজী, ভুগোল আদি বিভাগৰ শিক্ষক নোহোৱা কাৰণে কি লোকচান হৈছে বিভাগৰ মত ল'ব লাগে।

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা** (ৰাজ্যিক মন্ত্ৰী) ঃ আচলতে এইবিলাক তথ্য বিত্ত বিভাগে দিব লগা নহয়। আমি নিজে মতামত দিলে বা হৈছে বুলি কলে প্ৰতিক্ৰিয়া হ'ব, লগে লগে পদ পূৰণ কৰা উপৰিও পদ সৃষ্টি কৰাৰ কাৰণেও জোৰ দিব। প্ৰশ্নটো কৰ্ম্মচাৰী বিভাগৰ তেওঁলোকেহে মতামত দিব পাৰিব। কিন্তু বুজাবুজি চুক্তিৰ কথাটো থকা কাৰণে আমি তাৰ উত্তৰ দিব লগা হৈছে তথাপি আমি খবৰ লৈ জনাম।

* **শ্ৰীপ্ৰেমধৰ বৰা** ঃ মোৰ (গ) প্ৰশ্নটো আছিল বৰ্ত্তমানৰ বৰ্ধিত নিবনুৱা যুৱক-যুৱতীৰ কৰ্ম্মসংস্থাপনৰ স্বাৰ্থত বুজাবুজিৰ চুক্তি বাতিল কৰাৰ ব্যৱস্থা

---

* Speech not corrected

ল'ব নে ? উত্তৰত কৈছে বৰ্ত্তমান চৰকাৰে ২০০৩ চনৰ ২৬ মাৰ্চত স্বাক্ষৰ কৰা বিত্তীয় সংস্কাৰ আঁচনিৰ ম্যাদ ৩১ মাৰ্চত সমাপ্ত হ'ব। এইটো কি হ'ল ? ইয়াত কিবা সংগতি থাকি গ'ল নেকি ? (সদনত হাঁহিৰ ৰোল) আমি জানিব বিচাৰিছো অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ মাজত হোৱা চুক্তি কেতিয়া উঠাই ল'ব ?

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা (ৰাজ্যিক মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, তেখেতৰ প্ৰশ্ন মতেই আমি উত্তৰ দিব বিচাৰিছো। ২০০০ চনতে তেতিয়াৰ চৰকাৰৰ দিনত বুজাবুজিৰ চুক্তি কৰা হৈছিল সেই চুক্তিমতে ইয়াত তিনিটা কথা আছিল। প্ৰথম কথা হ'ল এবছৰ বা তাতকৈ বেছি দিন এটা পদ খালি হৈ থাকিলে পদ বিলাক অটোমেটিকেলি এবোলিচ হ'ব বিশেষকৈ চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ। দ্বিতীয়তে, যি কোনো পদ পূৰণ কৰিবলৈ হ'লে চৰকাৰৰ এম্পাৱাৰ কমিটিলৈ যাব লাগিব। তৃতীয়তে বছৰে বছৰে কৰ্ম্মচাৰীৰ সংখ্যা কমাই আনিব লাগিব। আচলতে নিযুক্তিত কোনো বেন্দ নাছিল বেন্দ আছিল মাত্ৰ নতুন পদ সৃষ্টি কৰাত। সেই চুক্তিমতে ১০ হাজাৰ পদ এবোলিচ কৰাৰ টাৰ্গেট দিছিল কিন্তু আমাৰ চৰকাৰ আহি তাক সংশোধন কৰাৰ ব্যৱস্থা কৰিছো। আমি অন্ততঃ নতুন পদ সৃষ্টি কৰাত বাধা আৰোপ থাকিলেও ভেকেঞ্চি বিলাক ফিল আপ কৰাত বাধা আৰোপ কৰা নাছিলো। আমাৰ চৰকাৰ অহাৰ পিছত ৪,২২২ টা পদ পূৰণ কৰা হৈছে আৰু পুলিচৰ ৯ হাজাৰ ধৰিলে এশ সংখ্যা বাঢ়িব। নতুন ক্ৰিয়েচন বন্ধ থাকিলেও আমি ইতিমধ্যে দুটা ৰিজাৰ্ভ বেটেলিয়ান সৃষ্টি কৰাটোত এগ্ৰি কৰাইছো, তেওঁলোকৰ দা-দৰ্মহা কেন্দ্ৰীয় চৰকাৰে দিব। গণ পৰিষদ চৰকাৰৰ দিনত থকা বাধা আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে বহুত দূৰ কৰিছে, এয়ে বুজাবুজি চুক্তিৰ কাহিনী, এই কাহিনী শেষ হ'ব আৰু গৌৰৱেৰে

* Speech not corrected

কথা ক'ব বিচাৰিছো ৩১ মাৰ্চৰ ভিতৰত বুজাবুজি চুক্তি শব্দটো অসমৰ ৰাইজে পাহৰি যাব, লগে লগে অগপৰ কলংকিত অধ্যায়ৰ অন্ত পৰিব।

* **শ্ৰীপ্ৰেমধৰ বৰা ঃ** এই দুয়োখন চুক্তিৰ নকল আমাক দিয়াৰ ব্যৱস্থা কৰিবনে ?

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা (ৰাজ্যিক মন্ত্ৰী) ঃ** আমাৰ দিনৰ চুক্তিখন দিব পাৰিম, লাগিলে আগৰ চৰকাৰখনৰো দিম ২০ তাৰিখৰ ভিতৰত অৰ্থাৎ ৰিচেচৰ পিছত সদনত দি দিম।

**Mr. Speaker :** Now starred Question No. 169, Hon'ble Member, Sri Pabindra Deka.

**বিষয় ঃ একাদশ বিত্ত আয়োগ।**

**শ্ৰীপবিন্দ্ৰ ডেকাই সুধিছে ঃ**

* ১৬৯/ মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমৰ আন্তঃগাঠনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে একাদশ বিত্ত আয়োগৰ জৰিয়তে অসমত কিমান টকা দিছিল ?

খ) এই টকা এতিয়ালৈ কিমান খৰছ কৰা হ'ল আৰু কিমান খৰছ কৰিবলৈ বাকী আছে ?

গ) যদি খৰছ কৰিবলৈ বাকী আছে বাকী থকাৰ কাৰণ কি ?

ঘ) তদ্ৰূপ দ্বাদশ বিত্তীয় আয়োগৰ পৰা ৰাজ্যখনৰ বাবে চৰকাৰে কিমান টকা বিচাৰিছিল ? কিমান টকা দিলে ?

ঙ) চৰকাৰে বিচৰা মতে টকা দিছেনে ?

চ) যদি দিয়া নাই, কিয় দিয়া নাই ?

---

* Speech not corrected

**শ্ৰীহিমন্ত বিশ্ব শৰ্মা** (বিত্ত বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে **মাননীয় মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈৰ হৈ** উত্তৰ দিছে ঃ

ক) অসমৰ প্ৰশাসনীয় মানদণ্ডৰ উন্নতীকৰণ আৰু বিশেষ সমস্যা শিতানত একাদশ বিত্ত আয়োগে জনোৱা ১৩২.৫৪ কোটি টকাৰ অনুমোদনাৱলীৰ বিপৰীতে বিত্ত মন্ত্ৰালয়ে ৯২.৭৪ কোটি টকা মোকলাই দিছে।

খ) একাদশ বিত্ত আয়োগৰ দ্বাৰা অনুমোদিত ধনৰাশিৰ বিপৰীতে অসম চৰকাৰে বিভিন্ন শিতানত ১৩১.৭২ কোটি টকা মঞ্জুৰ কৰিছে আৰু এই পৰ্য্যন্ত মঞ্জুৰীকৃত ধনৰ পৰা ১১৮.২১ কোটি টকা সংশ্লিষ্ট বিভাগসমূহক মোকলাই দিয়া হৈছে।

গ) যিহেতু একাদশ বিত্ত বিভাগৰ দ্বাৰা প্ৰাপ্ত ধন ব্যয়ৰ সময়সীমা ৩১ মাৰ্চ, ২০০৫ তাৰিখ পৰ্যন্ত বাহাল থাকিব, তেতিয়ালৈ এশ শতাংশ ধন ব্যয় কৰিব পৰা যাব বুলি আশা কৰা হৈছে।

ঘ) দ্বাদশ বিত্ত আয়োগৰ পৰা ৰাজ্য চৰকাৰে প্ৰশাসনীয় মানদণ্ডৰ উন্নতীকৰণ ও আধুনিকীকৰণৰ বাবে ৭০৪৯.৬৬ কোটি টকা অনুমোদনৰ বাবে আবেদন জনাইছিল। দ্বাদশ বিত্ত আয়োগে মানদণ্ডৰ উন্নতীকৰণ ও আধুনিকীকৰণৰ শিতানটো বাহাল ৰখা নাই। ইয়াৰ বিপৰীতে দ্বাদশ বিত্ত আয়োগে বিভিন্ন শিতানত মুঠ ৪৪৭৮.৭১ কোটি টকাৰ অনুমোদন দিছে। এই বিষয়ে মাননীয় মুখ্যমন্ত্ৰীয়ে সদনত ১০ মাৰ্চ তাৰিখে বিতং ইতিমধ্যে দাখিল কৰিছে।

ঙ) বুজন পৰিমাণে দিছে।

চ) প্ৰশ্ন নুঠে।

* **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কৈছে অসম চৰকাৰক একাদশ বিত্তীয় আয়োগে দিয়া টকাৰ ১৩১

* Speech not corrected

কোটি ৭২ লাখ বিভিন্ন বিভাগলৈ মঞ্জুৰ কৰিছে। আৰু তাৰে ১১৮ কোটি টকা মোকলাই দিছে। এতিয়া কথা হ'ল বিভাগবিলাকে একাদশ বিত্তীয় আয়োগৰ কিমান শতাংশ টকা খৰছ কৰিছে আৰু কিমান শতাংশ বাকী আছে?

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা** (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, বিত্তীয় আয়োগৰ কথা হ'ল প্ৰথমে আমি টকা খৰছ কৰিব লাগে তাৰ পিছত ইউটিলাইজেশ্যন চাৰ্টিফিকেট দিব লাগে তাৰি পিছতহে দ্বিতীয় কিস্তিটো মোকলাই দিয়ে। ইতিমধ্যে ১৩২.৫৪ কোটি টকা অনুমোদন দিছে আৰু তাৰে ৯২.৭৪ কোটি টকা মোকলাই দিছে। আমি এতিয়া দিল্লীৰ পৰা নোপোৱাকৈয়ে ২০ কোটি টকা মোকলাই দিছো, আগতীয়াকৈয়ে কাৰণ ৩১ মাৰ্চৰ আগতে আমি ইউটিলাইজেশ্যন চাৰ্টিফিকেট দিব লাগিব। আমি জানো যে একাদশ বিত্তীয় আয়োগে এক এপ্ৰিলৰ ভিতৰত ইউটিলাইজেশ্যন চাৰ্টিফিকেট বিচাৰিব। সেয়ে আমি ৩১ মাৰ্চৰ ভিতৰত সকলো সম্পূৰ্ণ কৰি ইউটিলাইজেশ্যন চাৰ্টিফিকেট দিয়াৰ ব্যৱস্থা কৰিব পাৰিম।

* **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** অধ্যক্ষ মহোদয়, ১১৮ কোটি টকা বিভিন্ন বিভাগত খৰছ কৰাৰ কাৰণে দিছে, কিন্তু এতিয়া আজি ১৪ মাৰ্চ হলেই গতিকে ৩১ মাৰ্চৰ ভিতৰত কিমান টকা খৰছ হ'ব ? মই জনাত বিভিন্ন বিভাগত এতিয়াও বহু টকা বাকী আছে। গতিকে জানিব খুজিছো কিমান শতাংশ খৰছ হৈছে আৰু কিমান শতাংশ বাকী আছে ?

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা** (ৰাজ্যিক মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনত সিদিনা মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এটা ষ্টেটমেন্ট দিছিল এতিয়া মই তাৰ পৰাই কোট কৰি দিব বিচাৰিছো -।

---

* Speech not corrected

দ্বাদশ আৰু একাদশ বিত্তীয় আয়োগৰ তুলনামতে তেতিয়াই কৰিছিল। সেই বিবৃতিৰ লাষ্ট পেৰাত আছে - I am just quoting the last para of 11th Finance Commissions Report 'Which on the subject the state Government have utilised 100% of alloted fund by 11th Finance Commission by 31st March'.

* **শ্ৰীপবিন্দ্ৰ ডেকা ঃ** মই তথ্যটোহে বিচাৰিছো। বিশ্বাসৰ কথা নাহে।

* **শ্ৰীহিমন্ত বিশ্ব শৰ্মা** (ৰাজ্যিক মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, শতকৰা ৯২ ভাগেই খৰছ হোৱা বুলি ইতিমধ্যেই মই জনাইছোঁ।

**Mr. Speaker :** Now, Starred Question No. 170, Hon'ble Member, Shri Monilal Goala.

## SUB : INTENSIFICATION SCHEME AND MNP SCHEME

**Shri Monilal Goala asked :**

* **170/** Will the Minsiter of Power be pleased to state :

a) Whether the Intensification Scheme and MNP Scheme already sanctioned under Lowairpoa Electrical Sub-Division and Patharkandi Electrical Sub-Division in Karimganj Division have been executed?

b) If not, whether the Government will assure by when the already sanctioned schemes will be executed ?

**Shri Pradyut Bordoloi (Minsiter of State (Ind), Power) replied :**

* Speech not corrected

a) The already sanctioned Intensification Scheme for Electrification of Villages under Lowerpoa and Patharkandi Electrical Sub-Division of ASEB are shown as below :

| Sl. No. | Name of the Intensification Scheme | | No. of Villages Covered Under | |
|---|---|---|---|---|
| | | | Lowairpoa | Patharkandi |
| 1. | RE(MNP) | 2000-2001 | 6 | Nil |
| 2. | RE(PMGY) | 2001-2002 | Nil | 1 |
| 3. | RE(MNP) | 2001-2002 | 2 | 1 |
| 4. | RE(MNP) | 2002-2003 | 7 | 1 |

Works under Sl.No. 1, 2 & 3 have been completed, for Sl. No. 4 works execution will be started very shortly as Tender process against the works is at final stage.

b) The works under Sl. No. 4 RE(MNP) : 2002-2003 are expected to be completed by 31st March, 2006.

* **শ্ৰীমনিলাল গোৱালা** ঃ মাননীয় অধ্যক্ষ মহোদয়, ২০০০-২০০৩ চনত পাথাৰকান্দি চাব ডিভিজনত কিমান গাওঁ এম, এন, পি আঁচনিৰ অধীনত ইলেট্ৰিফিকেচন কৰা হ'ল ? মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে বিচৰাৰ দৰে মই গাওঁ কেইখনৰ নাম য'ত ৰুৰেল ইলেট্ৰিফিকেশ্যন কৰা হৈছে

* Speech not corrected

২০০০-২০০১ চনত (১) মাগুৰাপুঞ্চী ফৰেষ্ট ভিলেজ (২) মানিকবন্ধ ফৰেষ্ট ভিলেজ (৩) নীলকণ্ঠপুৰ (৪) ৰঙ্গামাটি ফৰেষ্ট ভিলেজ (৫) জেকব নগৰ (৬) নান্দ্রিগ্রাম। এই ছয়খন গাওঁত বিজুলী যোগান কৰা হৈছে। আকৌ আৰ ই পি এম জি আঁচনিত ২০০১-২০০৩ ত (১) আছাৰীয়াঘাট (২) বইছঠাখাল বস্তি, (৩) চান্দখীৰা টি ই আকৌ আৰ ই এম এন পি ২০০২-২০০৩ ত লোৱাইৰ দ্বাৰা, মানিকবান্দ ফৰেষ্ট ভিলেজ (৩) বালিপৰা ফৰেষ্ট ভিলেজ (৪) টিৰমিটি টি ইষ্টেট (৫) বিলবালি চটকৰ (৬) জাহানপুৰ (৭) কনকপুৰ ফৰেষ্ট ভিলেজ (৮) শম্ভু নগৰ ফৰেষ্ট ভিলেজ। আকৌ ২০০২-২০০৩ পাথাৰকান্দি ২নং খণ্ডত ইতিমধ্যে ইলেট্রিফিকেশ্যন কৰা হৈছে।

* **শ্ৰীমনিলাল গোৱালা** ঃ মাননীয় অধ্যক্ষ মহোদয়, যি বিলাক গাওঁত বিজুলী যোগান ধৰা হৈছে বুলি মন্ত্ৰী মহোদয়ে কলে সেই বিলাকত এতিয়া লাইট জ্বলিছেনে মন্ত্ৰী মহোদয়ে জনাবনে ?

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ** (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, চৰকাৰীভাৱে এ এচ ই বিৰ ফালৰ পৰা দিয়া হৈছে বুলি ৰিপৰ্ট পাইছোঁ। কিন্তু তাত লাইট জ্বলিছে নে নাই সেইটো মই খবৰ কৰি পিচত ক'ব পাৰিম।

* **শ্ৰীমনিলাল গোৱালা** ঃ এই বিত্তীয় বৰ্ষত এই গোটেইকাম বিলাক সম্পূৰ্ণ হ'বনে মন্ত্ৰী মহোদয়ে জনাবনে?

* **শ্ৰীপ্ৰদ্যুৎ বৰদলৈ** (মন্ত্ৰী) ঃ আচলতে আগৰ নিয়মমতে গাওঁখনৰ এমুৰে এটা খুটা পুতিলে গাঁওখন ইলেট্রিফিকেশ্বন হোৱা বুলি ধৰা হয়। কিন্তু এতিয়া নতুন নিয়মমতে যিখন গাওঁ লোৱা হ'ব তাৰ বিজুলী সংযোগ সম্পূৰ্ণ কৰি বিজুলী সংযোগ কৰাৰ পিচতহে গাওঁত বিজুলী যোগান হোৱা বুলি ধৰা হ'ব।

**Mr. Speaker : Question Hour is over.**

(Starred Question No. 171 to 178 were not taken up for disposal as the question Hour was over. However, the said questions deemed to have been laid on the table of the House with replies there to)

## Sub : Silchar Water Supply Scheme.

**Shri Bimolangshu Roy asked :**

*** 171/ will the Minsiter, Urban Development be pleased to state :**

a) What is the total fund released by the Union Minsiter of North East Development, New Delhi for greater Silchar Water Supply Scheme and when ? What is the fund received by the Department and how much utilised for far?

b) Why the pipe laying work in Link Road, Silchar has not been completed as yet ? Why the fund has not yet been pleased to the P.W.D. for restoration to road as per demand of the P.W.D. and agreed upon by the Department ?

c) Why there is no progress of overhead tank ? Why order for supply of pipe (distribution) has not been issued ? When the pipes are likely to reach the locality?

d) What about the department commitment for supply of drinking water in link Road by March, 2005 ?

e) Can the Government fulfill the terms of agreement entered with the Central Government while getting fund ? If so, how ? If not, why ?

**Sri Hem Prakash Narayan (Minister, Urban Development) replied:**

a) The Govt. of India have released Rs. 9.40 crores for implementation of the 'Greater Silchar Water Supply Scheme' under NLCPR out of the above amount, the Urban Development Deptt. has released Rs. 3.59 crores to the Assam Urban Water Supply & Sewerage Board which has already been utilised. The Urban Dev. Deptt. have also taken up the proposal with Finance Deptt. for release of another amount of Rs. 5.81 crores during the current financial year under the scheme.

b) Distribution main laying has been already completed in Link Road. As pipes arrive at site, laying of pipes on branch lines will be started shortly. Fund for restoration of road has already been released to Executive Engineer, P.W.D. Silchar on 23-02-2005.

c) Though work order issued long back, the contractors fails to execute the work and hence Board has taken action to cancel the work order. Efforts have been made to execute the work through an experienced contraactor.

Supply order of pipe was issued on 01-0202004 and 35% of ordered pipes have already reached the project site.

d) Supply of drinking water in Link Road is expected to be made available by April, 2005.

e) The Urban Development Deptt. has not entered in to any agreement with the Central Govt.

**বিষয় ঃ অগ্নি নিৰ্বাপক চকী।**

**ডাঃ আনন্দ ৰাম বৰুৱাই সুধিছে ঃ**

* ১৭২/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নগাওঁ জিলাৰ ৰহা সমষ্টিৰ ৰহাত অগ্নি নিৰ্বাপক চকীৰ আজি পৰ্য্যন্ত ব্যৱস্থা গ্ৰহণ নকৰাৰ কাৰণ কি ?

খ) ৰহা সমষ্টিৰ দাতি কাষৰীয়া অঞ্চল যেনে চাপৰমুখ, বাৰপুজীয়া, ফুলগুৰি আদি অঞ্চলৰ মধ্যস্থ ঠাই ৰহাত এখন অগ্নি নিৰ্বাপক চকী অনতি পলমে স্থাপন কৰিবনে ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিয়ে ঃ**

ক) বাৰ্ষিক বাজেটৰ স্বাভাৱিক শিতানত (Non-Plan) অগ্নি নিৰ্বাপক কেন্দ্ৰ স্থাপনৰ বাবে আৱশ্যকীয় পুজি আৱন্টন নোহোৱাৰ বাবে ৰহা সমষ্টিৰ ৰহাত অগ্নি নিৰ্বাপক চকী স্থাপন কৰিব পৰা হোৱা নাই।

খ) বিষয়টো পৰীক্ষা কৰি চোৱা হ'ব।

**বিষয় ঃ প্ৰাৰ্থী বাচনি।**

**শ্ৰীপ্ৰণৱ কলিতাই সুধিছে ঃ**

* ১৭৩/ মাননীয় গৃহ বিভাগৰ (ৰাজ্যিক) মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) গৃহ ৰাজ্যিক মন্ত্ৰীৰ নিজৰ সমষ্টিৰ কনিষ্টবলৰ কিমান প্ৰাৰ্থীক নিয়োগৰ বাবে বাচনি কৰিলে তালিকাখন দাখিল কৰিবনে ?

খ) কি নীতিৰ আধাৰত এই নিয়োগৰ ব্যৱস্থা কৰিলে ?

**শ্ৰীৰকিবুল হুছেইন** (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ) আৰক্ষী কনিষ্টবল প্ৰাৰ্থী নিয়োগৰ বাবে বাচনি প্ৰক্ৰিয়াটো মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচৰাধীন হৈ আছে। উচ্চ ন্যায়ালয়ৰ গোচৰ নং W.P.(C) No. 976/05 তাং ১৫-২-২০০৫ তাৰিখৰ নিৰ্দ্দেশ ক্ৰমে যাৱতীয় নিযুক্তি সংক্ৰান্তীয় নথি-পত্ৰ উচ্চ ন্যায়ালয়ত জমা দিয়া হৈছে।

## বিষয় ঃ বৰপেটা নগৰ কমিটিৰ নিৰ্বাচন।

**শ্ৰীসৰ্বানন্দ চৌধুৰীয়ে সুধিছে ঃ**

* ১৭৪/ মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) Barpeta Town Committeeৰ নিৰ্বাচন বন্ধ ৰখাৰ কাৰণ কি ?

খ) বৰ্তমান নিৰ্বাচন পাতিব পৰা হৈছেনে ? যদি হোৱা নাই কেতিয়াকৈ হ'ব ?

গ) বৰ্তমান কি ভিত্তিত Town Committeeৰ কাম-কাজ চলি আছে ?

ঘ) নিৰ্বাচন হৈ যোৱা Borpeta Town Committee আৰু Pathsala Town Committee লৈ কিমান অনুদান দিয়া হৈছে ?

ঙ) অনুদান বৃদ্ধি আৰু নিয়মীয়া কৰাৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ** (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বৰপেটা টাউন কমিটিৰ নিৰ্বাচন পুনৰ সীমা নিৰ্দ্ধাৰণ নোহোৱাৰ বাবে বন্ধ ৰখা হৈছে।

খ) বৰ্ত্তমান পুনৰ সীমা নিৰ্দ্ধাৰণৰ জাননী জাৰি কৰা হৈছে আৰু নিৰ্বাচন পাতিবৰ বাবে অসম নিৰ্বাচনী আয়োগৰ লগত বিভাগীয় কাম-কাজ সম্পন্ন কৰি কেইটামান ম্যাদ পূৰ্ণ পৌৰ সভা আৰু টাউন কমিটিৰ লগত একেলগে নিৰ্বাচন পতা হ'ব।

গ) বৰ্ত্তমান কাৰ্যবাহী বিষয়াৰ জৰিয়তে পৌৰ সভাৰ কাম কাজ চলি আছে।

ঘ) বৰ্ত্তমান নিৰ্বাচন হৈ যোৱা বৰপেটা ৰোড পৌৰ সভাৰ মটৰ ভেহিকেল কৰৰ নামত ৫.০০ লাখ টকা আৰু স্বৰ্ণজয়ন্তী চহৰীয়া ৰোজগাৰ যোজনাৰ অধীনত ৭.৪৮ লাখ টকা আৱণ্টন দিয়া হৈছে। আনহাতে পাঠশালা টাউন কমিটিক মটৰ ভেহিকোল কৰৰ নামত ১.০০ লাখ টকা আৰু স্বৰ্ণজয়ন্তী চহৰীয়া ৰোজগাৰ যোজনাৰ অধীনত ২.৩৫ লাখ টকা আৱণ্টন দিয়া হৈছে।

ঙ) অনুদান বৃদ্ধি আৰু নিয়মীয়া কৰাৰ বাবে সময়ত বিবেচনা কৰা হৈ আছে।

## বিষয় ঃ পুলিচ বাচনি।

*** শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

১৭৫/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) সম্প্ৰতি হৈ যোৱা পুলিচৰ বাচনি কি নীতিৰ ভিত্তিত হৈছিল ?

খ) এই বাচনিত কোন কোন সমষ্টিত কিমান জনকৈ প্ৰাৰ্থী বাচনিত তালিকাভুক্ত হৈছে ? (বিতং জনাব)

গ) ধুবুৰী জিলাত মুঠ কিমান সংখ্যক প্ৰাৰ্থী বাচনিত তালিকাভুক্ত হৈছে? (প্ৰতিজনৰ নাম ঠিকনা সহ দাখিল কৰিব)

ঘ) এই প্ৰাৰ্থী সকলৰ ভিতৰত ঃ

i) কিমানজন অনুসূচীত জনজাতি (ST)

ii)কিমানজন অনুসূচীত জাতি (SC)

iii) কিমানজন OBC ?

iv. কিমানজন MOBC ?

v. কিমানজন মুছলমান ?

vi. কিমানজন অন্যান্য সম্প্ৰদায়।

**শ্ৰীৰকিবুল হুছেইন** (ৰাজ্যিক গৃহ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) খ) গ) ঘ) ঃ বিষয়টো মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা বাবে আৰু যাৱতীয় নথি-পত্ৰ উচ্চ ন্যায়ালয়ৰ নিৰ্দ্দেশমৰ্ম্মে উচ্চ ন্যায়ালয়ত জমা দিয়াৰ বাবে বিষয়টো পৰীক্ষা-নিৰীক্ষা কৰিব পৰা নগ'ল।

## Sub : Appointment of Officers and Staff.

**Sri Pramila Rani Brahma asked :**

*** 176.** Will the Chief Minister be pleased to state :

a) Whether the Govt. has taken step for appointment of Officers and staff by creating posts in order to run the administration of BTC Secretariat and newly created three districts i.e. Chirang, Baksa and Odalguri?

b) If not yet, when the step will be taken ?

**Shri Rockybul Hussain (Minister of State, General**

**Administration Deptt.) replied :**

a) Yes, the Government has already taken steps for appointment of Officers and staff to run the administration of BTC Secretariat by creating posts and in respects of newly created three districts i.e. Chirang, Baksa and Udalguri. The Governemnt has provided Officers and Staff by way of redeployment to run the district administration.

b) Does not arise.

## বিষয় ঃ বৰপেটা পৌৰ সভাৰ নিৰ্বাচন।

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ**

* ১৭৭/ মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) বৰপেটা পৌৰ সভা নিৰ্বাচন নোহোৱাৰ কাৰণ কি? কেতিয়াকৈ নিৰ্বাচনৰ দিন ধাৰ্য কৰা হৈছে ?

খ) পৌৰ সভাৰ এলেকাৰ পানী যোগান বিজুলী বাতি আদিৰ অনিয়মীয়া হোৱাৰ বাবে বিহীত ব্যৱস্থা কৰিবনে?

গ) স্বৰ্ণজয়ন্তী স্বনিয়োজন আঁচনিৰ জৰিয়তে অসমে কেন্দ্ৰীয় চৰকাৰে ২০০২ চনৰ পৰা ২০০৫ চনলৈ কিমান টকা পালে আৰু কিমান টকা খৰছ হ'ল ? (জিলা ভিত্তিত দাখিল কৰিব)

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) বৰপেটা পৌৰ সভাৰ পুণৰ সীমা নিৰ্দ্ধাৰণ নোহোৱাৰ বাবে নিৰ্বাচন অনুস্থিত কৰিব পৰা নাই। এতিয়া পুনৰ সীমা নিৰ্দ্ধাৰণৰ জাননী জাৰি কৰা হৈছে। অসম নিৰ্বাচনী আয়োগৰ লগত বিভাগীয় কাম-কাজ

সম্পন্ন হোৱাৰ পিছত কেইখনমান ম্যাদপূৰ্ণ পৌৰ সভা আৰু নগৰ সমিতিৰ লগতে বৰপেটা পৌৰ সভা নিৰ্বাচন পতাৰ ব্যৱস্থা কৰা হ'ব। উল্লেখযোগ্য বৰ্ত্তমান অসম নিৰ্বাচনী আয়োগ বিঃ টিঃ চিৰ নিৰ্বাচন কামত ব্যস্ত আছে।

খ) বৰপেটা পৌৰ সভা এলেকাৰ পানী যোগান আৰু বিজুলী বাতি পৌৰ সভাৰ নিয়ন্ত্ৰাণাধীন।

গ) স্বৰ্ণজয়ন্তী স্বনিয়োজন আঁচনিৰ জৰিয়তে অসমে কেন্দ্ৰীয় চৰকাৰৰ পৰা ২০০২ চনৰ পৰা ২০০৫ চনলৈ মুঠ ২৪৫.০৭ লাখ টকা পোৱা হয়। উক্ত টকাৰ ২৩২.৮২ লাখ সংলগ্ন 'ক'ত দেখুওৱা ধৰণে জিলা সমূহক ভগাই দিয়া হয়। উক্ত টকাৰ ব্যৱহাৰিক প্ৰমাণ পত্ৰ পোৱা হোৱা নাই। (See Annexure-IV).

## বিষয় ঃ পুলিচ বিষয়াৰ অনৈতিক কাম কাজ।

**শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ**

* ১৭৮/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ধুবুৰী জিলাত পুলিচে চোৰ, ডকাইত, দালাল ও দেওয়ানী বৃত্তিৰ লোক, উগ্ৰপন্থীৰ লগত সম্পৰ্ক থকা লোকক সহায় কৰি চলাটো সঁচানে?

খ) উপৰোক্ত শ্ৰেণীৰ লোকৰ বিৰুদ্ধে সাধাৰণ ও গৰীব লোকে পুলিচ কেচ দিলে এনেকি কেচ পঞ্জীয়নেই কৰা নহয় এনে অভিযোগ ৰাইজে লিখিত ভাৱেও কৰ্ত্তৃপক্ষক দিছে সঁচানে? (অভিযোগ বোৰৰ কপি দিব)

গ) যদি সঁচা, তেন্তে তেনে ঘটনাত জড়িত পুলিচ বিষয়াৰ বিৰুদ্ধে কেনে ব্যৱস্থা গ্ৰহণ কৰা হ'ল?

ঘ) (i) চিঠি নং HMA. 719/86/131 dtd. 29-9-04 ৰ প্ৰতিবেদন পোৱা হ'লনে? (প্ৰতিবেদনৰ কপি দিব)

(ii) প্ৰতিবেদন পাই থাকিলে তাৰ বিপৰীতে কি কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল? (ব্যৱস্থা গ্ৰহণীয় পত্ৰাদিৰ কপি দিব)

**শ্ৰীৰকিবুল হুছেইনে (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) সঁচা নহয়।

খ) শ্ৰীজিয়াৰউদ্দিন আৰু অন্য ৮২ জন লোকৰ পৰা ইং ১০-০৯-২০০৪ তাৰিখৰ এখন অভিযোগনামা ইং ২৭-০৯-২০০৪ তাৰিখে আৰু শ্ৰীচানোৱাৰ হুছেইন আৰু শ্ৰীববিয়া বিবিৰ পৰা ২৫-০১-২০০৫ তাৰিখৰ আন এখন অভিযোগনামা ইং ১৪-০২-২০০৫ তাৰিখে গৃহ বিভাগৰ হাতত পৰিছে। (কপি সংলগ্ন কৰা হ'ল) (See Annexure-V)

গ) উক্ত অভিযোগনামা দুখন পৰীক্ষা-নিৰিক্ষা কৰি থকা হৈছে।

ঘ) (i&ii) প্ৰতিবেদন দুখন অসম্পূৰ্ণ হোৱা বাবে ব্যৱস্থা গ্ৰহণ কৰিব পৰা হোৱা নাই আৰু সেই বাবে সদনত কপি দাখিল কৰা নহ'ল।

(Starred Question No. 179 was deferred )

# UNSTARRED

# QUESTIONS AND ANSWERS

## Sub : Fire Service Station at Ramkrishnanagar.

**Shri Kripa Nath Mallah asked :**

173. Will the Minister of Home be pleased to state :

a) Is it a fact that Director, State Fire Service had received approval from the Government for setting up an adhoc-fire service station at Ramkrishnanagar a couple of years back?

b) If so, why fire tenders are not yet placed there?

c) When necessasry fire tenders will be placed? (Furnish a copy of Government approval received by the Directorate regarding Ramkrishna Nagar Fire Station).

d) While is it a fact that due to shortage of fire tender, Fire station could not be opened? If so, how fire tenders made available in case of other adhoc Stations in different places of Assam Which were placed during the period after the date of Govt. approval and date of functioning which were set up during the period w.e.f. 1.1.2002 to till date)

e) Is it a fact that S.P. Karimganj has already sent his consent letter to the Director, Fire Service vide No. E/IX-22/28-2000/7950 dated 29.12.2000 regarding arrangement of accomodation of fire tenders at the

campus of Ramkrishna Nagar Police Station?

**Sri Rockybul Hussain (Minister of State (Home), replied :**

a) Yes.

b) Due to shortage of Fireman, Drivers and fire tenders.

c) On availability of manpower & Fire Fighting Equipments and Appliances (copy of Govt. approval is annexed herewith as Annaxure-I) (See Annexure-VI)

d) Yes. In case of other ad-hoc Fire Station Fire Tenders made available on Priority basis. (List of Ad-hoc Fire Station from 1.1.2002 is annexed herewith as Annexure-II. (See Annexure-VII)

e) Yes.

**বিষয় ঃ বিদ্যুৎ উৎপাদন।**

**শ্ৰীমতিন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ**

১৭৪/ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে?

ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ৰাইজৰ চাহিদা অনুসৰি বিদ্যুৎ উৎপাদন কৰি আছেনে?

খ) যদি কৰা নাই তেন্তে গ্ৰাহকৰ চাহিদা পূৰণ কৰিবলৈ অসম বিদ্যুৎ পৰিষদে কি ব্যৱস্থা লৈছে?

গ) উপভোক্তাসকলৰ অতি প্ৰয়োজনীয় সময়ত বিজুলী যোগান কৰ্ত্তন কৰা ব্যৱস্থা নাইকীয়া কৰাৰ কোনো উপায় নাই নেকি? যদি আছে তেন্তে ব্যৱস্থা গ্ৰহণ কৰিবনে?

ঘ) বিদ্যুৎ খণ্ডৰ সংস্কাৰ ব্যৱস্থাৰ যোগেদি বঙাইগাঁও (চালাকাটি) তাপ বিদ্যুৎ কেন্দ্ৰটোক পুনৰ জীৱিত কৰাৰ আঁচনি লবনে?

ঙ) যদিহে লোৱা নহয় তেন্তে নষ্ট হ'বলৈ ধৰা ইয়াৰ স্থাৱৰ সম্পত্তি সমূহক তত্বাৱধান ল'বলৈ অসম বিদ্যুৎ পৰিষদ নে আন কোনো বেচৰকাৰী সংস্থাক দায়িত্ব দিয়া হ'ব? (তথ্য জনাব)।

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী, স্বতন্ত্ৰ)য়ে উত্তৰ দিছেঃ**

ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ৰাইজৰ চাহিদা অনুসৰি বিদ্যুৎ উৎপাদন কৰিব পৰা নাই।

খ) নিজা উৎপাদনৰ উপৰিও অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে কেন্দ্ৰীয় খণ্ডৰ বিদ্যুৎ প্ৰকল্প সমূহৰ পৰা বিদ্যুৎ আমদানি কৰি অসমত হোৱা বিদ্যুৎ নাটনি জোৰা মাৰিবৰ বাবে প্ৰচেষ্টা চলাই আছে। এই ক্ষেত্ৰত বেচৰকাৰী অনুষ্ঠানৰ পৰাও বিদ্যুৎ ক্ৰয় কৰা হৈছে।

গ) কিছুমান (তলত উল্লেখ কৰা) এৰিব নোৱাৰা সমস্যাৰ বাবে বিদ্যুৎ যোগানত ব্যাঘাত হয়।

১) কেন্দ্ৰীয় খণ্ডৰ জলবিদ্যুৎ প্ৰকল্প সমূহত এতিয়া খৰাং বতৰৰ বাবে পানী কমি যোৱা বাবে অনিয়মিত আৰু অপৰিমিত বিদ্যুৎ যোগান।

২) লাকুৱা আৰু নামৰূপ উৎপাদন গোটত অনিয়মিত গেচ যোগান।

৩) ঠাই বিশেষে প্ৰবহন আৰু বিতৰণৰ সীমাবদ্ধতা।

কেন্দ্ৰীয় খণ্ডৰ জলবিদ্যুৎ প্ৰকল্প সমূহত যোগান নিয়মীয়া হোৱাৰ লগে লগে অসমৰ বিদ্যুৎ যোগান বহু পৰিমাণে নিয়মীয়া হৈ উঠিব।

ইয়াৰ উপৰিও প্ৰবহণ আৰু বিতৰণৰ সীমাবদ্ধতা আঁতৰোৱাৰ বাবে এন এল চি পি আৰ; এ পি ডি আৰ পি; এচিয়ান ডেভেলাপমেণ্ট বেংক আদিৰ সহযোগত বহুতো পদক্ষেপ হাতত লোৱা হৈছে।

ঘ) চেণ্ট্ৰেল ইলেকট্ৰিচিটি অথৰিটিৰ পৰামৰ্শ অনুযায়ী বঙাইগাঁও তাপ বিদ্যুৎ কেন্দ্ৰটো নবীকৰণ আৰু আধুনিকীকৰণ (Rennovation & Modernisation)ৰ মাধ্যমৰ পুণৰ চালিত কৰাৰ আঁচনি মৰ্মে এতিয়া পুণৰ উৎপাদনক্ষম কৰি তোলাৰ বাবে উৎসৰ সন্ধান চলোৱা হৈছে।

ঙ) প্ৰযোজ্য নহয়।

## বিষয় ঃ অৰ্থনৈতিক সংস্কাৰ।

**শ্ৰীজগদীশ ভূঞাই সুধিছে ঃ**

১৭৫) মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰ্তমানৰ ৰাজ্য চৰকাৰে কেন্দ্ৰৰ লগত অৰ্থনৈতিক সংস্কাৰৰ বাবে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে নেকি?

খ) যদি কৰিছে, কেতিয়া কৰিছে?

গ) উক্ত বুজাবুজি চুক্তিৰ প্ৰতিলিপি দাখিল কৰিবনে?

**মুখ্যমন্ত্ৰী শ্ৰীতৰুণ গগৈয়ে উত্তৰ দিছে ঃ**

ক) ২০০০ চনৰ ১৩ জানুৱাৰী তাৰিখে অসম চৰকাৰে কেন্দ্ৰৰ লগত ৰাজ্যৰ অৰ্থনৈতিক সংস্কাৰৰ বাবে এক বুজাবুজি চুক্তিত স্বাক্ষৰ কৰিছিল। সেই চুক্তিত কেতবোৰ নিযুক্তি বিৰোধী আৰু ৰাজ্যৰ উন্নয়ণৰ পৰিপন্থী দফা সন্নিবিষ্ট আছিল। সেই চুক্তিখনৰ ম্যাদ অনিৰ্দ্দিষ্ট আছিল। এই আসোঁৱাহবোৰ দূৰ কৰাৰ উদ্দেশ্যে আৰু একাদশ বিত্তীয় আয়োগৰ পৰামৰ্শ অনুযায়ী কেন্দ্ৰীয় চৰকাৰে সকলো ৰাজ্যতে প্ৰযোজ্য হোৱাকৈ নিৰ্দ্ধাৰিত কৰা ব্যৱস্থা অনুসৰি অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত ২০০৩ চনত এক মধ্য-কালীন বিত্তীয় সংস্কাৰ কাৰ্য্যসূচীৰ বুজাবুজি চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিখনৰ ম্যাদ ২০০৫ চনৰ ৩১ মাৰ্চলৈকে

বাহাল থাকিব।

খ) ২৬/৩/২০০৩ তাৰিখে।

গ) সদনৰ মেজত দাখিল কৰা হৈছে। (See Annexure-VIII)

## বিষয় ঃ ক্ষতিগ্ৰস্থ বাটপথ মেৰামতি

**শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে সুধিছে ঃ**

১৭৬/ মাননীয় নগৰ উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ধুবুৰী জিলাৰ গৌৰীপুৰ নগৰ খনত প্ৰতি বছৰে হোৱা বানপানীত গৌৰীপুৰ নগৰ পালিকাৰ অন্তৰ্ভূক্ত বাট-পথ ব্যাপকভাৱে ক্ষতি সাধন হোৱা সম্পৰ্কে চৰকাৰ অৱগতনে ?

খ) যদি অৱগত তেনেহলে উক্ত বাট-পথ মেৰামতি কৰাৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে?

গ) গৌৰীপুৰ নগৰ খনত Sewarag Board ৰ জৰিয়তে নিৰ্মাণ কৰা পানী যোগানৰ আঁচনিটো কি কাৰণত কিমান দিনৰ পৰা বন্ধ হৈ আছে?

ঘ) উক্ত আঁচনিখন, সম্পূৰ্ণ ৰূপায়ণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ (নগৰ উন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) হয় চৰকাৰ অৱগত।

খ) উক্ত বাট-পথ মেৰামতি কৰাৰ বাবে বানপানী সাহাৰ্য্য নিধিৰ পৰা ১২.২২ কোটি (বাৰ কোটি বাইশ লাখ টকা) পুঁজি আৱণ্টন দিয়াৰ বাবে প্ৰস্তাৱ পোৱা হৈছে আৰু মুকলি কৰি দিয়াৰ বাবে সংশ্লিষ্ট বিভাগৰ লগত যোগাযোগ ৰখা হৈছে।

গ) গৌৰীপুৰ নগৰ খনত অসম নগৰ পানী যোগান আৰু পয়-প্ৰণালী পৰিষদৰ পানী যোগানৰ আঁচনিখন পুঁজিৰ অভাৱত ২০০১ চনৰ পৰা বন্ধ হৈ আছে।

ঘ) উক্ত আঁচনিখন ৰূপায়ণ কৰিবলৈ চৰকাৰে বিবেচনা কৰি আছে।

**Sub : Provincialisation of services of Staff of Urban Bodies.**

**Shri Mission Ranjan Das asked:**

177. Will the Minister of Urban Development be pleased to state:

a) Whether the Government has taken any step for provincialisation of Services of Staffs of Urban bodies in Assam?

b) If so, please state it in detail ?

c) If not, State reasons thereof ?

**Shri Hemprakash Narayan (Minister, Urban Development) replied :**

a) No.

b) Does not arise.

c) Urban Local Bodies are autonomous bodies under the provision of Constitution of India. Each ULB has a seperate legal entity and each ULB is the appointing authority of their staff under the existing low.

**বিষয় ঃ বি টি এ ডিলৈ টকা আবন্টন ।**

**শ্ৰীকৰেন্দ্ৰ বসুমতাৰীয়ে সুধিছে ঃ**

১৭৮/ মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বিগত ইং ২০০৪-২০০৫ বিত্তীয় বৰ্ষত বি টি এ ডিলৈ চৰকাৰে কিমান টকা আৱণ্টন দিছিল? উক্ত ধন সমূহ গোটেই মোকোলাই দিয়া হ'ল নে?

খ) বি টি এ ডিৰ অন্তৰ্গত কৰ্মচাৰীসকলৰ দা-দৰমহা কোনে দিয়ে? ৰাজ্য চৰকাৰে দিয়ে নে বি টি এ ডিয়ে দিয়ে?

গ) বি টি এ ডিক বিত্তীয় ক্ষমতা অৰ্পন কৰিছে নে? যদি কৰা নাই কেতিয়াকৈ কৰিব?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) ২০০৪-২০০৫ বিত্তীয় বৰ্ষত বি টি এ ডিলৈ পৰিকল্পনা শিতানত ১৩৩৭১.৭২ লাখ টকা আৰু পৰিকল্পনা বৰ্হিভূত শিতানত ৩৯০০.০০ লাখ টকা আৱণ্টন দিয়া হৈছে। উক্ত ধন ৰাশি সম্পূৰ্ণকৈ মোকোলাই দিয়া হৈছে। উক্ত পৰিমাণ চলিত বিত্তীয় বৰ্ষৰ শেষৰ ফালে আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে।

খ) বৰ্ত্তমানলৈ ৰাজ্য চৰকাৰে দি আছে।

গ) পৰ্য্যায়ক্ৰমে বিভিন্ন শিতানত বি টি এ ডিক বিত্তীয় ক্ষমতা অৰ্পন কৰা হৈছে আৰু এই প্ৰক্ৰিয়া এতিয়াও চলি আছে।

## বিষয় ঃ ভূৱা পেঞ্চন আদায়।

**শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ**

১৭৯) মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) নগাঁও ট্রেজাৰীৰ (১৯৯৩-৯৭) পৰা পিপিঅ নম্বৰ নোহোৱাকৈ ভুৱা পেনচন আদায় দিয়া বাবে চৰকাৰৰ ৩ কোটি ৯৯ হাজাৰ ৮৬৮ টকা হৰলুকি হোৱাৰ তদন্তৰ ৰিপৰ্ট সন্দৰ্ভত চৰকাৰে বৰ্ত্তমান কি কাৰ্য্যকৰী ব্যৱস্থা লৈছে?

খ) এই কোষাগাৰৰ ধন হৰলুকিৰ মহানায়ক আৰু নায়ক কোন কোন আছিল? কিমানখন ভাওচাৰ এই তদন্তত ধৰা পৰিছে?

গ) এই বৃহৎ পৰিমাণৰ ধনৰ হৰলুকিৰ সতে জড়িত কোষাগাৰ বিষয়া গৰাকী আৰু অন্যান্য কৰ্মীসকলৰ ওপৰত বিভাগীয় কাৰ্য্যব্যৱস্থা আৰু ক্ৰিমিনেল কেচ তৰা হৈছেনে?

গ) এই বিষয়া কৰ্মী কেইগৰাকীক চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে নেকি? বিষয়া আৰু কৰ্মচাৰী কেইগৰাকীৰ পদবী সহ নামবোৰ দাখিল কৰিবনে?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) অভিযুক্ত কোষাগাৰ বিষয়া এজন আৰু কোষাগাৰ গাণনিক সহায়ক ৬ জনক চাকৰীৰ পৰা নিলম্বিত কৰা হৈছে আৰু বিভাগীয় অনুশাসনমূলক ব্যৱস্থা লোৱা হৈছে।

খ) বিষয়টো বৰ্তমান তদন্তাধীন।

গ) 'খ' প্ৰশ্নৰ উত্তৰত দিয়া হৈছে।

ঘ) বিষয়টো বৰ্তমান তদন্তাধীন।

## বিষয় ঃ জনকল্যাণমূলক নতুন আঁচনি।

**শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ**

১৮০/ মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি

জনাবনে ঃ

ক) জনসাধাৰণৰ কল্যাণৰ বাবে ২০০১ চনৰ পৰা বৰ্তমানলৈ চৰকাৰে কি কি জনকল্যাণমূলক নতুন আঁচনি লৈছে?

খ) উক্ত আঁচনি সমূহৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ কি?

**শ্ৰীহিমন্ত বিশ্ব শৰ্মা (পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) অসম চৰকাৰে উক্ত সময়চোৱাত সচৰাচৰভাৱে ৰূপায়িত জনসাধাৰণৰ কল্যাণৰ বাবে পৰিকল্পনা আঁচনি সমূহৰ উপৰিও নতুনকৈ লোৱা উল্লেখযোগ্য জনকল্যানমূলক আঁচনি সমূহ এনে ধৰণৰ—

১) কল্পতৰু

২) বুনিয়াদ

৩) ধৰ্মজ্যোতি

৪) জ্ঞানজ্যোতি

৫) ৰাজীৱ গান্ধী কম্পিউটাৰ সাক্ষৰতা আঁচনি

৬) বয়স্ক লোকৰ স্বাস্থ্য সম্বন্ধীয় আঁচনি

৭) আত্ম সহায়ক গোট গঠন

৮) ৰন্ধনজ্যোতি

৯) মুখ্যমন্ত্ৰী পকীপথ নিৰ্মাণ আঁচনি

১০) মধ্যাহ্ন আহাৰ

১১) মুখ্যমন্ত্ৰী নিশ্চিত শক্তি যোগান আঁচনি

১২) ৰাষ্ট্ৰীয় সমবিকাশ আঁচনি

১৩) বৃদ্ধ পেঞ্চন আৰু ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণ আঁচনি

১৪) অন্নপূৰ্ণা

১৫) কন্যা সুৰক্ষা আঁচনি

১৬) কামৰ বিনিময়ত খাদ্য আঁচনি

১৭) জীৱন জ্যোতি আঁচনি

১৮) হস্ত তাঁত প্ৰশিক্ষণ প্ৰকল্প আঁচনি

১৯) বুনকৰ বীমা/ যোজনা আঁচনি

২০) অন্তোদয়া অন্ন যোজনা আঁচনি

২১) ৰাজ্যত মাছ মৰিয়াসকলৰ বাবে ৰাষ্ট্ৰীয় কল্যাণ আঁচনি

২২) উত্তৰ-পূব পৰিষদৰ আঁচনি সমূহৰ ভিতৰত কেইটিমান নতুন আঁচনি

(ক) আন্তঃৰাজ্যিক বাছ আস্থান, গুৱাহাটী আৰু শিলচৰ

(খ) আন্তঃৰাজ্যিক ট্ৰাক আস্থান, শিলচৰ

(গ) শিপিনী বিকাশ আঁচনি, শুৱালকুছি

(ঘ) স্বাৱলম্বী আঁচনি (গাঁৱলীয়া শিপিনী) গহপুৰ

(ঙ) বাঁহ সম্বন্ধীয় আঁচনি

(চ) মৰিয়নি ট্ৰেঞ্চমিছন লাইন

২৩) এন, এল, চি, পি, আৰ, ঃ এই কেন্দ্ৰীয় পুঁজিৰে কিছুমান হাতত লোৱা নতুন আঁচনি

ক) ডিব্ৰুগড় মেডিকেল কলেজ উন্নতিকৰণ

খ) কাঠৰ দলং পকীকৰণ (৩৬ খন)

গ) ট্ৰেঞ্চমিচন আৰু ডিষ্ট্ৰিবিউচন লাইন (২৬ খন)

ঘ) কামাখ্যা মন্দিৰ উন্নতৰণ

ঙ) স্থায়ী ৰাজধানী প্ৰকল্প

চ) ৰাষ্ট্ৰীয় ক্ৰীড়াৰ বাবে আন্তঃগাঠনি উন্নয়ন

ছ) হাফলং চিভিল হস্পিতালৰ বৰ্ধিকৰণ আৰু ডিফু ক্ৰীড়া প্ৰকল্প উন্নয়ন

জ) বি টি চি এলেকাত ৰাস্তা তথা পানী যোগান আঁচনি

২৪) এককালীন অতিৰিক্ত কেন্দ্ৰীয় পুঁজিৰ দ্বাৰা যি বিলাক আঁচনি বহু বছৰ ধৰি সম্পূৰ্ণ হৈ নুঠা আঁচনি সমূহৰ সম্পূৰ্ণকৰণ যেনে— বৰদিকৰাই জলসিঞ্চন আঁচনি আদি আৰু ১১৬৫২ নম্বৰ খোৱা পানী আঁচনি, বান বিধ্বস্ত চৰ অঞ্চলত লোৱা হৈছে।

(খ) আঁচনি সমূহৰ লক্ষ্য আৰু উদ্দেশ্য এনে ধৰণৰ ঃ—

১) কল্পতৰু ঃ এই আঁচনি মুকলি কৰা হয় ২০০৩-২০০৪ বৰ্ষত। এই আঁচনিৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল সমাজৰ যুৱচামক স্ব-নিয়োজনৰ সুবিধা দিয়া যাতে তেওঁলোকে নিজে সংস্থাপিত হোৱাৰ লগতে সমাজৰ আন লোকসকলক স্ব-নিয়োজনৰ সুবিধা দিব পাৰে। যষ্ঠ অনুসূচিৰ বাহিৰেও যি সকল লোক গ্ৰাম্য আৰু নগৰ অঞ্চলত দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰি আছে তেওঁলোকক অগ্ৰাধিকাৰ দিয়া হ'ব।

২) বুনিয়াদ ঃ ২০০৩-২০০৪ বৰ্ষত মুকলি কৰা বুনিয়াদ আঁচনিৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল শিক্ষাগত সংস্থাসমূহৰ প্ৰাথমিক প্ৰয়োজন সমূহ পূৰণ কৰি ৰাজ্যৰ ছাত্ৰ সমাজক পোনপটীয়াভাৱে উপকৃত কৰা।

৩) ধৰ্মজ্যোতি ঃ এই আঁচনি মুকলি কৰা হয় চলিত বিত্তীয় বৰ্ষত। ইয়াৰ মূল উদ্দেশ্য হ'ল ৰাজ্যৰ বাহিৰৰ আৰু ভিতৰৰ ধৰ্মীয় তথা বুৰঞ্জীমূলক

ঠাইসমূহ যেনে ঃ- কোচবিহাৰ, মধুপুৰ সত্ৰ, পুৰীৰ জগন্নাথ মন্দিৰ, শিৱসাগৰৰ আজান পীৰৰ দৰগাহ আদিত তীৰ্থযাত্ৰাৰ বাবে ৰাজ্যৰ বয়স্ক লোকসকলক উৎসাহিত কৰা।

৪) জ্ঞানজ্যোতি ঃ এই আঁচনিৰ মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল ৰাজ্যৰ জিলাসমূহৰ বিশেষকৈ গ্ৰামাঞ্চলত বাস কৰা ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষামূলক ভ্ৰমণ আৰু সাংস্কৃতিক বিনিময়ৰ সুবিধা দি তেওঁলোকৰ প্ৰতিভা বিকাশত জ্ঞানৰ পৰিধি বৃদ্ধিত সহায় কৰা।

৫) ৰাজীৱ গান্ধী কম্পিউটাৰ সাক্ষৰতা আঁচনি ঃ বিত্তীয় বৰ্ষ ২০০৩-২০০৪ ত কাৰ্য্যকৰী কৰা এই আঁচনিৰ লক্ষ্য আৰু উদ্দেশ্য হ'ল উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত কম্পিউটাৰ শিক্ষাৰ বাবে অনুদান আগবঢ়োৱা। বিত্তীয় বৰ্ষত ২০০৩-২০০৪ ত ২০০ খন বাছনিকৃত উচ্চতৰ মাধ্যমিক বিদ্যালয় এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে।

৬) বয়স্ক লোকৰ স্বাস্থ্য সম্বন্ধীয় আঁচনি ঃ ২০০৩-২০০৪ বৰ্ষত মুকলি কৰা এই আঁচনি খন বৰ্তমানলৈ কাৰ্য্যকৰী হৈ আছে। ইয়াৰ উদ্দেশ্য হ'ল সমাজৰ বৃদ্ধ লোকসকলক স্বাস্থ্যৰক্ষা হেতু সহায় আগবঢ়োৱা।

৭) আত্মসহায়ক গোট গঠন ঃ সমগ্ৰ ৰাজ্যতে ৯০,০০০ তকৈও অধিক আত্মসহায়ক গোট গঠন হৈ নিজে স্বাৱলম্বী হোৱাৰ লগতে সমাজৰ আন লোকসকলকো স্বাৱলম্বী হোৱাৰ পথ দেখুৱাইছে। এই গোট সমূহে তাঁতবোৱা, মীনপালন, কাঠফূলা খেতি আদি কৰি বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে।

৮) ৰন্ধনজ্যোতি ঃ ২০০৩-২০০৪ বৰ্ষত মুকলি কৰা এই আঁচনিৰ লক্ষ্য হ'ল ৰাজ্যৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকসকলক ৰন্ধন গেছ সংযোজন আগবঢ়োৱা।

৯) মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি ঃ ২০০৪-২০০৫ চলিত বৰ্ষত মুকলি কৰা এই আঁচনিৰ উদ্দেশ্য হ'ল যিকোনো বতৰতে চলিব পৰা ৫০০ কি. মি. দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰা।

১০) মধ্যাহ্ন আহাৰ ঃ ৰাজ্যৰ প্ৰাথমিক বিদ্যালয় সমূহত মধ্যাহ্ন আহাৰ বিতৰণ আঁচনিৰ জৰিয়তে সমাজৰ সকলো শ্ৰেণীৰ লৰা-ছোৱালী প্ৰাথমিক শিক্ষা লাভৰ সুবিধাকৰণ।

১১) মুখ্যমন্ত্ৰীৰ নিশ্চিত শক্তি যোগান আঁচনি ঃ চলিত বৰ্ষত মুকলি কৰা এই আঁচনিৰ মূল উদ্দেশ্য হ'ল— ৰাজ্যৰ ক্ষতিগ্ৰস্থ হোৱা শক্তি ৰূপান্তৰ কৰণ যন্ত্ৰৰ সংস্কাৰ সাধন কৰি নিশ্চিতভাৱে বিভিন্ন শক্তি সমূহৰ নিয়মীয়া যোগান অব্যাহত ৰখা।

১২) ৰাষ্ট্ৰীয় সমবিকাশ যোজনা ঃ এই আঁচনি অলপতে ৰাজ্যৰ কোকৰাঝাৰ আৰু উত্তৰ লক্ষীমপুৰ জিলাত কাৰ্য্যকৰী কৰা হয়। ২০০৪-২০০৫ বৰ্ষত এই আঁচনি কাৰ্বি আংলং, উত্তৰ কাছাৰ পাহাৰ আৰু ধেমাজি জিলালৈ সম্প্ৰসাৰিত কৰা হয়। ২০০৫-২০০৬ বৰ্ষত আন পাঁচখন জিলা এই আঁচনিৰ অন্তৰ্গত কৰা হ'ব।

১৩) বৃদ্ধ পেঞ্চন আৰু ৰাষ্ট্ৰীয় পৰিয়াল কল্যাণ আঁচনি ঃ এই আঁচনিৰ জৰিয়তে বয়স বৃদ্ধ আৰু মুৰব্বী বিহীন পৰিয়ালক মাহিলী ৭৫.০০ টকাকৈ পেঞ্চন দিয়া হয়। ইয়াৰ উপৰিও ঘৰৰ মূৰব্বীজন হঠাৎ ঢুকালে ১০,০০০ টকাকৈ এককালিন সাহাৰ্য্য প্ৰদান কৰা হয়।

১৪) অন্নপূৰ্ণা ঃ এই আঁচনিৰ জৰিয়তে বৃদ্ধ পেঞ্চন আঁচনিত সাঙুৰি নোলোৱা ৬৫ বছৰ বয়সৰ লোকক প্ৰতিমাহে ১০ কেজি কৈ খাদ্য সামগ্ৰী (চাউল) প্ৰতি কিলোত ৫.৬৫ টকাকৈ দিয়া হয়।

১৫) কন্যা সূৰক্ষা আঁচনি ঃ কন্যা সন্তানৰ নামত গছ পুলি ৰোপণ কৰা হয়।

১৬) কামৰ বিনিময়ত খাদ্য আঁচনি ঃ প্ৰাকৃতিক দুৰ্য্যোগ বা আন কাৰণত

উন্নয়নত পিছ পৰি থকা অঞ্চলত খাদ্যৰ অভাৱত যাতে মানুহৰ মৃত্যু নহয় তাৰ বাবে কৰ্মসংস্থাপন দি মজুৰিৰ এটা অংশ খাদ্য সামগ্ৰীৰে পৰিশোধ কৰা হয়।

১৭) জীৱন জ্যোতি আঁচনি ঃ এই আঁচনিৰ জৰিয়তে শিক্ষিত নিবনুৱাৰ পৰিশ্ৰম কমাবলৈ বেংকৰ ঋণ নীতি কিছু সহজ কৰি ঋণ প্ৰদান কৰি স্বাবলম্বী হ'বলৈ অনুপ্ৰাণিত কৰা।

১৮) হস্তত‍াঁত প্ৰশিক্ষণ প্ৰকল্প আঁচনি ঃ এই আঁচনি ২০০৩-২০০৪ চনৰ পৰা ৰূপায়ন কৰা হয়। অৰ্ধদক্ষতা শিপিনীসকলক এই আঁচনিৰ অধীনত প্ৰশিক্ষণ দি সম্পূৰ্ণ দক্ষ শিপিনী গঢ়ি তোলা হ'ব।

১৯) বুনকৰ বীমা/ যোজনা আঁচনি ঃ এই আঁচনি কেন্দ্ৰীয় চৰকাৰ আৰু জীৱন বীমা নিগমৰ সহযোগত ৰূপায়ন কৰা হয়। এই আঁচনিত প্ৰতি গৰাকী শিপিনীকে জীৱন বীমা আঁচনিৰ লগত সাঙুৰি লোৱা হয়।

২০) অন্তোদয়া অন্ন যোজনা আঁচনি ঃ ২০০১ চনৰ পৰা অসম চৰকাৰে ৰূপায়ণ কৰা এই আঁচনিখনৰ মূল উদ্দেশ্য হ'ল — দেশখনৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকসকলক যিবিলাক অতি দৰিদ্ৰতম, সেইসকল লোক এই আঁচনিত সাঙুৰি লোৱা হৈছে। এই আঁচনিৰ জৰিয়তে বাচনি কৰি লোৱা প্ৰতিটো পৰিয়ালক তিনি টকাৰ মূল্যৰ চাউল মাহে ৩৫ কেজি লৈকে যোগান ধৰা হয়।

২১) ৰাজ্যত মাছমৰিয়াসকলৰ বাবে ৰাষ্ট্ৰিয় কল্যাণ আঁচনি ঃ এই আঁচনিৰ জৰিয়তে ৬০ বছৰৰ ওপৰৰ মাছমৰিয়াসকলক চৰকাৰীভাৱে আৰ্থিক অনুদান দিয়া হয়। এই মাছ মৰিয়াসকল সাধাৰণতে সমবায় সমিতিৰ সদস্য হোৱাটো বাঞ্চনীয়। আইনগতভাৱে মাছ মৰা কাৰ্য্য নিষিদ্ধ থকা সময়ত জীৱণ নিৰ্বাহ কৰিবৰ বাবে এই চৰকাৰী অনুদান দিয়া হয়।

২২) উত্তৰ-পূব পৰিষদৰ আঁচনি সমূহ ঃ

(ক) শিপিনী বিকাশ আঁচনি ঃ এই আঁচনিৰ অধিনত দুখীয়া শিপিনীসকলক উন্নত আৰু আধুনিকীকৰণৰ ওপৰত প্ৰশিক্ষণ আৰু সাহাৰ্য্য দিয়াৰ ব্যৱস্থা আছে। আঁচনিখন শুৱালকুছি আৰু ইয়াৰ দাতিকাষৰীয়া অঞ্চলৰ শিপিনীৰ বাবে।

(খ) স্বাৱলম্বী আঁচনি ঃ (গাঁৱলীয়া শিপিনী) এই আঁচনিখন ২০০৪-২০০৫ চনৰ পৰা ৰূপায়ণৰ কাম হাতত লোৱা হৈছে। এই আঁচনিৰ অধীনত গ্ৰামাঞ্চলৰ শিপিনীসকলক উন্নত পদ্ধতি আৰু তাঁত শাল আধুনিকী কৰণৰ ওপৰত প্ৰশিক্ষণ আৰু সাহাৰ্য্য প্ৰদানৰ ব্যৱস্থা আছে।

## Subject : Dayapur Tea Estate.

**Shri Sushil Dutta asked :**

181. Will the Minister of Finance be pleased to state :

a) Whether it is a fact that the owner of the Dayapur Tea Estate in Cachar is the brother of Hon'ble Minister of Heavy Industry Shri Santosh Mohan Dev?

b) Whether it is also a fact that the said garden has not paid sale tax of tea leaves?

c) If so, how much amount is involved in terms of sale tax and what measures has been adopted for recovery of tax like other persons?

**Shri Himanta Biswa Sarma** (Minister of State, Finance) replied.

a) As per record the names of the three owners of Dayapur Tea Estate are as follows :

i) Shri Sarit Mohan Dev,

S/o Late Satindra Mohan Dev.

ii) Srimati Mita Dev,
W/o Shri Sarit Mohan Dev.

iii) Shri Subrta Gupta,
S/o Late U. D. Gupta.

b) Yes, the Tea Estate is presently a defaulter in payment of tax on tea leaves.

c) Defaulted amont is Rs. 37.31 lakh approximately. The process of realisation through Bakijai measure has already been taken and Rs. 5 lakhs of the defaulted amount has so far been collected.

**বিষয় ঃ BADB Act., 2000.**

**ডঃ জয়নাথ শৰ্মাই সুধিছে ঃ**

১৮২/ মাননীয় পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা Backward Area Development Board Act, 2000 (Act No. 13 of 2000) ৰ অধীনত কি কি আঁচনি এতিয়ালৈকে পাইছে? (বিতং তথ্য দিব)

(খ) উক্ত আইনৰ অধীনত অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা কিবা বিচাৰিছে নে? যদি বিচাৰিছে তেন্তে উক্ত আইনৰ অধীনত অসম চৰকাৰে কি কি আঁচনিৰ বাবে প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰক দাখিল কৰিছে? (বিতং তথ্য জনাব)

**শ্ৰীতৰুণ গগৈ** (পৰিকল্পনা আৰু উন্নয়ণ বিভাগৰ মন্ত্ৰী তথা মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা এই আইনৰ অধীনত এতিয়ালৈকে কোনো আঁচনি পোৱা নাই।

(খ) জ্ঞাত নহয়।

**বিষয় ঃ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদ।**

**১৮৩/ শ্ৰীমতী উত্তৰা কলিতাই সুধিছে ঃ**

মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে ৰঙিয়া ডিভিজনত ২০০১-২০০৪ চনৰ ভিতৰত পি এম জি ৱাই আঁচনিৰ অধীনত কিমানখন গাঁৱত বৈদ্যুতিকৰণ কৰিলে?

(খ) কমলপুৰ সমষ্টিত কিমানখন গাঁও গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনত বৈদ্যুতিকৰণ কৰা হ'ল?

(গ) কমলপুৰ সমষ্টিত কিমান ঘৰত বিদ্যুৎ সংযোগ কৰা হ'ল (গ্ৰাহকৰ নাম, ঠিকনা সহ সদনৰ মেজত দাখিল কৰিব)

(ঘ) হাজো সমষ্টিত কিমানটা অচল ট্ৰেন্সফৰমাৰ আছে? সচল কৰাৰ ব্যৱস্থা ল'বনে?

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী, (স্বতন্ত্ৰ) য়ে উত্তৰ দিছেঃ**

(ক) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ ৰঙিয়া ডিভিজনত ২০০১-২০০৪ চনৰ ভিতৰত পি এম জি ওৱাই আঁচনিৰ অধীনত মুঠ ১৮ খন গাঁও বৈদ্যুতিকৰণ কৰা হৈছে।

(খ) কমলপুৰ সমষ্টিত ১৮ খন গাঁও গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনিৰ অধীনত বৈদ্যুতিকৰণ কৰা হৈছে।

(গ) কমলপুৰ সমষ্টিত ৭৩৬৫ টা ঘৰত বিদ্যুৎ সংযোগ কৰা হৈছে। ইয়াৰে

১৬৫ টা ঘৰত কুটীৰজ্যোতি আঁচনিৰ জৰিয়তে বিজুলী সংযোগ দিয়া গ্ৰাহকৰ নাম ঠিকনা সহ তালিকা পৰিশিষ্ঠ '১' সদনৰ মেজত ৰখা হ'ল। বাকী থকা গ্ৰাহকসকলৰ নাম আৰু ঠিকনা ইত্যাদি সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হৈছে।

(ঘ) হাজো সমষ্টিত বৰ্তমান ১০ (দহ) টা অচল ট্ৰেন্সফৰমাৰ আছে)

এই বিকল ট্ৰেন্সফৰমাৰ সমূহ 'ও এণ্ড এম'ৰ (O & M) ৰ আঁচনিত পৰ্য্যায়ক্ৰমে সলনি কৰাৰ ব্যৱস্থা কৰা হৈছে। তাৰোপৰি মুখ্যমন্ত্ৰী বিদ্যুৎশক্তি যোগান নিশ্চিত কৰা অভিযান আঁচনিৰ অধীনত সচল কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে।

**বিষয় ঃ থানাৰ সংখ্যা।**

**শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে।**

১৮৪/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ডিব্ৰুগড় জিলাত কেইখন থানা আছে আৰু কেইখন আৰক্ষী চকী আছে?

(খ) দুলীয়াজান সমষ্টিত কেইখন থানা আৰু আৰক্ষী চকী আছে?

(গ) এখন থানাত কিমানজন বিষয়ববীয়া থাকিব লাগে আৰু এখন আৰক্ষী চকীত কিমানজন বিষয়ববীয়া থাকিব লাগে?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ডিব্ৰুগড় জিলাত তেৰখন (১৩) থানা আৰু ছয়খন (৬) আৰক্ষী চকী আছে।

(খ) দুলীয়াজান সমষ্টিত দুখন থানা আৰু তিনিখন আৰক্ষী চকী আছে।

(গ) এখন থানাত ১৮ জন বিষয়ববীয়া আৰু এখন আৰক্ষী চকীত ১৩

জন বিষয়ববীয়া থাকে।

## বিষয় ঃ এম ভি টেক্স শিতান।

**শ্ৰীযোচেফ টপ্পয়ে সুধিছে ঃ**

১৮৫/ মাননীয় নগৰ উন্নয়ণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এম ডি টেক্স শিতানৰ পৰা অসমৰ বিভিন্ন পৌৰ নিকায়, নিগম সমূহক বছৰি অনুদান দিয়া হয় নেকি?

(খ) এই পুঁজি বিতৰণ কিহৰ আধাৰত কৰা হয়?

(গ) ২০০৪-০৫ বিত্তীয় বৰ্ষৰ এম, ভি, টেক্স বিতৰণৰ তালিকা দাখিল কৰিবনে?

**শ্ৰীহেম প্ৰকাশ নাৰায়ণ (নগৰ উন্নয়ণ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।**

(ক) হয়।

(খ) পৌৰ নিকায় সমূহলৈ এম, ভি টেক্স বিতৰণৰ ক্ষেত্ৰত পৰিবহণ বিভাগৰ পৰা পৌৰ নিকায় সমূহৰ অন্তৰ্গত পথ ও কালভাৰ্ট নিৰ্মাণ, মেৰামতি কৰাকে মুখ্য আধাৰ হিচাবে ঠাৱৰ কৰি দিয়া হৈছে। অৱশ্যে বিভাগীয় ভাৱে ইয়াৰ লগতে নিকায় সমূহৰ নিজস্ব আয়, প্ৰাকৃতিক দুৰ্যোগ আদিকে ধৰি বিভিন্ন থলুৱা সমস্যা, তাৰোপৰি আগৰ বছৰৰ একে শিতানৰ অনুদানৰ ব্যৱহাৰৰ প্ৰতিও চকু ৰখা হয়।

(গ) হয়, ইয়াৰ লগত তালিকা 'ক'ত গাঁঠি দিয়া হ'ল।

(See Annexure-IX)

## বিষয় ঃ গ্ৰাম্য বৈদ্যুতিকৰণ আঁচনি।

**শ্ৰীশৰৎ শইকীয়াই সুধিছে ঃ**

১৮৬/ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিৱসাগৰ জিলাৰ মাহমৰা সমষ্টিত এতিয়ালৈ যোৱা তিনিটা বছৰত গ্ৰাম্য বৈদ্যুতিকৰণে কিমান আঁচনি দাখিল কৰিছে?

(খ) উক্ত আঁচনিৰ ভিতৰত এতিয়ালৈকে কিমান আঁচনি সম্পূৰ্ণ কৰিলে?

(গ) ২০০১ চনৰ ভিতৰত উক্ত আঁচনি সমূহ সম্পূৰ্ণ হ'বনে?

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী) য়ে উত্তৰ দিছেঃ**

(ক) গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগে ২০০১-০২, ২০০২-০৩ আৰু ২০০৩-০৪ বৰ্ষত শিৱসাগৰ জিলাৰ মাহমৰা সমষ্টিত বৈদ্যুতিকৰণৰ নিম্নলিখিত আঁচনি লৈছে।

| বৰ্ষ | আঁচনিৰ নাম | আঁচনিত অন্তৰ্ভূক্ত গাঁওৰ সংখ্যা |
|---|---|---|
| ২০০০-০১ | ১) এম, এন পি ২০০১-২০০২ | ৫ খন (সম্প্ৰসাৰণ) |
| | ২) (ক) পি, এম, জি, ওৱাই (১ ম পৰ্ব্ব) | ২ খন (সম্প্ৰসাৰণ) |
| | (খ) পি, এম, জি, ওৱাই (২ য় পৰ্ব্ব) | ২ খন (নতুন গাঁও) |
| ২০০২-০৩ | ১) এম, এম পি ২০০২-০৩ | ৬ খন (সম্প্ৰসাৰণ) |
| | ২) পি, এম, জি, ওৱাই ২০০২-০৩ | ১ খন (সম্প্ৰসাৰণ) |
| ২০০৩-০৪ | ১) এম, এন, পি ২০০৩-০৪ | ৭ খন (সম্প্ৰসাৰণ) |
| | ২) পি, এম, জি, ওৱাই ২০০৩-০৪ | ২ খন (সম্প্ৰসাৰণ) |

(খ) ২০০১-০২ বৰ্ষৰ আটাইকেইখন গাঁওতেই লাইন সম্প্ৰসাৰণৰ কাম ইতিমধ্যে শেষ হৈছে। মুখ্য বৈদ্যুতিক উপদেষ্টাৰ অনুমোদন নাপালেই উক্ত গাঁও কেইখনত বিজুলীৰ যোগান ধৰিব পৰা যাব।

২০০২-০৩ চনৰ আঁচনিৰ কাম চলি আছে।

(গ) ধনৰ আবণ্টন সাপেক্ষে (২০০৩-০৪ বৰ্ষৰ) ২০০৯ চনৰ ভিতৰত উক্ত আঁচনি সম্পূৰ্ণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

**বিষয় ঃ কেণ্টিণ নিৰ্মাণ।**

**১৮৭/ শ্ৰীগৌতম বৰাই সুধিছে ঃ**

মাননীয় পৰ্য্যটন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শ্ৰীশ্ৰীমন্ত শংকৰ দেৱৰ জন্মস্থান বটদ্ৰৱা থানাত থকা পৰ্য্যটক নিবাসৰ লগত যাত্ৰী সকলৰ খোৱা-বোৱাৰ সুবিধাৰ বাবে এখন Canteen নথকাটো চৰকাৰ অৱগত নে?

(খ) যদি অৱগত, যাত্ৰীসকলৰ সুবিধাৰ্থে Canteen এখন সজাৰ ব্যৱস্থা কৰিবনে?

**শ্ৰীমিচবাহুল ইছলাম লস্কৰ (পৰ্য্যটন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ মন্ত্ৰী)য়ে উত্তৰ দিছে।**

(ক) হয়, অৱগত।

(খ) সদ্যহতে পুঁজিৰ অভাবৰ বাবে Canteen গৃহ নিৰ্মাণৰ আঁচনি লোৱা হোৱা নাই।

**বিষয় ঃ আৰক্ষী চকীৰ ব্যৱস্থা।**

**শ্ৰীগুণীন হাজৰিকাই সুধিছে ঃ**

১৮৮) মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কলিয়াবৰ মহকুমাৰ কুঠৰী শিৰস্থান, সালনাত থকা Patrol Post কেইটা থানালৈ উন্নীত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

(খ) কাৰ্বি আংলংৰ সীমামুৰীয়া লাংখাংক যাতায়তৰ আৰু কাৰ্বি উগ্ৰপন্থীৰ ওপৰত চকু ৰাখিবলৈ এটা আৰক্ষী চকীৰ ব্যৱস্থা কৰিবনে ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) চৰকাৰৰ ওচৰত প্ৰস্তাৱ নাই।

(খ) আঁচনি লোৱা নাই।

**বিষয় ঃ Transformer বিতৰণ।**

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে।**

১৮৯/ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত REC ৰ অধীনত ২০০৩-০৪, ২০০৪-০৫ চনত কিমান গাঁও বৈদ্যুতিকৰণ কৰা হ'ল? (বৰপেটা জিলাৰ সমষ্টি ভিত্তিত প্ৰতিবেদন দাখিল কৰিব)

(খ) চৰকাৰৰ প্ৰতিশ্ৰুতি মতে Transformer বিলাক বিতৰণ কৰা হলনে ?

(গ) যদি হৈছে বৰপেটা জিলাৰ প্ৰত্যেক সমষ্টিৰ কোন ঠাইত কিমান K.V.A. বা Transformer বিতৰণ হৈছে ? (সদনৰ মেজত তথ্য দাখিল কৰিব)

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)য়ে উত্তৰ দিছেঃ**

ক) অসমত আৰ, ই, চিৰ অধীনত ২০০৩-০৪ আৰু ২০০৪-০৫ চনত ৩০১ খন নতুন গাওঁলৈ বৈদ্যুতিকৰণ কৰা হৈছে।

উক্ত চন দুটাত বৰপেটা জিলাৰ সমষ্টিৰ বিপৰীতে গাওঁৰ সংখ্যা দেখুওৱা হ'ল ঃ

| | সমষ্টি | ২০০৩-০৪ | ২০০৪-০৫ |
|---|---|---|---|
| ১। | চাপাগুৰী | ৭ | ২ |
| ২। | বৰপেটা | ৩ | — |
| ৩। | সৰভোগ | — | — |
| ৪। | বাঘবৰ | — | — |
| ৫। | পাটাছাৰকুছি | ১ | — |
| ৬। | ভৱানীপুৰ | ২ | — |
| | | ১৩ খন | ৪ খন |

খ) হৈছে।

গ) বৰপেটা জিলাৰ প্ৰত্যেক সমষ্টিৰ কোন ঠাইত কিমান KVA ৰ ট্ৰেন্সফৰমাৰ বিতৰম কৰা হৈছে তাৰ তালিকাঃ

(১) বৰপেটা সমষ্টি ঃ

২০০৩-২০০৪

১। হাজীপাৰা - ৬৩ কে ভি এ

২। দগুকুছী - ৭৭-২৫ কে ভি এ

৩। পঃ হাজীপাৰা - ৬৩ কে ভি এ

৪। নখন্দাৰ WSS - ১০০ কে ভি এ

(২) জনিয়া সমষ্টি ঃ

১। বামুণটাৰী (উদমাৰী) - ৬৩ কে ভি এ

২) বহা - ১০০ কে ভি এ

৩) তেতেলিতল- ৬৩ কে ভি এ

৪) বেঙ্গলী পাৰা- ২৫ কে ভি এ

(৩) বাঘবৰ সমষ্টি

১) সত্ৰ কনাৰা- ১০০ কে ভি এ

২) আগমনদিয়া - ২৫ কে ভি এ

৩) ভাতকুছি-১ - ৬৩ কে ভি এ

৪) ভাতকুছি-২ - ৬৩ কে ভি এ

(৪) সৰু ক্ষেত্ৰী সমষ্টি

১) নাজছলদাহ- ১০০ কে ভি এ

২) চালদাহ - ৬৩ কে ভি এ

৩) মাজদিয়া - ১০০ কে ভি এ

৪) যশোধৰা পাম - ২৫ কে ভি এ

(৫) চেঙা সমষ্টি

১) বৰবিলা- ১০০ কে ভি এ

২) চেঙা (..........)- ৬৩ কে ভি এ

৩) পদ্মপাৰা- ২৫ কে ভি এ

৪) বহৰী মাদ্ৰাছা- ৬৩ কে ভি এ

(৬) ভৱানীপুৰ সমষ্টি

১) ভোগপুৰ - ৬৩ কে ভি এ

২) সৰুপেটা- ১০০ কে ভি এ

৩) ভোলাগুৰি- ১০০ কে ভি এ

৪) বগুলাপাৰ - ২৫ কে ভি এ

(৭) সৰভোগ সমষ্টি

১) বৰনগৰ চাৰ্কোল অফিচ- ৬৩ কে ভি এ

২) চুলিয়াকটা - ৬৩ কে ভি এ

৩) কলহভঙ্গা - ১০০ কে ভি এ

৪) তাঠিয়াবাৰী - ২৫ কে ভি এ

বৰপেটা জিলা (২০০৪-০৫)

১) মেদা- ১০০ কে ভি এ - সৰভোগ সমষ্টি

২) কলিতাপাৰা (পূব) - ৬৩ কে ভি এ - সৰভোগ সমষ্টি

৩) দুৰামাৰী - ৬৩ কে ভি এ - সৰভোগ সমষ্টি

৪) পিৰাগাঁও - ৬৩ কে ভি এ - সৰভোগ সমষ্টি

৫) কলহভঙ্গা (লক্ষী মিল) ২৫০ কে ভি এ - সৰভোগ সমষ্টি

৬) পকাবেতবাৰী- ২৫ কে ভি এ- সৰুক্ষেত্ৰী সমষ্টি

৭) নামচালা - ১০০ কে ভি এ - সৰুক্ষেত্ৰী সমষ্টি

৮) সৰ্থেবাৰী - ২৫ কে ভি এ - সৰুক্ষেত্ৰী সমষ্টি

৯) মাদুলীঝাৰ (মাছুৰা) - ২৫ কে ভি এ - বৰপেটা সমষ্টি

১০) গাজিয়া ব'ড - ৩১৫ কে ভি এ - বৰপেটা সমষ্টি

১১) সুন্দৰিদিয়া - ১০০ কে ভি এ - বৰপেটা সমষ্টি

১২) সোণকুছি কলনি - ১০০ কে ভি এ - বৰপেটা সমষ্টি

১৩) গনককুছি কলনি - ১০০ কে ভি এ - বৰপেটা সমষ্টি

১৪) মাইলকুছি - ২৫ কে ভি এ- বৰপেটা সমষ্টি

১৫) ধানবন্ধা - ৬৩ কে ভি এ - বৰপেটা সমষ্টি

১৬) চমুৱাঘাটী - ১০০ কে ভি এ - বৰপেটা সমষ্টি

১৭) ঘাঘ্ৰাবাৰী - ৬৩ কে ভি এ - বৰপেটা সমষ্টি

১৮) গৰৈমাৰী - ২৫ কে ভি এ - বৰপেটা সমষ্টি

১৯) খাটালপাৰা - ৬৩ কে ভি এ - বৰপেটা সমষ্টি

২০) নৰ্থ বৰপেটা - ২৫০ কে ভি এ - বৰপেটা সমষ্টি

২১) নৰ্থ বৰপেটা - ১০০ কে ভি এ - বৰপেটা সমষ্টি

২২) বঙদিয়া - ২৫ কে ভি এ - ভৱানীপুৰ সমষ্টি

২৩) কটাহবাৰী - ২৫ কে ভি এ - ভৱানীপুৰ সমষ্টি

২৪) পুৰণী ভৱানীপুৰ - ৬৩ কে ভি এ - ভৱানীপুৰ সমষ্টি

২৫) হাকাবটুপ - ২৫ কে ভি এ - ভৱানীপুৰ সমষ্টি

২৬) গেৰুৱাপাৰ - ২৫ কে ভি এ - ভৱানীপুৰ সমষ্টি

২৭) সোণাফুলি - ২৫ কে ভি এ - ভৱানীপুৰ সমষ্টি

২৮) মাধপাৰ - ২৫ কে ভি এ - ভৱানীপুৰ সমষ্টি

২৯) বহৰী - ১০০ কে ভি এ - চেঙা সমষ্টি

৩০) বহৰী কলনী - ৬৩ কে ভি এ - চেঙা সমষ্টি

৩১) পামপাৰা - ৬৩ কে ভি এ - চেঙা সমষ্টি

৩২) চেঙা মুছলিমপাৰা - ৬৩ কে ভি এ - চেঙা সমষ্টি

৩৩) ববচুহা - ৬৩ কে ভি এ - চেঙা সমষ্টি

৩৪) কেন্দুগুৰি - ২৫০ কে ভি এ - পাটাচাৰকুছি সমষ্টি

৩৫) হালাগুৰি - ৬৩ কে ভি এ - পাটাচাৰকুছি সমষ্টি

৩৬) ভেটুৱা - ৬৩ কে ভি এ - পাটাচাৰকুছি সমষ্টি

৩৭) সত্ৰবৰলা - ২৫ কে ভি এ - পাটাচাৰকুছি সমষ্টি

৩৮) ডেকাপাৰা - ২৫ কে ভি এ - পাটাচাৰকুছি সমষ্টি

৩৯) কুবুবাহা - ৬৩ কে ভি এ - পাটাচাৰকুছি সমষ্টি

৪০) দৈচিঙৰী - ৬৩ কে ভি এ - পাটাচাৰকুছি সমষ্টি

৪১) চলিহাচকলা - ৬৩ কে ভি এ - পাটাচাৰকুছি সমষ্টি

৪২) নতুন নামচালা - ২৫ কে ভি এ - পাটাচাৰকুছি সমষ্টি

৪৩) বেজকুছি - ১০০ কে ভি এ - পাটাচাৰকুছি সমষ্টি

৪৪) হৰিপুৰ - ২৫০ কে ভি এ - পাটাৰকুছি সমষ্টি

৪৫) জালাহ - ২৫০ কে ভি এ - চাপাগুৰি সমষ্টি

৪৬) কাৰহানা - ২৫ কে ভি এ - চাপাগুৰি সমষ্টি

৪৭) মহাৰাণী - ২৫ কে ভি এ - ভৱানীপুৰ সমষ্টি।

**বিষয় ঃ বোমা বিস্ফোৰণ।**

**১৯০/ শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২৬ জানুৱাৰী '০৫ তাৰিখে জজ খেল পথাৰত হোৱা বোমা বিস্ফোৰণৰ তদন্তৰ প্ৰতিবেদনৰ ফলাফল কি? (তদন্তৰ প্ৰতিবেদনৰ কপি সদনৰ মেজত দাখিল কৰিব)

(খ) উক্ত ঘটনাৰ পৰিপ্ৰেক্ষিত্ৰত বিভাগৰ তৰফৰ পৰা বিভাগীয় বিষয়াৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

(গ) যদিহে ব্যৱস্থা গ্ৰহণ কৰা হৈছে, ব্যৱস্থা সমূহ কেনে ধৰণৰ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

(ক) ২৬ জানুৱাৰী '২০০৫ তাৰিখে জজ খেল পথাৰত হোৱা বোমা বিস্ফোৰণৰ ঘটনাৰ তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত ইতিমধ্যে দোষী সাব্যস্ত আৰক্ষী বিষয়াৰ বিৰুদ্ধে বিহিত ব্যৱস্থা লোৱা হৈছে। প্ৰতিবেদনৰ অন্যান্য পৰামৰ্শ সমূহ কাৰ্য্যকৰী কৰিবৰ বাবে ব্যৱস্থা কৰি থকা হৈছে। (গোপনীয়তাৰ খাটিৰত তদন্তৰ প্ৰতিবেদনৰ কপি সদনৰ মজিয়াত দাখিল কৰিব পৰা নগ'ল)।

(খ) হয়।

(গ) তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত ইতিমধ্যে ৰাজ্য চৰকাৰে পাণবজাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াজনক তেওঁ কৰ্ত্তব্যৰ প্ৰতি দেখুওৱা অৱহেলাৰ বাবে বিভাগীয় অনুশান মূলক ব্যৱস্থা (Departmental Proceeding) আৰু চাকৰিৰ পৰা নিলম্বিত কৰা হৈছে। প্ৰতিবেদনৰ অন্যান্য পৰামৰ্শ সমূহ কাৰ্য্যকৰী কৰিবৰ বাবে ব্যৱস্থা কৰি থকা হৈছে।

## বিষয় ঃ অসমীয়া ভজন গ্ৰন্থ।

**শ্ৰীপ্ৰেমধৰ বৰাই সুধিছে।**

১৯১/ মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত পশ্চিমীয়া নৃত্যগীত আদিৰ প্ৰভাৱ বৃদ্ধি পাই থকাত অসমীয়া কৃষ্টি সংস্কৃতি ক্ষেত্ৰখনত অত্যাধুনিক ছাপ পৰাৰ যি উপক্ৰম ঘটিছে এনে পৰিস্থিতিত ভাৰতীয় শাস্ত্ৰীয় সংগীতৰ আধাৰত অসমীয়া ভাষাত 'ভজন গীত'ৰ প্ৰচলন কৰিবলৈ যে এটা প্ৰচেষ্টা চলি আছে এই বিষয়ে ৰাজ্য চৰকাৰ অৱগতনে?

(খ) এই ভজন সংস্কৃতিৰ ওপৰত সংবাদমেল, আলোচনা চক্ৰ ভজন সন্ধ্যা ইত্যাদি অনুষ্ঠিত হৈ থকাৰ বিষয়ে চৰকাৰ জ্ঞাতনে?

(গ) মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আৰু অসম বিধান সভাৰ অধ্যক্ষ মহোদয়ৰ পৃষ্ঠপোষকতাত 'অসমীয়া ভজন গ্ৰন্থ' নামৰ এখনি পুথি প্ৰকাশ হোৱাৰ বিষয়ে সাংস্কৃতিক বিভাগ জ্ঞাতনে?

(ঘ) বিশিষ্ট সাহিত্যিক শ্ৰীযুত চন্দ্ৰ প্ৰসাদ শইকীয়া, ড° হীৰেণ গোঁহাই অসমৰ মুখ্য মন্ত্ৰী ডাঙৰীয়া, তেতিয়াৰ সাংস্কৃতিক বিভাগৰ মন্ত্ৰী শ্ৰীযুক্তা প্ৰণতি ফুকন, শিক্ষামন্ত্ৰী শ্ৰীযুত পংকজ বৰা, অসম চৰকাৰৰ ৰাজহুৱা হিচাব পৰীক্ষা সমিতিৰ অধ্যক্ষ শ্ৰযুত প্ৰেমধৰ বৰা, সংগীত নাটক একাডেমীৰ অধ্যক্ষ ড° ভূপেন হাজৰিকা আদিয়ে উক্ত 'অসমীয়া ভজন গ্ৰন্থ'খনিক শ্ৰেষ্ঠ অসমীয়া ভজনেৰে সমৃদ্ধ অসমৰ সাংস্কৃতিক জগত খনৰ এখনি অমূল্য গ্ৰন্থ হিচাপে স্বীকৃতি দিয়াৰ বিষয়ে অসম চৰকাৰৰ সাংস্কৃতিক বিভাগ জ্ঞাতনে?

(ঙ) ২০০২ চনৰ ০২ অক্টোবৰৰ পৰা সংগীত বিশাৰদ শ্ৰীলক্ষী বল্লভ কন্দলীয়ে গুৱাহাটীৰ পৰা ডিব্ৰুগড়লৈ প্ৰায় ৩৫০০ কি. মি. পথ পদ যাত্ৰাৰে অসমীয়া সংস্কৃতিৰ প্ৰচাৰৰ অভিযান চলাই জন সাধাৰণৰ পৰা যি বিপুল জন সমাদৰ পাইছিল, এই বিষয়ে অসম চৰকাৰ অৱগতনে?

(চ) যদি অৱগত তেন্তে এই সংগীত বিশাবদ গৰাকীৰ অবিৰাম সৎ আধ্যাত্মিক আৰু আন্তৰিক প্ৰকল্পক সঁহাৰি জনাই মহাপুৰুষীয়া ভজন সংস্কৃতিক চৰকাৰী স্বীকৃতি প্ৰদানৰ কাৰ্য্যকৰী ব্যৱস্থা হাতত ল'বনে?

**ডঃ হেমপ্ৰভা শইকীয়া (সাংস্কৃতিক বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে**

(ক) অৱগত।

(খ) জ্ঞাত।

(গ) জ্ঞাত।

(ঘ) তেনে স্বীকৃতি বিভাগৰ দৃষ্টিগোচৰ হোৱা নাই।

(ঙ) পদযাত্ৰা কৰা সম্পৰ্কে জ্ঞাত। কিন্তু দূৰত্ব সম্পৰ্কত চৰকাৰ জ্ঞাত নহয়।

(চ) গুৰু দুজনাই সৃষ্টি কৰা নাট, নৃত্য আৰু গীত মহাপুৰুষীয়া সংস্কৃতিৰ অন্তৰ্গত। নাট্যাংশ অংকীয়া ভাওনা, গীতাংশ বৰগীত আৰু নৃত্যাংশ সত্ৰীয়া নৃত্য হিচাবে সমাদৃত। সংগীত নাটক একাডেমীয়ে সত্ৰীয়া নৃত্যক ৰাষ্ট্ৰীয় নৃত্য হিচাবে স্বীকৃতি প্ৰদান কৰিছে। শ্ৰীকন্দলীয়ে গোৱা মহাপুৰুষৰ ভক্তিমূলক গীত সমূহক চৰকাৰী কাৰ্য্যসূচীত পৰিবেশন কৰিবলৈ সময়ে সময়ে সুবিধা দিয়া হ'ব।

## বিষয় ঃ অসমীয়া ছবি সংৰক্ষণ

**শ্ৰীজগদীশ ভূঞাই সুধিছে**

**১৯২/ মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) অসমীয়া চলচিত্ৰলৈ ৰাজ্য চৰকাৰে আগবঢ়োৱা ৰাজ্যিক বঁটা পুনৰ প্ৰদানৰ চিন্তা কৰিছে নেকি? যদি কৰিছে কেতিয়াৰ পৰা প্ৰক্ৰিয়াটো আৰম্ভ হ'ব?

(খ) অসমীয়া ছবি সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰৰ কিবা আঁচনি আছে

নেকি? যদি আছে, কি আঁচনি গ্ৰহণ কৰিছে?

(গ) প্ৰথমখন অসমীয়া ছবি জয়মতীৰ নিগেটিভ লাহোৰত থকা বুলি বাতৰি কাকতত প্ৰকাশ পোৱা সম্পৰ্কে চৰকাৰ অৱগতনে? এই নিগেটিভ সংগ্ৰহৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা কিবা ব্যৱস্থা লোৱা হৈছে নেকি?

(ঘ) জয়মতীৰ পৰা এতিয়ালৈকে কিমানখন অসমীয়া ছবিৰ প্ৰিণ্ট অসমত পাবলৈ নাই? (তালিকা দিব) সেই সমূহ ছবিৰ প্ৰিণ্ট সংগ্ৰহৰ কিবা ব্যৱস্থা লৈছেনে?

(ঙ) মিনি চিনেমা গৃহ নিৰ্মাণৰ বাবে ৰাজ্য চৰকাৰে লোৱা আঁচনিখন বৰ্তমান কি পৰ্য্যায়ত আছে? (সবিশেষ জনাব)

(চ) অসমত এতিয়ালৈকে কিমানটা চিত্ৰগৃহ বন্ধ হ'ল? (সবিশেষ তালিকা দিব)

(ছ) চিত্ৰগৃহসমূহ বন্ধৰ কাৰণ সমূহ কি কি?

**ডঃ হেমপ্ৰভা শইকীয়া (সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) অহা এপ্ৰিল মাহৰ প্ৰথমাৰ্দ্ধত ৰাজ্যিক চলচিত্ৰ বঁটা প্ৰদানৰ সিদ্ধান্ত লোৱা হৈছে। ইতিমধ্যে বঁটা প্ৰদানৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰা হৈছে।

খ) অসমীয়া কথাছবি সংৰক্ষণৰ পৰিকল্পনা আছে। জ্যোতি চিত্ৰবনত থকা শীত-তাপ নিয়ন্ত্ৰিত কোঠাত ছবিৰ প্ৰিণ্ট/নিগেটেভ আদি ৰখা হয়।

গ) এই বিষয়ত চৰকাৰৰ হাতত তথ্য নাই। বাতৰি কাকতত বাতৰি পৰিবেশিত হোৱা বিষয়টোৰ ওপৰত পৰীক্ষা কৰা হৈছে।

ঘ) ছবি সমূহৰ সংখ্যা জ্ঞাত নহয়। ব্যক্তিগত বেনাৰৰ নামত প্ৰযোজিত

ছবি সমূহৰ কোনো সংবাদ চৰকাৰক দিয়া নহয়। গতিকে, সংগ্ৰহৰ ক্ষেত্ৰত সু-ব্যৱস্থা গ্ৰহণৰ সুবিধা হোৱা নাই।

ঙ) সাধাৰণ প্ৰশাসন বিভাগ (GAD) ৰ পৰা পোৱা তথ্য অনুসৰি মিনি চিত্ৰগৃহ নিৰ্মাণৰ আঁচনি ৰূপায়ণ কৰিবৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। ইতিমধ্যে উক্ত Rule ৰ সংশোধনৰ প্ৰস্তাৱত (Amendment proposal) Legislative Deptt. ৰ পৰা মতামত পোৱা হৈছে। উক্ত বিধি সমূহ সংশোধনৰ পিছত কাৰ্য্যকৰী কৰিব পৰা হ'ব।

চ) প্ৰাপ্ত তথ্য অনুসৰি ২২ (বাইশ)টা চিত্ৰগৃহ বন্ধ হৈ আছে। (ইয়াত তালিকা দিয়া হ'ল) (Annexure-X)

ছ) চিত্ৰগৃহ সমূহ বিভিন্ন কাৰণত বন্ধ হৈ আছে ঃ

যেনে ঃ

১) আইন সম্বন্ধীয় (Legislation) ।

২) মাটিৰ বেমেজালি।

৩) মেৰামতি চলি থকা বাবে।

৪) আৰ্থিক লোকচান হোৱাৰ বাবে।

## Sub : Kidnapping.

**Shri Mission Ranjan Das asked :**

193. Will the Minsiter of Home be pleased to state :

a) Whether kidnapped girl of Karimganj P.S. case No. No. 42/2005 has been recovered ?

b) Whether all the accused of the case have been

arrested ?

c) If not state reasons thereof and what are the steps taken to recover the victim girl and arrest of accurse ?

**Shri Rockybul Hussain (Minister of State, Home) replied :**

a) Yes, the kidnapped women Shri Mukti Paul has been recovered on 6-3-05.

b) The prime accused Tajuddin has also been arrested on 6 /03/06. Another accused Jamila Bibi was arrested earlier.

c) The FIR named accused Mitali Deb and Mousumi Deb were throughly interrogated but were not arrested for lack of evidence in the Commission of the crime. The remaining accused Jalil Mia is absconding. Different steps have been taken but not disclosed for the interest of Investigation.

**বিষয় ঃ বাতৰি কাকতৰ স্বত্বাধিকাৰীক হত্যা।**

**শ্ৰীভূপেন ৰয়ে সুধিছে ঃ**

১৯৪/মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) বৰাক উপত্যকাৰ পৰা প্ৰকাশিত 'সোণাৰ কাছাৰ' নামৰ বাতৰি কাকত খনৰ স্বত্বাধিকাৰী ৰনবীৰ ৰায়ক আততায়ীয়ে গুলিয়াই হত্যা কৰা কথাটো চৰকাৰ অৱগতনে ?

খ) যদি অৱগত, হত্যাকাণ্ডৰ তদন্ত সম্পূৰ্ণ কৰা হৈছে নে ? যদি হোৱা

নাই বৰ্ত্তমান কি পৰ্য্যায়ত আছে ?

গ) এই হত্যাকাণ্ডৰ তদন্ত চৰকাৰে চি বি আইৰ হাতত অৰ্পন কৰাৰ বিষয়ে চিন্তা কৰিছে নেকি ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) অৱগত। গুলিয়াই হত্যা কৰা নাই। চোকা তৰোৱালেৰেহে ঘপিয়াই হত্যা কৰা হয়।

খ) তদন্তৰ কাম প্ৰায় হৈছে। চূড়ান্ত প্ৰতিবেদন দাখিলৰ পৰ্য্যায়ত।

গ) কৰা নাই।

## Sub : Nos. of Transformer

**Shri Monilal Goala asked :**

195/ Will the Minsiter of Power be pleased to state :

a) Would the Minister-in-Charge, Power giver the number of transformers lying out of order in the State?

b) What step the Government proposes to take up to repair replace the Transformer ?

c) Whether the Government will take up the following villages under Lowairpon Electrical Sub-Division in Karimganj Division for electrification under MNP or Intersification Scheme as required :

1) Tirimtee T.E.

2) Baitakhal T.E.

3) Katabari

4) Pailamuli

5) Hattikhira South

6) Piplapunji

7) Dewali

8) Balipipla

9) Pipolacherra

10) Khulicherra

11) Kadamtala

12) Jugicherra

13) Karikhai

14) Sibergool

15) Perba Lowaipon

16) Sagalmara

17) Madhavpur

18) East Kalacherra

19) Part of Isabheel

20) Purbu Halaibond

d) Can the Government assure cent percent electrification of the above villages by 2007 inspite of the slow progress ?

**Shri Pradyut Bordoloi (Minister of State (Ind) Power) replied :**

a) 1831 Numbers of transformers are lying out of order in the state.

b) Steps are being taken to replace the damaged transformers in phase manner under 'O & M' Scheme. Moreover, arrangements for transformer through Chief Minister's Electricity Assurance program are also being made.

c) Out of the 19 villages under Lowirpoa Electrical Sub-division of ASEB that were proposed for Electrification, by the Hon'ble MLA 5 (five) villages have already been included in different RE Scheme for Electrification, these are listed below :

| | |
|---|---|
| 1. Tirmiti T.E. | = RE (MNP)-2002-03 |
| 2. Baitakhal T.E. | = RE(PMGY)-2003-04 |
| 3. Dewali | = RE(MNP)-2003-04 |
| 4. Balipipla | = RE(MNP)-2002-03 |
| 5. Isabeel | = RE(PMGY)-2001-02 |

Remaining 14 (fourteen) villages will be considered in future RE-Scheme subject to Techno-economic feasibility and fund availabiltiy.

d) Necessary steps have been taken for electrification of all villages by 2007 as per National Policy subject to providing of sufficient fund in time.

## Sub : Offices of Sub-Divisional H.Q.

**Shri Bimolangshu Roy asked :**

196. Will the Chief Minister be pleased to state :

a) Is the Government aware about the resolution of the Sub-divisional Land Advisory Committee meeting of Lakhimpur held on 11.08.95 regarding preparation of plan and estimate etc. for multistoried building for accommodation of the office of S.D.O. (Civil) Judicial Court and other offices of the Sub-divisional head quarter?

b) If so, what steps, so far has been taken by the Goverenment ?

c) Is the Government aware that there are misgivings amongst the people regarding establishment of these offices in Lakhimpur town and people are agitating under the banner of 'Mahakuma Sadar/Suraksha Samity, Lakhimpur, Cachar ?

d) If so, what steps so far taken materialisation/ establishment of Lakhimpur subdivisional head quarters to dispell the misgiving ?

e) How many permanent Govt. Offices have to far been established in Lakhimpur and how many in Poilapool ?-As per Government notification No. GAG(B)26/ 92, dated 23.3.92 which place was selected to be the Head Quarters?

**Shri Rockybul Hussain (Minister of State G.A.D.), Home etc.) replied :**

a) Yes,

b) Construction work for the Govt. offices at Lakhimpur Sub-division will be undertaken as soon as the required

land is made available.

c) Yes.

d) Steps will be taken when the land is made available.

e) There is no permanent Govt. Offices either in Lakhimpur or in Poilapool. At present 16 Nos. of Govt. Offices are functioning in Govt. building and 17 Nos. in rented house as per Govt. Notification No. GAG(B)26/92/36 dt. 23.3.92 and Lakhimpur Town was selected to be the Head quarters.

## বিষয় ঃ বিদেশী মদৰ দোকান

**শ্ৰীপ্ৰণৱ কলিতাই সুধিছে ঃ**

১৯৭/ মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত বিদেশী মদৰ দোকান (অনুজ্ঞাপত্ৰ) কিমান আছে ?

খ) বিদেশী মদ প্ৰতিদিনে গড় হিচাপত কিমান বিক্ৰী হয় ?

গ) ইয়াৰ দ্বাৰা প্ৰতিমাহত চৰকাৰলৈ ৰাজহ কিমান আহে ?

ঘ) ভৱিষ্যতে মদৰ (বিদেশী) দোকানৰ লাইচেন্স দিয়াৰ পৰিকল্পনা চৰকাৰে লৈছে নেকি ?

**শ্ৰীৰামেশ্বৰ ধানোৱাৰ (আৱকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) অসমত ১৩৩৬ খন বিদেশী মদৰ দোকান (অনুজ্ঞাপত্ৰ) আছে।

খ) বিদেশী মদ প্ৰতিদিনে বিক্ৰী হোৱা গড় হিচাপ তলত দিয়া হ'ল ঃ

| | |
|---|---|
| 1. IMFL | ৮৩৩৯১.৭৬৬ BL |

2. BFER ২০৭৪৭.৮৫৯ BL

গ) প্ৰতিমাহে চৰকাৰলৈ ৯.৯০ কোটি ৰাজহ আহে।

ঘ) পৰিকল্পনা লোৱা হোৱা নাই।

## বিষয় ঃ উপকেন্দ্ৰৰ কাম আৰম্ভ।

**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

১৯৮/ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) এই কথা চৰকাৰ অৱগতনে যে বাৰে বাৰে আশ্বাস দিয়া স্বত্বেও এতিয়াও গোলোকগঞ্জৰ 33/II KV Sub-Station ৰ কাম আৰম্ভ কৰা হোৱা নাই ?

খ) এই কাম কেতিয়া আৰম্ভ কৰা হ'ব ?

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ**

ক) গোলোকগঞ্জৰ 33/II KV Sub-Station ৰ কাম ইতিমধ্যে আৰম্ভ কৰা হৈছে।

খ) কাম চলি আছে।

## বিষয় ঃ ট্ৰেন্সফৰমাৰ মেৰামতি ।

**শ্ৰীআলী আকবৰ মিঞাই সুধিছে ঃ**

১৯৯/ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত বৰ্ত্তমান কিমানটা ট্ৰেন্সফৰমাৰ ভাল আৰু কিমানটা বেয়া অৱস্থাত আছে ? (জিলা আৰু বিধান সভা সমষ্টি ভিত্তিক তথ্য দিব)

খ) ধুবুৰী জিলাৰ ৭ টা বিধান সভা সমষ্টিৰ ভাল আৰু বেয়া ট্ৰেন্সফৰমাৰ

থকা ঠাইৰ সঠিক তথ্য সমষ্টিৰ বিপৰীতে ঠাইৰ নাম সহ ভাল বেয়াৰ তথ্য দিব ?

গ) জিলাখনত ২০০০-২০০৫ লৈ ট্ৰেন্সফৰমাৰ মেৰামতি কৰা (Pin-Point) ৰ তথ্য বছৰৰ বিপৰীতে সমষ্টি ভিত্তিক মেৰামতিৰ তালিকা প্ৰস্তুত কৰি দাখিল কৰিব ?

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) অসমত বৰ্তমান মুঠ ১৭,১৫৪ টা ভাল ট্ৰেন্সফৰমাৰ আৰু ১৮৩১ টা ট্ৰেন্সফৰমাৰ বেয়া অৱস্থাত আছে। জিলা ভিত্তিক তথ্য তলত দিয়া হৈছে।

| নং | জিলাৰ নাম | ট্ৰেন্সফৰমাৰৰ সংখ্যা | | |
|---|---|---|---|---|
| | | মুঠ | ভাল | বেয়া |
| ১ | ধুবুৰী | ৫১৮ | ৪৮৬ | ৩২ |
| ২ | কোকৰাঝাৰ | ৫৮৮ | ৫২১ | ৬৭ |
| ৩ | গোৱালপাৰা | ৬০৩ | ৪৫৮ | ১৪৫ |
| ৪ | বঙ্গাইগাওঁ | ৫৯৪ | ৪৬৪ | ৫০ |
| ৫ | বৰপেটা | ১০৫২ | ৯২০ | ১৩ |
| ৬ | নলবাৰী | ৩৯৬ | ৩৬৯ | ৩৫ |
| ৭ | কামৰূপ (অ) | ১৮৩০ | ১৭৪৮ | ৮২ |
| ৮ | দৰং | ৮৯৬ | ৮০২ | ৯৪ |

| নং | জিলাৰ নাম | ট্ৰেন্সফৰমাৰৰ সংখ্যা | | |
|---|---|---|---|---|
| | | মুঠ | ভাল | বেয়া |
| ৯ | শোণিতপুৰ | ১১৭৪ | ১০৪৩ | ১৩১ |
| ১০ | মৰিগাওঁ | ৬২৭ | ৫৭৪ | ৫৩ |
| ১১ | নগাওঁ | ১৩৮৬ | ১১৬৮ | ২১৮ |
| ১২ | কাৰ্বি আংলং | ৬০৭ | ৫৫২ | ৫৫ |
| ১৩ | উঃ কাছাৰ | ১৩৫ | ১২৭ | ৮ |
| ১৪ | কাছাৰ | ৮৮৯ | ৮৫৭ | ৩২ |
| ১৫ | হাইলাকান্দি | ৫৮৬ | ৫৩৫ | ৫১ |
| ১৬ | কৰিমগঞ্জ | ৬৫৭ | ৫৯৯ | ৫৮ |
| ১৭ | যোৰহাট | ১২৪০ | ১১৮৯ | ৫১ |
| ১৮ | গোলাঘাট | ১০৪৯ | ৯৫৮ | ৮৪ |
| ১৯ | শিৱসাগৰ | ১৭০২ | ১৪৬৫ | ২৩৭ |
| ২০ | ডিব্ৰুগড় | ৪৫৪ | ৪৩৪ | ২০ |
| ২১ | তিনচুকীয়া | ১৩১৫ | ১২৩৫ | ৮০ |
| ২২ | উঃ লক্ষীমপুৰ | ৫৭২ | ৪৮৫ | ৮৭ |
| ২৩ | ধেমাজী | ২০৩ | ১৭৩ | ৩০ |
| | মুঠ | ১৮,৯৮৫ | ১৭,১৫৪ | ১৮৩১ |

খ) ধুবুৰী জিলাৰ ৭ টা বিধান সভা সমষ্টিৰ ভাল আৰু বেয়া ট্ৰেন্সফৰমাৰৰ তালিকা সমষ্টিৰ বিপৰীতে তলত দিয়া হৈছে ঃ

| নং | জিলাৰ নাম | ট্ৰেন্সফৰমাৰৰ সংখ্যা | | |
|---|---|---|---|---|
| | | মুঠ | ভাল | বেয়া |
| ১ | গৌৰীপুৰ | ১৬৭ | ১৫৬ | ১১ |
| ২ | গোলোকগঞ্জ | ১৫৬ | ১৩৭ | ১৯ |
| ৩ | পূৱ বিলাসীপাৰা | ১২১ | ৯৩ | ২৮ |
| ৪ | পশ্চিম বিলাসীপাৰা | | | |
| ৫ | ধুবুৰী | ১৪৭ | ১৩১ | ১৬ |
| ৬ | মানকাছাৰ | ৭২ | ৪৫ | ২৭ |
| ৭ | দক্ষিণ শালমাৰা | ৮ | ২ | ২ |
| | মুঠ | ৬৬৭ | ৫৬৪ | ১০৩ |

গ) ধুবুৰী জিলাত ২০০০-২০০৫ লৈ ট্ৰেন্সফৰমাৰ মেৰামতিৰ তথ্য বছৰৰ বিপৰীতে সমষ্টি হিচাবে তালিকা তলত দিয়া হ'ল।

| নং | সমষ্টিৰ নাম | ট্ৰেন্সফৰমাৰ মেৰামতিৰ সংখ্যা | | | | |
|---|---|---|---|---|---|---|
| | | ২০০০-০১ | ২০০১-০২ | ২০০২-০৩ | ২০০৩-০৪ | ২০০৪-০৫ |
| ১ | গৌৰীপুৰ | ১৭ | ১০ | ৭ | ৫ | ১১ |
| ২ | বিলাসীপাৰা (পূৱ) | ১০ | ৯ | ১৮ | ৩ | ৪ |
| ৩ | বিলাসীপাৰা (পশ্চিম) | ৮ | ২ | ৭ | ৪ | ৫ |

| নং | সমষ্টিৰ নাম | ট্ৰেন্সফৰমাৰ মেৰামতিৰ সংখ্যা | | | | |
|---|---|---|---|---|---|---|
| | | ২০০০-০১ | ২০০১-০২ | ২০০২-০৩ | ২০০৩-০৪ | ২০০৪-০৫ |
| ৪ | গোলোকগঞ্জ | ১৮ | ১৭ | ১৭ | ১৬ | ৮ |
| ৫ | ধুবুৰী | ৮ | ৫ | ৭ | ৮ | ১৭ |
| ৬ | মানকাছাৰ | ৬ | ৬ | ৫ | ৪ | — |
| ৭ | দক্ষিণ শালমাৰা | ২ | == | ৪ | ৩ | — |

## বিষয় ঃ চালান কেলেংকাৰী।

**শ্ৰীউৎপল দত্তই সুধিছে ঃ**

২০০/ মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) লক্ষীমপুৰ জিলা কোষাগাৰত ২০০৪ চনলৈকে হোৱা চালান কেলেংকাৰীৰ বিষয়ে চৰকাৰ অৱগত নে ?

খ) এই কেলেংকাৰীত কিমানজন বিষয়া কৰ্মচাৰী জড়িত আছে ? তেখেত সকলৰ ওপৰত বিভাগীয় শাস্তিমূলক ব্যৱস্থা লৈছে নেকি ?

গ) যদি ব্যৱস্থা লৈছে, অভিযুক্ত সকলৰ নামৰ তালিকা দিব নে ?

ঘ) সৰ্বমুঠ কিমান টকা মূল্যৰ ষ্টাম্পপেপাৰ এই চালান কেলেংকাৰীৰ দ্বাৰা কোষাগাৰৰ পৰা অবৈধভাৱে উলিয়াই নিছিল ?

ঙ) এই চালান কেলেংকাৰীৰ ফলত চৰকাৰৰ কিমান টকা লোকচান হ'ল ?

চ) এনেধৰণৰ লোকচান বন্ধ কৰাৰ বাবে চৰকাৰীভাৱে কি ব্যৱস্থা লোৱা হৈছে ?

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) হয়।

খ) মুঠ ১০ (দহ) জন বিষয়া কৰ্মচাৰীক জৰিত থকা বুলি সন্দেহ কৰা হৈছে। ইতিমধ্যে বিভাগীয় বিধি অনুসৰি শাস্তিমূলক ব্যৱস্থা লোৱা হৈছে।

গ) বিষয়টো বৰ্ত্তমান তদন্তাধীন।

ঘ) সৰ্ব্বমুঠ ১,২৬,৩৫,৪১৪/- (অনুমানিক) টকা মূল্যৰ।

ঙ) ১,২৬,৩৫,৪১৪/- (অনুমানিক)

চ) ভৱিষ্যতে যাতে এনেধৰণৰ বে-আইনী কাৰ্য্যৰ দ্বাৰা চৰকাৰী ৰাজহ লোকচান নহয় তাৰবাবে জিলা উপায়ুক্ত আৰু জিলা কোষাগাৰ বিষয়া সকলক যাৱতীয় নিৰ্দ্দেশ দিয়া হৈছে।

## Sub : Peace Dialogue.

**Shri Dilip Kumar Saikia asked :**

**201.** Will the Minister of Political Affairs be pleased to state :

a) Is it true that a noted literature of Assam has been taking the initiative to start a peace dialogue with the Union Government of India and the ULFA ? If so, details thereof and the up-to-date status on the inititative ?

b) Has the Central Government and the ULFA set any pre-condition of peace talks ? If so, details thereof.

c) What is the reaction of the State Government to the Media Report that the ULFA is firm on the Sovereignty issue ?

d) Whether Government is aware that in the election

Manifesto of the Indian National Congress of 2001. It has been stated under promise No. 12 at page No. 15 to take initiate for peace talks with ULFA and other extremist groups? What initiate has the Government taken to initiative peace talks with the ULFA now ?

e) Has the State Government taken any initiative to start peace talks with other extremist organisations of Assam and if so, details thereof ?

**Shri Rockybul Hussain (Minister of State Home) replied :**

a) Yes, upto date status is not available with the State Government.

b) State Government is not aware of it.

c) State Government is of the view that the peace talk should be within the framework of Indian constitution.

d) The State Government is very keen to solve the problems of military in Assam. The State Government has been appealing to ULFA time and again to come forward to the negotiating table to solve their problems in a peaceful manner, but ULFA has been harping on the issue of sovereignty to be the main issue of discussion and for this the peace process is not progressing.

e) Consequent to the appeal/inititatives by the State Govt. except ULFA, other extremist organisations namely - Dima Halam Dauga (DHD), United Peoples

Democratic Solidarity (UPDS), Adivashi Cobra Militant Force (ACMF), Bircha Commando Force (BCF) and lastly National Democratic Front of Boroland (NDFB) declared cease fire with a view to solving their problems through peaceful discussions have already been held among the representatives of the above outfits, State Govt. and the Central Govt. but discussion with NDFB is yet to start.

**বিষয় ঃ বাগানপাৰা আৰক্ষী উপকেন্দ্ৰ।**

**শ্ৰীপানীৰাম ৰাভাই সুধিছে ঃ**

২০২/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) 'বাক্সা' জিলাৰ বাগানপাৰা আৰক্ষী উপকেন্দ্ৰটো থানালৈ উন্নীতকৰণ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছেনে ?

খ) যদি কৰিছে এই বিত্তীয় বৰ্ষতে ব্যৱস্থা ল'বনে ?

গ) অসমত বৰ্ত্তমান VDP গোটৰ সংখ্যা কিমান ?

ঘ) উক্ত VDP কৰ্মী সমূহৰ পাৰিতোষিক দিয়াৰ ব্যৱস্থা আছে নে ? যদি আছে কিমানকৈ দিয়া হয় ?

ঙ) নলবাৰী জিলাত VDP কৰ্মী গোট কিমান আছে ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) বাগানপাৰা আৰক্ষী চকীটো চৰকাৰৰ অধিসূচনা নং এইচ এম চি ৩৭/৮৯/১৮, তাং ১৪/১১/০৫ পূৰ্ণ পৰ্য্যায়ৰ থানালৈ উন্নীতকৰণ কৰা হৈছে।

খ) প্ৰশ্ন নুঠে।

গ) পঞ্জীয়ণভুক্ত VDP গোটৰ সংখ্যা বৰ্তমান ১৯,৮৮১ (উনৈশ হাজাৰ আঠ শ একাশী) খন।

ঘ) গাওঁৰক্ষী বাহিনীৰ কৰ্মী সমূহক কোনো পাৰিতোষিক দিয়াৰ ব্যৱস্থা নাই। পঞ্জীয়ন ভুক্ত VDP গোটক মাহে ৫০.০০ (পঞ্চাচ) টকাকৈ জেপ খৰচ দি থকা হৈছে।

ঙ) ৮৮৫ (আঠশ পচাশী) VDP কৰ্মী গোট আছে।

## বিষয় ঃ বিলাতী তথা দেশীয় মদৰ মহলৰ সংখ্যা।

**শ্ৰীৰামেশ্বৰ তেলীয়ে সুধিছে ঃ**

২০৩/ মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) দুলীয়াজান সমষ্টিত বিলাতী মদৰ দোকান তথা দেশীয় সুৰাৰ মহল বৰ্ত্তমান কিমানখন আছে ?

খ) ইয়াৰ পৰা প্ৰতিমাহে কিমান টকা ৰাজহ সংগ্ৰহ হয় ?

গ) কাৰ কাৰ নামত আৱণ্টন দিয়া হৈছে ?

ঘ) বিলাতী মদৰ তথা দেশীয় সুৰাৰ অনুজ্ঞাপত্ৰ দিয়াৰ ক্ষেত্ৰত কি নীতিত আৱণ্টন দিয়া হয় ?

**শ্ৰীৰামেশ্বৰ ধানোৱাৰ (আৱকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) দুলীয়াজান সমষ্টিৰ বিলাতী মদৰ দোকান আৰু দেশীয় সুৰাৰ সংখ্যা তলত দেখুওৱা হ'ল ঃ

| | |
|---|---|
| IMFL 'OF' | ২১ খন |
| IMFL 'ON' | ১ খন |

CLUB 'ON' ২ খন

C.S.S. ৪ খন

খ) উক্ত দোকান সমূহৰ পৰা প্ৰতিমাহে ২৩,০০,০০০.০০ টকা ৰাজহ সংগ্ৰহ হয়।

গ) উক্ত বিলাতী মদৰ দোকান আৰু দেশীয় সুৰাৰ দোকান সমূহৰ অনুজ্ঞাপ্ৰাপ্ত লোক সকলৰ নামৰ তালিকা সংলগ্ন কৰি সদনত দাখিল কৰা হ'ল। (See Annexture-XI)

ঘ) Assam Excise Rules 1945 চনৰ নিয়মাৱলীৰ ভিত্তিত বিলাতী মদৰ আৰু দেশীয় সুৰাৰ অনুজ্ঞা পত্ৰ আৱণ্টন দিয়া হয়।

**বিষয় ঃ জৰ্জ খেলপথাৰ।**

**শ্ৰীগিৰীন্দ্ৰ কুমাৰ বৰুৱাই সুধিছে ঃ**

২০৪/- মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) জৰ্জ খেলপথাৰত নিৰ্দ্দিষ্ট চৰকাৰী কাৰ্যসূচীৰ বাহিৰে অন্যান্য কাৰ্যসূচী অনুস্থিত কৰাত বাধা নিষেধ আৰোপ কৰাটো সঁচা নে ?

খ) যহিহে সঁচা হয়, উক্ত খেলপথাৰত কি কি অনুস্থান উদযাপন কৰিব পৰা যাব ?

গ) বে-চৰকাৰী অনুস্থান সমূহ পালনৰ বাবে বিকল্প হিচবে কিবা উপায় ৰখা হৈছে নেকি ?

**শ্ৰীৰকিবুল হুছেইন (ৰাজ্যিক মন্ত্ৰী, সাধাৰণ প্ৰশাসন)য়ে উত্তৰ দিছে ঃ**

ক) সঁচা নহয়।

খ) প্ৰশ্ন নুঠে।

গ) বে-চৰকাৰী অনুস্থান সমূহ পালনৰ বাবে বিকল্প ব্যৱস্থা চিন্তা কৰি থকা হৈছে।

**বিষয় ঃ দেশী সুৰাৰ মহল।**

**শ্ৰীগুণীন হাজৰিকাই সুধিছে ঃ**

২০৫/ মাননীয় আৱকাৰী বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমত থকা দেশীয় সুৰাৰ মহল কিমান আছে ? (মহলৰ নাম আৰু মহলদাৰ সকলৰ নাম দাখিল কৰিব)

খ) দেশীয় সুৰাৰ মহলৰ পৰা ৰাজহ কিমান পোৱা হয় ? যোৱা ২০০৩-২০০৪, ২০০৪-২০০৫ বৰ্ষত কোন জিলাত কিমান টকা ৰাজহ পোৱা হৈছিল ?

গ) বৰ্ত্তমান বছৰৰ দেশী সুৰাৰ মহল সমূহ আৱণ্টন দিয়া হ'ল নেকি ? যদি হোৱা নাই, কি কাৰণে হোৱা নাই ? (প্ৰতিটো মহলৰ বিঁপৰীতে টেণ্ডাৰ দিয়া লোক সকলৰ নাম জনাব)

**শ্ৰীৰামেশ্বৰ ধানোৱাৰ** (আৱকাৰী বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) মুঠ ৩৪১ খন দেশীয় সুৰাৰ মহল আছে। (মহলৰ নাম আৰু মহলদাৰ সকলৰ নাম তালিক সংলগ্ন কৰি সদনত দাখিল কৰা হ'ল । (Annexure-I) (৫ কপি)

খ) দেশীয় সুৰাৰ মহলৰ পৰা ২০০৩-২০০৪ আৰু ২০০৪-২০০৫ (জানুৱাৰী, ২০০৫) বৰ্ষত যথাক্ৰমে মুঠ ১২.৭৫ কোটি আৰু ৯.৯৮ কোটি টকা পোৱা হয়। বৰ্ষ অনুপাতে জিলাভিত্তিত সংগৃহীত ৰাজহৰ তালিকা সংলগ্ন কৰি সদনত মজিয়াত দাখিল কৰা হয়। (Annexure-XII)

গ) চৰকাৰে বৰ্ত্তমানৰ মহলৰ ম্যাদ ৩০ জুন ২০০৫ লৈ বৃদ্ধি কৰা বাবে নতুনকৈ আৱণ্টন দিয়া প্ৰশ্ন নুঠে। উপায়ুক্ত সকলৰ অধ্যক্ষতাত বহা সভাত এই নিবিদা সমূহৰ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু তেতিয়ালৈকে এই নিবিদা সমূহ গোপনীয় হৈ পৰীক্ষা-নিৰীক্ষা কৰি থকা হয়। সেয়েহে এই পৰ্য্যায়ত নিবিদা সমূহ মুকলিকৈ প্ৰকাশ কৰা নাযায়।

## বিষয় ঃ বিজুলী সৰবৰাহ।

**শ্ৰীগৌতম বৰাই সুধিছে ঃ**

২০৬/ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্যখনত বিজুলী সৰবৰাহৰ অনিয়মীয়া ব্যৱস্থাৰ কথা চৰকাৰ অৱগতনে ?

খ) যদি অৱগত বিজুলী সৰবৰাহ নিয়মীয়াকৰণৰ ব্যৱস্থা লবনে ?

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ (শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)য়ে উত্তৰ দিছে ঃ**

ক) হয়, অৱগত।

খ) অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ দ্বাৰা বিজুলী সৰবৰাহ নিয়মীয়া কৰণৰ ব্যৱস্থা ইতিমধ্যে লোৱা হৈছে। বিশেষকৈ এই বতৰৰ বাবে হোৱা বিদ্যুৎ নাটনি জোৰা মাৰিবৰ বাবে সক্ৰিয় পৰিচালন নীতি গ্ৰহণ কৰা হৈছে।

## Sub : Bazaricherra Police Petrol Post.

**Shri Monilal Goala asked :**

207/ Will the Minister of Home be pleased to state :

a) Whether the Government received proposal time and

again for the upgradation of the Bazaricherra Police Petrol Post under Karimganj District to a full fledged Police Station in view of its typical location of border areas and crime-prone area ?

b) If so, when the proposal will be materialised ?

**Shri Rockybul Hussain (Minister of State, Home) replied :**

a) The matter is under examination of the Govt.

b) Does not arise.

**বিষয় ঃ পুলিচৰ চাকৰিত নিযুক্তি ।**

**শ্ৰীপ্ৰণৱ কলিতাই সুধিছে ঃ**

২০৮/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) শেহতীয়া পুলিচ কনিষ্টবল চাকৰি অসমৰ কোন কোন সমষ্টিত কিমান নিয়োগ হ'ল ? (নাম সহ তালিকা দাখিল কৰিব)

খ) নিয়োগৰ নীতি নিয়ম তথা ভিত্তি কি আছিল ?

গ) পলাশবাৰী সমষ্টিত এজনেও চাকৰি নিযুক্তি নাপালে, ইয়াৰ কাৰণ কি ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) কনিষ্টবল নিয়োগ প্ৰক্ৰিয়াটো গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচাৰাধীন হৈ থকা বাবে এতিয়ালৈকে অসমৰ কোনো সমষ্টিতে কনিষ্টবলৰ চাকৰিত নিয়োগ কৰা হোৱা নাই।

খ) মহামান্য উচ্চ ন্যায়ালয়ৰ নিৰ্দ্দেশ মৰ্ম্মে সকলো তথ্য-পাতি উচ্চ

ন্যায়ালয়ত জমা দিয়া বাবে তথ্য ভিত্তিত নথি-পত্ৰ সদনত দাখিল কৰিব পৰা নগ'ল।

গ) বিষয়টো মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ত বিচৰাধীন হৈ থকাৰ বাবে আৰু যাৱতীয় নথি-পত্ৰ ন্যায়ালয়ৰ নিৰ্দ্দেশমৰ্ম্মে উচ্চ ন্যায়ালয়ত জমা দিয়াৰ বাবে বিষয়টো মন্তব্য দিব পৰা নগ'ল।

## বিষয় ঃ ৰাজহ গাওঁত বিজুলী সেৱা।

**শ্ৰীদীনেশ চন্দ্ৰ সৰকাৰে সুধিছে ঃ**

২০৯/ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ছ

ক) ধুবুৰী জিলাৰ কোন কোন সমষ্টিৰ কিমান সংখ্যক ৰাজহ গাওঁত সম্পূৰ্ণ বিজুলী সেৱা আগবঢ়োৱা হৈছে ? (সমষ্টি হিচাবে বিতংকৈ দেখুৱাব)

খ) গোলকগঞ্জ সমষ্টিত বিজুলী সেৱা আগবঢ়োৱা ৰাজহ গাওঁবোৰৰ নাম উল্লেখ কৰিবনে ?

গ) আটাইতকৈ পিছপৰা গোলকগঞ্জ সমষ্টিৰ কোন কোন গাওঁত বিজুলী সেৱা আগবঢ়োৱা হোৱা নাই ? (বিতং তথ্য দিব)

ঘ) বিজুলী সেৱা আগনবঢ়োৱা গাওঁবোৰত কেতিয়া বিজুলী সেৱা আগবঢ়োৱা হ'ব ?

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ** (শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ধুবুৰী জিলাত মুঠ ১০৫৭ খন ৰাজহ গাওঁত বিজুলী সেৱা আগবঢ়োৱা হৈছে। সমষ্টি অনুযায়ী গাওঁৰ সংখ্যা তলত দিয়া হ'ল ঃ

| ক্ৰমিক সংখ্যা | সমষ্টিৰ নাম | গাওঁৰ সংখ্যা |
|---|---|---|
| ১। | বিলাসীপাৰা (পূব) | ২১৪ |

| | | |
|---|---|---|
| ২। | বিলাসীপাৰা (পশ্চিম) | ২০৬ |
| ৩। | ধুবুৰী | ৮০ |
| ৪। | গৌৰীপুৰ | ২৮৭ |
| ৫। | গোলকগঞ্জ | ১২২ |
| ৬। | জলেশ্বৰ | ১৯ |
| ৭। | মানকাছাৰ | ৩২ |
| ৮। | শালমাৰা (দক্ষিণ) | ৯৭ |
| | মুঠ | ১০৫৭ খন |

খ) গোলকগঞ্জ সমষ্টিৰ বিজুলী সেৱা আগবঢ়োৱা ১২২ খন ৰাজহ গাওঁৰ নাম পৰিশিষ্ট 'ক'ত উল্লেখ কৰা হ'ল। (See Annexure-XIII)

গ) কাৰ্য্যালয়ৰ তথ্য অনুসৰি গোলকগঞ্জ সমষ্টিৰ সকলো গাওঁতে বিজুলী সেৱা আগবঢ়োৱা হৈছিল। বৰ্ত্তমানে কিছুমান গাওঁত বিদ্যুৎ তাৰ চুৰি, ধুমুহাৰ তাণ্ডৱ, বান-খহনীয়া আদিৰ বাবে বিদ্যুৎ সেৱা ব্যাহত হৈ আছে। এনে গাওঁবোৰলৈ পুনৰ বিজুলী যোগানৰ আঁচনি লোৱা হৈছে।

ঘ) ভাৰত চৰকাৰৰ বৈদ্যুতিক নীতি অনুসৰি বিজুলী সংযোগ নোহোৱা সকলো গাওঁলৈ ২০০৭ চনৰ ভিতৰত বিজুলী সেৱা আগবঢ়োৱা লক্ষ্য স্থিৰ কৰা হৈছে।

## বিষয় ঃ কনিষ্টবল চাকৰিৰ পৰীক্ষা।

**ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ**

২১০/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্য চৰকাৰৰ কনিষ্টবল চাকৰিৰ কাৰণে অসমত কিমান সংখ্যক যুৱক-

যুৱতীয়ে শাৰীৰিক পৰীক্ষাৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু কিমান সংখ্যক যুৱক-যুৱতীয়ে উত্তীৰ্ণ হৈ মৌখিক পৰীক্ষা আৰু শাৰীৰিক সক্ষমতা Physical Fitness সাক্ষাৎ কাৰৰ বাবে উপস্থিত হৈছিল ? (জিলা ভিত্তিক বেলেগ বেলেগ তথ্য দাখিল কৰিব)

খ) Police Mannual মতে বাচনিৰ তালিকাখন হৈছিল নে ?

গ) বাচনিৰ তালিকাখন চাকৰি সংৰক্ষণ ব্যৱস্থাৰ বিধি-সন্মতভাৱে প্ৰস্তুত কৰা হৈছিল নে ? (জিলা ভিত্তিত দাখিল কৰিব)

**শ্ৰীৰকিবুল হুছেইন** (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) বৰ্ত্তমান কনিষ্টবল নিযুক্তিৰ প্ৰক্ৰিয়াটো উচ্চ ন্যায়ালয়ত বিচাৰাধীন

খ) আৰু যিহেতু সকলো নথি-পত্ৰ উচ্চ ন্যায়ালয়ৰ নিৰ্দ্দেশমৰ্ম্মে আদালতত

গ) জমা দিয়া হৈছে সেয়েহে প্ৰাৰ্থীৰ সংখ্যা দিব পৰা নগ'ল।

## বিষয় ঃ লক্ষীমপুৰ উন্নয়ন প্ৰাধীকৰণ কাৰ্য্যালয়।

**শ্ৰীউৎপল দত্তই সুধিছে ঃ**

২১১/ মাননীয় নগৰ উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) লখিমপুৰ উন্নয়ন প্ৰাধীকৰণ কাৰ্য্যালয়ত কিমান বিষয়া কৰ্মচাৰী আছে? তেওঁলোকৰ নাম আৰু পদবীসহ কাৰ্যালয়ত কিমান দিনৰ পৰা কৰ্মৰত হৈ আছে তাৰ তথ্য দাখিল কৰিবনে ?

খ) বিভিন্ন শিতানত ২০০৪ চনৰ জানুৱাৰীৰ পৰা ডিচেম্বৰৰ মাহলৈকে কিমান কৰ সংগ্ৰহ হ'ল ? (শিতান অনুসৰি প্ৰতিমাহৰ সংগ্ৰহৰ পৰিমাণ সদনৰ মাজত দাখিল কৰিব)

গ) প্ৰাধীকৰণৰ অনুমতি নোহোৱাকৈ প্ৰাধীকৰণৰ অধিকাৰ ভুক্ত এলেকাত

স্থায়ী গৃহ নির্মাণ হৈ থকাটো চৰকাৰে জানেনে ?

ঘ) প্ৰধান পকী পথ সমূহৰ কাষত হোৱা অবৈধ নিৰ্মাণ বন্ধ কৰা আৰু উচ্ছেদ কৰাৰ ব্যৱস্থা লৈছে নেকি ?

ঙ) যদি লৈছে অবৈধ নিৰ্মাণকাৰীৰ নাম আৰু উচ্ছেদৰ তাৰিখ উল্লেখ কৰিবনে ?

চ) যদি লোৱা নাই, কিয় লোৱা নাই ?

**শ্ৰীহেমপ্ৰকাশ নাৰায়ণ** (নগৰ উন্নয়ন আৰু পৰিকল্পনা বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) লখিমপুৰ উন্নয়ন প্ৰাধীকৰণ কাৰ্য্যালয়ত মুঠ ১৩ জন বিষয়া কৰ্মচাৰী আছে। তেওঁলোকৰ নাম আৰু পদবীসহ কাৰ্য্যালয়ত কিমান দিনৰ পৰা কৰ্মৰত হৈ আছে তাৰ তালিকা Annexure-A-I ত সন্নিবিষ্ট কৰা হৈছে। (See Annexure-XIV)

খ) বিভিন্ন শিতানত ২০০৪ চনৰ জানুৱাৰীৰ পৰা ডিচেম্বৰ মাহলৈকে মুঠ কৰ সংগ্ৰহ হয় ৬,২৬,৫৮৯.০০ টকা। শিতান অনুসৰি মুঠ সংগ্ৰহৰ পৰিমাণ Annexure-A-II ত উল্লেখ কৰা হৈছে।

গ) প্ৰাধীকৰণৰ অনুমতি নোহোৱাকৈ প্ৰাধীকৰণৰ অধিকাৰ ভুক্ত এলেকাত স্থায়ী গৃহ নিৰ্মাণ হৈ থকাটো উন্নয়ন প্ৰাধিকৰণৰ অৱগত আৰু অনুমতি বিহীন স্থায়ীঘৰ সজাত বাধা দিয়াৰ লগতে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।?

ঘ) প্ৰধান পকীপথ সমূহৰ কাষত হোৱা অবৈধ নিৰ্মাণ বন্ধ কৰা আৰু উচ্ছেদ কৰাৰ ব্যৱস্থা প্ৰাধিকৰণে লৈ আছে।

ঙ) অবৈধ নিৰ্মাণকাৰীৰ নাম আৰু উচ্ছেদৰ তাৰিখ Annexure-A-II ত উল্লেখ কৰা হৈছে। (See Annexure-XV)

চ) প্ৰশ্ন নুঠে।

## Sub : MNP Scheme.

**Shri Monilal Goala asked :**

**212.** Will the Minister of Power be pleased to state :

a) Whether it is a fact that the present performance of Patharkandi Electrical Sub-Division has been made in sanctioning and executing the Intensification / MNP / Virgin Villages to compensate the poor achievement?

b) If so, would the Government take up the following villages for intensification ?

1. Manikpara
2. Khilorbond
3. Nalibari
4. Saipergaon
5. Tillangaon
6. Deobari
7. Satghari
8. Ratanpur
9. Dehalia-II, III, IV, V
10. Kalartook
11. Kabaribond
12. Kurtacherra

13. Bubrighat T.E.
14. Pathini T.E.
15. Piplagool T.E.
16. Champabari T.E.
17. Chandkhira T.E.
18. Longai T.E.
19. Lalkhira T.E.
20. Salehpur
21. Noagaon
22. Bazarghat
23. Singari
24. Puran Chandpur
25. Hatirgol
26. Tillabari
27. South Halairbond etc.

**Shri Pradyut Bordoloi (Minister of State (IND) Power) replied :**

a) So far as RE-Scheme works works are concerned, Patharkandi Electrical Sub-Division does not sanction any work and the Sub-Division is executing sanctioned RE(PMGY) / RE(MNP) Virgin and Intensification works.

The achievement of the Sub-Division in RE-Scheme works against the target, i.e. no. of sanctioned village,

is at per with the other Sub-Divisions of the State.

b) Among the 27(twenty-seven) Villages proposed by the Hon'ble MLA, 4(four) nos. of villages have already been included in different RE-Scheme. These are :

| | | | |
|---|---|---|---|
| 1. | Khilorbond | RE(MNP) | 2004-05 |
| 2. | Satghori | RE(PMGY) | 2002-03 |
| 3. | Dohalia-II | RE(MNP) | 2003-04 |
| 4. | Kabaribond | RE(PMGY) | 2001-02 (Phase-II) |

The other villages will be taken-up for Electrification in future Intensification Scheme subject to Techno-economic feasibility and fund availability.

## বিষয় ঃ বৃহত্তৰ নাগালিমত চামিল।

**ডাঃ তাৰাপ্ৰসাদ দাসে সুধিছে ঃ**

২১৩/ মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) অসমৰ ভু-খণ্ড বৃহত্তৰ নাগালিমত চামিল কৰিব বুলি ওলোৱা বাতৰিটো সঁচানে ?

খ) যদি সঁচা কিমান কেইখন গাওঁ বৃহত্তৰ নাগালিমৰ ভিতৰত পৰিছে?

গ) ইয়াৰ কাৰণ ৰাজ্য চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

**শ্ৰীৰকিবুল হুছেইন (গৃহ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ**

ক) অসমৰ ভুখণ্ড বৃহত্তৰ নাগালিমত চামিল কৰিব বুলি ওলোৱা বাতৰিটোৰ সন্দৰ্ভত অসম চৰকাৰৰ হাতত কোনো নিৰ্ভৰযোগ্য তথ্য নাই। অৱশ্যে এন এচ চি এন (আই এম)ৰ ৱেবচাইটত প্ৰকাশিত নাগালিমৰ এখন

মেপত অসমৰ কিছু অংশ সাঙুৰি দেখুৱাটো লক্ষ্য কৰা হৈছে।

খ) এই ক্ষেত্ৰত নিৰ্ভৰযোগ্য তথ্যৰ অভাৱত উত্তৰ দিব পৰা নগ'ল।

গ) ৰাজ্য চৰকাৰৰ স্থিতি এই ক্ষেত্ৰত সুস্পষ্ট। অসমৰ সাংবিধানিক ভৌগোলিক অখণ্ডতা চৰকাৰে সদায় অক্ষুন্ন ৰাখিব।

## বিষয় ঃ বৈদ্যুতিক লাইন সম্প্ৰসাৰণ।

### শ্ৰীউৎপল দত্তই সুধিছে ঃ

২১৪/ মাননীয় শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) লক্ষীমপুৰ জিলাত সঘনাই বিদ্যুৎ শক্তি ব্যাহত থকাৰ কথাটো চৰকাৰ অৱগতনে ?

খ) ২০০০-০১, ২০০১-০২, ২০০২-০৩ আৰু ২০০৩-০৪ চনত লক্ষীমপুৰ সমষ্টিত গাওঁ অঞ্চলত বিদ্যুৎ যোগানৰ বাবে বৈদ্যুতিক লাইন সম্প্ৰসাৰণৰ নতুন আঁচনি লৈছিল নেকি ? (যদি লৈছিল আঁচনি সমূহৰ নাম দিব)।

গ) লক্ষীমপুৰ সমষ্টিত বৈদ্যুতিক লাইনৰ সম্প্ৰসাৰণৰ বাবে অহা ৰাজহুৱা আবেদন সমূহৰ আবেদন নিস্পত্তিৰ ব্যৱস্থা কেনে ধৰণেৰে লৈছে ?

ঘ) উত্তৰ লক্ষীমপুৰ সংমণ্ডলৰ ৰাজগড় মৰিয়াগাওঁ অঞ্চলৰ বৈদ্যুতিক লাইন সম্প্ৰসাৰিত কৰি, ৰেলৰ ৰাস্তা পাৰ কৰাই অৰুণাচলৰ সীমান্তৱৰ্তী অসমৰ গাওঁ সমূহত বিদ্যুৎ যোগান ধৰাৰ কিবা কাৰ্যকৰী ব্যৱস্থা লৈছে নেকি ?

ঙ) বৰ্ত্তমান লক্ষীমপুৰ সমষ্টিত কিমান ট্ৰেন্সফৰমাৰ বিকল হৈ আছে ? (তালিকাসহ দাখিল কৰিব)

চ) এই বিকল হোৱা ট্ৰেন্সফৰমাৰবোৰ ভাল কৰা বা নতুনকৈ দিয়াৰ

ব্যৱস্থা কৰিছে নেকি ?

**শ্ৰীপ্ৰদ্যুৎ বৰদলৈ** (শক্তি বিভাগৰ ৰাজ্যিক মন্ত্ৰী (স্বতন্ত্ৰ)য়ে উত্তৰ দিছে ঃ

ক) হয়, অৱগত।

খ) ২০০১-০২, ২০০২-০৩ আৰু ২০০৩-০৪ চনত লক্ষীমপুৰ সমষ্টিৰ গাওঁ অঞ্চলত বৈদ্যুতিক লাইন সম্প্ৰসাৰণৰ বাবে নিম্নোলিখিত আঁচনি সমূহ লোৱা হৈছিল ঃ

| চন | আঁচনিৰ নাম | আঁচনিত অন্তৰ্ভুক্ত গাওঁৰ নাম |
|---|---|---|
| ২০০০-০১ | - | - |
| ২০০১-০২ | ১। এম, এন, পি ২০০১-০২ | ২ খন (সম্প্ৰসাৰণ) |
| | ২। পি, এম, জি, ওৱাই ২০০১-০২ (১ ম পৰ্ব্ব) | ৩ খন |
| ২০০২-০৩ | ১। এম, এন, পি ২০০২-০৩ | ৬ খন (সম্প্ৰসাৰণ) |
| | ২। পি, এম, জি, ওৱাই | ১ খন (নতুন) |
| ২০০৩-০৪ | ১। এম, এন, পি ২০০৩-০৪ | ৫ খন (সম্প্ৰাসাৰণ) |
| | ২। পি, এম, জি, ওৱাই ২০০৩-০৪ | ২ খন (সম্প্ৰাসাৰণ) |

গ) বৈদ্যুতিক লাইন সম্প্ৰসাৰণৰ বাবে অহা ৰাজহুৱা আবেদন সমূহ (স্থানীয় বিধায়কৰ দ্বাৰা অনুমোদিত) সংশ্লিষ্ট বিদ্যুৎ চক্ৰই কৰি গ্ৰহণযোগ্য পালে DLCC (Diotrict Level Co-ordination Committee) ৰ যোগেদি অনুমোদন লয় আৰু মুখ্য অভিযন্তালৈ

(গ্ৰাম্য বৈদ্যুতিকৰণ) বৈদ্যুতিকৰণৰ বাবে গাওঁ সমূহৰ তালিকা পঠিয়াই। মুখ্য অভিযন্তাৰ কাৰ্যালয়ে চৰকাৰৰ পৰা আৱন্টন হোৱা অৰ্থ সাপেক্ষে গ্ৰাম্য বৈদ্যুতিকৰণৰ আঁচনি সমূহত গাওঁ সমূহ অন্তভুৰ্ক্ত কৰে।

ঘ) অৰুণাচল সীমান্তৱৰ্ত্তী ৰাজগড় মৰিয়াগাও অঞ্চলৰ গাওঁ সমূহত বৈদ্যুতিকৰণৰ বাবে বিদ্যুৎ পৰিবাহী লাইন ৰেলৰ ৰাস্তা পাৰ কৰিবলগীয়া হয়। এই অঞ্চলৰ দলনি ৰিজাৰ্ভ ফৰেষ্ট (চেঞ্চাচ নং ৫০।৩০।০১৭) ইতিমধ্যে পি, এম, জি, ওৱাই ২০০২-০৩ আঁচনিৰ দ্বাৰা সামৰি লোৱা হৈছে। এই সংক্ৰান্তত ৰেল কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি বিদ্যুৎ পৰিষদৰ ফালৰ পৰা যথাবিহীত ব্যৱস্থা লোৱা হ'ব।

ঙ) বৰ্ত্তমান লক্ষীমপুৰ সমষ্টিত ৫৬ টা ট্ৰেন্সফৰমাৰ বিকল হৈ আছে।

বিকল ট্ৰেন্সফৰমাৰৰ তালিকা তলত দিয়া হ'ল ঃ

| ঠাইৰ নাম | ক্ষমতা অনুযায়ী বিকল ট্ৰেন্সফৰমাৰৰ সংখ্যা | | | | | |
|---|---|---|---|---|---|---|
| | ২৫০ কেভিএ | ১০০ কেভিএ | ৬৩ কেভিএ | ২৫ কেভিএ | ১৬ কেভিএ | মুঠ |
| বিহপুৰীয়া | ৩ | ৪ | ১০ | ৬ | - | ২৩ |
| উঃ লক্ষীমপুৰ | ৩ | ৬ | ৮ | ৩ | ১ | ২১ |
| ঢকুৱাখানা | - | ২ | ২ | - | ১ | ৫ |
| ঘিলামৰা | - | ৩ | ২ | ২ | - | ৭ |
| মুঠ | ৬ | ১৫ | ২২ | ১১ | ২ | ৫৬ |

চ) এই বিকল হৈ থকা ট্ৰেন্সফৰমাৰ সমূহ O&M শিতানৰ পুঁজি সাপেক্ষে পৰ্যায় ক্ৰমে সলনি কৰাৰ দিহা কৰা হৈছে। তাৰোপৰি

মুখ্যমন্ত্ৰীৰ বিদ্যুৎ শক্তি যোগান নিশ্চিতকৰণ অভিযান আঁচনিৰ অধীনত পৰ্য্যায় ক্ৰমে কিছুমান বিকল ট্ৰেন্সফৰমাৰ মেৰামতি কৰা বা নতুনকৈ দিয়াৰ ব্যৱস্থা লোৱা হ'ব।

## বিষয় ঃ ভেট প্ৰয়োগ উদ্যোগৰ ওপৰত ভেট প্ৰভাৱ।

ডাঃ তাৰা প্ৰসাদ দাসে সুধিছে ঃ

২১৫/ মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মৰ্ম্মে অসমতো (VAT) অহা ১ এপ্ৰিলৰ পৰা প্ৰয়োগ কৰিলে কি কি উদ্যোগৰ ওপৰত যথেষ্ট ক্ষতি হ'ব ?

খ) কৰ আৰোপ আৰু ৰেহাইৰ বেলিকা ৰাজ্য চৰকাৰে কি ধৰণে ভুমিকা পালন কৰিব ?

শ্ৰীহিমন্ত বিশ্ব শৰ্মা (ৰাজ্যিক বিত্ত মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

ক) ভাৰতীয় সংবিধানৰ ৭ নং অনুচ্ছেদৰ ৫৪ ক্ৰমিক নং মতে সামগ্ৰী সমূহত বিক্ৰী আৰু ক্ৰয়ৰ ওপৰত কৰ আৰোপৰ সম্পূৰ্ণ ক্ষমতা ৰাজ্য চৰকাৰৰ ওপৰত ন্যস্ত কৰা হৈছে। সেয়েহে ভেট প্ৰয়োগ কৰা সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিয়াৰ প্ৰশ্ন নুঠে। ভেট প্ৰয়োগে কোনো উদ্যোগক ক্ষতি কৰাৰ সম্ভাৱনা নাই। ভেটৰ অধীনত কৰ যাতে ৰাজ্য সমূহত সমপৰ্যায়ৰ হয় তাৰ কাৰণে ভাৰতৰ সকলো ৰাজ্যৰ সমন্বয় ঘটাই এখন এম্পাৱাৰড কমিটি গঠন কৰা হৈছে। এই কমিটিত কেবাবছৰো ধৰি হোৱা আলোচনাৰ অন্তত কৰৰ হাৰ সম্পৰ্কে এক উমৈহতীয়া সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। সেই সিদ্ধান্ত অনুসৰি অসম চৰকাৰে সামগ্ৰী সমূহৰ ওপৰত কৰ নিৰ্দ্ধাৰণ কৰিব।

খ) বস্তু বা সামগ্ৰীৰ ক্ৰয়-বিক্ৰয়ৰ ক্ষেত্ৰত কৰ আৰোপণৰ সাংবিধানিক ক্ষমতা ৰাজ্য সমূহৰ আছে। তথাপি ভৱিষ্যতে ভেট প্ৰয়োগৰ পাছত

ৰাজ্য সমূহে একপক্ষীয় ভাৱে কৰৰ হাৰ হ্ৰাস বা বৃদ্ধি কৰিবলৈ অসুবিধাৰ সন্মুখীন হ'ব। কিয়নো দেশৰ বিভিন্ন অঙ্গৰাজ্য সমূহ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য সংশ্লিষ্ট অন্যান্য পক্ষবোৰৰ মাজত বিগত কেইবাবছৰো ধৰি হোৱা আলোচনা আৰু পৰামৰ্শৰ অন্তত ৰাজ্য সমূহে ভেট প্ৰণালী প্ৰৱৰ্ত্তনৰ ক্ষেত্ৰত উমৈহতীয়া সিদ্ধান্ত গ্ৰহণ কৰে আৰু এই ব্যৱস্থাৰে সমগ্ৰ দেশ জুৰি একক সমহাৰ কৰৰ ব্যৱস্থা ৰখা হৈছে। বেহাই আৰু কৰ আৰোপৰ ক্ষেত্ৰত ভৱিষ্যতেও ৰাজ্য সমূহে উমৈহতীয়া সিদ্ধান্ত গ্ৰহণ কৰা উচিত হ'ব। কিন্তু এই ক্ষেত্ৰত ৰাজ্যৰ সাংবিধানিক ক্ষমতা অক্ষুন্ন থাকিব।

## Presentation of the Annual Financial Statement (Budget Estimates) of the Government of Assam for the Year 2005-06

**Mr. Speaker :** Now, Hon'ble Chief Minister, Shri Tarun Gogoi to present the Annual Financial Statement (Budget Estimates) of the Government of Assam for the year 2005-2006.

**শ্ৰীতৰুণ গগৈ (মুখ্যমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়,

মই ২০০৫-০৬ চনৰ বিত্তীয় বছৰটোৰ বাবে ৰাজ্যিক বাজেট উত্থাপন কৰিব খুজিছো।

২। প্ৰায় চাৰিবছৰ পূৰ্ব্বে মই যেতিয়া অসমৰ মুখ্যমন্ত্ৰীৰ কাৰ্যভাৰ গ্ৰহণ কৰো তেতিয়া ৰাজ্যত এক অভূতপূৰ্ব্ব বিত্তীয় সংকট আৰু অৰ্থনৈতিক

স্থবিৰতা বিৰাজ কৰিছিল। সেই সময়ত ৰাষ্ট্ৰীয় আয়ৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ প্ৰায় ৬ শতাংশৰ বিপৰীতে অসমৰ ৰাজ্যিক আয়ৰ বাৰ্ষিক বৃদ্ধিৰ হাৰ আছিল কেৱল মাথো ২ শতাংশৰ ওচৰা-ওচৰি। ৰাজ্য চৰকাৰে সময়মতে মাহিলী পেঞ্চন, দৰমহা আৰু মজুৰী মোকোলাই দিয়াটো সঘনাই অসুবিধাৰ সন্মুখীন হৈছিল। ৰাজ্যিক কৰ্ম্মচাৰী সকলৰ উপৰ্যুপৰি আন্দোলনত জুৰুলা হৈ ৰাজ্যৰ প্ৰশাসন যন্ত্ৰটো প্ৰায় অচল হৈ পৰিছিল। ফলস্বৰূপে ৰাজ্যৰ অৰ্থনৈতিক উন্নয়ন প্ৰায় স্থবিৰ হৈ পৰিছিল। ২০০০ -০১ চনত অসমত বাৰ্ষিক পৰিকল্পনাৰ পৰিসৰ আছিল ১৫২০ কোটি টকা। ইয়াৰে প্ৰায় ৫২ শতাংশ দৰমহা আৰু মজুৰী দিওতেই ব্যয় হৈছিল। ৰাজ্যৰ চৌদিশে এক হতাশাৰ পৰিস্থিতি বিৰাজ কৰিছিল।

৩। মাননীয় অধ্যক্ষ মহোদয়, মই এই পবিত্ৰ সদনত সবিনয়ে জনাব খুজিছো যে অতি কম সময়ৰ ভিতৰতে মোৰ চৰকাৰে এক গভীৰ বিত্তীয় সংকটৰ পৰা ৰাজ্যখনক উদ্ধাৰ কৰি অৰ্থনৈতিক উন্নয়নৰ গতিশীলতা পুনৰ ঘুৰাই আনিবলৈ সক্ষম হৈছো। ইয়াৰ বাবে মই অত্যন্ত সুখী আৰু গৌৰৱান্বিত। ৰাজ্যৰ অৰ্থনৈতিক উন্নয়নৰ হাৰ পুনৰ উৰ্দ্ধগামী হবলৈ ধৰিছে। পেঞ্চন আৰু দৰমহা আদায় দিয়াটো পুনৰ নিয়মীয়া হৈছে। ২০০৩ চনৰ মে' মাহলৈকে ৰাজ্যিক কৰ্মচাৰী সকলে কেৱল ৪৩ শতাংশ হাৰত মৰগীয়া বানচ পাই আছিল। সেই সময়ত কিন্তু ভাৰত চৰকাৰৰ অধীনস্ত কৰ্ম্মচাৰী সকলে ৫৫ শতাংশ হাৰত মৰগীয়া বানচ পাইছিল। ৰাজ্যিক কৰ্ম্মচাৰীক মৰগীয়া বানচ আদায় দিয়াত অসম চৰকাৰ ১২ শতাংশ পিচপৰি আছিল। সম্প্ৰতি আমি এই ব্যৱধান নাইকিয়া কৰি কেন্দ্ৰীয় চৰকাৰৰ সমহাৰত ৰাজ্যিক কৰ্ম্মচাৰী সকলকো ৬৪ শতাংশ হাৰত মৰগীয়া বানচ দিবলৈ সক্ষম

হৈছো। মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ সময়ত কৰ্ম্মচাৰী সকলৰ দৰমহাৰ বাবদ এক বুজন পৰিমাণৰ ধন অপৰিশোধেয় হৈ আছিল। এতিয়া মই নিয়মীয়াকৈ মাহিলী দৰমহা দিয়াৰ উপৰিও কৰ্ম্মচাৰী সকলৰ বকেয়া দৰমহাৰ ৬০০ কোটি টকা যোৱা তিনি বছৰত মোকোলাই দিবলৈ সক্ষম হৈছো। কৰ্ম্মচাৰী সকলৰ চিকিৎসা বানচ মাহিলী ২৫০ টকাৰ পৰা ৩৫০ টকালৈ বৃদ্ধি কৰা হৈছে। যোৱা ২০০৩ চনৰ এপ্ৰিল মাহৰ পৰা গাওঁ বুঢ়া সকলৰ পাৰিতোষিক ৬০০ টকাৰ পৰা ১১০০ টকালৈ বৃদ্ধি কৰা হৈছে। মাজুলী, ধেমাজি, জোনাই, ঢকুৱাখানা আৰু শদিয়া মহকুমাত কাৰ্য্য নিৰ্ব্বাহ কৰা কৰ্ম্মচাৰী সকলৰ ক্ষতিপুৰণ বানচ ২০০১ চনৰ পৰা বন্ধ কৰা হৈছিল। ২০০৪ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা এই ক্ষতিপুৰণ বানচ পুনৰ প্ৰৱৰ্ত্তন কৰিছো। ৰাজ্যিক কৰ্ম্মচাৰী সকলৰ অৱসৰ প্ৰাপ্তিৰ বয়সৰ সীমা ৫৮ বছৰৰ পৰা ৫৯ বছৰলৈকে বৃদ্ধি কৰা হৈছে। আজি কিছু বছৰৰ আগতে বিভিন্ন উৎসৱৰ সময়ত কৰ্ম্মচাৰী সকলক অগ্ৰিম ধন দিয়াটো বন্ধ কৰা হৈছিল। চলিত বিত্তীয় বৰ্ষৰ পৰা চতুৰ্থ শ্ৰেণীৰ কৰ্ম্মচাৰী সকলৰ বাবে মই এই ব্যৱস্থা পুনৰ প্ৰৱৰ্ত্তন কৰিছো। আপোনালোকে জানে যে আজি কিছুবছৰৰ আগতে বিভিন্ন চৰকাৰী বিভাগে বুজন পৰিমাণৰ ধন ৰেভিনিউ ডিপোজিটত জমা থৈছিল। আহুকলীয়া বিত্তীয় পৰিস্থিতিৰ বাবে এই ধন মোকোলাই দিয়া হোৱা নাছিল। মই যোৱা চাৰি বছৰত ৰেভিনিউ ডিপোজিটত আৱদ্ধ হৈ থকা ১৭৫ কোটি টকা মোকোলাই দিছো।

৪। অসম চৰকাৰৰ অধীনস্থ ৰাজহুৱা খণ্ডৰ প্ৰায় বিলাক প্ৰতিষ্ঠানে বেংক আৰু অন্যান্য বিত্তীয় অনুষ্ঠানৰ পৰা লোৱা ঋণ পৰিশোধ কৰাত ব্যৰ্থ হৈছিল। বিগত বছৰবোৰত সূতে মূলে লগ লাগি এই ঋণৰ পৰিমাণ ৩৮০.৩৮ কোটি টকা হৈছিল। যোৱা চাৰি বছৰত সংশ্লিষ্ট বেংক আৰু

বিত্তীয় প্ৰতিষ্ঠান সমূহৰ লগত আলোচনা কৰি এককালীন বন্দবস্তীৰ মাধ্যমেৰে তেওঁলোকৰ পৰা বুজন পৰিমাণৰ ৰেহাই আদায় কৰি আমি ১২২.৩৪ কোটি টকা এতিয়ালৈকে পৰিশোধ কৰিছো। তাৰোপৰি অসমৰ বিদ্যুৎ খণ্ডৰ সংস্কাৰৰ অংশ হিচাপে অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে বিভিন্ন বেংককে ধৰি আন আন অনুষ্ঠান -প্ৰতিষ্ঠানক দিবলগীয়া অপৰিশোধিত ঋণৰ বাবদ ৰাজ্য চৰকাৰে এতিয়ালৈকে ৭২৫ কোটি টকা পৰিশোধ কৰিছে।

৫। মাননীয় সদস্য সকল নিশ্চয় অৱগত যে আজি বহু বছৰ ধৰি অসম চৰকাৰে ভাৰত চৰকাৰে দিয়া হ্ৰস্বকালীন ঋণ আৰু ৰিজাৰ্ভ বেংকৰ অভাৰ ড্ৰাফট্‌ৰ ওপৰত অতিশয় নিৰ্ভৰশীল হৈ আহিছে। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে সেই পৰিস্থিতিৰ আজি বহুখিনি অৱসান ঘটিছে। উদাহৰণ স্বৰূপে অভাৰ ড্ৰাফটৰ নিৰ্দ্ধাৰিত সীমাৰেখা অতিক্ৰম কৰাৰ বাবে ২০০০-০১ বিত্তীয় বৰ্ষত ৰিজাৰ্ভ বেংকৰ নিষেধাজ্ঞাত অসম চৰকাৰৰ বিত্তীয় লেন-দেন ১৭৫ দিনৰ কাৰণে বন্ধ ৰাখিবলগীয়া হৈছিল। চলিত বিত্তীয় বৰ্ষত ৰিজাৰ্ভ বেংকৰ এনে নিষেধাজ্ঞা এদিনৰ বাবেও অহা নাই।

৬। ৰাজ্যৰ মেঘাচ্ছন্ন অৰ্থনৈতিক পৰিবেশো ফৰকাল হ'বলৈ আৰম্ভ কৰিছে। নৱম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ছোৱাত অসমৰ প্ৰকৃত ঘৰুৱা আয়ৰ (NSDP) বাৰ্ষিক বৃদ্ধিৰ হাৰ আছিল মাথো ২.২ শতাংশ। ২০০৩-০৪ বিত্তীয় বৰ্ষত এই হাৰ ৬.২ শতাংশলৈ বৃদ্ধি পাইছে। ২০০৪ চনৰ অভূতপূৰ্ব্ব বানপানীৰ ফলত হোৱা বিস্তৰ অৰ্থনৈতিক ক্ষতি স্বত্বেও শেহতীয়া সমীক্ষাৰ ভিত্তিত ২০০৪-০৫ চনত অসমৰ প্ৰকৃত ঘৰুৱা আয় ৫.২ শতাংশ বৃদ্ধি হ'ব পাৰে বুলি ইঙ্গিত পোৱা গৈছে। ২০০৩-০৪ চনত চলিত মূল্যত অসমৰ জনমুৰি আয় আছিল

১৩,১৩৯ টকা। শেহতীয়া অগ্রিম সমীক্ষা অনুসৰি অসমৰ এই জনমূৰি আয় ২০০৪-০৫ চনত ১৪০০০ টকাৰ সীমা ৰেখা অতিক্রম কৰিব বুলি ইঙ্গিত পোৱা গৈছে। ২০০২ চনৰ তুলনাত ২০০৩ চনত ১৯৮২ চনক আধাৰ বছৰ হিচাপে লৈ নির্দ্ধাৰণ কৰা শ্রমিক শ্রেণীৰ উপভোক্তা মূল্যসূচী (Consumer's Price Index Number-CPI) ৩.৫ শতাংশ বৃদ্ধি পাইছিল। ২০০৪ চনৰ জানুৱাৰীৰ পৰা অক্টোবৰ মাহলৈকে এই মূল্যসূচী ২০০৩ চনৰ অনুৰূপ সময়ছোৱাৰ তুলনাত ৪.৮ শতাংশ বৃদ্ধি পাইছে। আনহাতে ২০০৩ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ২০০৪ চনৰ চেপ্তেম্বৰ মাহলৈ গড় ভিত্তিত কৃষিজাত সামগ্রীৰ পাইকাৰী মূল্যসূচী ২.৪ শতাংশ বৃদ্ধি পাইছে।

৭। একাদশ বিত্তীয় আয়োগে অসমক কৰা অন্যায়ৰ বিষয়ে মাননীয় সদস্য সকল নিশ্চয় অৱগত। দ্বাদশ বিত্তীয় আয়োগক মই এই বিষয়ে অৱগত কৰিছিলো আৰু একাদশ বিত্তীয় আয়োগে কৰা অবিচাৰৰ পৰিপ্রেক্ষিতত তেওঁলোকৰ পৰা সুবিচাৰৰ দাবী কৰিছিলো। অসমৰ বিত্তীয় পৰিস্থিতিৰ সঠিক মূল্যায়নৰ ভিত্তিত এক সন্তোষজনক অনুদান আগবঢ়াবলৈ মই তেওঁলোকৰ ওচৰত বিস্তৃত প্রতিবেদন দাখিল কৰিছিলো। দ্বাদশ বিত্তীয় আয়োগে তেওঁলোকৰ প্রতিবেদন ইতিমধ্যে দাখিল কৰিছে। একাদশ বিত্তীয় আয়োগৰ তুলনাত দ্বাদশ বিত্তীয় আয়োগে অসমক দিয়া অনুদান যথেষ্ট উন্নত। বিশেষকৈ সাহাৰ্য মঞ্জুৰীৰ শিতানত একাদশ বিত্তীয় আয়োগৰ তাকৰীয়া ২৪৩.২২ কোটি টকাৰ তুলনাত দ্বাদশ বিত্তীয় আয়োগৰ পৰা অসমে ৪৪৭৮.৭১ কোটি টকা পাবলৈ সক্ষম হৈছে। তাৰোপৰি একাদশ বিত্তীয় আয়োগৰ অনুদানত ৰাজ্যসমূহৰ ঋণৰ বোজা লাঘৱ কৰাৰ কোনো ব্যৱস্থা নাছিল।

ইয়াৰ বিপৰীতে, ৰাজ্য চৰকাৰে বিত্তীয় শৃংখলা আইন প্রণয়ন

কৰাৰ চৰ্ত সাপেক্ষে দ্বাদশ বিত্তীয় আয়োগে অসমক ৬৬১.৪৯ কোটি টকাৰ কেন্দ্ৰীয় ঋণ পৰিশোধ কৰাৰ পৰা অব্যাহতি দিছে। আমি যদি ৰাজহ শিতানৰ ঘাটি হ্ৰাস কৰাৰ আন কেতবোৰ চৰ্ত পূৰণ কৰিব পাৰো তেতিয়াহলে এনে অব্যাহতিৰ পৰিমাণ আৰু বৃদ্ধি পাব। ৰাজ্যসমূহে পাবলগীয়া কেন্দ্ৰীয় কৰৰ অংশ কেতবোৰ নিৰ্দ্ধাৰিত criteria ৰ ওপৰত নিৰ্ভৰ কৰে। এই criteria বোৰ সকলো ৰাজ্যত সমানে প্ৰযোজ্য। দ্বাদশ বিত্তীয় আয়োগৰ অনুমোদন ক্ৰমে কেন্দ্ৰীয় কৰৰ অংশ হিচাপে ২০০৫-২০১০ সময়ছোৱাত অসমে লাভ কৰিবলগীয়া ধনৰ পৰিমাণ হ'ল ১৯৮৫০.৬৯ কোটি টকা। একাদশ বিত্তীয় আয়োগৰ অনুদানৰ পাঁচ বছৰীয়া সময়ছোৱাত ইয়াৰ পৰিমাণ আছিল ১২৩৬২.০৫ কোটি টকা। সামগ্ৰীকভাৱে একাদশ বিত্তীয় আয়োগৰ মুঠ ১৩২৮০.৮৬ কোটি টকাৰ অনুদানৰ বিপৰীতে দ্বাদশ বিত্তীয় আয়োগৰ পৰা অসমে লাভ কৰিব মুঠ ২৪৯৯০.৮৯ কোটি টকা। এই বৃদ্ধিৰ হাৰ ৮৮.২৪ শতাংশ। মই ইতিমধ্যে যোৱা ১০ মাৰ্চ, ২০০৫ তাৰিখে দ্বাদশ বিত্তীয় আয়োগৰ অনুমোদনৰ ওপৰত এক বিস্তৃত বক্তব্য এই সদনত পাঠ কৰিছো। সেয়েহে এই বিষয়ে আজি আৰু অধিক কোৱাৰ প্ৰয়োজন বোধ কৰা নাই।

৮। অসমৰ বিদ্যুৎ খণ্ডৰ সংস্কাৰ কৰনাৰ্থে যোৱা বছৰত এছিয়ান ডেভেলপমেন্ট বেংক আৰু ভাৰত চৰকাৰে অসম চৰকাৰৰ ২৫০ মিলিয়ন আমেৰিকান ডলাৰ অৰ্থাৎ ১১২৫ কোটি টকাৰ এক সাহাৰ্য মঞ্জুৰ কৰিছে। চলিত বিত্তীয় বৰ্যত আমি আৰু দুখন আঁচনিৰ বাবে এনে বৈদেশিক সাহায্য লাভ কৰিবলৈ সমৰ্থ হৈছো। তাৰে এটা হ'ল বিশ্ব বেংকৰ অনুদানপুষ্ট অসম কৃষি সামৰ্থ বৰ্দ্ধন প্ৰকল্প অৰ্থাৎ Assam Agriculture Competitiveness Project (AACP) আৰু

আনটো হ'ল এছিয়ান ডেভেলপমেণ্ট বেংকৰ অনুদানপুষ্ট অসম ৰাজ পৰিচালনা আৰু ৰাজহুৱা পুঁজি তদাৰকী কাৰ্যসূচী অৰ্থাৎ Assam Governance and Public Resource Management Programme (AGPERMP).

৯। AACP হ'ল ARIASP ৰ পৰৱৰ্ত্তী প্ৰকল্প। ১৯৯৫ চনৰ ১ চেপ্তেম্বৰত ARIASP প্ৰকল্পৰ শুভাৰম্ভ হৈছিল আৰু ২০০৪ চনৰ ৩০ জুনত ইয়াৰ শুভসমাপ্তি ঘটে। ARIASP প্ৰকল্পৰ অধীনত আৱণ্টিত ধনৰ পৰিমাণ ৫৬৭.৬৪ কোটি । ইয়াৰ ভিতৰত আমি ৫৬৬.১৪ কোটি - অৰ্থাৎ প্ৰায় ১০০ শতাংশ ধন ব্যয় কৰিবলৈ সমৰ্থ হৈছো। AACP প্ৰকল্পৰ অধীনত আৱণ্টিত ধনৰ মুঠ পৰিমাণ হ'ল ১০২৪.৫৩ কোটি। এই প্ৰকল্পৰ অধীনত কৃষি, ৰাস্তা-পদূলি, মীন, পশুধন আৰু পশুপালন আৰু দুগ্ধ উন্নয়ন খণ্ডক অন্তভুৰ্ক্ত কৰা হৈছে। ইয়াৰ উপৰিও ৰেচম আৰু বন (Forest) খণ্ডত দুটা প্ৰাথমিক প্ৰকল্পৰো AACP ত অন্তভুৰ্ক্ত কৰা হৈছে। ২০০৫ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখৰ পৰা এই প্ৰকল্পটো কাৰ্যকৰী কৰা হৈছে আৰু ই ২০০৯ চনৰ ৩১ ডিচেম্বৰলৈ চলিব।

১০। AGPRMP ৰ মুখ্য উদ্দেশ্য হৈছে ৰাজ্য চৰকাৰৰ অনুষ্ঠানসমূহৰ আন্তঃগাঠনি আৰু বিত্তীয় সংস্কাৰ। AGPRMP কাৰ্যসূচীৰ অধীনত ৰাজ্যিক পৰ্যায়ৰ ৰাজহুৱা খণ্ডৰ সংস্কাৰ, পেঞ্চন সম্বন্ধীয় সংস্কাৰ, বিত্তীয় পৰিচালনাৰ মানদণ্ড উন্নীতকৰণ, ৰাজ্য চৰকাৰে লোৱা ঋণসমূহৰ সুপৰিচালনা আৰু E-Governance অৰ্থাৎ ইলেকট্ৰনিক মাধ্যমৰ জৰিয়তে প্ৰশাসনিক দক্ষতা বৃদ্ধিকৰণক অন্তভুৰ্ক্ত কৰা হৈছে। AGPRMP দুটা পৰ্যায়ত ৰূপায়িত কৰা হব। ৫৬২ কোটি টকাৰ ব্যয় সাপেক্ষে প্ৰথম পৰ্যায় ৰূপায়িত হ'ব ২০০৪-০৫ চনৰ পৰা ২০০৬-

০৭ চনলৈকে। দ্বিতীয় পৰ্যায়ৰ ৰূপায়িত হ'ব ২০০৭-০৮ চনৰ পৰা ২০০৮-০৯ চনলৈ। ইয়াৰ বাবে ৪৫০ কোটি টকা ধাৰ্য কৰা হৈছে।

১১। আশা কৰো মাননীয় সদস্যসকল মোৰ লগত সহমত হ'ব যে যোৱা চাৰি বছৰত আমাৰ বিত্তীয় পৰিস্থিতিৰ যথেষ্ট উন্নতি হৈছে। তাৰ ভিত্তিতে ২০০৫-০৬ চনৰ বাবে মই আজি এক উন্নয়নমুখী আৰু গতিশীল বাজেট দাখিল কৰিবলৈ উৎসাহিত হৈছো। এইখিনিতে মই মাননীয় সদস্যসকলক সোঁৱৰাই দিব খুজিছো যে আমাৰ বিত্তীয় পৰিস্থিতি যদিও আগতকৈ বহুতো উন্নত হৈছে তথাপি ই এতিয়াও সম্পূৰ্ণ বিপদমুক্ত হোৱা নাই। আমি সাগীৰ পৰা নামি পুনৰ খোজ ল'ব পৰা অৱস্থা নিশ্চয় পাইছো। কিন্তু পুনৰ দৌৰিব পৰা হোৱালৈ বিত্তীয় সংস্কাৰৰ কষ্টকৰ পথ আৰু কিছুদূৰ আমি অতিক্ৰম কৰিব লাগিব। বিত্তীয় সংকটৰ পৰা সম্পূৰ্ণ বিপদমুক্ত হ'বলৈ আমি আৰু কিছুদিন অতি ধৈৰ্য্য আৰু সংযমেৰে আমাৰ বিত্ত পৰিচালনা কৰিব লাগিব। এই উদ্দেশ্য আগত ৰাখিয়েই ২০০৪ চনৰ ডিচেম্বৰ মাহৰ পৰা এছিয়ান ডেভেলপমেন্ট বেংক আৰু ভাৰত চৰকাৰৰ সহায়ত আমি AGPRMP ৰূপায়িত কৰিবলৈ লৈছো।

যোৱা চাৰিটা বছৰত আমি অশেষ কষ্ট আৰু সংযমেৰে ঘুৰাই পোৱা বিত্তীয় ভাৰসাম্য কেইটামান ভুল সিদ্ধান্ত আৰু দুৰদৰ্শিতাৰ তথা সতৰ্কতাৰ অভাৱত আকৌ হয়তো হেৰাই যাব পাৰে। অতীতৰ অমিতব্যয়িতা আৰু বিত্তীয় বিশৃংখলতাৰ যাতে পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ বাবে বিধান সভাৰ চলিত অধিবেশনতে মই বিত্তীয় শৃংখলা আৰু বাজেট পৰিচালনা সংক্ৰান্তীয় এখন বিধেয়ক উত্থাপন কৰিবলৈ সিদ্ধান্ত লৈছো।

১২। যোৱা পাঁচ বছৰ ধৰি সদনত আমি নিয়মীয়া বাজেটৰ লগত পৰিকল্পনা শিতানৰ বাজেট সঠিককৈ দাখিল কৰিব পৰা নাছিলো। কিয়নো পৰিকল্পনা আয়োগৰ উপাধ্যক্ষ আৰু মুখ্যমন্ত্ৰী পৰ্যায়ৰ যিখন সভাত ৰাজ্যৰ বাৰ্ষিক পৰিকল্পনাৰ পৰিসৰ নিৰ্ণয় কৰা হয়, সেই সভা সদনত বিত্ত মন্ত্ৰীয়ে বাজেট প্ৰস্তাৱ দাখিল কৰাৰ বহু পিছতহে অনুষ্ঠিত হৈ আহিছে। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে এইবাৰ মই যোৱা ১৭ ফেব্ৰুৱাৰী, ২০০৫ তাৰিখে পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ লগত আলোচনাত মিলিত হওঁ আৰু সেইদিনাই ২০০৫-০৬ চনৰ বাৰ্ষিক পৰিকল্পনাৰ পৰিসৰ নিৰ্দ্ধাৰণ কৰো। সেয়েহে, আজি মই আজি আপোনালোকৰ ওচৰত ২০০৫-০৬ চনৰ বাবে এখন সম্পূৰ্ণ বাজেট দাখিল কৰিবলৈ ওলাইছো। আপোনালোকে শুনি নিশ্চয় আনন্দিত হ'ব যে ২০০৫-০৬ চনৰ বাবে অসমৰ বাৰ্ষিক পৰিকল্পনাৰ পুঁজি ৩০০০ কোটি টকা নিৰ্দ্ধাৰণ কৰা হৈছে। ২০০৪-০৫ চনত ইয়াৰ পৰিমাণ আছিল ২১০১.৫৫ কোটি টকা। ২০০০-২০০১ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে আবণ্টিত পুঁজি ১৫২০ কোটি টকাৰ লগত তুলনা কৰিলে ২০০৫-০৬ চনৰ বাৰ্ষিক পৰিকল্পনা পৰিসৰ প্ৰায় দুগুণ। আন এটি উল্লেখনীয় দিশ হ'ল যে আজি বহু বছৰৰ মূৰত এইবাৰ অসম চৰকাৰে নিজৰ তৰফৰ পৰাও ২০০৫-০৬ চনৰ বাৰ্ষিক পৰিকল্পনাৰ বাবে ৯০.৭৭ কোটি টকাৰ বৰঙণি যোগাবলৈ সক্ষম হৈছে। অহা বছৰৰ বাৰ্ষিক পৰিকল্পনাৰ আন এটি বৈশিষ্ট হ'ল যে ৩০০০ কোটি টকাৰ ভিতৰত দৰমহাৰ বাবদ খৰছ কৰা হ'ব মাত্ৰ ২৭৬ কোটি টকা অৰ্থাৎ মুঠ পৰিকল্পনা ব্যয়ৰ মাত্ৰ ৯.২ শতাংশ। পাঁচ বছৰ আগত দৰমহাৰ বাবদ পৰিকল্পনা শিতানৰ পৰা ব্যয় হৈছিল প্ৰায় ৫২ শতাংশ। মাননীয় সদস্যসকলে নিশ্চয় জানে যে ভাৰত

চৰকাৰৰ সৌজন্যত ৰূপায়িত কৰা বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ বিপৰীতে হ'বলগীয়া ব্যয়ৰ এটা অংশ ৰাজ্য চৰকাৰে বহন কৰিব লাগে। ৰাজ্যৰ আৰ্থিক সংকটৰ বাবে আজি কিছুদিনৰ আগলৈকে অসম চৰকাৰে ইয়াৰ এটা ভগ্নাংশহে দিব পাৰিছিল। ৰাজ্য চৰকাৰে আগবঢ়াবলগীয়া সম্পূৰ্ণ ধন আদায় দিব নোৱাৰাৰ কাৰণে অসমে সমানুপাতিক ভিত্তিত কেন্দ্ৰীয় অনুদানৰো এক বুজন পৰিমাণৰ অংশৰ পৰা বঞ্চিত হৈ আহিছিল। এনে পৰিস্থিতিৰ অন্ত পেলোৱাৰ উদ্দেশ্যে অহা বছৰৰ বাজেটত বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ বিপৰীতে ৰাজ্য চৰকাৰে আগবঢ়াবলগীয়া পুঁজিৰ বাবদ মই ২৯৮.৫৮ কোটি টকা ধাৰ্য্য কৰিছো। আমাৰ ৰাজ্যৰ বাৰ্ষিক পৰিকল্পনাৰ এনে গুণগত উন্নতি আৰু কলেৱৰ বৃদ্ধিৰ ফলস্বৰূপে প্ৰকৃত উন্নয়ণমূলক কাম-কাজৰ বাবে আমি আগতকৈ যথেষ্ট অধিক ধন বিনিয়োগ কৰিব পৰা এটা অৱস্থাত উপনীত হৈছো আৰু বহুতো নতুন আঁচনি গ্ৰহণ কৰিবলৈ সমৰ্থ হৈছো। ২০০৫-০৬ চনৰ কেন্দ্ৰীয় বাজেট দাখিল কৰাৰ সময়ত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী মাননীয় শ্ৰী পি চিদাম্বৰমে কোৱাৰ দৰে মইও অসমৰ জনসাধাৰণৰ গ্ৰহণযোগ্য এনে এটি প্ৰগতিৰ পথ মোকোলাব খোজো যিয়ে নেকি সমগ্ৰ ৰাজ্যবাসীলৈ সুখ সমৃদ্ধি কঢ়িয়াই আনিব। চিদাম্বৰম ডাঙৰীয়াই আৰু কৈছিল যে এখন গণতান্ত্ৰিক চৰকাৰৰ গোটেই উদ্দেশ্যটোৱেই হৈছে সমাজৰ পৰা দৰিদ্ৰতা নিৰ্মূল কৰি কাৰিকৰী শিক্ষাকে ধৰি প্ৰত্যেকজন নাগৰিকক সু-শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা যাতে প্ৰত্যেকেই যথোপযুক্ত কৰ্ম সংস্থাপন লাভ কৰি এক সুখ সমৃদ্ধিশালী জীৱন-যাপন কৰিব পাৰে। দৰিদ্ৰতাজনিত দুৰ্দ্দশা নাশ কৰি সমূহ জনসাধাৰণক সমৃদ্ধিশালী কৰি তোলাটো চৰকাৰৰ প্ৰধান কৰ্তব্য। এই মহান উদ্দেশ্য আগত ৰাখিয়েই ২০০৫-০৬ চনৰ বাজেটত সন্নিবিষ্ট কৰা বিভিন্ন উন্নয়নমূলক

আঁচনি সমূহ প্ৰস্তুত কৰা হৈছে।

১৩) সুস্থ আৰু দীৰ্ঘম্যাদী প্ৰগতিৰ বাবে মূলত এক সৰল আন্তঃগাঠনিৰ প্ৰয়োজন। আমাৰ ৰাজ্য এই দিশত এতিয়াও পিছপৰা। আজি অতদিনে বিজুলীৰ অনিমীয়া যোগান, চ'ৰা দাম আৰু নাটনিয়ে সৰ্ব্বসাধাৰণ ৰাইজক বিৰক্তি দিয়াৰ উপৰিও ৰাজ্যৰ সামগ্ৰীক উন্নয়ন প্ৰক্ৰিয়াও বাধাগ্ৰস্থ কৰিছে। সেয়েহে বিজুলী খণ্ডৰ সংস্কাৰ আৰু উন্নতিৰ ওপৰত মই সৰ্ব্বাধিক গুৰুত্ব আৰোপ কৰিছো। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বিজুলী উৎপাদন সৰবৰাহ আৰু বিতৰণ ক্ষমতা বৃদ্ধি কৰাৰ উপৰিও সৰবৰাহ আৰু বিতৰণত হোৱা বিস্তৰ ক্ষতি ৰোধ কৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ২০০৪ চনৰ ১০ ডিচেম্বৰ তাৰিখৰ পৰা অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক পুনৰ গঠন কৰি পাঁচটা নতুন কোম্পানী সৃষ্টি কৰা হৈছে। অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ অতীতৰ কেবা হাজাৰ কোটি টকীয়া ধাৰৰ বোজা যাতে এই নতুন কোম্পানী কেইটাৰ ডিঙিত হাৰমাল নহয় তাৰ বাবে বিদ্যুৎ পৰিষদৰ সমস্ত ধাৰৰ বোজা অসম চৰকাৰে নিজে গা পাতি লৈছে। ইয়াৰ ফলত নতুন কোম্পানী পাঁচটাই অসমৰ জনসাধাৰণৰ ব্যৱসায়ীক ভিত্তিত দক্ষ আৰু উচ্চ মানৰ বিজুলী সেৱা আগবঢ়াব পাৰিব বুলি আমাৰ বিশ্বাস। চলিত বিত্তীয় বৰ্ষত এতিয়ালৈকে অসম চৰকাৰে ৰাজ্যিক বিদ্যুৎ পৰিষদৰ বাবদ ৪৬২.৩৯ কোটি টকাৰ ঋণ পশ্চিমবঙ্গৰ ৰাজ্যিক বিদ্যুৎ পৰিষদকে ধৰি আন আন প্ৰতিষ্ঠানক পৰিশোধ কৰিছে। তাৰোপৰি বিদ্যুৎ পৰিষদৰ চলন্ত ব্যৱসায়ীক ঘাটিও পূৰণ কৰিছে। এক নতুন পেঞ্চন আঁচনিযোগে বিদ্যুৎ পৰিষদৰ সমূহ কৰ্ম্মচাৰীৰ পেঞ্চনো সুৰক্ষিত কৰা হৈছে আৰু ইয়াৰ বাবে যাৱতীয় ধন মোকোলাই দিয়াৰ দায়িত্ব অসম চৰকাৰে গ্ৰহণ কৰিছে।

১৪) অসম চৰকাৰে NLCPR, APDRP, PMGY আৰু RE(MNP) আদি বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ অধীনত বিদ্যুৎ খণ্ডৰ উন্নতিৰ হকে পাব পৰা বুজন পৰিমাণৰ ধন আহৰণৰ বাবেও যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰত গ্ৰাম্য বৈদ্যুতিকৰণ আৰু বিজুলী বিতৰণ ব্যৱস্থাৰ উন্নতিকৰণৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। চলিত বিত্তীয় বৰ্ষত APDRP ৰ অধীনত ১২ টা বিদ্যুৎ চক্ৰৰ আন্তঃগাঠনি ব্যৱস্থা উন্নতিকৰণৰ বাবে এতিয়ালৈকে ৩৩০ কোটি টকাৰ মূল্যৰ কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে। বিদ্যুৎ খণ্ডৰ সংস্কাৰৰ বাবে এছিয়ান ডেভেলপমেণ্ট বেংক আৰু ভাৰত চৰকাৰৰ পৰা পোৱা সাহাৰ্য্য পুঁজি বিদ্যুৎ পৰিষদৰ বিত্তীয় সংস্কাৰ আৰু বিজুলী সৰবৰাহ আৰু বিতৰণ ব্যৱস্থাৰ উন্নত কৰা কামত সু-ব্যৱহাৰ কৰা হৈছে।

১৫) মুখমন্ত্ৰীৰ বিজুলী আশ্বাস আঁচনিৰ অধীনত ৩১০০ টা ট্ৰেন্সফৰমাৰ ৰাজ্যৰ বিভিন্ন স্থানত বহুৱাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ বাবে চলিত বিত্তীয় বৰ্ষত ৬ (ছয়) কোটি টকা মোকোলাই দিয়া হৈছে। ২০০৫-০৬ চনৰ বাজেটতো এই আঁচনিৰ বাবে ২০ কোটি টকা ধাৰ্য্য কৰা হৈছে। আজি অত বছৰে অসমাপ্ত হৈ থকা ১০০ মেগাৱট উৎপাদন ক্ষমতা সম্পন্ন কাৰ্বি-লাংপি জলবিদ্যুৎ প্ৰকল্পৰ কাম পুনৰ হাতত লোৱা হৈছে। অসম চৰকাৰে চলিত বিত্তীয় বৰ্ষতে এই প্ৰকল্পৰ বাবে ইতিমধ্যে নিজৰ ফালৰ পৰা ২০ কোটি টকা মোকোলাই দিছে। অহা বছৰৰ বাজেটত ইয়াৰ বাবে ৰাজ্য চৰকাৰৰ ফালৰ পৰা মোকোলাই দিবলৈ আৰু ১৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বিজুলী বিত্ত নিগম (Power Finance Corporation) ৰ পৰা ১২৫ কোটি টকা ঋণ লোৱাৰ বাবেও যো-জা কৰা হৈছে। এই ধাৰৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় গেৰান্টি দিব

লাগিব। ২০০৬ চনৰ মাৰ্চ মাহৰ ভিতৰত কাৰ্বি-লাংপি জলবিদ্যুৎ প্ৰকল্পত বিদ্যুৎ উৎপাদনৰ শুভাৰম্ভ হ'ব বুলি আশা কৰা হৈছে।

১৬) ৰাজ্যত বিদ্যুৎ উৎপাদন ক্ষমতা বৃদ্ধি কৰাৰ উদ্দেশ্যে ৩৮ মেগাৱট ক্ষমতা সম্পন্ন Lakwa Waste Recovery Power Project স্থাপন কৰিবলৈ মই সিদ্ধান্ত গ্ৰহণ কৰিছো। তাৰ বাবে ২০০৫-০৬ চনৰ বাজেটত ৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে। উল্লেখনীয় যে অসমৰ ইতিহাসত পোন প্ৰথম বাৰৰ বাবে এনে এটি বিদ্যুৎ প্ৰকল্প স্থাপনৰ ব্যয় ৰাজ্য চৰকাৰে নিজে বহন কৰিবলৈ আগবাঢ়ি আহিছে। তাৰোপৰি মৰিয়নী আৰু তিনিচুকীয়া চাবষ্টেচন দুটাৰ ক্ষমতা বৃদ্ধি কৰাৰ ব্যৱস্থা হাতত লোৱা হৈছে। ইয়াৰ ফলত উজনী অসমৰ বিজুলী যোগান ব্যৱস্থা যথেষ্ট উন্নত হ'ব।

১৭) কাৰ্বি আংলং জিলাৰ লাঙ্গিত ৬ মেগাৱট ক্ষমতা সম্পন্ন এটি ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্প স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই প্ৰকল্প ব্যয় হ'বলগীয়া মুঠ ৪ ০ কোটি টকাৰ ৭৫ শতাংশ অৰ্থাৎ ৩০ কোটি টকা ভাৰত চৰকাৰে দিব। বাকী ২৫ শতাংশ অৰ্থাৎ দহ কোটি টকা ৰাজ্য চৰকাৰে বহন কৰিব। ২০০৫-০৬ চনৰ বাজেটত পৰিকল্পনা শিতানত ইয়াৰ বাবে ৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। কাৰ্বি-লাংপি, লাকোৱা ওৱেষ্ট হিট আৰু লাংগিত মাইক্ৰো-হাইদেল আঁচনি (Karbi-Langpi, Lakwa Waste Heet and Lungit Micro-Hydel Project) কাৰ্য্যক্ষম কৰাৰ লগে লগে অসমৰ বিদ্যুৎ শক্তি উৎপাদন ক্ষমতা ১৪৪ মেগাৱত বৃদ্ধি পাব।

১৮) তাকৰীয়া আৰু অনিয়মীয়া বিজুলী যোগানৰ বাবে ধেমাজি আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ ৰাইজে বহুদিন ধৰি কষ্ট ভোগ কৰি আহিছে।

এই দুৰৱস্থাৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে ধেমাজিত বৰ্তমানৰ ৩৩/১১ K.V চাব ষ্টেচনৰ ঠাইত অধিক ক্ষমতা সম্পন্ন ১৩২/৩৩ K.V ৰ এক নতুন চাব-ষ্টেচন স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ বাবে অহা বছৰৰ বাজেটত ২ কোটি টকা ধাৰ্য্য কৰা হৈছে।

১৯) ২০০৫-০৬ চনৰ বাজেটত শক্তি খণ্ডৰ বাবে মই সৰ্ব্বমুঠ ১১৫০.৭৮ কোটি টকা আৱণ্টনৰ প্ৰস্তাৱ কৰিছো। মই ওপৰত উল্লেখ কৰি অহা প্ৰকল্প আৰু আঁচনিসমূহ সকলোৰে সামূহিক প্ৰচেষ্টাত ক্ষিপ্ৰ গতিত ৰূপায়িত হ'ব বুলি আশা কৰিছো। এই আটাইবোৰ প্ৰকল্প আঁচনি ৰূপায়িত হৈ উঠিলে অসমৰ বিদ্যুৎ যোগান পৰিস্থিতিৰ যে লক্ষণীয় উন্নতি সাধন হ'ব তাত সন্দেহৰ অৱকাশ নাই।

২০) ৰাজ্যৰ অৰ্থনৈতিক আন্তঃগাঠনিত উন্নতমানৰ ৰাস্তা-পদূলিৰ ভূমিকা অনস্বীকাৰ্য্য। মাননীয় সদস্যকে ধৰি অসমৰ সমূহ ৰাইজে জানে যে আমাৰ বিত্তীয় দুৰৱস্থাৰ বাবে ৰাস্তা-ঘাট-দলং আদিৰ যথোপযুক্ত আৰু সময়োচিত মেৰামতি আৰু ৰক্ষণা-বেক্ষণ সম্ভৱপৰ হোৱা নাছিল। সি যিয়ে নহওঁক কিয় যোৱা দুবছৰ মানত এই ক্ষেত্ৰত আমি বহুতো নতুন আঁচনি আৰু প্ৰকল্প গ্ৰহণ কৰিছোঁ। তাৰ প্ৰায় ভাগেই সম্পূৰ্ণ হৈছে। আনবোৰৰ কামো চলি আছে আৰু শীঘ্ৰে সমাপ্ত কৰা হ'ব। চলিত বিত্তীয় বৰ্যত বাজেটত পৰিকল্পনা আৰু পৰিকল্পনা বহিঃৰ্ভুক্ত দুয়োটা শিতানত মুঠ ৪১৩.৮৭ কোটি ধাৰ্য্য কৰা হৈছিল। ২০০৫-০৬ চনৰ বাজেটত এই পুঁজিৰ পৰিমাণ মই ৬২১.১৯ কোটি টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ কৰিছো। এই বৃদ্ধি ৫০ শতাংশৰো অধিক। ইয়াৰ উপৰিও আলি-পদূলি নিৰ্মাণ আৰু মেৰামতিৰ বাবে RIDE, Calamity Relief Fund (CRF) আৰু NEC আদিৰ পৰাও বুজন পৰিমাণৰ পুঁজি পোৱা যাব। আজি বহু বছৰৰ পৰা ২০০৩-০৪ চনলৈকে

ৰাস্তা-ঘাট মেৰামতি আৰু ৰক্ষণা-বেক্ষণৰ বাবে পৰিকল্পনা শিতানত প্ৰায় ২০ কোটি টকাৰ আৱণ্টনেই ধাৰাবাহিকভাৱে চলি আহিছে। ২০০৪-০৫ চনৰ বাজেটত এই পুঁজিৰ পৰিমাণ মই একে কোবে ৬০ কোটি টকালৈ বৃদ্ধি কৰো। ২০০৫-০৬ চনত এই শিতানত ৮০ কোটি টকা ধাৰ্য্য কৰাৰ প্ৰস্তাৱ কৰিছো। অসমৰ আলি-পদূলি আৰু দলং আদি ৰক্ষণা-বেক্ষণ আৰু মেৰামতিৰ বাবে দ্বাদশ বিত্তীয় আয়োগেও ২০০৫ চনৰপৰা ২০১০ চনৰ পাঁচ বছৰীয়া সময়ছোৱাৰ বাবে ৩৩০.১২ কোটি টকাৰ এক অনুদান দিছে। আমাৰ এই সামূহিক প্ৰচেষ্টাৰ ফলত অসমৰ আলি-পদূলিৰ মানদণ্ড আহিব লগা দিনবোৰত যথেষ্ট উন্নত হ'ব বুলি দৃঢ়তাৰে আশা কৰা যায়। ইতিমধ্যে অসম ৰাজ্যিক পথ পৰিষদ (Assam State Roads Board) ৰ জৰিয়তে গড় কাপ্তানী বিভাগৰ তত্বাৱধানত থকা পথ সমূহৰ নিয়মীয়া ৰক্ষণা-বেক্ষণ আৰু মেৰামতিৰ বাৱে অসম চৰকাৰে এক পথ ৰক্ষণা-বেক্ষণ নীতি (Road Maintenance Policy) গ্ৰহণ কৰিছে।

২১) অসম কৃষি সামৰ্থ্য বৰ্দ্ধন প্ৰকল্প (AACP) ৰ অধীনতো গ্ৰামাঞ্চলত এহাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ বিভিন্ন পথ বাৰ মাহে যাতায়তৰ বাবে সুচল হৈ থাকিব পৰাকৈ উন্নীতকৰণৰ ব্যৱস্থা কৰা হৈছে। এই প্ৰকল্পৰ অধীনত ২৫৮ খন কাঠৰ দলঙক পকী দলঙলৈ ৰূপান্তৰ কৰাৰ আঁচনিও আছে। তাৰোপৰি মেৰামতিৰ অভাৱত ওঁৱলি যোৱা এক হাজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ বিভিন্ন সংযোগী পথ পুনৰ নিৰ্মাণৰ ব্যৱস্থাও এই প্ৰকল্পত সন্নিবিষ্ট কৰা হৈছে AACP প্ৰকল্পৰ প্ৰথম পৰ্য্যায়ত ৰাস্তা-পদূলি আৰু দলং নিৰ্মাণ আঁচনিৰ অধীনত নলবাৰী, ধুবুৰী, শোণিতপুৰ, যোৰহাট আৰু হাইলাকান্দি – এই পাঁচখন জিলা সামৰি লোৱা হৈছে। দ্বিতীয় পৰ্য্যায়ত কৰিমগঞ্জ, মৰিগাওঁ, গোৱালপাৰা আৰু

বৰপেটা জিলাত এই প্ৰকল্পৰ অধীনত আলি-পদূলি আৰু দলঙৰ উন্নতীকৰণৰ কাম হাতত লোৱা হব।

২২) প্ৰধান মন্ত্ৰী গ্ৰাম চৰক যোজনৰ অধীনত ২০০৫-০৬ চনৰ বাজেটত ৩০০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ উপৰিও ভাৰত চৰকাৰে এছিয়ান ডেভেলপমেন্ট বেংকৰ পৰা ঋণ লৈ তাৰে ৩০০ কোটি টকা অসমৰ আলি-পদূলিৰ উন্নয়নৰ কামত নিয়োগ কৰিবলৈ দিয়াৰ প্ৰবল সম্ভাৱনা আছে। চলিত বিত্তীয় বৰ্ষত আমি মুখ্যমন্ত্ৰী পকী পথ নিৰ্মাণ আঁচনি নামেৰে এখন নতুন আঁচনি প্ৰৱৰ্ত্তন কৰিছো। এই আঁচনিৰ অধীনত ১৭০.৬৫ কোটি টকা ব্যয় সাপেক্ষে ৬২০.৯৯ কিলোমিটাৰ গুৰুত্বপূৰ্ণ পথসমূহ পকীকৰণৰ প্ৰস্তাৱ কৰিছো। এই আঁচনিৰ বাবদ সমস্ত ব্যয় ৰাজ্য চৰকাৰে বহন কৰিব। উল্লেখযোগ্য যে আমাৰ ৰাজ্যত এনে ধৰণৰ আঁচনি ৰূপায়ণ প্ৰথমবাৰৰ বাবে হৈছে। অহা বছৰত আন্তঃৰাজ্যিক যোগাযোগৰ ক্ষেত্ৰত ৮৪ টা নতুন প্ৰকল্পৰ জৰিয়তে ৫৫.৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ উন্নীতকৰণ কৰা হ'ব। ইয়াৰ বাবে ২০০৫-০৬ চনৰ বাজেটত ১২.৬৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ উপৰিও যোৱা বানপানীত ক্ষতিগ্ৰস্ত ১১২ খন কাঠৰ দলং পুনৰ নিৰ্মাণ কৰা হৈ আছে। ইয়াৰ বাবে ২০০৫-০৬ চনৰ বাজেটত ১৭.৫৮ কোটি টকা ধাৰ্য্য কৰা হৈছে।

২৩) গুৱাহাটীৰ গোপীনাথ বৰদলৈ পথ আৰু গুৱাহাটী-ছিলং ঘাইপথত নিতৌ বৃদ্ধি পাই অহা যানজট সমস্যাৰ উপশম ঘটাবলৈ তাৰিণীচৰণ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পইণ্ট, খানাপাৰা-ছয়মাইল পইণ্ট আৰু ভঙাগড় পইণ্টত তিনিখন নতুন উৰণীয়া সেতুঁ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ কাম আগন্তুক বিত্তীয় বৰ্ষত আৰম্ভ কৰা

হ'ব আৰু তাৰ বাবে ২০০৫-০৬ চনৰ বাজেটত ৩০ কোটি ধাৰ্য্য কৰা হৈছে।

২৪) RIDF-IX ৰ অধীনত নাবাৰ্ড বেংকে কিছুদিন আগতে অসম চৰকাৰক ২৩৭.১৯ কোটি টকাৰ ঋণ মঞ্জুৰ কৰিছে। ইয়াৰ দ্বাৰা ১১৮ খন কাঠৰ দলং পকী দলঙলৈ ৰূপান্তৰিত কৰা হ'ব আৰু এই কাম ২০০৫-০৬ চনৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি আশা কৰা হৈছে। অলপতে বিশ্ব বেংকেও অসমৰ গড়কাপ্তানী বিভাগৰ এক Computerisation প্ৰকল্পৰ ৰূপায়ণৰ বাবে ৮.০৬ কোটি টকা মঞ্জুৰ কৰিছে। এই আঁচনি আগন্তুক বিত্তীয় বৰ্ষৰ ভিতৰত ৰূপায়ণ কৰা হ'ব। অসমৰ সকলো ৰাজ্যিক পৰ্য্যায়ৰ হাইওৱে আৰু জিলা পৰ্য্যায়ৰ প্ৰধান পথসমূহ উন্নীতকৰণৰ বাবে অসম চৰকাৰে ২২৫০ কোটি টকীয়া এটি প্ৰকল্প বিশ্ব বেংকৰ ওচৰত দাখিল কৰিছে। এই প্ৰস্তাৱটো তেওঁলোকে প্ৰাথমিক পৰ্য্যায়ত গ্ৰহণ কৰিছে। যোৱা মাহত বিশ্ব বেংকৰ এটি সজাঁতী দল অসমলৈ আহি এই প্ৰকল্পৰ বিষয়ে প্ৰাথমিক অনুসন্ধান আৰু আলোচনা কৰি গৈছে।

২৫) অসমৰ সামাজিক আন্তঃগাঠনি, বিশেষকৈ স্বাস্থ্য আৰু শিক্ষা খণ্ডৰ ওপৰতো ৰাজ্য চৰকাৰে সমানে গুৰুত্ব দিছে।

২৬) অসমৰ শিক্ষানুষ্ঠান সমূহৰ আন্তঃগাঠনিৰ উন্নয়নৰ উদ্দেশ্যে যোৱা দুবছৰে ৰাজ্য চৰকাৰে বুনিয়াদ নামাকৰণেৰে এখন অভিনৱ আঁচনি ৰূপায়ন কৰি আহিছে। ২০০৩-০৪ আৰু ২০০৪-০৫ চনত এই আঁচনিৰ অধীনত অসমত থকা ১৮৯ খন ঘাটি মঞ্জুৰীপ্ৰাপ্ত মহাবিদ্যালয়ৰ আটাইকেইখনকে, ৫৪৯ খন উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ১০০০ খন হাইস্কুলক এই আঁচনিৰ অধীনত অৰ্থ সাহাৰ্য প্ৰদান কৰিছে।

আগন্তুক বিত্তীয় বৰ্ষত এই আঁচনিৰ অধীনত ১০০০ খন হাইস্কুল, হাইমাদ্রাছা আৰু সংস্কৃত টোলকো একে ধৰণৰ অনুদান দিয়া হ'ব। তাৰ বাবে ২০০৫-০৬ বৰ্ষৰ বাজেটত ৪০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

২৭) আপোনালোক সকলোৰে জ্ঞাত যে ২০০৩-০৪ চনৰ পৰা আমি Rejiv Gandhi Computer Literacy Programme ৰ জড়িয়তে ৰাজ্যৰ স্কুল সমূহত কম্পিউটাৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰি আহিছো। যোৱা ২ বছৰত প্ৰতি বছৰে ২০০ কৈ ৪০০ খন স্কুলত এই আঁচনিৰ অধীনত কম্পিউটাৰ যোগান ধৰা হৈছে। অৱশিষ্ট ২৩০ খন স্কুলতো একে ধৰণে কম্পিউটাৰ যোগান ধৰাৰ উদ্দেশ্যে ২০০৫-০৬ চনৰ বাজেটত ৩০ কোটি টকা প্ৰস্তাৱ কৰা হৈছে।

২৮) জ্ঞানজ্যোতি আঁচনিখনৰ অধীনত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষামূলক ভ্ৰমণ আৰু সাংস্কৃতিক বিনিময় কাৰ্য্যসূচীৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনি ৰূপায়ণত গ্ৰামাঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক অগ্ৰাধিকাৰ দিয়া হৈছে। এই আঁচনি ৰূপায়ণৰ বাবে জিলাৰ উপায়ুক্ত সকলক ইতিমধ্যে ৫৫ লাখ টকা মোকোলাই দিয়া হৈছে। ২০০৫-০৬ চনত মই এই আঁচনিখন কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ বাবেও সম্প্ৰসাৰিত কৰিব বিচাৰিছো আৰু তাৰ বাবে ২০০৫-০৬ চনৰ বাজেটত অতিৰিক্ত ১ কোটি টকাৰ ব্যৱস্থা কৰা হৈছে।

২৯) আনন্দ ৰাম বৰুৱা কেৱল এজন বিদগ্ধ পণ্ডিতেই নাছিল। তেওঁ আছিল প্ৰথম অসমীয়া আৰু ষষ্ঠ ভাৰতীয় আই, চি, এচ বিষয়াও। আমাৰ ছাত্ৰ সকলক তেওঁৰ পদানুসৰণ কৰিবলৈ অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে মই অহা বিত্তীয় বৰ্ষৰ পৰা 'আনন্দ ৰাম বৰুৱা বঁটা" নামেৰে এখনি

নতুন আঁচনি প্ৰৱৰ্ত্তন কৰিবলৈ প্ৰস্তাৱ ৰাখিছো। এই আঁচনিৰ জৰিয়তে যি সকল ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হ'ব তেওঁলোক প্ৰত্যেককে একোটিকৈ কম্পিউটাৰ পুৰস্কাৰ হিচাপে দিয়া হ'ব। এই আঁচনিৰ জৰিয়তে আমাৰ মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক উদ্‌গনি দিয়াৰ প্ৰয়াস কৰা হৈছে। যাতে ভৱিষ্যতে তেওঁলোকে উচ্চ শিক্ষাৰ ক্ষেত্ৰত আৰু অধিক সাফল্য লাভ কৰি ভৱিষ্যৎ প্ৰজন্মৰ বাবে আদৰ্শ দাঙি ধৰিব পাৰে। এই আঁচনিবোৰ ৰূপায়িত কৰাৰ বাবে ২০০৫-০৬ বৰ্ষৰ বাজেটত ২০ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে।

৩০) ৩ বছৰৰ পৰা ৬ বছৰৰ শিশু সকলৰ বাবে মই এখন নতুন আঁচনি প্ৰস্তুত কৰিছো। যিসকল কুমলীয়া শিশু অংগনবাদী স্কুলবোৰত পাঠ গ্ৰহণ কৰে তেওঁলোকৰ প্ৰত্যেককে শিক্ষাৰ সজুলি আৰু পুথিৰে ভৰা একোখনি Joy bag এই আঁচনিৰ অধীনত দিয়া হ'ব। ইয়াৰ বাবে ২০০৫-০৬ চনৰ বাজেটত মই ৭ কোটি টকা ধাৰ্য্য কৰিছো।

৩১) ৬ বছৰৰ পৰা ১০ বছৰৰ ছাত্ৰ-ছাত্ৰী সকলক শীতকালত গৰম বস্ত্ৰ প্ৰদান কৰাৰ আন এক আঁচনি মই ২০০৫-০৬ চনৰ পৰা প্ৰৱৰ্ত্তন কৰিম বুলি প্ৰস্তাৱ কৰিছো আৰু ইয়াৰ বাবে আগন্তুক বাজেটত ৩৬ কোটি টকা ধাৰ্য্য কৰিছো।

৩২) যি কাৰণতে নহওক আমাৰ বহুতো কম বয়সীয়া যুৱক-যুৱতীয়ে বিপথে পৰিচালিত হৈ কেতবোৰ সমাজ বিৰোধী কাৰ্য্যকলাপ তথা উগ্ৰপন্থীৰ শিবিৰত যোগদান কৰা পৰিলক্ষিত হৈছে। স্কুলীয়া ছাত্ৰ-ছাত্ৰী সকলৰ বাবে মই ওপৰত উল্লেখ কৰি অহা আঁচনি সমূহৰ মুখ্য উদ্দেশ্য হৈছে তেওঁলোকৰ মন পঢ়া-শুনা আৰু ইতিবাচক দিশত নিয়োগ কৰোৱা যাতে ভৱিষ্যতে বিপথে পৰিচালিত নহৈ এক সুস্থ আৰু বহল

দৃষ্টিভংগীৰ অধিকাৰী হৈ সমাজৰ আদৰণীয় নাগৰিক হিচাপে জীৱন নিৰ্ব্বাহ কৰিব পাৰে।

৩৩) ২০০৪ চনৰ ২ চেপ্তেম্বৰৰ পৰা ধুবুৰী, দৰং, বঙাইগাওঁ, ওদালগুৰি আৰু চিৰাঙকে লৈ অসমৰ ৫ খন জিলাত মধ্যাহ্ন ভোজনৰ আঁচনি প্ৰৱৰ্ত্তন কৰা হৈছিল। বৰ্ত্তমানে এই আঁচনিখন সমগ্ৰ ৰাজ্যৰ ৩৮,৩২২ খন এল, পি স্কুলৰ প্ৰথম শ্ৰেণীৰ পৰা চতুৰ্থ শ্ৰেণীৰ ৪৮ লাখ ছাত্ৰ-ছাত্ৰীক সামৰি চলাই থকা হৈছে। চলিত বিত্তীয় বছৰত ৰাজ্য চৰকাৰে এই আঁচনিৰ বাবে PMGY ৰ অধীনত ১৭.৫৯ কোটি টকা মুকলি কৰি দিছে। ২০০৫-০৬ চনৰ বাজেটত ইয়াৰ বাবে ২০ কোটি প্ৰস্তাৱ কৰা হৈছে।

৩৪) আমাৰ স্কুলীয়া শিক্ষা ব্যৱস্থাৰ মৌলিক মান উন্নয়নৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্য্যায়ত চলি অহা সৰ্ব্বশিক্ষা অভিযান মিছনে বিশেষ অৰিহণা যোগাব পাৰে। এই আঁচনি ৰূপায়নৰ বাবে ৰাজ্য চৰকাৰে বহন কৰিব লগীয়া অংশৰ বাবদ এই বছৰত এতিয়ালৈকে ৪০ কোটি মোকোলাই দিয়া হৈছে। এই বিত্তীয় বছৰৰ ভিতৰতে আৰু কিছু পুঁজি এই শিতানত ৰাজ্য চৰকাৰৰ ফালৰ পৰা মোকলাই দিয়াৰ যো-জা কৰা হৈছে। ২০০৫-০৬ চনৰ বাজেটত এই আঁচনিৰ বাবে মই, ৰাজ্য চৰকাৰে দিবলগীয়া অংশৰ বাবে ৭০ কোটি টকা প্ৰস্তাৱ কৰিছো। কেন্দ্ৰৰ পৰা ৪৮৮ কোটি টকা আৱণ্টন পোৱা যাব বুলি আশা কৰা হৈছে। ইয়াৰ ফলত ২০০৫-০৬ চনত অসমত সৰ্ব্বশিক্ষা অভিযান ৰূপায়ণ কৰাৰ বাবে ৫৫৮ কোটি টকা বিনিয়োগ কৰিব পৰা যাব বুলি আশা কৰা যায়।

৩৫) যোৱা বছৰৰ বাজেট ভাষণত মই ছাত্ৰ-ছাত্ৰীসকলে পোৱা বৃত্তিৰ

মূল্য সৰ্ব্ব স্তৰতে বৃদ্ধি কৰিম বুলি প্ৰতিশ্ৰুতি দিছিলো। এই প্ৰতিশ্ৰুতি ইতিমধ্যে পালন কৰিছো।

৩৬) উচ্চ শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ সম্প্ৰসাৰণ আৰু শিক্ষাৰ মানদণ্ড তথা আন্তঃগাঠনিমূলক সা-সুবিধাৰ উন্নীতকৰণৰ ওপৰত আমি বিশেষভাৱে মনোনিবেশ কৰিছো। ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় মুকলি বিশ্ববিদ্যালয়ৰ (IGNOU) ৰ সহযোগত ৰাজ্য চৰকাৰে গুৱাহাটীত এটি এফ, এম অনাতাঁৰ কেন্দ্ৰ স্থাপন কৰিছে। জ্ঞানবাণী নামৰ এই কেন্দ্ৰটোৰ জৰিয়তে এই বছৰৰ ৭ ফেব্ৰুৱাৰী তাৰিখৰ পৰা শিক্ষামূলক অনাতাৰ প্ৰচাৰ নিয়মিতভাৱে আৰম্ভ হৈছে। এই কেন্দ্ৰটোক সম্পূৰ্ণভাৱে স্থানীয় ছাত্ৰ-ছাত্ৰীক শিক্ষা প্ৰদানৰ কামত ব্যৱহাৰ কৰা হৈছে। তাৰোপৰি ভাৰত চৰকাৰৰ Satellite Interactive Terminals (SITs) ৰ অধীনত গুৱাহাটীত এটি উচ্চ শিক্ষা প্ৰদান সহায়িকা কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লোৱা হৈছে।

৩৭) আগন্তুক বিত্তীয় বৰ্ষত উচ্চ শিক্ষাৰ ক্ষেত্ৰত মই কেইটিমান নতুন কাৰ্য্যসূচী হাতত ল'ব বিচাৰিছো। যেনে -

ক) গুৱাহাটীত অসম মুকলি বিশ্ববিদ্যালয় স্থাপন। ইয়াৰ ফলত এতিয়ালৈ উচ্চ শিক্ষাৰ পৰিসীমাৰ বাহিৰত থকা ইচ্ছুক যুৱক-যুৱতী তথা পুৰুষ-মহিলাই সহজতে আৰু কম খৰছতে উচ্চ শিক্ষাৰ সুবিধা গ্ৰহণ কৰিব পাৰিব।

খ) গুৱাহাটী চৰকাৰী আইন মহাবিদ্যালয়ত ৫ বছৰীয়া এল, এল বি পাঠ্যক্ৰম প্ৰৱৰ্ত্তন।

গ) অসমৰ ৫০ খন নিৰ্দ্দিষ্ট কলেজত তথ্য প্ৰযুক্তি (Information Technology) পাঠ্যক্ৰম প্ৰৱৰ্ত্তন।

ঘ) আই আই টি (IIT) আই, আই, এম, এছ (All India Institute of Medical Sciences) আদিৰ লেখীয়া সৰ্ব্বভাৰত প্ৰসিদ্ধ শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণৰ বাবে আসন পোৱা মেধাৱী ছাত্ৰ-ছাত্ৰী সকলক বিনামূলীয়া ঋণ দিয়াৰ ব্যৱস্থা। ইয়াৰ বাবে ২০০৫-০৬ চনৰ বাজেটত ১ কোটি টকা ধাৰ্য্য কৰা হৈছে।

ঙ) গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ Bio-Technology বিভাগ দুটাৰ আন্তঃগাঠনিৰ উন্নয়নৰ বাবে প্ৰত্যেককে ৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৩৮) থোৰতে, শিক্ষা শিতানত ২০০৪-০৫ চনৰ ৩১৩৭.১৬ কোটি টকাৰ বিপৰীতে ২০০৫-০৬ চনৰ বাজেটত মই ৩৪৪২.২২ কোটি টকা ধাৰ্য্য কৰাৰ প্ৰস্তাৱ কৰিছো।

৩৯) ৰাজ্যত স্বাস্থ্য সেৱাৰ মানদণ্ড আৰু ইয়াৰ আন্তঃগাঠনিৰ উন্নীতকৰণে আমাৰ চৰকাৰৰ পৰা বিশেষ অগ্ৰাধিকাৰ লাভ কৰি আহিছে। ধুবুৰী, বৰপেটা, লক্ষীমপুৰ, যোৰহাট, চিলচৰ আৰু নগাঁৱত স্থাপন কৰিবলগীয়া ৬টা আঞ্চলিক Diagnastic Centre ৰ কাম প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ২১ টা সমূহীয়া স্বাস্থ্য কেন্দ্ৰ (CHC) ক First Referal Unit (FRU) পৰ্য্যায়লৈ উন্নীতকৰণ কৰা হৈছে আৰু এই কেন্দ্ৰ সমূহত দিনে নিশাই অষ্ট্ৰোপ্ৰচাৰ আৰু অন্যান্য স্বাস্থ্য সেৱন সমন্বিতে আধুনিক পদ্ধতিৰে প্ৰসৱ কৰোৱাৰ সু-ব্যৱস্থা কৰা হৈছে। আৰু ১১ টা অতিৰিক্ত সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ FRU পৰ্য্যায়লৈ উন্নতীকৰণৰ কাম চলি আছে। যোৱা তিনি বছৰত ৪০০ টা প্ৰাথমিক চিকিৎসা কেন্দ্ৰ আৰু ১০০ টা সমূহীয়া স্বাস্থ্য কেন্দ্ৰৰ ঘৰবাৰী মেৰামতি কৰি আধুনিকীকৰণ কৰা হৈছে। নলবাৰী অসামৰিক জিলা চিকিৎসালয়ত

এটি আকস্মিক স্বাস্থ্য সেৱা কেন্দ্ৰ স্থাপন কৰা হৈছে। ৰাজ্যৰ তিনিখন চিকিৎসা মহাবিদ্যালয় আঞ্চলিক দন্ত চিকিৎসা মহাবিদ্যালয়, আঞ্চলিক নাৰ্চিং মহাবিদ্যালয় আৰু চৰকাৰী আয়ুৰ্বেদিক মহাবিদ্যালয়ৰ ঘৰবাৰী আৰু অন্যান্য আন্তঃগাঠনিবোৰ উন্নীতকৰণ কৰা হৈছে। ৰাজ্যৰ তিনিখন হোমিওপ্যথিক কলেজৰ উন্নিতকৰণৰ বাবেও যো-জা কৰা হৈছে। চলিত শিক্ষা বৰ্ষৰ পৰা চিকিৎসা বিজ্ঞানৰ এটি নতুন পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰা হৈছে। এই পাঠ্যক্ৰমৰ জৰিয়তে গ্ৰামাঞ্চলত চিকিৎসা সেৱা আগবঢ়াব পৰাকৈ যথোপযুক্ত অৰ্হতাসম্পন্ন এচাম নতুন চিকিৎসকৰ সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছে। ইয়াৰ ফলত গ্ৰামাঞ্চলত বৰ্ত্তমানে অনুভুত হৈ থকা চিকিৎসকৰ অভাৱ বহু পৰিমাণে লাঘৱ হ'ব বুলি আশা কৰা যায়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত কিড্‌নী সংযোজন অষ্ট্ৰোপ্ৰচাৰৰ ব্যৱস্থা গঢ়ি তোলা হৈছে। আশা কৰা যায় যে এই অষ্ট্ৰোপ্ৰচাৰৰ বাবে অসমৰ ৰোগী এতিয়াৰ পৰা আৰু ৰাজ্যৰ বাহিৰলৈ যোৱাৰ প্ৰয়োজন নহ'ব। গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত হৃদযন্ত্ৰত অষ্ট্ৰোপ্ৰচাৰৰ বাবও যাৱতীয় ব্যৱস্থা অহা দুমাহ মানৰ ভিতৰত সম্পূৰ্ণ কৰি থকা হৈছে।

৪০) ৰাজ্যত শিশুসকলৰ ৰোগ প্ৰতিষেধক ব্যৱস্থাৰ হাৰ ১৯৯৯ চনৰ ১৭ শতাংশৰ পৰা ২০০৪ চনত ৫৪ শতাংশলৈ বৃদ্ধি পাইছে। শেহতীয়া পালচ পলিঅ' ৰোগ প্ৰতিষেধক কাৰ্য্যসূচীৰ সাফল্য আছিল ৯৪ শতাংশ। ৰাজ্যত প্ৰসুতিৰ মৃত্যুৰ হাৰ আৰু নৱজাতক শিশুৰ মৃত্যুৰ হাৰ লক্ষণীয় ভাৱে নিম্নগামী হৈছে।

৪১) আমাৰ ৰাজ্যত বহু বছৰ ধৰি কোনো চিকিৎসা মহাবিদ্যালয় নতুনকৈ স্থাপন হোৱা নাই। আনহাতে চিকিৎসা বিজ্ঞান পাঠ্যক্ৰমৰ চাহিদা প্ৰতিবছৰে বৃদ্ধি পাই আহিছে। ফলত অসমৰ বহু মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে

চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰম বিচাৰি বাহিৰলৈ ধাৱমান হৈছে। এই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মই অসমত আৰু তিনিখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। সমগ্ৰ উত্তৰ অসমত বৰ্ত্তমান এখনো চিকিৎসা মহাবিদ্যালয় নাই। সেইদৰে ডিব্ৰুগড় আৰু গুৱাহাটীৰ মাজৰ এই বিস্তীৰ্ণ এলেকাত এখনো চিকিৎসা মহাবিদ্যালয় নাই। আনহাতে গুৱাহাটীৰ পশ্চিমে ৰাজ্যত এখনো চিকিৎসা মহাবিদ্যালয় নোহোৱাৰ কাৰণে পশ্চিম অসমৰ বহুতো ৰোগী চিকিৎসা সেৱা বিচাৰি নিকটৱৰ্ত্তী উত্তৰবংগলৈ যাবলগীয়া হয়। সেয়েহে মই তেজপুৰ, যোৰহাট আৰু বৰপেটাত তিনিখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত কৰিছো। ২০০৫-০৬ চনৰ বাজেটত এই আঁচনিৰ বাবে ১৫ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৪২) ডিব্ৰুগড়, গুৱাহাটী আৰু শিলচৰত চিকিৎসা মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নীতকৰণৰ বাবে যাৱতীয় কেন্দ্ৰীয় পুঁজি আহৰণ কৰাৰ বাবে মই প্ৰয়াস কৰি আছো। তথাপিও এই তিনিখন চিকিৎসা মহাবিদ্যালয়ৰ সা-সুবিধা সমূহৰ তাৎক্ষণিক উন্নীতকৰণৰ বাবে ২০০৫-০৬ চনৰ বাজেটত মই ১২ কোটি টকা ধাৰ্য্য কৰিছো।

৪৩) অহা বছৰৰ পৰিকল্পনা বাজেটৰ আৱণ্টিত শিতানত ৩৫ কোটি টকা ধৰি থোৱা হৈছে। এই পুঁজিৰে ২০০৫-০৬ চনৰ ভিতৰত ৰাজ্যৰ আটাইবোৰ জিলা আৰু মহকুমা পৰ্য্যায়ৰ অসামৰিক চিকিৎসালয় সমূহৰ মেৰামতি আৰু মহকুমা পৰ্য্যায়ৰ অসামৰিক চিকিৎসালয় সমূহৰ মেৰামতি আৰু উন্নীতকৰণৰ কাম হাতত লম বুলি থিৰাং কৰিছো।

৪৪) সমগ্ৰ ৰাজ্যতে, বিশেষকৈ ভিতৰুৱা অঞ্চলৰ গাওঁবোৰত বিশুদ্ধ খোৱা পানী যোগান আঁচনি ৰূপায়ণত চৰকাৰে অগ্ৰাধিকাৰ দি আহিছে।

অসমত থকা ৭০৬৬৯ খন বসতিস্থানৰ ভিতৰত ৫৮৭৩৯ খন বসতিস্থলত ইতিমধ্যে প্ৰতিদিনে জনমূৰি ৪০ লিটাৰকৈ বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা ইতিমধ্যে কৰা হৈছে। তাৰোপৰি ১১৬২৫ খন বসতিস্থলত বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা এতিয়ালৈ আংশিক ভাৱে ৰূপায়িত হৈছে। বিশুদ্ধ খোৱা পানী যোগানৰ বাবে চলিত বিত্তীয় ১৬৭.৫৫ কোটি টকাৰ আৱণ্টন আছে। ২০০৫-০৬ চনত ৬০২৫ টা বসতিস্থলত বিশুদ্ধ খোৱা পানী যোগান সম্পূৰ্ণ কৰি তোলাৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰে ৫৮২৫ টা বসতিস্থলত বৰ্ত্তমান বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা আংশিক ভাৱেহে আছে আৰু বাকী ২০০ টা বসতিস্থলত ইয়াত কোনো ব্যৱস্থা নাই। খোৱা পানী যোগান সু-পৰিচালনাত সমূহ ৰাইজক জড়িত কৰাৰ উদ্দেশ্যে ৩৬৪ হিতাধিকাৰী কমিটি গঠন কৰা হৈছে। এই কমিটি সমূহে নলীৰে যোগান ধৰা পানীৰ বাবদ হিতাধিকাৰী সকলৰ পৰা মাছুল সংগ্ৰহ কৰি সেই পানী যোগান আঁচনি ৰক্ষণা-বেক্ষণ আৰু সুপৰিচালনাৰ ভাগিদাৰ হ'ব। ইয়াৰ উপৰিও মুখ্যমন্ত্ৰীৰ খোৱা পানী যোগান অভিযানৰ অধীনত ২৪ কোটি টকা ব্যয়ৰ সাপেক্ষে ৰাজ্যৰ গ্ৰামাঞ্চলত নিৰ্দ্দিষ্ট স্থানত নলীনাদ আৰু কুঁৱাৰ যোগেৰে বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা কৰা হৈছে।

৪৫) আমাৰ ৰাজ্যৰ প্ৰায় ৮৭ শতাংশ লোক গ্ৰামাঞ্চলত বাস কৰে আৰু ৰাজ্যৰ প্ৰায় ৭০ শতাংশ লোকে তেওঁলোকৰ জীৱিকাৰ বাবে কৃষি আৰু কৃষিৰ লগত জড়িত। সেয়েহে কৃষি খণ্ডৰ ওপৰত চৰকাৰে বিশেষ গুৰুত্ব দি অহাটো স্বাভাৱিক। ২০০৪ চনত আমি অসমৰ বাবে এক নতুন কৃষি নীতি প্ৰণয়ন কৰিছো। সুনিশ্চিত জলসিঞ্চন, কৃষিৰ বহুমুখীকৰণ, কৃষি ঋণ সহজলভ্য কৰি তোলা, কৃষিজাত সামগ্ৰীৰ

সঠিক মূল্যত বিক্ৰী কৰাৰ সুব্যৱস্থা কৰা, কৃষি বীমা বহুল প্ৰচলন কৰা আৰু কৃষি খণ্ডৰ জৰিয়তে স্বনিয়োজনৰ সুবিধা সৃষ্টি কৰাৰ ওপৰত আমাৰ নতুন কৃষি নীতিয়ে গুৰুত্ব দিছে। কৃষি খণ্ডৰ কাৰণে অসম কৃষি সামৰ্থবৰ্দ্ধন প্ৰকল্পকে ধৰি মুঠ ১০৮.১৪ কোটি টকা ধাৰ্য্য কৰা হৈছে। অহা বছৰ বাজেটত পৰিকল্পনা শিতানত কৃষি খণ্ডৰ যান্ত্ৰিকীকৰণৰ বাবে ৮ কোটি টকা ধৰা হৈছে। কৃষি খণ্ডত ট্ৰেক্টৰৰ ব্যৱহাৰ জনপ্ৰিয় কৰি তোলাৰ বাবে এই আঁচনিৰ অধীনত অহা বছৰটোত ৮০০ খন ট্ৰেক্টৰ ক্ৰয় কৰি আত্ম সহায়ক গোট সমূহৰ মাজত বিতৰণ কৰা হ'ব। তেওঁলোকে ট্ৰেক্টৰখনৰ ক্ৰয় মূল্যৰ ৫০ শতাংশ বহন কৰিব লাগিব। AACP প্ৰকল্প চলি থকা কালছোৱাত ইয়াৰ অধীনত ১৬০০০ অ-গভীৰ নলী-নাদ আৰু ২০,০০০ জলসিঞ্চনৰ উপযোগী Low Left Pump বহুৱা হ'ব। তাৰোপৰি ২০,০০০ হেক্টৰ মাটি ক্ষুদ্ৰ জলচ্ছেদ আঁচনিৰ অধীনত সামৰি লোৱা হ'ব। এই প্ৰকল্পৰ অধীনত ৭৫০ খন ট্ৰেক্টৰ আৰু ১৫০০ খন পাৱাৰটিলাৰ বিতৰণৰ ব্যৱস্থাও কৰা হৈছে। কৃষি বিকেন্দ্ৰীকৃত সম্প্ৰসাৰণৰ বাবে ১১ খন জিলাত প্ৰাথমিক প্ৰকল্প ৰূপায়ণ কৰা হ'ব। লগতে কৃষিজাত সামগ্ৰীৰ বাবে ৫০ হাট আৰু ২৪ খন গ্ৰামীন পাইকাৰী বজাৰ স্থাপন কৰা হ'ব।

৪৬) আত্ম সহায়ক গোট সমূহৰ জৰিয়তে উদ্যান খেতিৰ বিকাশৰ ওপৰতো আমি গুৰুত্ব দিছো। লগতে উদ্যান খেতি সংক্ৰান্তীয় টেকন'লজী মিছন ৰূপায়ণৰ কামো চলি থাকিব।

৪৭) নিশ্চিত জলসিঞ্চন ব্যৱস্থা অবিহনে কৃষি খণ্ডৰ আধুনিকীকৰণ আৰু ইয়াক অধিক উৎপাদনক্ষম কৰি তোলাটো সম্ভৱ নহয়। অসমৰ জলসিঞ্চন উপযোগী ২৭ লাখ হেক্টৰ খেতিৰ মাটি আছে। এতিয়ালৈ

ইয়াৰ মাথো ৬.৭৫ লাখ হেক্টৰ মাটিতহে নিশ্চিত জলসিঞ্চনৰ ব্যৱস্থা সম্পূৰ্ণ হৈ উঠিছে। ২০০৫-০৬ চনৰ বাজেটত ক্ষুদ্ৰ মজলীয়া আৰু বৃহৎ জলসিঞ্চন আঁচনি সমূহৰ বাবে ৭৮.৯৬ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ দ্বাৰা ৫০২০২ হেক্টৰ মাটিত সু-নিশ্চিত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা যাব। সম্পূৰ্ণ কৰি তোলা জলসিঞ্চন আঁচনিবোৰৰ ৰক্ষণা-বেক্ষণ আৰু সুপৰিচালনা কৰি কামত উপভোক্তা সকলক জড়িত কৰা হ'ব। ইয়াৰ বাবে অসম জলসিঞ্চন উপভোক্তা বিল বিধান সভাত ইতিমধ্যে গৃহীত হৈছে। ৰাজ্যপালৰ অনুমোদন পালেই এই বিল আইনত ৰূপান্তৰ হ'ব। এই আইনৰ জৰিয়তে উপভোক্তা সমিটিবোৰক জলসিঞ্চন আঁচনিবোৰ ৰক্ষণা-বেক্ষণ আৰু মেৰামতি কৰাৰ তথা জলসিঞ্চনৰ বাবদ উপভোক্তা সকলৰ পৰা মাছুল সংগ্ৰহৰ অধিকাৰ দিয়া হ'ব।

৪৮) যোৱা বছৰৰ বিধ্বংসী বানপানীয়ে বৰ দিকৰাই জলসিঞ্চন প্ৰকল্পৰ বিস্তৰ ক্ষতি সাধন কৰে। ২০ কোটি টকাৰ ব্যয় সাপেক্ষ আমি শীঘ্ৰে ইয়াৰ মেৰামতিৰ কাম হাতত লৈছো। ইয়াৰ বাবে ১০ কোটি টকা ইতিমধ্যে দিয়া হৈছে আৰু বাকী ১০ কোটি অহা বছৰৰ বাজেটত ধৰা হৈছে।

৪৯) ৰাজ্যৰ অৰ্থনৈতিক বিকাশত, বিশেষকৈ গ্ৰাম্য উন্নয়ন আৰু ফুড্ প্ৰচেছিং উদ্যোগ বিকাশত পশুপালন আৰু পশু চিকিৎসা খণ্ডৰ ভূমিকা গুৰুত্বপূৰ্ণ। গাখীৰ, মাংস আৰু কণী জাতীয় খাদ্য সামগ্ৰীৰ চাহিদা অনুসৰি স্থানীয় উৎপাদন ভালেখিনি কম। সেয়েহে অসমত পশুপালন খণ্ডৰ দ্ৰুত বিকাশৰ যথেষ্ট সুযোগ আৰু সম্ভাৱনীয়তা আছে। ইয়াৰ বাবে চৰকাৰে কেইবাখনো আঁচনি ৰূপায়ণ কৰি আছে। ২০০৫-০৬ চনৰ বাজেটত ইয়াৰ বাবে ২৬.৩৮ কোটি টকা ধাৰ্য্য কৰা হৈছে।

অসম কৃষি সামৰ্থবৰ্দ্ধন প্ৰকল্পটো পশুপালন আৰু পশুচিকিৎসাক গুৰুত্বপূৰ্ণ স্থান দিয়া হৈছে। অসম পশুধন উন্নয়ন এজেঞ্চি স্থাপন, বে-চৰকাৰী পশু চিকিৎসক গোপাল মিত্ৰৰ দ্বাৰা ঘৰে ঘৰে গৈ কৃত্ৰিম বীৰ্য্যৰোপন, পশু চিকিৎসাৰ আন্তঃগাঠনি উন্নয়ন আৰু ১০০ খন গাঁৱত হাঁহ কুকুৰা আৰু গাহৰি পালন আঁচনি এই প্ৰকল্পৰ ভিতৰত সামৰি লোৱা হৈছে। এই প্ৰকল্পৰ জৰিয়তে ২৫০ টা দুগ্ধ উন্নয়ন কো-অপাৰেটিভ চ'চাইটি আৰু ২৫০ টা আত্ম সহায়ক গোট গঠন কৰা হ'ব।

৫০) ৰাজ্যৰ অৰ্থনৈতিক বিকাশত মৎস্য পালনৰ এক নিজস্ব স্থান আছে। ২০০৪-০৫ চনৰ বাজেটত ইয়াৰ বাবে ১০.৮৪ কোটি টকা ধাৰ্য্য কৰা হৈছিল। ২০০৫-০৬ চনত ইয়াৰ পৰিমাণ ৩১.০৪ কোটি টকালৈ বৃদ্ধি কৰা হ'ব। AACP প্ৰকল্পৰ অধীনত মীন পালনৰ ওপৰতো গুৰুত্ব দিয়া হৈছে। এই প্ৰকল্পৰ অধীনত ৩০০০ হেক্টৰ এলেকাৰ বিলকে ধৰি মীন পালকৰ ১২০০ হেক্টৰ এলেকাৰ নিজা পুখুৰীৰ উন্নতিকৰণ আৰু ৰাজহুৱা বিল পুখুৰীৰ উন্নীতকৰণৰ কাম এই প্ৰকল্পত সামৰি লোৱা হৈছে।

৫১) বানপানী আৰু গড়াখহনীয়াই আমাৰ ৰাজ্যক তাহানিৰে পৰা জুৰুলা কৰি আহিছে। যোৱা বছৰ বিধ্বংসী বানত ৪৯৭ জন লোকে প্ৰাণ হেৰুৱাবলগীয়া হোৱাৰ উপৰিও হাজাৰ হাজাৰ বাস গৃহ ধ্বংসপ্ৰাপ্ত হয়। ইয়াৰোপৰি ৰাষ্টা-ঘাট, দলঙকে ধৰি কোটি টকা ব্যয় হব বুলি হিচাপ কৰা হৈছে। বানপীড়িত ৰাইজৰ মাজত সাহায্য বিতৰণ আৰু ধ্বংস হোৱা ঘৰ-বাৰী আৰু বাট-পথ মেৰামতি কৰাৰ বাবে এতিয়ালৈকে ক৩৬২.৯২ কোটি টকা মোকোলাই দিয়া হৈছে। বানপানীত ছিগি যোৱা মঠাউৰি মেৰামতি কৰা আৰু অন্যান্য বান

নিয়ন্ত্ৰণ ব্যৱস্থা ৰূপায়ণ কৰিবৰ বাবে জলসম্পদ বিভাগক দুৰ্যোগ সাহায্য নিধিৰ পৰা ১৪৭.৩২ কোটি টকা মোকোলাই দিয়া হৈছে। যোৱা বানত অসমত ৩৫৪ ঠাইত মঠাউৰি চিঙিছে। বানত ক্ষতিগ্ৰস্ত হোৱা দলং আৰু বাট-পথ মেৰামতিৰ বাবে গড়কাপ্তানী বিভাগক ৭৪.৬৮ কোটি টকা মোকোলাই দিয়া হৈছে। এই আটাইবোৰ কাম চলিত বছৰৰ এপ্ৰিল মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ দিহা কৰা হৈছে।

৫২) দুৰ্যোগ সাহায্য নিধিৰ উপৰিও যোৱা বছৰ বানত হোৱা ক্ষয়-ক্ষতিৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰৰ পৰাও এতিয়ালৈ অতিৰিক্ত ২১১ কোটি টকা সাহায্য হিচাপে পোৱা হৈছে। নগদ ধনৰ উপৰিও কেন্দ্ৰীয় চৰকাৰে যোৱা বানৰ সময়ত অসম চৰকাৰক ঔষধ, হেলিকপ্তাৰ যোগান তথা বান সাহায্যৰ বাবে সেনা মোতায়েন কৰাকে ধৰি বিভিন্ন ধৰণে আমাক সহায় কৰিছিল। কেন্দ্ৰত শাসনাধিস্থিত ইউনাইটেড প্ৰগ্ৰেচিভ এলায়েন্স (UPA) মৰ্চাৰ সভানেত্ৰী মাননীয়া শ্ৰীমতী ছোনিয়া গান্ধী আৰু দেশৰ মাননীয় প্ৰধান মন্ত্ৰী ড০ মনমোহন সিঙে এই দুৰ্যোগৰ সময়ত বিভিন্ন দিহা-পৰামৰ্শেৰে আমাক সহায় কৰাই নহয়, বৰং দুয়ো নিজে অসমলৈ আহি বান পৰিস্থিতিৰ বুজ লৈছিল আৰু বান সাহায্য কাৰ্য্যৰ তদাৰক কৰিছিল। ইয়াৰ বাবে আমি তেওঁলোকৰ ওচৰত কৃতজ্ঞ। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে দ্বাদশ বিত্তীয় আয়োগে ২০০৫-১০ কালছোৱাৰ বাবে অসমৰ দুৰ্যোগ সাহায্য নিধিৰ পৰিমাণ ১০২৩.৮৪ কোটি টকা নিৰ্দ্ধাৰণ কৰিছে। ইয়াৰে ২৫% অসম চৰকাৰে দিব লাগিব, বাকী ৭৫% ভাৰত চৰকাৰে অনুদান হিচাপে দিব। ২০০৫-০৬ বিত্তীয় বৰ্ষত দুৰ্যোগ সাহায্য নিধিত ১৯৩.০৬ কোটি টকা ধাৰ্য্য কৰিছে। উল্লেখ কৰিব পাৰি যে একাদশ বিত্তীয় আয়োগৰ ২০০০-২০০৫ পাঁচ বছৰীয়া কালছোৱাত দুৰ্যোগ সাহায্য নিধিৰ মুঠ পৰিমাণ

আছিল ৫৬০.৮১ কোটি টকা। দুৰ্যোগ সাহায্য নিধিৰ উপৰিও বান নিয়ন্ত্ৰণৰ আন কেতবোৰ আঁচনি ৰূপায়নৰ বাবে চলিত বছৰৰ বাৰ্ষিক পৰিকল্পনাৰ অধীনত আৰু ২৪ কোটি টকা কেন্দ্ৰীয় সাহায্য পোৱা যাব বুলি আশা কৰা হৈছে। ২০০৫-০৬ চনত RIDF-X ৰ অধীনত ১৩ খন বৃহৎ বান নিয়ন্ত্ৰণ আঁচনিৰ বাবে NABARD ৰ পৰা ৫০ কোটি টকা ঋণ লোৱাৰ বাবে যো-জা কৰা হৈছে। ২০০৫-০৬ বাজেটত কাৰ্বি-আংলং জিলাত কেইখনমান বান নিয়ন্ত্ৰণ আঁচনি ৰূপায়নৰ বাবে অহা বাজেটত ৩.০০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৫৩) মই মাননীয় সদস্য সকলক গ্ৰামোন্নয়নৰ বাবে চলি থকা বিভিন্ন আঁচনিৰ বিষয়ে বিশদ বিৱৰণ দিয়াৰ বোধহয় প্ৰয়োজন নাই। কিয়নো আপোনালোকে এই আঁচনিসমূহৰ বিষয়ে নিশ্চয় অৱগত। ইতিমধ্যে বিভিন্ন পৰ্য্যায়ত পঞ্চায়ত সমূহকো গ্ৰামোন্নয়নৰ বিভিন্ন আঁচনি ৰূপায়ন কৰাৰ কতৃত্ব প্ৰদান কৰা হৈছে। আমাৰ চৰকাৰে গ্ৰামোন্নয়নৰ ওপৰত দিয়া বিশেষ গুৰুত্ব তলৰ পৰিসংখ্যা কেইটা চালেই গম পোৱা যাব। ২০০০-০১ চনত এই আঁচনিসমূহৰ ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে বহন কৰিবলগীয়া খৰচৰ অংশৰ বাবদ মাত্ৰ ২০.৮৯ কোটি টকা মোকোলাই দিয়া হৈছিল। চলিত বিত্তীয় বৰ্ষত আমি ইয়াৰ বাবদ ইতিমধ্যে ১৮১.৮৯ কোটি টকা মোকোলাই দিছো। বছৰটোৰ বাকী থকা দিন কেইটাত ইয়াৰ পৰিমাণ আৰু বৃদ্ধি পোৱাৰ সম্ভাৱনা আছে। বিভিন্ন গ্ৰামোন্নয়ন আঁচনি সমূহত ৰাজ্যই বহন কৰিবলগীয়া খৰচৰ বাবদ ২০০৫-০৬ চনৰ বাজেটত মই ১৮০ কোটি টকা ধাৰ্য্য কৰিছে। মাননীয় সদস্যসকলে জানে যে অসমৰ অৰ্থনৈতিক উন্নয়নত আত্ম-সহায়ক গোটসমূহে এক নীৰব বিপ্লৱৰ সূচনা কৰিছে। অসমত ইতিমধ্যে ৯৫০০০ ৰো অধিক আত্ম সহায়ক গোট গঠিত হৈছে। তাতোকৈ

সন্তোষৰ কথা হ'ল যে এই আত্ম সহায়ক গোট সমূহৰ ভিতৰত অধিকাংশই হৈছে মহিলা সদস্যাৰ দ্বাৰা গঠিত। ২০০৫-০৬ চনতো এই আত্ম সহায়ক গোটবোৰক অধিক সবল কৰাত আৰু নতুন নতুন আত্ম সহায়ক গোট গঠন কৰাত মই বিশেষ গুৰুত্ব দিম।

৫৪) অসমৰ নিৰনুৱা সমস্যা বহুদিন ধৰি এক চিন্তাৰ বিষয় হৈ ৰৈছে। জনসংখ্যা অনুপাতে অসমত চৰকাৰী চাকৰিয়ালৰ সংখ্যা ভাৰতৰ আন আন ৰাজ্যৰ তুলনাত বহুত বেছি। খালী হৈ থকা অথচ প্ৰয়োজনীয় পদসমূহ পূৰণ কৰাত আমি কেতিয়াও দ্বিধাবোধ কৰা নাই আৰু নকৰো। পিছে মাননীয় সদস্যসকলে মোৰ লগত সহমত হ'ব যে প্ৰায় ১৬ লাখৰো অধিক নিৰনুৱা যুৱক-যুৱতীক কৰ্ম্মসংস্থান দিব পৰাকৈ ৰাজ্য চৰকাৰৰ হাতত প্ৰয়োজনীয় সংখ্যক খালী পদ অথবা নতুন পদ সৃষ্টি কৰিবলৈ প্ৰয়োজনীয় পুঁজি নাই। সেয়েহে নিৰনুৱা যুৱক-যুৱতী দ্ৰুত বৰ্দ্ধমান সংখ্যাৰ তুলনাত চৰকাৰী খণ্ডত নিয়োগৰ সুযোগ যথাৰ্থতে সীমিত। সেয়েহে আমাৰ অৰ্থনৈতিক নীতিৰ দিশ নিৰ্ণয় কৰোতে আমি বিভিন্ন খণ্ডত নিযুক্তি আৰু আত্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ ওপৰত বিশেষ মনোনিবেশ কৰিব লাগিব। এই ক্ষেত্ৰত আমাৰ কৌশল আৰু কাৰ্য্যসূচী দুটা স্তৰত নিৰ্দ্ধাৰণ কৰা হৈছেঃ

ক) ৰাজ্যৰ দ্ৰুত আৰু সৰ্ব্বাঙ্গীন অৰ্থনৈতিক বিকাশ হোৱা মানে বিভিন্ন খণ্ডত নতুন নিযুক্তিৰ সম্ভাৱনীয়তা বৃদ্ধি পোৱা। সেয়েহে আমাৰ বিভিন্ন উন্নয়ণমূলক আঁচনি, প্ৰকল্প আৰু কাৰ্য্যসূচী নিৰ্দ্ধাৰণ কৰোতে আমি যিবোৰ খণ্ডৰ নিয়োগৰ সুযোগ সৃষ্টিৰ ক্ষমতা বেছি আৰু য'ত বিনিয়োগ পুঁজিৰ বিপৰীতে উৎপাদন মূল্য বেছি সেইবোৰ আঁচনি বা প্ৰকল্পক আমি অগ্ৰাধিকাৰ দিছো।

খ) নিবনুৱা যুৱক-যুৱতীসকলৰ সমস্যা আশু সমাধান কৰাৰ অৰ্থে আমি এনে কিছুমান আঁচনি হাতত লৈছো যাৰ দ্বাৰা শীঘ্ৰে কৰ্ম নিযুক্তি বা আত্ম-সংস্থাপন সম্ভৱ হয়। এনে এখন আঁচনি হ'ল 'কল্পতৰু'। এই আঁচনি প্ৰথমে ২০০৩-০৪ চনত প্ৰণয়ন কৰা হৈছিল। ইয়াৰ বৰ্দ্ধিত জনপ্ৰিয়তা আৰু চাহিদালৈ লক্ষ্য ৰাখি ২০০৫-০৬ চনত ৫০,০০০ নিৰনুৱা যুৱক-যুৱতীক এই আঁচনিৰ অধীনত আত্ম-সংস্থাপনৰ সুযোগ দিয়াৰ লক্ষ্য নিৰ্দ্ধাৰিত কৰা হৈছে। ইয়াৰ বাবে ২০০৫-০৬ চনৰ বাজিটত ৫০ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৫৫) নিবনুৱা সমস্যাৰ এক বাস্তৱসন্মত সমাধান সূত্ৰ উলিওৱাৰ উদ্দেশ্যে মই অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব অৱসৰ প্ৰাপ্ত আই, এ, এছ, বিষয়া শ্ৰীহৰেন্দ্ৰ নাথ দাসক সভাপতি হিচাবে লৈ এখন কমিটি গঠন কৰি দিছো। এই কমিটিৰ প্ৰতিবেদনৰ ভিত্তিত নিৰনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত আমি আৰু অধিকতৰ ফলপ্ৰসু আৰু বলিষ্ঠ আঁচনি ল'ব পাৰিম।

৫৬) অসমত অসংগঠিত খণ্ডত কৰ্মৰত লাখ লাখ বনুৱা কৰ্মচাৰীৰ চাকৰি মজুৰীৰ কোনো সুৰক্ষা নাই। তেওঁলোকৰ মজুৰী, চিকিৎসা বানচ আদিৰ কোনো নিৰ্দ্ধাৰিত হাৰ বা নিশ্চয়তা নাই। নিয়োগকাৰী সকলে এই কৰ্মচাৰীসকলৰ সুৰক্ষাৰ কাৰণে কোনো বীমা আঁচনিৰ প্ৰয়োগ কৰা নাই। এইসকল কৰ্মচাৰীৰ স্বাৰ্থ ৰক্ষাৰ হকে এখন আইন প্ৰণয়ন কৰিম বুলি যোৱা বছৰ বাজেট দাখিল কৰাৰ সময়ত মই কৈছিলো। এই সংক্ৰান্তীয় বিলখন প্ৰস্তুত কৰি উলিওৱা হৈছে আৰু ইয়াক শীঘ্ৰে সদনত দাখিল কৰাৰ ব্যৱস্থা লৈ থকা হৈছে।

৫৭) অসমৰ উদ্যোগীক বিকাশৰ ছৱিখনো আজি কিছুদিনৰ পৰা উজ্জ্বল হৈ অহা পৰিলক্ষিত হৈছে। অসমত উদ্যোগ স্থাপনৰ বাবে ইচ্ছুক

বিনিয়োগকাৰীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাইছে। উদাহৰণ স্বৰূপে বিনয় চিমেণ্ট নামৰ উদ্যোগ প্ৰতিষ্ঠানটোৱে ৪০০ কোটি টকাৰ ব্যয়ৰ সাপেক্ষে হোজাইত এটি বৃহৎ চিমেণ্ট কাৰখানা স্থাপনৰ বাবে আগবাঢ়ি আহিছে। এই উদ্যোগ স্থাপনৰ প্ৰাথমিক কাম-কাজ আৰম্ভ হৈছে। ৫০ কোটি টকা ব্যয় সাপেক্ষে বিলাতী সুৰা উৎপাদনৰ এটি কাৰখানা স্থাপন কৰিবলৈ আন এটি উদ্যোগগোষ্ঠী আগবাঢ়ি আহিছে। প্ৰস্তাৱিত এই উদ্যোগটোৰ পঞ্জীয়ণৰ কাম ইতিমধ্যে সমাধা হৈছে। আমিনগাঁৱত স্থাপন কৰা ৰপ্তানিমুখী উদ্যোগ পামখন (EPIP) নতুন নতুন উদ্যোগেৰে ভৰি পৰিছে। সেয়েহে এনে ধৰণৰ আৰু অধিক সংখ্যক উদ্যোগ পাম স্থাপন কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে আৰু তাৰ বাবে যাৱতীয় মাটি আহৰণ কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।

৫৮) কেন্দ্ৰীয় ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান Gas Authority of India Ltd. (GAIL) এ অসম গেচ ক্ৰেকাৰ প্ৰকল্পটো স্থাপনৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। এই প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় ৰাসায়নিক পদাৰ্থ Ethylene ONGC আৰু Oil India ই যোগান ধৰিছে। কিবা কাৰণত Ethylene ৰ নাটনি হ'লে নুমলীগড় ৰিফাইনাৰীৰ পৰা Neptha আনি সেই নাটনি পুৰ কৰা হ'ব। অসম চৰকাৰে ১০ শতাংশ Equity Share লৈ এই প্ৰকল্প অংশীদাৰ হ'ব। এই প্ৰকল্প নিৰ্মাণ কৰোতে আনুমানিক ব্যয় হ'ব ৫২১৯ কোটি টকা। ইয়াৰ Debt Equity ৰ অনুপাত হ'ব ৬০:৪০। এই প্ৰকল্পটো ৰাষ্ট্ৰীয় ঘাই পথৰ কাষত ডিব্ৰুগড়ৰ সমীপৱৰ্ত্তী লেপেটকটাত স্থাপন কৰা হ'ব। গেছ ক্ৰেকাৰ প্ৰকল্পটোৰ বাবে প্ৰয়োজনীয় কেঁচা-মাল আৰু ইয়াৰ উৎপাদিত সামগ্ৰী দুয়োটাকে অসম চৰকাৰে বিক্ৰী কৰ আৰু প্ৰৱেশ কৰৰ পৰা ৰেহাই দিব।

৫৯) উদ্যোগ বিভাগৰ অধীনত কেবাটাও ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আছে। তাৰে কিছুমান বিভিন্ন কাৰণত ৰুগ্ন হৈ পৰিছে। যি কেইটাক নতুনকৈ পুঁজি বিনিয়োগ কৰি বা আন কোনো উপায়েৰে পুনৰ্জীৱিত কৰিব পৰা যায় সেই কেইটাৰ পুনৰজীৱনৰ বাবে চৰকাৰে যাৱতীয় ব্যৱস্থা হাতত লৈছে। এমট্ৰ'ন অনুষ্ঠানটো ৰুগ্ন অৱস্থাৰ পৰা আহি এতিয়া সুস্থ আৰু স্বচ্ছল হৈ পৰিছে। ইলেকট্ৰনিক প্ৰযুক্তি প্ৰয়োগৰ ক্ষেত্ৰতো ৰাজ্যখন অগ্ৰসৰ হৈছে। SWAN প্ৰকল্পৰ জৰিয়তে ৰাজ্যৰ সকলোবোৰ জিলা সদৰক ৰাজধানী দিশপুৰৰ লগত ইলেকট্ৰনিক মাধ্যমেৰে সংযোগ কৰাৰ ব্যৱস্থা কৰা হৈছে। শোণিতপুৰ, বঙাইগাওঁ, কাছাৰ আৰু নগাওঁ জিলাৰ বাবে যাৱতীয় তাঁৰ সংযোগ ভাৰতীয় বিদ্যুৎ সৰবৰাহ নিগমৰ পৰা লিজত লোৱা হৈছে। ২০০৫-০৬ বছৰত এই আঁচনিৰ অধিক সম্প্ৰসাৰণ ঘটোৱা হ'ব। ইয়াৰোপৰি কেতবোৰ জিলা সদৰত ইন্টাৰনেট সুবিধা স্থাপন কৰা হ'ব। এই সেৱা সৰ্বসাধাৰণ ৰাইজে ব্যৱহাৰ কৰিব পাৰিব। উপভোক্তা সকলৰ পৰা নিৰ্দ্ধাৰিত মূল্যসূচীত এই সেৱা ব্যৱহাৰৰ বাবে মাছুল সংগ্ৰহ কৰা হ'ব।

৬০) অসম চাহ নিগমক পুনৰজীৱিত কৰি তোলাৰ কাৰণে ৰাজ্য চৰকাৰে কেতবোৰ ব্যৱস্থা হাতত লৈছে। নিগমৰ কৰ্মচাৰীসকলৰ দৰমহা, গ্ৰেচুইটি আৰু প্ৰভিডেণ্ড ফাণ্ড আদিৰ বাবদ অ-পৰিশোধেয় বকেয়া ধন মোকোলাই দিয়াৰ দায়িত্ব চৰকাৰে গ্ৰহণ কৰিছে। সেইদৰে অসম চাহ নিগমে বিভিন্ন বেংক আৰু অন্যান্য বিত্তীয় অনুষ্ঠানক দিবলৈ থকা ঋণৰ বোজাও অসম চৰকাৰে কান্ধ পাতি লৈছে। চলিত বৰ্ষৰ পৰা কেঁচা পাত বিক্ৰী বন্ধ কৰি পুনৰ মূল্য সংযোজিত চাহপাত উৎপাদন কৰা কাৰ্য্যক্ৰম হাতত লোৱা হৈছে। তাৰ বাবে নিগমৰ নিজৰ কাৰখানা কেইটা মেৰামতি কৰি সাজু কৰি তোলা হৈছে।

অসম চাহ নিগমত এগৰাকী নতুন পৰিচালন সঞ্চালক নিযুক্তি দিয়াৰ উপৰিও সঞ্চালক মণ্ডলীৰ পৰিষদখনো পুনৰ গঠন কৰা হৈছে।

৬১) ক্ষুদ্র আৰু কুটীৰ শিল্পৰ ওপৰত দি অহা গুৰুত্ব অহা বছৰতো অব্যাহত থাকিব, কিয়নো এই খণ্ডত আত্ম সংস্থাপনকে ধৰি বিভিন্ন নিযুক্তিৰ সুযোগৰ সম্ভাৱনীয়তা বহুত বেছি। প্ৰধান মন্ত্ৰীৰ ৰোজগাৰ যোজনাৰ ওপৰতো অধিক জোৰ দিয়া হ'ব। ২০০৫-০৬ চনৰ বাজেটত কুটীৰ শিল্পৰ কাৰণে ৯ কোটি টকাৰ এক আচুতীয়া আৱণ্টন দিয়া হৈছে। ইয়াৰ দ্বাৰা তেওঁলোকৰ শিল্প নৈপুণ্যৰ উন্নীতকৰণ, উৎপাদিত সামগ্ৰীৰ মানদণ্ড সমীকৰণ আৰু উৎপাদন কেন্দ্ৰ আৰু বিক্ৰী বজাৰৰ মাজত সংযোগ স্থাপন কৰাৰ আঁচনি ৰূপায়ণ কৰা হ'ব। ইয়াৰ ফলত ৰাজ্যৰ নিৰনুৱা সমস্যা কিছু পৰিমাণে হলেও লাঘৱ হ'ব বুলি আশা কৰা যায়।

৬২) হাজো-সৰ্থেবাৰীৰ কাঁহ-পিতলৰ উদ্যোগ আৰু শুৱালকুছিৰ বস্ত্ৰ-শিল্প উদ্যোগক লৈ আমি অসমবাসী গৌৰৱান্বিত। কিন্তু সময়ৰ সোঁতত আমাৰ এই পৰম্পৰাগত উদ্যোগ কেইটি বাহিৰত উৎপাদিত অনুৰূপ সামগ্ৰীৰ তীব্ৰ প্ৰতিযোগিতাৰ সন্মুখীন হৈছে। সেয়েহে এই উদ্যোগ কেইটাৰ উন্নীতকৰণ আৰু আধুনিকীকৰণ অতি জৰুৰী হৈ পৰিছে। ২০০৫-০৬ চনৰ বাজেটত মই হাজো-সৰ্থেবাৰীৰ কাঁহ-পিতল শিল্প উদ্যোগৰ আধুনিকীকৰণৰ বাবে ৩ কোটি টকা ৰখা হৈছে। ইয়াৰ উপৰিও আমাৰ হস্তশিল্পী আৰু কাৰিকৰ সকলক উন্নত প্ৰশিক্ষণ প্ৰদান আৰু উন্নতমানৰ সা-সঁজুলি যোগান ধৰাৰ এখন আঁচনি অহা বছৰত ৰূপায়ণ কৰাৰ সিদ্ধান্ত লৈছো। ইয়াৰ বাবে ২০০৫-০৬ চনৰ বাজেটত ১০ কোটি টকাৰ আৱণ্টন প্ৰস্তাৱ কৰিছো। আমাৰ ৰাজ্যৰ ১৭ লাখ হস্ত-তাঁত শিপিনীৰ ৯০% ৰো অধিক হ'ল মহিলা। তেওঁলোকৰ

হিতাৰ্থে মই ৫ লাখ মহিলা শিপিনীক সূতা যোগান ধৰাৰ এখন আঁচনি যুগুতাইছো আৰু ২০০৫-০৬ চনৰ বাজেটত ১০ কোটি টকা ৰাখিছো। আজি অসমলৈ সূতাৰ মেখেলা-চাদৰো বাহিৰৰ পৰা আহিবলৈ লৈছে। এনে আমদানি প্ৰতিহত কৰি থলুৱা শিপিনীসকলৰ স্বাৰ্থ ৰক্ষাৰ্থে বাহিৰৰ পৰা অহা মেখেলা-চাদৰৰ ওপৰত মই প্ৰৱেশ কৰ আৰোপ কৰাৰ প্ৰস্তাৱ কৰিছো।

৬৩) অনুসূচীত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলৰ সৰ্বাঙ্গীন উন্নতিৰ হকে আমি কেতবোৰ বিশেষ আঁচনি ৰূপায়িত কৰি আহিছো। 'বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল'ক বিত্তীয়ভাৱে টনকিয়াল কৰি তুলিবলৈ ব্যৱস্থা হাতত লৈছো। এই কাউন্সিলৰ নিৰ্বাচনো চলিত বছৰৰ মে' মাহৰ ভিতৰত পতাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছো। আন আন জনজাতীয় গোষ্ঠীৰ সাংস্কৃতিক আৰু ৰাজনৈতিক ইচ্ছা-আকাঙ্খা পূৰণ কৰাৰ উদ্দেশ্যে ৰাভা হাচং তথা তিৱা আৰু মিচিং স্বায়ত্ব শাসিত পৰিষদ কেইখনৰো আসোৱাহবোৰ দূৰীকৰণৰ ব্যৱস্থা লোৱা হৈছে। ইয়াৰ বাবে সংশ্লিষ্ট আইন কেইখন সংশোধনৰ ব্যৱস্থাও গ্ৰহণ কৰা হৈছে। অহা বছৰৰ পৰা এই স্বায়ত্ব শাসিত পৰিষদ কেইখনক দিয়া অনুদান প্ৰক্ৰিয়াও সৰলিকৰণ ব্যৱস্থা কৰি থকা হৈছে। তেওঁলোকৰ প্ৰাপ্য উন্নয়নমূলক পুঁজি বিভিন্ন শিতানৰ যোগেৰে মুকলি কৰি দিয়াৰ বৰ্তমান ব্যৱস্থাৰ সলনি এটি মাথো নিৰ্দ্দিষ্ট শিতানৰ জৰিয়তে এই ধন মোকোলাই দিয়া কাৰ্যব্যৱস্থা লোৱা হৈছে। দেউৰী আৰু সোণোৱাল কছাৰী জনজাতীয় গোষ্ঠীৰ বাবেও সুকীয়া স্বায়ত্ব শাসিত পৰিষদ গঠনৰ সিদ্ধান্ত কৰা হৈছে। চাহ শ্ৰমিক জনজাতীয় লোক সকলৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ কাৰণে আৰু তেওঁলোকৰ উন্নয়ন প্ৰক্ৰিয়া দ্ৰুত কৰাৰ উদ্দেশ্যে এটা সুকীয়া বিভাগ গঠন কৰা হৈছে। তেওঁলোকৰ

অৰ্থনৈতিক উন্নয়নৰ কাৰণে ৫.৫২ কোটি টকা মোকোলাই দিয়াৰ ব্যৱস্থা কৰা হৈছে।

৬৪) অনুসূচীত জাতি সংযোগী পৰিকল্পনা আঁচনি ৰূপায়ণৰ বাবে ২০০৪-০৫ চনৰ বাজেটত ধাৰ্য্য কৰা পুঁজিৰ পৰিমাণ আছিল ৫৪.০৬ কোটি টকা। ২০০৫-০৬ চনৰ বাজেটত ইয়াক মই ৭০.৬৮ কোটি টকালৈ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিছো। এই পুঁজিৰ যথাযথ ব্যয় সাপেক্ষে চলিত বছৰত ইয়াৰ পৰিমাণ আৰু কিছু পৰিমাণে বৃদ্ধি পাব পাৰে।

৬৫) ভাৰত চৰকাৰৰ উত্তৰ-পূৰ্ব অঞ্চল মন্ত্ৰনালয়ে বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল এলেকাত ৰূপায়িত হ'বলগীয়া ১৮টা উন্নয়ণমূলক আঁচনিৰ বাবে ২০০৪-০৫ চনত ১০০ কোটি টকা মঞ্জুৰ কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। এই আঁচনি সমূহৰ আশু ৰূপায়ণৰ ওপৰত আমি বিশেষ গুৰুত্ব দিছো।

৬৬) অসমৰ পাহাৰীয়া জিলা দুখনৰ কেতবোৰ বিশেষ সমস্যা আছে। যোৱা ১৭ ফেব্ৰুৱাৰীত মই পৰিকল্পনা আয়োগৰ উপাধ্যক্ষৰ লগত আলোচনাত মিলিত হওঁতে এই বিশেষ সমস্যাবোৰ উত্থাপন কৰিছিলো আৰু তাৰ সমাধানৰ বাবে কেন্দ্ৰৰ পাৰ্ব্বত্য অঞ্চল উন্নয়ণ আঁচনিৰ অধীনত দিয়া বিশেষ অনুদান অসমৰ পাৰ্ব্বত্য জিলা দুখনৰ ক্ষেত্ৰত লক্ষণীয় ভাৱে বৃদ্ধি কৰিবলৈ মই আৰ্জি কৰিছিলো। পৰিকল্পনা আয়োগে পিছে ২০০৫-০৬ চনৰ বাবেও অসমৰ পাৰ্ব্বত্য জিলা দুখনৰ বাবে এই অনুদানৰ পৰিমাণ ২০০৪-০৫ চনৰ ৫১.১১ কোটি টকাতে সীমাৱদ্ধ কৰি ৰাখে। যিয়ে নহওঁক, মই নিজা ববীয়াকৈ পাৰ্ব্বত্য অঞ্চলৰ পৰিকল্পনা শিতানৰ পুঁজি ২০০৫-০৬ চনৰ বাজেটত ১৬০.৭৮ কোটি টকালৈ বৃদ্ধি কৰিছো। মই আশা কৰো এই জিলা দুখনৰ স্বায়ত্ব শাসিত পৰিষদে এই পুঁজি

সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰাত সফল হ'ব।

৬৭) অসমৰ চৰ-চাপৰিবোৰৰ উন্নয়নৰ ওপৰত আমাৰ চৰকাৰে অগ্ৰাধিকাৰ দি আহিছে। এই চৰ-চাপৰিবোৰত মাটি বন্দবস্তিৰ সু-ব্যৱস্থা নথকাৰ কাৰণে তাত বসবাস কৰা লোকসকল বিভিন্ন সমস্যাৰ সন্মুখীন হয়। এই সমস্যা সমূহ দূৰ কৰাৰ উদ্দেশ্যে চৰ-চাপৰি সমূহত মই মাটি জৰীপ কৰাই যোগ্য মাটি বন্দোবস্তী দিয়াৰ প্ৰক্ৰিয়া খৰটকীয়া কৰাৰ নিৰ্দ্দেশ দিছো। ইয়াৰ ফলত ১৪১৬ টা পৰিয়ালক ১৩৮৬২ বিঘা মাটি ইতিমধ্যে বন্দোবস্তি দিয়া হৈছে আৰু ৪১৭ টা পৰিয়ালক ১১৭৫ বিঘা মাটি ইতিমধ্যে আবণ্টন দিয়া হৈছে। ২০০৫-০৬ চনৰ বাজেটত চৰ-চাপৰি উন্নয়নৰ বাবে বিভিন্ন আঁচনিৰ অধীনত ২.৯৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। ইয়াৰ উপৰিও চৰ-চাপৰিবোৰত বিশুদ্ধ খোৱাপানী যোগান ধৰাৰ উদ্দেশ্যে ২০০৫-০৬ চনৰ বাজেটত অতিৰিক্ত ৩ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৬৮) সমূহ গৃহিনী আৰু পৰিৱেশ সংৰক্ষন সচেতক মহলৰ বাবে মোৰ এটি সু-খবৰ আছে। 'ৰন্ধনজ্যোতি' নামেৰে এখন আঁচনি মোৰ চৰকাৰে ৰূপায়িত কৰি আহিছে। এই আঁচনিৰ অধীনত এটি ৰন্ধন গেছৰ সংযোজন বিনামূলীয়াকৈ দিয়া হয়। ২০০৫-০৬ চনৰ পৰা মই এই আঁচনিৰ অধীনত এটি ৰন্ধন গেছ চূলা আৰু প্ৰথমটো চিলিণ্ডাৰও বিনামূলীয়াকৈ দিবলৈ প্ৰস্তাৱ কৰিছো। ইয়াৰ বাবে অহা বছৰ বাজেটত ৮ কোটি টকা নিৰ্দ্ধাৰণ কৰিছো।

৬৯) দেশৰ বিভিন্ন ৰাজ্যৰ মাজত থকা আঞ্চলিক বৈষম্যৰ দৰে একেখন ৰাজ্যৰ ভিতৰতো বিভিন্ন জিলা আৰু আৰু অঞ্চলৰ মাজতো এনে বৈষম্য থকা দেখা যায়। মোৰ উদ্যোগত কোকৰাঝাৰ, ধেমাজি,

লক্ষীমপুৰ, কাৰ্বি আংলং আৰু উত্তৰ-কাছাৰ পাৰ্ব্বত্য জিলাকে ধৰি অসমৰ ৫ খন জিলাত ৰাষ্ট্ৰীয় সমবিকাশ যোজনাৰ অন্তৰ্ভূক্ত হৈছে। মই ৰাজ্যিক পৰ্য্যায়টো এখন অনুৰূপ আঁচনি ৰূপায়ন কৰিব বিচাৰিছোঁ। ওপৰোক্ত ৫ খন জিলাক বাদ দি এই আঁচনিৰ অধীনত মই আন ৬ খন সৰ্ব্বাধিক পিছপৰা জিলাক অন্তৰ্ভূক্ত কৰিব বিচাৰিছোঁ। এই আঁচনিখনক 'District Development Plan' বোলা হ'ব আৰু ইয়াৰ দ্বাৰা নিৰ্ব্বাচিত জিলা সমূহৰ সৰ্ব্বাঙ্গীন বিকাশৰ বাবে প্ৰয়াস কৰা হ'ব। ২০০৫-০৬ চনৰ বাজেটত এই আঁচনিৰ বাবে মই ২৭ কোটি টকা ধাৰ্য্য কৰিছে।

৭০) যোৱা ৩ বছৰত আমি প্ৰায় ৬৩ হাজাৰ পদ পৰিকল্পনা শিতানৰ পৰা পৰিকল্পনা বহিঃৰ্ভুত শিতানলৈ স্থানান্তৰিত কৰিছো। পৰিকল্পনা শিতানত ৰৈ যোৱা বাকী পদ সমূহো মই অহা বিত্তীয় বছৰৰ ভিতৰত পৰিকল্পনা বহিঃৰ্ভুত শিতানলৈ অনাৰ প্ৰস্তাৱ কৰিছো, তাৰোপৰি ১৯৯৩ চনৰ ১ এপ্ৰিলৰ আগতে মকৰল হোৱা আৰু বৰ্ত্তমানলৈকে নিৰবিচ্ছিন্নভাৱে কাম কৰি থকা 'ৱৰ্কচাৰ্জ' আৰু 'মাষ্টাৰৰোল' কৰ্মীসকলৰ চাকৰি নিয়মীয়া কৰাৰো সিদ্ধান্ত মই গ্ৰহণ কৰিছো। তদুপৰি চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলকো তৃতীয় শ্ৰেণীৰ কৰ্মচাৰী সকলৰ সমহাৰত মহানগৰী পৰিপূৰক ভাট্টা দিয়াৰ সিদ্ধান্ত লৈছো।

৭১) আগন্তুক বিত্তীয় বৰ্ষৰ পৰা চৰকাৰী চাকৰিত নিযুক্তিৰ ক্ষেত্ৰত মহিলা চাকৰি প্ৰাৰ্থী সকলৰ ৩০ শতাংশ আসন সংৰক্ষিত কৰাৰ সিদ্ধান্তও লোৱা হৈছে। তাৰোপৰি দুটি সন্তানলৈকে মহিলা কৰ্মচাৰী সকলক ভাৰত চৰকাৰৰ সমহাৰত ১৩৫ দিনলৈকে প্ৰসুতি ছুটী মঞ্জুৰ কৰা হ'ব। বৰ্ত্তমানলৈকে অসম চৰকাৰে ৯০ দিনলৈহে প্ৰসুতি ছুটী মঞ্জুৰ কৰি আহিছে।

৭২) মই দেখিবলৈ পাইছো যে বিভিন্ন প্ৰশাসনিক আৰু নিয়ম কানুনৰ বাবে অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰী সকলক অৱসৰকালীন ভাট্টা পোৱাত পলম হয়। এই অসুবিধা সমূহৰ পৰিত্ৰাণ পাবলৈ আৰু চৰকাৰী অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সকলক সকাহ দিবলৈ মই এই ব্যৱস্থাক অসম প্ৰশাসনিক ন্যায়ালয়ৰ (Assam Administrative Tribunal) এক্তিয়াৰৰ ভিতৰত আনিব বিচাৰিছো আৰু Assam Adminsitrative Tribunal খনক Assam Administrative and Pension Tribunal নামেৰে নতুন নামাকৰণ কৰিব বিচাৰিছো। এই ন্যায়ালয়ে অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সকলৰ অসুবিধাবোৰ চোৱাচিতা কৰিব আৰু নিস্পত্তি নোহোৱা গোচৰ সমূহৰ ওপৰত চূড়ান্ত সিদ্ধান্ত দিব।

৭৩) ৰাজ্যখনৰ বৰ্ত্তমান পৰিস্থিতিত আৰক্ষীৰ দায়িত্ব জটিল হৈ পৰিছে। অসম আৰক্ষী বিভাগে তেওঁলোকৰ দৈনন্দিন কৰ্তব্যৰ উপৰিও প্ৰাকৃতিক দুৰ্য্যোগ, আন্তঃৰাজ্যিক সীমা বিবাদ আৰু কুটাঘাটমূলক কাৰ্য্যকলাপ আদি ৰোধ কৰাকে ধৰি অনেক স্পৰ্শকাতৰ বিষয়ে মোকাবিলা কৰিবলগীয়া হৈছে। সেয়েহে এই বিভাগক আধুনিকীকৰণ আৰু শক্তিশালী কৰাৰ প্ৰয়োজন হৈছে। মই ২০০৫-০৬ বৰ্ষত দুটা নতুন 'ভাৰতীয় সংৰক্ষিত বাহিনী' (India Reserve Battalions) গঠন কৰাৰ সিদ্ধান্ত লৈছো। আৰক্ষী আধুনিকীকৰণ আঁচনি (Police Modernisation Scheme) ৰ অধীনত অসম আৰক্ষী বাহিনীক আধুনিকীকৰণ কৰাৰ প্ৰচেষ্টা আমি অবিৰত ভাৱে চলাই যাবলৈ বিচাৰিছো। অসম আৰক্ষী বাহিনীৰ বাবে মই ২০০৫-০৬ বিত্তীয় বৰ্ষত ৮৬৯.২৮ কোটি টকাৰ প্ৰস্তাৱ ৰাখিছো।

৭৪) সৰ্ব্বসাধাৰণ ৰাইজক অধিক সুবিধা দিয়াৰ বাবে তথা প্ৰশাসনৰ উন্নতিৰ

অৰ্থে অসম চৰকাৰে মাণ্ডলিক আয়ুক্ত (Divisional Commissioner), জিলা উপায়ুক্ত, মহকুমাধিপতিৰ কাৰ্য্যালয় আৰু আৱৰ্ত্তভৱন আদি নিৰ্মাণ, মেৰামতি তথা উন্নয়নৰ বাবে অধিক পুঁজিৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তদুপৰি, অসমৰ পৰা ৰাজ্যৰ বাহিৰলৈ যোৱা যাত্ৰী সকলৰ অধিক সুবিধাৰ্থে ৰাজ্যৰ বাহিৰত অৱস্থিত আটাইবোৰ অসম ভৱন মেৰামতি আৰু উন্নয়নৰ বাবেও ব্যৱস্থা লোৱা হৈছে। অসমৰ পৰা মুম্বাই চহৰলৈ উন্নত চিকিৎসাৰ বাবে যোৱা কৰ্কত ৰোগীসকলক বিশেষ সুবিধা দিয়াৰ বাবে মুম্বাইত অৱস্থিত অসম ভৱনটো বৰ্ত্তমান কাৰ্য্যক্ষম কৰি তোলা হৈছে।

৭৫) ইং ২০০৪ চনৰ ২১ নৱেম্বৰৰ দিনাখন ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে অসম সচিবালয়ৰ নৱ নিৰ্মিত ভৱনৰ শুভ উদ্বোধন কৰিছে। মুঠ ১১ টা 'ব্লক'ৰ ভিতৰত ৩টা 'ব্লক' ইতিমধ্যে কাৰ্য্যক্ষম কৰি সম্পূৰ্ণ কৰি তোলা হৈছে আৰু ১ম পৰ্য্যায় হিচাবে ইতিমধ্যে কেইবাটাও বিভাগে নতুন আচবাব আদিৰ সৈতে নতুন সচিৱালয় ভৱনত প্ৰৱেশ কৰি চৰকাৰী কাম-কাজ আৰম্ভ কৰিছে। এই নতুন সচিৱালয় প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে কৰ্মচাৰী সকলৰ লগতে জনসাধাৰণৰো এটি দীৰ্ঘদিনীয়া অভাৱৰ অন্ত পৰিব।

৭৬) গুৱাহাটী উচ্চ ন্যায়ালয়ৰ এটি অতিৰিক্ত ভৱন নিৰ্মাণৰ বাবেও মই ২০০৫-০৬ বিত্তীয় বৰ্ষত ২ কোটি টকা পুঁজিৰ ব্যৱস্থা ৰাখিছো।

৭৭) ৰাজ্য চৰকাৰে গুৱাহাটী মহানগৰীক উন্নয়ন কৰি এখন আদৰ্শ মহানগৰী হিচাবে গঢ়ি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। GMDA ৰ দ্বাৰা 'গুৱাহাটী মাষ্টাৰ প্লেন' সংশোধন কৰি থকা হৈছে আৰু উক্ত সংশোধনী মাষ্টাৰ প্লেন আৰু Zoning Regulation ২০০৫-০৬ বছৰটোৰ ভিতৰত

সম্পূৰ্ণ কৰি তোলা হৈছে।

৭৮) যোৱা বছৰত গুৱাহাটী মহানগৰী বানপানীত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছিল। আগন্তুক বাৰিষাৰ আগতে "National Building Construction Company" ৰ জৰিয়তে নুনমাটি নলা ব্যৱস্থাৰ প্ৰথম পৰ্যায় সম্পূৰ্ণ কৰি তুলিবলৈ ব্যৱস্থা লোৱা হৈছে। জলসম্পদ বিভাগ আৰু গুৱাহাটী পৌৰ নিগমক যথাক্ৰমে প্ৰধান জলচ্ছেদসমূহ আৰু আভ্যন্তৰীণ নৰ্দমাসমূহৰ খনন কাৰ্য্যত জড়িত কৰা হৈছে। ২০০৪-০৫ চনৰ বিত্তীয় বৰ্ষত গুৱাহাটী মহানগৰীৰ উন্নয়নৰ বাবে বাৰ্ষিক পৰিকল্পনা শিতানত ১৮ কোটি টকা ধাৰ্য্য কৰা হৈছিল। ২০০৫-০৬ বছৰটোত বিভিন্ন উন্নয়নমূলক কামত খৰছ কৰাৰ বাবে ৩৭.৯৩ কোটি টকা ধাৰ্য্য কৰাৰ বাবে মই প্ৰস্তাৱ ৰাখিছো।

৭৯) অহা বিত্তীয় বৰ্ষত উমানন্দ হৈ গুৱাহাটী আৰু উত্তৰ-গুৱাহাটীৰ মাজত ৰজ্জুপথ (Rope Way) আৰু গুৱাহাটীৰ বিভিন্ন স্থানত কাৰ-পাৰ্কিং আৰু পদ-পথ নিৰ্মাণৰ বাবে মই এখন আঁচনি লোৱাৰ প্ৰস্তাৱ ৰাখিছো।

৮০) গুৱাহাটী পৌৰ নিগমৰ অধীনত খোৱা পানী যোগান ব্যৱস্থাৰ অনিয়ম দূৰ কৰি ইয়াক অধিক কাৰ্য্যক্ষম কৰাৰ কাৰণে ২০০৪-০৫ চনত ধাৰ্য্য কৰা ৬ কোটি টকাৰ উপৰিও ২০০৫-০৬ চনৰ বাজেটত আৰু ১৮ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৮১) গুৱাহাটীবাসীৰ বাবে এটা সুখবৰ আছে। ৰাজ্য চৰকাৰৰ অনুৰোধ মৰ্ম্মে গুৱাহাটী মহানগৰীৰ ৰাষ্টাৰ কাষৰ নলা-নৰ্দমা সমূহৰ নিৰ্ম্মাণৰ কাৰণে দ্বাদশ বিত্তীয় আয়োগে ২০০৫-২০১০ চনৰ পাচ বছৰীয়া কাৰ্য্যকালত ১২১ কোটি টকাৰ এটি বিশেষ অনুদান আগবঢ়াইছে।

৮২) ৰাজ্যখনৰ সকলোবিলাক নগৰৰ সঠিক আৰু পৰিকল্পিত উন্নয়নৰ কাৰণে

ৰাজ্য চৰকাৰে প্ৰতিশ্ৰুতিবদ্ধ। ২০০৫-০৬ চনৰ বিত্তীয় বৰ্ষত গহপুৰ, হাউলী, বিহপুৰীয়া, দুলীয়াজান আৰু লামডিং নগৰৰ বাবে এখন নতুন 'মাষ্টাৰ প্লেন' যুগুতোৱাৰ বাবে প্ৰস্তাৱ ৰখা হৈছে। ৰাজ্যখনৰ বিভিন্ন নগৰ-চহৰৰ নলা-নৰ্দ্দমা, আৱৰ্জনা নিষ্কাষণ, ট্ৰাক-বাছ আস্থান, বজাৰ-চৌহদৰ আন্তঃগাঠনি উন্নয়নৰ বাবে এখন আঁচনি ৰখা হৈছে। সকলোবোৰ জিলা আৰু মহকুমাৰ প্ৰধান নগৰৰ ৰাষ্টা-পদুলি মেৰামতি আৰু ৰক্ষণা-বেক্ষণৰ বাবে চলিত বছৰৰ বাজেটৰ পৰা ২০ কোটি টকা ব্যয় কৰা হৈ আছে। হাফলং আৰু মাহুৰ নগৰৰ নাগৰিক সকলৰ সা-সুবিধাৰ অৰ্থে ২০০৫-০৬ চনৰ বাজেটত ১ কোটি টকা আছুতীয়াকৈ ধাৰ্য্য কৰা হৈছে।

৮৩) নগৰীয়া আন্তঃগাঠনি ব্যৱস্থাৰ উন্নয়ন আৰু নাগৰিক সকলৰ সা-সুবিধা বৃদ্ধিৰ অৰ্থে ২০০৫-০৬ ৰ বাজেটত ৫.৫৯ কোটি টকা ধাৰ্য্য কৰা হৈছে। আই. ডি. এচ. এম. টি -IDSMT) আঁচনিৰ অধীনত চলি থকা আৰু নতুনকৈ প্ৰনয়ন কৰা আঁচনি সমূহ ৰূপায়নৰ বাবে ৰাজ্যিক অংশৰ বাবদ ৫ কোটি টকা ২০০৫-০৬ চনৰ বাজেটত প্ৰস্তাৱ ৰখা হৈছে।

৮৪) গুৱাহাটী মহানগৰীৰ আশে-পাশে থকা নগৰীয়া অঞ্চলসমূহ যেনে - পলাশবাৰী, মিৰ্জা, বিজয়নগৰ, চাংসাৰী, বাইহাটা চাৰিআলি আদিৰ সঠিক আৰু পৰিকল্পিত উন্নয়নৰ বাবে মই এক নতুন উন্নয়ন কৰ্ত্তৃপক্ষ (Development Authority) গঠনৰ বাবে প্ৰস্তাৱ ৰাখিছো। ৰাজ্য চৰকাৰে স্থানীয় নিকায় সমূহৰ কাৰ্য্যদক্ষতা বৃদ্ধিৰ বাবে দেশৰ অন্যান্য অঞ্চল সমূহত প্ৰযোজিত আধুনিক পৌৰ প্ৰশাসন আইন প্ৰনয়ন কৰাৰ কথা চিন্তা কৰিছে।

৮৫) ২০০৫ চনৰ নবেম্বৰ মাহত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া ৩৩ তম্ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ লগত জড়িত আন্তঃগাঠনিমূলক প্ৰকল্প সমূহৰ দ্ৰুত ৰূপায়নৰ বাবে প্ৰয়োজনীয় যাৱতীয় ব্যৱস্থা ৰাজ্য চৰকাৰে লৈছে। এই প্ৰকল্পসমূহৰ বাবে হ'বলগীয়া মুঠ খৰছ ১৪০ কোটি টকাৰ ভিতৰত ৯১.৪৫ কোটি টকা ইতিমধ্যে মোকোলাই দিয়া হৈছে। ২০০৫-০৬ বিত্তীয় বৰ্ষৰ বাজেটত ইয়াৰ বাবে আৰু ৬০ কোটি টকা ধাৰ্য্য কৰা হৈছে। ৰাষ্ট্ৰীয় ক্ৰীড়াৰ লগত সংগতি ৰাখি অন্যান্য কামৰ লগতে পানী যোগান ব্যৱস্থা আদিৰ বাবদ অতিৰিক্ত ৮ কোটি টকাৰ পুঁজি ২০০৫-০৬ চনৰ বাজেটত ৰখা হৈছে। সময়মতে ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ৰাজ্য চৰকাৰে ৩৩ তম্ ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ গ্ৰহণ কৰিব পৰাকৈ যথোপযুক্ত প্ৰশিক্ষণৰ দ্বাৰা অসমৰ খেলুৱৈ তথা বিভিন্ন দল সাজু কৰি তুলিবলৈ আগতীয়া ব্যৱস্থা লৈছে। এই উদ্দেশ্যে ২০০৫-০৬ চনৰ বাজেটত যাৱতীয় পুঁজিৰ ব্যৱস্থা কৰা হৈছে।

৮৬) মুঠ ২৫ কোটি টকা ব্যয় সাপেক্ষ গুৱাহাটী উন্নয়ন কৰ্তৃপক্ষৰ জৰিয়তে যোৱা বছৰ ৰাজীৱ গান্ধী ক্ৰীড়া প্ৰকল্প (Rajiv Gandhi Sport Complex) ৰ কাম আৰম্ভ কৰা হৈছে। ইয়াৰ বাবে ২০০৪-০৫ চনত ইতিমধ্যে ১০ কোটি টকা মোকোলাই দিয়া হৈছে। ২০০৫-০৬ চনৰ বাজেটত বাকী থকা ১৫ কোটি টকা ধাৰ্য্য কৰা হৈছে। ২০০৫ চনৰ ৩০ নৱেম্বৰৰ ভিতৰত এই প্ৰকল্পৰ কাম সম্পূৰ্ণ হ'ব।

৮৭) আমাৰ উঠি অহা যুৱক-যুৱতীসকলক ৰাষ্ট্ৰ গঠন তথা জাতীয়তাবোধ আৰু সামাজিক দায়বদ্ধতাৰ বিষয়ে সজাগ কৰি তোলাৰ অৰ্থে আমি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC) 'স্কাউট এণ্ড গাইড' আদি কাৰ্য্যক্ৰমৰ ক্ষেত্ৰত অধিক বিশেষ গুৰুত্ব দিছো। ৰাজ্য চৰকাৰে 'এন. চি. চি'

আৰু 'স্কাউট এণ্ড গাইড'ৰ কাৰ্য্যক্ৰমৰ প্ৰসাৰণৰ বাবে ব্যৱস্থা হাতত লৈছে। ৰাষ্ট্ৰীয় ক্ৰীড়া শিক্ষাৰ্থী বাহিনীৰ কলেৰৰ ৩৮,০০০ ৰ পৰা ৫০,০০০ হাজাৰলৈ বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ প্ৰশিক্ষণ ব্যৱস্থা অধিক সক্ৰিয় কৰি তোলাৰ বাবে পৰ্য্যায়ক্ৰমে ইয়াৰ আৰ্থিক সাহাৰ্য্য বৃদ্ধি কৰা হৈছে। ২০০৩-০৪ চনৰ বাজেটত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বাৰ্ষিক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ কাৰণে ৪০ লাখ টকা মঞ্জুৰ কৰা হৈছিল। এই বছৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ বাৰ্ষিক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰাৰ বাবে আৰ্থিক সাহাৰ্য্য ৯০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে। 'স্কাউট এণ্ড গাইড'ৰ প্ৰশিক্ষণ ব্যৱস্থাৰ বাবে চলিত বৰ্যত ১০ লাখ টকা মঞ্জুৰ কৰা হৈছে। ২০০৫-০৬ চনৰ বাজেটত এই শিতানত ৫.১৭ কোটি টকা ধাৰ্য্য কৰাৰ প্ৰস্তাৱ ৰখা হৈছে।

৮৮) মাননীয় সদস্যসকলৰ জ্ঞাত যে পৰ্য্যটন উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত অসমত প্ৰচুৰ সম্ভাৱনীয়তা আছে। কিন্তু বিভিন্ন কাৰণত এই প্ৰচুৰ সম্ভাৱনীয়তাৰ কিয়দাংশহে এতিয়ালৈকে বাস্তৱত ৰূপায়িত হৈছে। ৰাজ্যৰ সাধাৰণ আন্তঃগাঠনিৰ উন্নয়নৰ ফলত পৰ্য্যটন ক্ষেত্ৰত পৰোক্ষভাৱে লাভৱান হৈছে। অসমলৈ অহা স্বদেশী পৰ্য্যটকৰ সংখ্যা ২০০১ চনৰ ১০,১০,৬৫১ পৰা ২০০৪ চনত ২২,৮৬,৬৩০ লৈ বৃদ্ধি পাইছে। একে সময় চোৱাত বিদেশী পৰ্য্যটকৰ সংখ্যা ৬১৭১ ৰ পৰা ৭২৮৫ লৈ বৃদ্ধি পাইছে। বিশ্ব প্ৰাকৃতিক ঐতিহ্য ভূমি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ উন্নয়নৰ বাবে তথা বন্যপ্ৰাণীৰ সুৰক্ষা আৰু পৰ্য্যটকৰ সা-সুবিধা প্ৰদানৰ অৰ্থে ৫ কোটি টকা ২০০৫-০৬ চনৰ বাজেটত ধাৰ্য্য কৰা হৈছে। বড়ো চুক্তি (Bodo Land Accord) স্বাক্ষৰ কৰাৰ পিচত স্বাভাৱিক অৱস্থা পুনৰ ঘুৰি অহাত যথেষ্ট সংখ্যক দেশী তথা বিদেশী পৰ্য্যটকৰ বিশ্ব প্ৰাকৃতিক ঐতিহ্য ভূমি মানাহ ৰাষ্ট্ৰীয়

উদ্যান ভ্ৰমণ কৰিবলৈ পুনৰ আৰম্ভ কৰিছে। মই ২০০৫-০৬ চনৰ বাজেটত মানাহ ৰাষ্ট্ৰীয় উদ্যান তথা পবিতৰা অভয়াৰণ্যলৈ যোৱা ৰাষ্টা-ঘাটৰ উন্নয়নৰ বাবে প্ৰয়োজনীয় পুঁজি ব্যৱস্থাৰ প্ৰস্তাৱ ৰাখিছো। ইয়াৰ উপৰিও ২০০৫-০৬ চনৰ বাৰ্ষিক পৰিকল্পনা শিতানত পৰ্য্যটন খণ্ডত ৪.৯৬ কোটি টকাৰ প্ৰস্তাৱ ৰখা হৈছে। 'মুখ্যমন্ত্ৰীৰ স্ব-নিয়োজন পৰ্য্যটন আঁচনি - ২০০৪ (Chief Minister Shelf Help Tourism Scheme)-2004) খন ২০০৫-০৬ চনতো ৰূপায়ণ কৰি থকাৰ বাবে প্ৰস্তাৱ ৰাখিছো। শিক্ষিত নিবনুৱা যুৱক-যুৱতী সকলক পৰ্য্যটন উন্নয়নত অংশ গ্ৰহণৰ জৰিয়তে স্ব-নিয়োগৰ সুবিধা দিবলৈ এই আঁচনিখন যুগুতোৱা হৈছে।

৮৯) ২০০৪ চনৰ ২২ নৱেম্বৰত মাননীয় প্ৰধানমন্ত্ৰী মহোদয়ে গুৱাহাটীত 'ইন্দো-এছিয়ান কাৰ ৰেলী'ৰ শুভাৰম্ভ আৰু সদ্য সমাপ্ত কাজিৰঙা শতবাৰ্ষিকী মহোৎসৱৰ শুভ সমাপ্তিৰ পিচত আমাৰ ৰাজ্যই পৰ্য্যটন উদ্যোগৰ লগত জড়িত দেশী-বিদেশী ব্যৱসায়িক প্ৰতিষ্ঠানবোৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। "Pacific Asia Travel Association" ৰ এটি সজাতি দলে কেন্দ্ৰীয় পৰ্য্যটন সচিবৰ সৈতে ২০০৫ চনৰ জানুৱাৰী মাহত এক বিস্তৃত ভ্ৰমণ সূচী লৈ অসমলৈ আহে। তেওঁলোকে অসমৰ পৰ্য্যটন খণ্ডৰ আন্তঃগাঠনি আৰু ভৱিষ্যতে অসমত পৰ্য্যটন খণ্ডৰ বিকাশৰ ক্ষেত্ৰত থকা প্ৰচুৰ সম্ভাৱনীয়তাৰ বিষয়ে বুজ লয়। তেওঁলোকে অসমলৈ স্বদেশী আৰু বিদেশী পৰ্য্যটকৰ ভ্ৰমণ সূচল কৰি তোলাৰ বাবে কেতবোৰ পৰামৰ্শ আগবঢ়ায় আৰু তেওঁলোকৰ তৰফৰ পৰাওঁ যাৱতীয় ব্যৱস্থা গ্ৰহণৰ কথা জনায়।

বিমষ্টেক (BIMSTEC-Bay of Bengal Initative for Multi Sectoral Technical and Economic Cooperation) নামৰ

বহুদেশীয় সংগঠনটোৰ সঁজাতি দল এটিয়েও এই বছৰৰে ফেব্ৰুৱাৰী মাহত অসম ভ্ৰমণ কৰি যায়। এই সঁজাতি দলটোত থাইলেণ্ড, ম্যানমাৰ, নেপাল, ভূটান, শ্ৰীলংকা আৰু বাংলা দেশ প্ৰতিনিধি আছিল। তেওঁলোকৰ লগত ভাৰথ চৰকাৰৰ উচ্চ পদস্থ বিষয়াও আছিল। তাৰোপৰি Bangkok Airways ৰ অধ্যক্ষ তথা প্ৰধান পৰিচালকৰ নেতৃত্বত এই মাহত আন এটি সঁজাতি দলে অসম ভ্ৰমণ কৰি যায়। অসমত বিদেশী পৰ্য্যটকৰ আগমন বৃদ্ধি কৰাৰ উদ্দেশ্যে সঁজাতি দলটোৱে অসমৰ বিভিন্ন পৰ্য্যটন আকৰ্ষণ কেন্দ্ৰ ভ্ৰমণ কৰি সা-সুবিধাবোৰৰ বুজ লয় আৰু অসম চৰকাৰৰ লগত এই বিষয়ে বিশদভাৱে আলোচনা কৰি যায়।

৯০) আমি অসমৰ বাৰেবৰণীয়া সাংস্কৃতিক পৰম্পৰাক লৈ গৌৰৱান্বিত।

এই পৰম্পৰা ৰাজ্যখনৰ সকলো ঠাইতে চুকে-কোণে বিৰাজমান। ৰাজ্যৰ সকলো সম্প্ৰাদয়াৰ সাংস্কৃতিক পৰম্পৰা সংৰক্ষণ আৰু উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ প্ৰতিশ্ৰুতিৰ কথা মই পুনৰবাৰ দোহাৰোঁ। ২০০৫-০৬ চনৰ বিত্তীয় বৰ্ষত শিৱসাগৰ, যোৰহাট, গৌৰিপুৰ, শিলচৰ, নগাওঁ আৰু বৰপেটাত ৬ টা ৰূপকোঁৱৰ কলাকেন্দ্ৰ স্থাপনৰ বাবে প্ৰস্তাৱ ৰখা হৈছে। পৰ্য্যায়ক্ৰমে এই আঁচনিখন অন্যান্য জিলা সদৰলৈ সম্প্ৰসাৰিত কৰা হ'ব। 'জ্যোতিভাৰতী'ৰ মেৰামতি, জ্যোতি চিত্ৰবনত এটি আৰ্ট গেলাৰী আৰু জ্যোতি চিত্ৰবন ফিল্ম ষ্টুডিঅ'ত ফিল্ম আৰ্কাইভচ (Film Archives) স্থাপন আৰু চাৰুকলা মহাবিদ্যালয়খন বশিষ্ঠত থকা স্থায়ী গৃহলৈ স্থানান্তৰিত কৰাৰ কামো ২০০৫-০৬ বৰ্ষৰ কাৰ্য্যক্ৰমণিকাত অৰ্ন্তভূক্ত কৰা হৈছে।

৯১) শ্ৰীমন্ত শঙ্কৰদেৱে অসমত এক আধ্যাত্মিক নৱজাগৰণৰ সৃষ্টি কৰাৰ লগতে শিল্প, সাহিত্য, সংস্কৃতি আৰু সমাজ সংস্কাৰ আদি বিভিন্ন

ক্ষেত্ৰত আগবঢ়োৱা তেওঁৰ অনবৈদ্য অৱদানেৰে নতুন অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। কিন্তু ইয়াৰো আঢ়ৈশ বছৰ পূৰ্ব্বে প্ৰথম আহোম স্বৰ্গদেউ চুকাফাই অসমৰ বিভিন্ন জাতি উপ-জাতিক একত্ৰিত কৰি এক শক্তিশালী ৰাজ্যৰ ভেটি স্থাপন কৰি অসমৰ জনগনক ৰাজনৈতিকভাৱে একত্ৰিত কৰিছিল। তেওঁৰ পবিত্ৰ স্মৃতিত আৰু সন্মানাৰ্থে যোৰহাটত স্বৰ্গদেউ চুকাফাৰ নামত এটি আধুনিক সংস্কৃতি প্ৰকল্প স্থাপন কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই প্ৰকল্প স্থাপনত মুঠ ব্যয় হ'ব ২০ কোটি টকা। ইয়াৰে ৫ কোটি টকা মই ২০০৫-০৬ চনত ধাৰ্য্য কৰিছো।

৯২) অসমৰ ঐতিহ্যমণ্ডিত সত্ৰসমূহ আমাৰ সাংস্কৃতিক জীৱনৰ এক গুৰুত্বপূৰ্ণ আৰু অবিচ্ছেদ্য অংশ। দুৰ্ভাগ্যক্ৰমে মহাপুৰুষ শঙ্কৰদেৱে স্থাপন কৰা আৰু তেওঁৰ জীৱনৰ শেষ কালছোৱা কটোৱা উত্তৰবঙ্গ কোচ বিহাৰৰ মধুপুৰ সত্ৰকে ধৰি আন বহুতো সত্ৰ সময়ৰ সোঁতত দুৰ্দ্দশাগ্ৰস্ত হৈ বন্ধ হৈ যোৱাৰ উপক্ৰম হৈছে। সত্ৰ সমূহৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে ২০০৫-০৬ বছৰৰ বাজেটত মই ১ কোটি টকা ধাৰ্য্য কৰাৰ প্ৰস্তাৱ ৰাখিছো। ইয়াৰে বৰদোৱা থান আৰু বৰপেটা, মধুপুৰ আদি সত্ৰক এককালীন উন্নয়নমূলক অনুদান দিয়াৰ উপৰি মধুপুৰ সত্ৰৰ নিয়মীয়া পৰিচালনাৰ বাবে বছৰি ১.৫০ লাখ কেন্দ্ৰীয় অনুদান এটিও দিয়া হ'ব। মধুপুৰ সত্ৰৰ দৰে বাৰ্ষিক অনুদান আন আন দুৰ্দ্দশাগ্ৰস্ত সত্ৰসমূহলৈকো প্ৰয়োজন সাপেক্ষে আগবঢ়োৱা হ'ব।

আমাৰ ৰাজ্যৰ বুৰঞ্জী প্ৰসিদ্ধ আৰু ঐতিহ্যমণ্ডিত স্মৃতি চিহ্নসমূহৰ ৰক্ষণা-বেক্ষণৰ বাবেও ৫০ লাখ টকাৰ এটি পুঁজি ২০০৫-০৬ চনৰ বাজেটত ধাৰ্য্য কৰা হৈছে।

৯৩) তথ্য-প্ৰযুক্তি বিদ্যাৰ পূৰ্ণ পয়োভৰৰ সময়তো বৌদ্ধিক সমাজখনত কিতাপৰ গুৰুত্ব অপ্ৰতিহত হৈ ৰৈছে। মানুহৰ গ্ৰন্থ অধ্যয়নৰ অভ্যাস বঢ়োৱাৰ বাবে বিশেষকৈ নৱ-প্ৰজন্মৰ মাজত এই অভ্যাস অটুত ৰখাৰ উদ্দেশ্যে জিলা আৰু মহকুমাত পুথিভঁৰাল স্থাপনৰ বাবে ২০০৫-০৬ চনৰ বাজেটত অধিক গুৰুত্ব প্ৰদান কৰা হৈছে। বৰপেটা, তিনিচুকীয়া আৰু বঙাইগাঁৱৰ জিলা পুথিভঁৰাল নিৰ্ম্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিছে। মৰিগাওঁ আৰু কৰিমগঞ্জত নিৰ্ম্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হৈছে। নলবাৰী, গোৱালপাৰা, মঙলদৈ, শিৱসাগৰৰ জিলা পুথিভঁৰাল গৃহ আৰু গুৱাহাটী জিলা পুথিভঁৰাল নতুনকৈ সংযোজন কৰা গৃহৰ নিৰ্ম্মাণৰ কাম সন্তোষজনক ভাৱে আগবাঢ়িছে। হাইলাকান্দি আৰু গোলাঘাটৰ জিলা পুথিভঁৰালৰ নিৰ্মাণৰ বাবে ২০০৫-০৬ চনৰ বাজেটত ৩ কোটি টকা ধাৰ্য্য কৰা হৈছে। তাৰোপৰি বড়োলেণ্ড স্বায়ত্ব পৰিষদৰ অধীনত কোকৰাঝাৰ, বাগ্‌চা, চিৰাং আৰু ওদালগুৰিত পুঁথিভঁৰাল তথা প্ৰেক্ষাগৃহ নিৰ্ম্মাণৰ কাৰণে ২০০৫-০৬ চনৰ বিত্তীয় বৰ্ষৰ বাজিটত ৮ কোটি টকাৰ পুঁজি ধাৰ্য্য কৰা হৈছে। মাননীয় সদস্যসকলে জানি নিশ্চয় সুখী হ'ব যে ২০০৫ চনৰ পহিলা জানুৱাৰী তাৰিখে মই ঘোষণা কৰা অনুযায়ী সকলো জিলা আৰু মহকুমা পুঁথিভৰাললৈ কিতাপ-পত্ৰ যোগানৰ বাবে ২০০৫-০৬ চনৰ বাজেটত ১০ কোটি টকাৰ পুঁজিৰ ব্যৱস্থা কৰা হৈছে।

৯৪) ৰাজ্যখনৰ ৭০ বছৰ আৰু ততোৰ্দ্ধ বয়োজ্যেষ্ঠ লোকসকলৰ স্বাস্থ্য সম্পৰ্কীয় ব্যয়ৰ পৰিশোধকৰণ (Reimbursement) আঁচনি এখন আমি চলাই আছো। মহিলা সকলৰ বাবে এই বয়সৰ সীমা ৬৫ বছৰলৈ হ্ৰাস কৰি সংশোধন ঘটাই আঁচনিখন ২০০৫-০৬ বছৰটোত চলাই থকাৰ বাবে মই প্ৰস্তাৱ ৰাখিছো। কিন্তু পুৰুষ সকলৰ বাবে বয়সৰ

সীমা ৭০ বছৰেই বাহাল থাকিব। ২০০৫-০৬ চনৰ বাজেটত এই আঁচনি ৰূপায়নৰ বাবে ৭ কোটি টকা ধাৰ্য্য কৰা হৈছে।

৯৫) মাননীয় সদস্যসকলে জানি সুখী হ'ব যে বছৰি ৯০০ টকা হাৰত দিয়া বৃদ্ধ পেঞ্চনৰ পৰিসৰ চলিত বিত্তীয় বৰ্ষৰ পৰা দুগুণ কৰি এই আঁচনিৰ অধীনত হিতাধিকাৰীৰ সংখ্যা ২ লাখ ৯৯ হাজাৰৰ পৰা ৫ লাখ ৯৮ হাজাৰলৈ বৃদ্ধি কৰা হৈছে।

৯৬) মুক্তি যুঁজাৰু সকলে কৰা নিঃস্বাৰ্থ ত্যাগৰ ফলস্বৰূপে স্বাধীন আৰু গণতান্ত্ৰিক ভাৰতত আজি আমি স্বাধীনচেতিয়াভাৱে সুখ আৰু সমৃদ্ধিশালী জীৱন-যাপন কৰিব পাৰিছো। তেওঁলোকে কৰা ত্যাগৰ কৃতজ্ঞতা দোহাৰি মই ইতিমধ্যে তেওঁলোকৰ মাহিলী পেঞ্চন ১৫০০ টকাৰ পৰা ২০০০ টকালৈ বৃদ্ধি কৰিছো। চলিত বৰ্ষৰ এক এপ্ৰিলৰ পৰা তেওঁলোকক মই মাহিলী ২০০ টকাকৈ ভ্ৰমণ ভাট্টা দিবলৈ থিৰাং কৰিছো।

৯৭) আমাৰ সকলোৰে একান্ত সৎ প্ৰচেষ্টা স্বত্বেও আমাৰ ৰাজ্যখনক আমি আজিলৈ এখন পূৰ্ণাঙ্গ আৰু আদৰ্শ কল্যাণমুখী ৰাজ্য হিচাপে গঢ়ি তুলিব পৰা নাই। এই ক্ষেত্ৰত এক নতুন পদক্ষেপ হিচাপে ২০০৫ চনৰ পহিলা জানুৱাৰী তাৰিখে মুখ্যমন্ত্ৰীৰ জীৱনজ্যোতি বীমা আঁচনি নামৰ এখন নতুন আঁচনি অহা বিত্তীয় বৰ্ষৰ পৰা আৰম্ভ কৰিম বুলি মই ঘোষণা কৰিছিলো। এই বীমা আঁচনিৰ অধীনত ৰাজ্যৰ সকলো লোকক দুৰ্ঘটনা আৰু চিকিৎসাৰ ক্ষেত্ৰত সাহাৰ্য্য দিয়াৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনি ৰূপায়ণৰ কাৰণে ২০০৫-০৬ চনৰ বাজেটত ২৫ কোটি টকা ধাৰ্য্য কৰাৰ বাবে মই প্ৰস্তাৱ ৰাখিছো।

৯৮) ২০০৪-০৫ চনত আৰম্ভ কৰা ধৰমজ্যোতি আঁচনিখন ২০০৫-০৬

চনতো চলি থাকিব। এই আঁচনিখনৰ জড়িয়তে বয়সীয়াল নাগৰিক সকলক তীৰ্থযাত্ৰা কৰিবলৈ উদ্‌গনি যোগোৱাৰ উপৰিও তেওঁলোকৰ তীৰ্থভ্ৰমণৰ সা-সুবিধা কৰি দিয়া হয়। এই আঁচনিৰ বাবে ২০০৪-০৫ চনৰ বিত্তীয় বছৰটোত ২.০০ কোটি টকাৰ পুঁজি মোকোলাই দিয়া হৈছে। ২০০৫-০৬ চনৰ বাজেটতো সমপৰিমাণৰ পুঁজি ধাৰ্য্য কৰা হৈছে।

এতিয়া মই বিক্ৰী কৰ ৰাজহৰ বিষয়লৈ আহিব বিচাৰো।

৯৯) ২০০০-০১ চনত কেৱল বাণিজ্যিক কৰৰ ক্ষেত্ৰত চৰকাৰে মাত্ৰ ১১৩৮ কোটি টকাহে সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। মই যিহেতুকে বিশ্বাস কৰো যে এখন ৰাজ্যৰ উন্নয়ন দক্ষ বিত্তীয় পৰিচালনাৰ দ্বাৰা ৰাজহ বৃদ্ধিৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰশীল। সেয়েহে, মোৰ চৰকাৰে অধিক ৰাজহ সংগ্ৰহৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি আহিছে। তেনে নেৰানেপেৰা প্ৰচেষ্টাৰ ফলত ২০০০-০১ চনৰ ১১৩৮ কোটি টকাৰ বিপৰীতে ২০০৪-০৫ চনত ২৩০০ কোটি টকাৰ বাণিজ্যিক কৰ সংগ্ৰহৰ লক্ষ্যত উপনীত হবলৈ আমি আগবাঢ়িছোহঁক। প্ৰকৃততে ২০০৪-০৫ চনৰ প্ৰথমাৰস্থাত যদিও ২০৫০ কোটি টকাৰ কৰ সংগ্ৰহ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছিল, পিছত সেই লক্ষ্য পুনৰ পৰ্য্যালোচনা কৰি আত্মবিশ্বাসেৰে ২৩০০ কোটি টকাত স্থিৰ কৰা হয়। এই লক্ষ্য পূৰ্ব্বৰ বছৰতকৈ ৩০ শতাংশ বেছি। আমাৰ কৰ সংগ্ৰহত একাগ্ৰতাৰে আত্মনিয়োগ কৰা বিষয়া-কৰ্মচাৰী সকলৰ অক্লান্ত পৰিশ্ৰমৰ বাবেহে সেই লক্ষ্য নিৰ্দ্ধাৰণ সম্ভৱ হৈছে। তাৰ বাবে তেওঁলোক ধন্যবাদৰ পাত্ৰ।

১০০)এই বিত্তীয় বৰ্ষতে অসমৰ আৰ্থিক দিশত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব

পৰা দুখন আইন আমি প্ৰণয়ন কৰিছো। তাৰে প্ৰথমখন - The Assam Taxation (On Specified Lands) (Amendment) Act, 2004 প্ৰণয়ন কৰাৰ বাবে অতি কমেও অহা বিত্তীয় বৰ্ষত আমি অতিৰিক্ত ১৫০ কোটি টকা সংগ্ৰহ কৰিবলৈ সক্ষম হম বুলি আশা কৰিছো। দ্বিতীয়খন আইন - The Assam Taxation (Settelement of Disputes) (Amendment) Act, 2004 ৰ দ্বাৰা এই বিত্তীয় বৰ্ষতে ৩০ কোটিতকৈ অধিক টকা সংগ্ৰহ হ'ব বুলি আশা কৰা হৈছে।

১০১) ৰাজ্যৰ বিত্তীয় পৰিস্থিতি উন্নয়নৰ কাৰণে নতুন নতুন আইনসংগত ব্যৱস্থা গ্ৰহণ কৰাৰ কথা মোৰ চৰকাৰে বিবেচনা কৰি আহিছে। মই ভাবো যে আমি কৰ সংশোধন আৰু নীতি নিৰ্দ্ধাৰণত অধিক কৰ্মদক্ষতা দেখুওৱাৰ স্থল আছে। সেয়েহে, মই এখন কৰ সংস্কাৰ সমিতি গঠন কৰাৰ কথা বিবেচনা কৰিছো আৰু লগতে অসম প্ৰশাসনীয় প্ৰাধিকাৰী প্ৰশিক্ষণ মহাবিদ্যালয়ত চৰকাৰক কৰ সংস্কাৰ বিষয়ত সময়ে সময়ে দিহা পৰামৰ্শ দিবলৈ এটা কোষ খোলাৰ কথাও চিন্তা কৰিছো। এই কোষটো সুদক্ষ কৰ বিষয়া সকলক ডেপুটেচনত লৈ চলোৱা হ'ব।

১০২)অসমক সম্পূৰ্ণ আত্মনিৰ্ভৰশীল কৰা মোৰ লক্ষ্যক বাস্তৱত পৰিণত কৰাৰ কাৰণে গ্ৰহণ কৰিবলগীয়া পদক্ষেপ সমূহৰ ভিতৰত প্ৰথমে মই ২০০৫-০৬ বৰ্ষত ২৯০০ কোটি টকাৰকৰ সংগ্ৰহৰ এক অভিলেখ লক্ষ্য নিৰ্দ্ধাৰণ কৰিব বিচাৰিছো।

১০৩)প্ৰথমে মই কি প্ৰশাসনীয় ব্যৱস্থাৰে সেই লক্ষ্যত উপনীত হম সেই বিষয়ে মাননীয় সদস্য সকলক অৱগত কৰাব বিচাৰো। যোৱা বছৰ বাজেট দাখিল কৰোতে মই জনাইছিলো যে মোৰ চৰকাৰে বক্সিৰহাট

আৰু শ্ৰীৰামপুৰত সংশ্লিষ্ট বিভাগ কেইটাক সামৰি এখন আধুনিক উমৈহতীয়া চেক্ গেটৰ ব্যৱস্থা কৰিম। এতিয়া সেই কাম হাতত লৈ প্ৰশাসনিক কাম বিলাক প্ৰায় শেষ কৰা হৈছে আৰু অহা বিত্তীয় বৰ্ষত সেই উমৈহতীয়া চেক্ গেটৰ কাম প্ৰৱৰ্ত্তন কৰা হ'ব। পৰিবহন কোম্পানী সমূহে যাতে কৰ ফাঁকিত অৰিহণা যোগাব নোৱাৰে তাৰ বাবে কৰ আইনত কঠোৰ ব্যৱস্থা ৰাখি সঘন অপৰাধৰ ক্ষেত্ৰত শাস্তিমূলক ব্যৱস্থাৰ প্ৰস্তাৱ ৰাখিলো। ৰেলৰ যোগেদিও কৰ ফাঁকি দিয়া বন্ধ কৰিবলৈ ৰেল বিভাগৰ সহযোগত আৰু অসম চৰকাৰৰ বিষয়াৰে এক নিৰীক্ষণ দল গঠন কৰা হ'ব।

১০৪) কৰ বিভাগৰ প্ৰায় সম্পূৰ্ণ হোৱা কম্পিউটাৰ শাখাত ইলেকট্ৰনিক প্ৰ-বিৰৰণী আৰু ইলেকট্ৰনিক তথ্যৰ দ্বাৰা চেক্ গেট দুখন চলোৱা হ'ব। তাৰ বাহিৰেও বেংক আৰু কৰ বিভাগৰ মাজত কাম কাজ সুচাৰু ৰূপে চলাবলৈ ইলেকট্ৰনিক প্ৰথাৰ প্ৰচলন হ'ব লগতে ৰাষ্ট্ৰীয়কৃত বেংক সমূহক প্ৰতিযোগিতামূলক ভাৱে ষ্টেট বেংকৰ লগতে ৰাজ্যৰ কৰ সংগ্ৰহৰ কামত নিয়োগ কৰা হ'ব।

১০৫) এই কথা আমি লক্ষ্য কৰিছো যে প্ৰায় ১০০ কোটি টকাৰ পুৰণি বকেয়া কৰ আদায় কৰাৰ প্ৰক্ৰিয়া চৰকাৰৰ বিভিন্ন স্তৰত নিবদ্ধ হৈ আছে। মই ভাবো যে এই বকেয়া ধন আদায়ৰ দীঘলীয়া পথ এৰি এককালীন প্ৰচেষ্টাৰে তৎকালীন ভাৱে আদায় কৰা উচিত হ'ব। সেয়েহে এই বিধান সভাতে বকেয়া কৰ আদায় কৰা এখন বিল ইতিমধ্যে মই উত্থাপন কৰিছো। ১৯৯৯ চনৰ ৩১ মাৰ্চলৈ যি সকলৰ দিবলগীয়া কৰ সূত আৰু জৰিমণা এতিয়াও আদায় দিবলৈ বাকী আছে, তেওঁলোকৰ ক্ষেত্ৰত সূতৰ ৫০ শতাংশ ৰেহাই দিয়া হ'ব আৰু লগতে জৰিমণাও সম্পূৰ্ণ ৰেহাই দিয়া হ'ব, যদিহে তেওঁলোকে

বাকী দিবলগীয়া কৰ তৎকালীনভাৱে আদায় দিয়ে। ইয়াৰ দ্বাৰা মই জনাব বিচাৰো যে তেওঁলোকক বকেয়া ধন আদায় দিবলৈ চৰকাৰে এটা শেষ সুযোগ দিছে। সেই সুবিধা সৎব্যৱহাৰ নকৰিলে বাকী ৰখা কৰ আদায় কৰিবলৈ চৰকাৰে কঠোৰ ব্যৱস্থা লবলৈ বাধ্য হ'ব।

১০৬) ভাৰতীয় সংবিধানে বৃত্তিকৰৰ উচ্চসীমা বছৰি ২৫০০ টকাত নিৰ্দ্ধাৰণ কৰিছে যদিও প্ৰায়ে সকলো ৰাজ্যই এই সীমা ৫০০০ টকা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাই আহিছে। আমাৰ বৃত্তিকৰ ব্যৱস্থা পৰীক্ষা কৰিলে দেখা যায় যে কৰ আদায় দিব পৰা লোক সকলৰ ক্ষেত্ৰতো আমি এই কৰ উৰ্দ্ধসীমাত নিৰ্দ্ধাৰণ কৰা নাই। এই কথাও আমি উপলব্ধি কৰিছো যে নিম্ন আয়ৰ লোকসকলক এই ক্ষেত্ৰত কিছু সকাহ দিয়াৰ প্ৰয়োজন।

১০৭) সেয়েহে বৃত্তি কৰ সম্পৰ্কত যিসকলৰ মাহিলী দৰমহা ৩৫০০ ৰ পৰা ৫০০০ টকাৰ ভিতৰত তেওঁলোকৰ পৰা বৰ্ত্তমানৰ বছৰি ৭৮০ টকাৰ পৰিবৰ্ত্তে মাত্ৰ ৩৬০ টকাহে ধাৰ্য্য কৰাৰ প্ৰস্তাৱ মই উত্থাপন কৰিছো। সেইদৰে মাহিলি দৰমহা ৫০০০ টকাৰ পৰা ৭০০০ টকাৰ তলত বেতন পোৱা লোকসকলৰ ক্ষেত্ৰত সেই বৃত্তি কৰ বছৰি ১১৪০ টকাৰ পৰা ৯৬০ টকালৈ হ্ৰাস কৰা হ'ব। এই কথাত মই প্ৰস্তাৱ কৰিব বিচাৰো যে যদি কোনোবা ক্ৰীড়া, সাহিত্য আৰু সাংস্কৃতিক পেঞ্চনপ্ৰাপ্ত লোক অন্য বৃত্তিত নিয়োগ হৈ থাকে তেওঁলোকৰ ক্ষেত্ৰত বৃত্তি কৰ সম্পূৰ্ণ ৰেহাই দিয়া হব। সেইদৰে ট্ৰেভেল এজেন্ট আৰু আমোদ-প্ৰমোদৰ ক্ষেত্ৰতো বৃত্তিকৰ ৰেহাই দিয়া হ'ব। অসমৰ ভ্ৰাম্যমাণ থিয়েটাৰ সমূহকো মই বৃত্তিকৰৰ পৰা সম্পূৰ্ণ ৰেহাই দিব বিচাৰিছো। যিবিলাক মানৱীয় সংস্থাই শাৰীৰিক ভাৱে অক্ষম লোকসকলক শিক্ষাদানৰ দৰে মহান কামত ব্ৰতী হৈ আছে তেওঁলোককো বৃত্তি কৰৰ পৰা সম্পূৰ্ণ

ৰেহাই দিয়া হ'ব। অন্যহাতেদি আৰ্থিকভাৱে সক্ষমলোক সকলক অধিক বৃত্তিকৰ দি ৰাজ্যখনৰ আৰ্থিক অৱস্থাৰ উন্নয়নত বৰঙণি যোগাবলৈ সুবিধা দিয়া হ'ব। সক্ষম লোকসকলে বৃত্তিকৰ নিদিয়াৰ কথা দৃষ্টিগোচৰ হলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈকো মই কুণ্ঠাবোধ নকৰো। এই প্ৰস্তাৱ সমূহ শীঘ্ৰে কাৰ্য্যকৰী কৰিবলৈ মই এই অধিবেশনত সংশ্লিষ্ট আইনৰ সংশোধনী আনিব বিচাৰিছো। এইদৰে বৃত্তি কৰ যুক্তিসংগত কৰি মই বছৰি ২০ কোটি টকাৰ অধিক ৰাজহ সংগ্ৰহ কৰাৰ আশা কৰিছো।

১০৮) তৈল ক্ষেত্ৰত আমি খাৰুৱা তেলৰ ওপৰত ৪ শতাংশ প্ৰৱেশ কৰ আৰোপ কৰিছিলো। এই ব্যৱস্থাৰ দ্বাৰা যদিও আমি বছৰত ৫০ কোটি টকা পাইছো আৰু অহা বছৰ প্ৰায় ১০০ কোটি টকা পাম, তথাপি বোজা প্ৰধানকৈ কেৱল বঙাইগাওঁ ৰিফাইনেৰী আৰু পেট্ৰোকেমিকেলচ লিমিটেডে বহন কৰি আহিছে। এই কৰৰ সমবিতৰণৰ কাৰণে অসমৰ কেউটা শোধনাগাৰত ব্যৱহৃত খাৰুৱা তেলৰ ওপৰত ২ শতাংশ প্ৰৱেশ কৰ লগাবলৈ ব্যৱস্থা কৰা হৈছে। এই কথা মাননীয় সদস্য সকলৰ জ্ঞাত যে যোৱা বছৰ মই কেন্দ্ৰীয় বিক্ৰী কৰ ৪ শতাংশৰ পৰা ২ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ কৰিছিলো। ইয়াৰ প্ৰধান কাৰণ দুটা হ'ল ইয়াৰ দ্বাৰা ষ্টক ট্ৰেন্সফাৰত বাধা দিব পৰা আৰু দ্বিতীয়তে কেন্দ্ৰীয় চৰকাৰে ক্ষতিপূৰণ দিবলগীয়া কেন্দ্ৰীয় বিক্ৰীকৰৰ হাৰ নিম্মগামী কৰিবি লাগে বুলি ভেটৰ উচ্চ ক্ষমতা সম্পন্ন সমিতিয়ে কৰা পোষকতা। যি কি নহওক অসমৰ তেল কোম্পানী সমূহৰ অসুবিধাৰ প্ৰতি সহাৰি জনাই মোৰ চৰকাৰে ভৱিষ্যতে কেন্দ্ৰীয় চৰকাৰৰ পৰা পাব লগা ক্ষতিপূৰণ কমি যোৱাৰ চৰ্ত্ত সাপেক্ষে কেন্দ্ৰীয় বিক্ৰী কৰৰ মাত্ৰা হ্ৰাস কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে।

১০৯)মই ৰন্ধন গেছৰ (LPG) ওপৰত থকা বিক্ৰীকৰ বৰ্ত্তমানে ১২ শতাংশৰ পৰা ৯ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ আগবঢ়াইছো যাৰ দ্বাৰা প্ৰতি চিলিণ্ডাৰৰ মূল্য প্ৰায় ৮ (আঠ) টকাকৈ কমিল। সেইদৰে পিয়াঁজৰ ওপৰত থকা বিক্ৰীকৰো মই ৮ শতাংশৰ পৰা ৪ শতাংশলৈ হ্ৰাস কৰিব বিচাৰিছো। তাৰোপৰি দাইলৰ ওপৰত থকা বিক্ৰীকৰ ২ শতাংশৰ পৰা ১ শতাংশলৈ হ্ৰাস কৰি, চেনীৰ ওপৰত প্ৰৱেশ কৰ ২ শতাংশত ৰাখিব বিচাৰিছো। এই প্ৰস্তাৱ কেইটাই বিশেষকৈ মহিলা সকলক সকাহ দি নিশ্চয় তেওঁলোকৰ মুখত হাঁহি বিৰিঙাব। তৈল ক্ষেত্ৰ আৰু ৰন্ধন গেছৰ ওপৰত কৰা প্ৰস্তাৱ সমূহ মোৰ বাজেটৰ ওপৰত হোৱা বিবেচনাৰ লগে লগে কাৰ্যকৰী হোৱাৰ আগতে কোনো অসাধু ব্যৱসায়ী, কলাবজাৰ অযথা মুনাফা আদায় আৰু অবৈধ মজুতকৰণৰ দৰে সমাজ বিৰোধী কাৰ্য্যত লিপ্ত হ'ব নোৱাৰে।

১১০)এই বৰ্ষ দাণ্ডি যাত্ৰাৰ ৭৫ তম্ বৰ্ষ হিচাবে আমাৰ দেশত পালন কৰা হৈছে। এই বুৰঞ্জী প্ৰসিদ্ধ ঘটনাৰ প্ৰতি সন্মান জনাই মই এই কথা ঘোষণা কৰিব বিচাৰিছো যে প্ৰস্তুত কৰা আৰু মাৰ্কাযুক্ত Processed and branded) নিমখৰ ওপৰত বিক্ৰীকৰ অসম চৰকাৰে শূণ্য হাৰত ৰাখিব বিচাৰিছে যদিও ভেটৰ উচ্চ ক্ষমতা সম্পন্ন সমিতিয়ে উক্ত নিমখ বিক্ৰী কৰৰ পৰা আগৰ দৰেই মুক্তহৈ থাকিব।

১১১)যোৱা বছৰৰ বাজেট প্ৰস্তাৱ ৰূপায়ণ কৰি আমি চিকিৎসা মহাবিদ্যালয়কে আদি কৰ স্বাস্থ্য প্ৰতিষ্ঠানৰ সকলো চিকিৎসা সামগ্ৰীৰ ওপৰত থকা প্ৰৱেশ কৰ ইতিমধ্যে সম্পূৰ্ণ ৰেহাই দিছো। আশা কৰা যায় যে ইয়াৰ দ্বাৰা সাধাৰণ মানুহৰ চিকিৎসা ব্যয় কিছু কমিব।

১১২)ঔষধৰ ওপৰত মই খুচুৰা বিক্ৰীৰ উৰ্দ্ধ মূল্যৰ (MRP) ওপৰত ভিত্তি

কৰি বিক্ৰীকৰ ৮ শতাংশৰ পৰা ৬ শতাংশলৈ হ্ৰাস কৰিব বিচাৰিছো। সেইদৰে শিশু আৰু বৃদ্ধ লোকসকলৰ পুষ্টি সাধনৰ কথা চিন্তা কৰি মই বিস্কুটত খুচুৰা মূল্যৰ উৰ্দ্ধ সীমাৰ ওপৰত কৰ ৪ শতাংশত ৰাখিবলৈ প্ৰস্তাৱ আগবঢ়াইছো।

১১৩)উদ্যোগ ক্ষেত্ৰৰ বিকাশৰ কাৰণে যন্ত্ৰ-পাতিৰ ওপৰত থকা প্ৰৱেশ কৰ ক্ষুদ্ৰ উদ্যোগত, য'ত বিনিয়োগ এক কোটি টকালৈকে হয়, তেনে উদ্যোগৰ ক্ষেত্ৰত ১ শতাংশলৈ আৰু ৫ কোটি টকালৈকে বিনিয়োগ কৰা মধ্যম খাপৰ উদ্যোগৰ যন্ত্ৰ-পাতিৰ ক্ষেত্ৰত ২ শতাংশ হ্ৰাস কৰা হৈছে। ৰাজ্যখনৰ চহৰ আৰু গ্ৰামাঞ্চলৰ সকলো স্থানলৈ দূৰ সঞ্চাৰ সেৱা সম্প্ৰাসাৰণ কৰা আৰু বৰ্ত্তমানৰ সেৱাক আধুনিকীকৰণ কৰা বিশেষ প্ৰয়োজন হৈ পৰিছে। তেনে দূৰ সঞ্চাৰ সেৱাত অধিক বিনিয়োগ কৰিবলৈ মই ২০০৫-০৬ চনত সেই সেৱাৰ যন্ত্ৰ-পাতিৰ ওপৰত প্ৰৱেশ কৰ ৮ শতাংশৰ পৰা ৪ শতাংশলৈ হ্ৰাস কৰাৰ প্ৰস্তাৱ কৰিছো।

১১৪)মোৰ চৰকাৰ অসম চাহ উন্নয়ন নিগমৰ বৰ্ত্তমান অৰ্থনৈতিক সংকটৰ প্ৰতি সজাগ। এই নিগমে বহু সংখ্যক চাহ শ্ৰমিকক পোহ-পাল দি আহিছে। অসম চাহ নিগমক সকাহ দিবলৈ মই অহা পাঁচটা বিত্তীয় বছৰৰ কাৰণে কৃষি আয় কৰ আৰু Assam Taxation (On Specified Land) Act, 1990) ৰ অধীনত কৰৰ পৰা অসম চাহ নিগমক ৰেহাই দিব বিচাৰো। এইটো মোৰ অসম চাহ নিগমক আশাসুধীয়া ভাৱে সহায় কৰাৰ বাবে এটা অনবদ্য প্ৰচেষ্টা।

১১৫)মাননীয় সদস্যসকলৰ এই কথা নিশ্চয় মনত আছে যে চাহ উদ্যোগক আৰ্থিক সকাহ দিবলৈ মই যোৱা বাজেটত এলানি প্ৰস্তাৱ ৰাখিছিলো। তাৰ ফলস্বৰূপে চাহ উদ্যোগ সমূহে যথেষ্ট সকাহ পাইছে সেই কথা

১০০ শতাংশৰ অধিক কৃষি আয় কৰ বৰ্দ্ধিত হোৱাতোৱেই প্ৰমাণ কৰে। এই কথাও মাননীয় সদস্যসকলে জানে যে আমাৰ চৰকাৰে ভেটৰ অধীনত চাহৰ ওপৰত হ'বলগীয়া কৰ ৪ শতাংশত নিৰ্দ্ধাৰিত হ'ব লাগে বুলি দাবী জনাই আহিছে।

১১৬)বিদেশী আৰু দেশী সুৰা সেৱন হ্ৰাস কৰাৰ উদ্দেশ্যে মই ইতিমধ্যে Extra Neutral Alcohol ৰ ওপৰত ২০ শতাংশ আৰু Rectified Spirit ৰ ওপৰত ১০ শতাংশ প্ৰৱেশ কৰা লগাবলৈ বিচাৰিছো যাতে কৰ ফাঁকি দিয়া বন্ধ হয় আৰু ব্যৱসায় অসমৰ বাহিৰলৈ স্থানান্তৰিত নহয়। এতিয়া যিহেতুকে সুৰাৰ ওপৰত প্ৰথম নিৰ্দ্ধাৰিত দামৰ ওপৰতহে কৰ সংগ্ৰহ কৰি থকা হৈছে আৰু পৰৱৰ্ত্তী পৰ্য্যায়ৰ মূল্য বৃদ্ধিৰ ওপৰত কৰ লগোৱা হোৱা নাই। সেয়েহে, মই পৰৱৰ্ত্তী পৰ্য্যায়ৰ মূল্য বৃদ্ধিৰ ওপৰত কৰ লগোৱাৰ প্ৰস্তাৱ কৰিছো। এই প্ৰস্তাৱ সমূহ কাৰ্য্যকৰী কৰি বছৰি অতিৰিক্ত প্ৰায় ১০ কোটি টকা সংগ্ৰহ কৰিব পৰা হ'ব।

১১৭)মই মহিলা আৰু যুৱক সকলক ক্ষমতা প্ৰদান কৰাত সদায় গুৰুত্ব দি আহিছো। মহিলা আৰু যুৱকৰ দ্বাৰা গঠিত আত্মসহায়ক গোট সমূহক আমি সদায় উদ্‌গনি যোগাই আহিছো। প্ৰধামমন্ত্ৰী ৰোজগাৰ যোজনা ফলপ্ৰসু কৰাৰ কাৰণে আমি বদ্ধপৰিকৰ। সেয়েহে মই এই আত্মসহায়ক গোট সমূহৰ দ্বাৰা আৰু প্ৰধানমন্ত্ৰীৰ ৰোজগাৰ যোজনা আঁচনিৰ অধীনত প্ৰস্তুত কৰা সকলো উৎপাদিত সামগ্ৰীৰ ওপৰত কৰ সম্পূৰ্ণ ৰেহাই দিব বিচাৰিছো। কিন্তু তেনে সুবিধাৰ অপব্যৱহাৰ হলে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈকো কুণ্ঠাবোধ কৰা নহ'ব।

১১৮) মোৰ চৰকাৰে সময়মতে ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰিবলৈ বদ্ধপৰিকৰ।

অসমত ক্ৰীড়াৰ প্ৰসাৰৰ কাৰণে মই অহা বিত্তীয় বৰ্ষত ক্ৰীড়া সামগ্ৰী সমূহক বিক্ৰী কৰৰ পৰা ৰেহাই দিব বিচাৰিছো, যাতে তাৰ দ্বাৰা অসমৰ খেলুৱৈ সকলে আগন্তুক ৰাষ্ট্ৰীয় ক্ৰীড়াত ভাল ফল দেখুওৱাত সহায়ক হয়।

১১৯) ৰাজহুৱা খণ্ডৰ কিছু প্ৰতিষ্ঠানৰ আৰ্থিক অৱনতিৰ কাৰণে আমি চিন্তিত। তেনে প্ৰতিষ্ঠানৰ পুনৰ উদ্ধাৰৰ উদ্দেশ্যে ফিছফেড, পশুধন আৰু হাঁহ-কুকুৰা উন্নয়ন নিগম, অসম মৎস্য উন্নয়ন নিগম আৰু অসম পশুধন উন্নয়ন সন্থাই আমদানী কৰা মাছ, কণী আৰু পশু-পক্ষীৰ ওপৰত মই প্ৰৱেশ কৰ ৰেহাই দিব বিচাৰিছো। ইয়াৰ দ্বাৰা নিশ্চয় সেই প্ৰতিষ্ঠান সমূহ আৰ্থিক দিশত উন্নত হৈ স্বাৱলম্বী হোৱাৰ পথত আগবাঢ়িব।

১২০) অসমৰ মেখেলা-চাদৰ দেশখনৰ ভিতৰত এটা সমাদৰ আছে। কিন্তু বহু পৰিমাণৰ মেখেলা-চাদৰ অসমলৈ আমদানী হোৱাত মোৰ চৰকাৰে উদ্বেগ প্ৰকাশ কৰিছে। এনে আমদানী প্ৰতিহত কৰি স্থানীয় শিপীনিক উৎসাহিত কৰিবলৈ মই যোৱা বছৰ গামোছাৰ ওপৰত প্ৰৱেশ কৰ লগোৱাৰ দৰে মেখেলা-চাদৰৰ ওপৰতো প্ৰৱেশ কৰ লগাব বিচাৰিছো। গামোছাৰ ওপৰত কৰ লগোৱাৰ পিছত এই সামগ্ৰী অসমৰ বাহিৰৰ পৰা অহা প্ৰায় বন্ধ হৈছে।

১২১) যোৱা বাজেটত মই বাঁহৰ ওপৰত প্ৰৱেশ কৰ লগোৱৰ প্ৰস্তাৱ কৰি ৮ শতাংশ কৰ লগাইছিলো। মই জনামতে হিন্দুস্থান পেপাৰ কৰ্পোৰেচনে তেওঁলোকৰ মিলত আধুনিকীকৰণ আৰু পৰিবৰ্দ্ধন আৰু উন্নয়নৰ কাৰণে ৫০০ কোটিৰো অধিক টকা বিনিয়োগ কৰিবলৈ ওলাইছে। সেয়েহে, তেনে কামত আমাৰ সদিচ্ছা দেখুৱাই মই বাঁহৰ ওপৰত

থকা প্ৰৱেশ কৰ ৪ শতাংশলৈ হ্ৰাস কৰি এই উদ্যোগ প্ৰতিষ্ঠান সমূহক জনাব বিচাৰো যে অসমত উদ্যোগ প্ৰতিষ্ঠান সমূহে আধুনিকীকৰণত অধিক ধন বিনিয়োগ কৰিব বিচাৰিলে তেনে সদিচ্ছা সকলোৰে ক্ষেত্ৰত চৰকাৰে দেখুৱাব।

১২২)মই অসমৰ ছাত্ৰ-ছাত্ৰীসকলক এটা বিশেষ সুবিধা প্ৰদান কৰিব বিচাৰিছো। মই টোকা বহী, গ্ৰাফ বহী আৰু পৰীক্ষাগাৰৰ টোকা বহী কৰৰ পৰা ৰেহাই দিব বিচাৰিছো। ধৰ্মপ্ৰাণ সমাজখনৰ কথা চিন্তা কৰি মাটিৰ প্ৰতিমাকো কৰৰ পৰা ৰেহাই দিয়া হ'ব। স্থানীয় হস্তশিল্পক উদগনি জনোৱাৰ উদ্দেশ্যে কেইটামান সামগ্ৰীৰ ওপৰত কৰ ৰেহাইৰ কথা চিন্তা কৰি আছো। যি কি নহওক তৎকালিনভাৱে মই বাঁহৰ কঠ আৰু পাতিদৈ ঢাৰি কৰ মুক্ত কৰিব বিচাৰিছো। মোৰ যোৱা বাজেটত কৃষিৰ ওপৰত গুৰুত্ব দি বহুতো উদগনিমূলক প্ৰস্তাৱ উত্থাপন কৰিছিলো। মোৰ চৰকাৰৰ কৃষি খণ্ডৰ উন্নতিৰি প্ৰতি থকা আগ্ৰহৰ কাৰণে মই ঘাঁহ, শাক-পাচলি আৰু ফুলৰ বীজক সম্পূৰ্ণৰূপে কৰ মুক্ত কৰিব বিচাৰিছো। যোৱা বছৰ বাজেটত মই সুগন্ধি আৰু ঔষধি উদ্ভিদক কৰ মুক্ত কৰাৰ প্ৰস্তাৱ দিছিলো আৰু সেইমতে আমি ব্যৱস্থাও গ্ৰহণ কৰিছো। মই হস্ত নিৰ্মিত কাঁহ-পিতল, মেখেলা-চাদৰ আৰু গামোছাক বিক্ৰী কৰৰপৰা সম্পূৰ্ণ মুক্ত ৰখা আগৰ সিদ্ধান্ত বাহাল ৰাখিছো।

১২৩)পবিত্ৰ সদনৰ সদস্য সকল জ্ঞাত যে অসমত চাউল আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ ওপৰত ২ শতাংশ বিক্ৰীকৰ আছে। সেয়েহে সোণ আৰু হীৰাৰ ওপৰত মাত্ৰ ১ শতাংশ বিক্ৰীকৰ থকাৰ কোনো যুক্তি নাই। সোণ আৰু হীৰাৰ ওপৰত চৰকাৰে ২ শতাংশ বিক্ৰীকৰ ধাৰ্য্য কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছে।

১২৪) গুৱাহাটী উত্তৰ-পূৰ্ব্বাঞ্চলৰ বেপাৰ-বাণিজ্যৰ মূল কেন্দ্ৰ। যদি কেন্দ্ৰীয় বিক্ৰী কৰ কমাই দিয়া হয় তেতিয়া উত্তৰ-পূৰ্ব্বাঞ্চলৰ বাণিজ্যিক কেন্দ্ৰ গুৱাহাটীৰ বেপাৰ-বাণিজ্য বহুত বৃদ্ধি হ'ব পাৰে। সেয়েহে, মই বৰ্ত্তমানে ৰেডিমেড পোচাকৰ ওপৰত থকা কেন্দ্ৰীয় বিক্ৰীকৰ ৪ শতাংশৰ ঠাইত C Form দিলে ১ শতাংশলৈ কমোৱাৰ প্ৰস্তাৱ দিছো। এই প্ৰস্তাৱ সমূহৰ পৰ্য্যালোচনাৰ পিচত ৰাজহ আদায়ৰ কথা পৰীক্ষা কৰি মই কেন্দ্ৰীয় বিক্ৰীকৰ অধিক ৰেহাই দিয়াৰ ব্যৱস্থা কৰিম।

১২৫) বহুত কাৰণত অসমৰ চিনেমা জগতখনো বৰ্ত্তমান এক গুৰুতৰ সমস্যাৰ সন্মুখীন হৈছে। সেয়েহে, মই কিছু ৰেহাই আৰু সা-সুবিধা দি এই ক্ষেত্ৰক সজীৱ কৰি ৰাখিব বিচাৰিছো। বৰ্ত্তমানে এখন আঞ্চলিক চিনেমাই আমোদকৰ সম্পূৰ্ণভাৱে ঘূৰাই পায়, যদিহে একেজন প্ৰযোজকে এখন দ্বিতীয় আঞ্চলিক চিনেমা কৰে। মই সেই চৰ্ত্ত সম্পূৰ্ণৰূপে উঠাই লব বিচাৰিছো।

১২৬) কেবাজনো প্ৰযোজকে মোক জনাইছে যে তেওঁলোকে আমোদ কৰৰ বাবদ অসম চৰকাৰৰ পৰা বহুত টকা ঘূৰাই পাবলগীয়া আছে। তেওঁলোকৰ সেই প্ৰাপ্য ধন তিনিমাহৰ ভিতৰত ঘূৰাই দিম বুলি মই আশ্বাস দিছো। লগতে মই এই কথাও কব বিচাৰিছো যে প্ৰযোজক সকলে আইনমতে পাবলগীয়া টকা ঘূৰাই দিয়াৰ প্ৰণালীটো সৰলীকৰণ কৰা হ'ব।

১২৭) বৰ্ত্তমান চিনেমা হলবোৰে সন্মুখীন হোৱা গুৰুতৰ সমস্যাৰ কথা বিবেচনা কৰি হলৰ মালিক সকলে বিচৰা দৰে প্ৰমোদ ক্ষেত্ৰক জীয়াই ৰাখিবলৈ, ৰাজহ ঘাটি হলেও, চিনেমা হলে দিব লগা পৰিবেশন কৰ (Show Tax) উঠাই দিয়াৰ মই প্ৰস্তাৱ কৰিছো।

১২৮)লগতে আধুনিকীকৰণ কৰা চিনেমাহল বিলাকৰ ক্ষেত্ৰত চৰকাৰৰ সন্তুষ্টি সাপেক্ষে চাৰ্ভিচ চাৰ্জ প্ৰতি টিকেটত উচ্চ হাৰ ২ টকা বৃদ্ধি কৰাৰ প্ৰস্তাৱো মই দাঙি ধৰিছো।

১২৯)চিনেমা খণ্ডৰ লগত জড়িত সকলোৰে সৈতে আলোচনা কৰি চৰকাৰে আমোদ কৰ বৰ্ত্তমানে ১০০ শতাংশৰ ঠাইত ৮০ শতাংশ আঞ্চলিক ছবিৰ প্ৰযোজক সকলক ঘূৰাই দি বাকী ২০ শতাংশ অসম ফিল্ম ফাইনেঞ্চ ডেভেলপমেন্ট কৰ্পোৰেচনক দিব বিচাৰে যাতে সেই টকাৰে আঞ্চলিক ছবিৰ প্ৰযোজক সকলক পৰৱৰ্ত্তী চিনেমা কৰিবলৈ ঋণ দিব পৰা যায়।

১৩০)অসমৰ বিভিন্ন স্থানত ক্ষুদ্ৰ চিনেমা হল (Mini Cinema Hall) ৰ প্ৰসাৰৰ কাৰণে তেনে হলৰ টিকেটৰ ওপৰত আমোদ কৰ ৫০ শতাংশ ৰেহাই দিবলৈ প্ৰস্তাৱ কৰিছো। মোৰ চৰকাৰে সকলো উন্নয়ন খণ্ডৰ মুখ্য স্থানত মিনি চিনেমাহল স্থাপনৰ কাৰণে উদগনি জনাব।

১৩১)অধ্যক্ষ মহোদয়, মোৰ চৰকাৰে ভেট (Value Added Tax) প্ৰৱৰ্ত্তন কৰাৰ সিদ্ধান্ত লৈছে। অসম ভেটৰ ক্ষমতা সম্পন্ন সমিতিৰ (VAT Empowered Committee) এক গুৰুত্বপূৰ্ণ সদস্য। এই ভেট ব্যৱস্থা উত্তৰ পূৰ্ব্বাঞ্চলৰ বাকী ৰাজ্য সমূহৰ লগতে অসমতো প্ৰয়োগ কৰা হ'ব। বাকী ৰাজ্য সমূহে যোগদান নকৰিলে কৰৰ গাঁঠনি বেলেগ বেলেগ হৈ বেপাৰ বাণিজ্য স্থানান্তৰিত হৈ উদ্যোগিক বিশৃংখলতাৰ সৃষ্টি কৰিব পাৰে। সেয়েহে অসম চৰকাৰে উত্তৰ পূৰ্ব্বাঞ্চলৰ আটাইকেইখন ৰাজ্যৰ লগত যোগাযোগ ৰাখিছে যাতে স্বাধীন ভাৰতৰ বিত্তীয় সংস্কাৰৰ এই মহান কামত সকলোৰে উদগনি যোগায়।

১৩২) মোৰ চৰকাৰে সৰ্ব্বসন্মত অত্যাৱশ্যকীয় বিষয় কেইটাৰ ওপৰত পূৰ্ব্বে

প্ৰনয়ন কৰা ভেট বিলখনৰ ওপৰত সংশোধনীৰ প্ৰস্তাৱ আনিবলৈ সিদ্ধান্ত লৈছে। ব্যৱসায়ী, উদ্যোগপতি আৰু বিষয়াৰ মাজৰ কথোপকথন আৰু প্ৰশিক্ষণৰ ব্যৱস্থা কৰি ভেট প্ৰয়োগ কৰিবলৈ আমাৰ চৰকাৰ সম্পূৰ্ণ সাজু হৈছে।

১৩৩) মই সদনক এই আশ্বাস দিব বিচাৰিছো যে মই সৰ্ব্বসাধাৰণ লোকৰ আশা-আকাংক্ষা পূৰাবলৈ যৎপৰোনাস্তি প্ৰচেষ্টা হাতত লৈছো। মই প্ৰস্তাৱ কৰা কৰ ৰেহাইৰ দ্বাৰা ৰাজ্যখনৰ ১০০ কোটি টকা হানি হ'ব যদিও সেই ক্ষতি পূৰাবলৈ মই যি অতিৰিক্ত ৰাজহ সংগ্ৰহৰ ব্যৱস্থা কৰিছো তাৰ বিষয়ে ইতিমধ্যে কৈ অহা হৈছে। সেইমতে মই প্ৰশাসনিক ব্যৱস্থাও অধিক সবল আৰু শক্তিশালী কৰি তুলিছো। মোৰ এই আত্মবিশ্বাস আছে যে আপোনালোক সকলোৰে সহযোগত মই বিগত বছৰ সমূহত লাভ কৰা সফলতাৰ দৰে অহা বিত্তীয় বৰ্ষটো অধিক ৰাজহ সংগ্ৰহৰ লক্ষ্যত উপনীত হৈ অসমক উন্নতিৰ দিশত অধিক আগবঢ়াই নিব পাৰিম।

১৩৪) ৰাজ্যিক আৱকাৰী বিভাগৰ জৰিয়তে সংশোধিত হাৰত ৰাজহ সংগ্ৰহৰ বাবে মই নিম্নোলিখিত ব্যৱস্থাৱলী উত্থাপন কৰিব বিচাৰিছো।

**ক) আমদানী শুল্ক (Import Pass Fee) ৰ বৃদ্ধিকৰণ ঃ**

দেশীয়ভাৱে প্ৰস্তুত কৰা বিলাতী সুৰাৰ (IMFL) ৭৫০ মি.লি. থকা ১২ বটলৰ প্ৰতি কাৰ্টুনত পূৰ্ব্বে নিৰ্দ্ধাৰিত আমদানী শুল্ক ৬০ টকাৰ পৰিবৰ্ত্তে সমপৰিমাণৰ বটল থকা প্ৰতি কাৰ্টুন সুৰাৰ ক্ষেত্ৰত আমদানী শুল্ক (Import Pass Fee) ১২০ টকালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছো। এই ব্যৱস্থাৰ জৰিয়তে ৰাজ্য চৰকাৰে ২ কোটি টকাৰ অতিৰিক্ত ৰাজহ আহৰণ কৰিব পাৰিব আৰু লগতে স্থানীয় উদ্যোগ স্থাপনৰ

জৰিয়তে ভালেখিনি থলুৱা লোকৰ নিয়োগৰ সুবিধা ঘটিব।

**খ) আৱকাৰী শুল্কৰ বৃদ্ধিকৰণ ঃ**

তলত উল্লেখ কৰাৰ দৰে দেশীয়ভাৱে প্ৰস্তুত কৰা বিলাতী সুৰাৰ (IMFL) ৰ ওপৰত আৱকাৰী শুল্কৰ বৰ্ত্তমানৰ নিৰিখ বৃদ্ধি কৰাৰ বাবে প্ৰস্তাৱ কৰা হৈছে ঃ

১) সাধাৰণ ১০.০০ টকা প্ৰতি কাৰ্টুন।

২) নিয়মিত ১৫.০০ টকা প্ৰতি কাৰ্টুন।

৩) বিলাসী ২০.০০ টকা প্ৰতি কাৰ্টুন।

৪) প্ৰিমিয়াম ৩০.০০ টকা প্ৰতি কাৰ্টুন।

৫) ক্লাচিক ৫০.০০ টকা প্ৰতি কাৰ্টুন।

উক্ত ব্যৱস্থাৰ জৰিয়তে ৰাজ্যখনৰ ৰাজকোষলৈ বছৰি অতিৰিক্ত ৬০ কোটি টকা আহিব বুলি আশা কৰা হৈছে।

**গ) পঞ্জীয়ন মাচুলৰ প্ৰৱৰ্ত্তন** (Profile Registration fee) :

ৰাজ্যৰ বাহিৰত বা ভিতৰত সুৰা প্ৰস্তুত কৰা কোম্পানী সমূহে দেশীয়ভাৱে প্ৰস্তুত বিলাসী সুৰা (IMFL), বিয়েৰ আৰু ওৱাইন প্ৰস্তুত কৰি ৰাজ্যখনৰ ভিতৰতে বিক্ৰী কৰিবলৈ হ'লে প্ৰত্যেকটো কোম্পানীয়ে বছৰি ১ লাখ টকাকৈ পঞ্জীয়ন মাচুল আদায় দিব লাগিব। এই ব্যৱস্থাৰ জৰিয়তে ৰাজ্যখনৰ ৰাজকোষলৈ অতিৰিক্ত ভাৱে ৩০ লাখ টকা আহিব বুলি আশা কৰিব পাৰি।

**ঘ) ম'ন কাৰ্টুনৰ পঞ্জীয়ন ঃ**

সুৰাৰ বটলত পঞ্জীকৃত লেবেল থকাৰ উপৰিও বটল ভৰ্তি কাৰ্টুনৰ

ওপৰত পঞ্জীকৃত লেবেল লগোৱাৰ প্ৰস্তাৱ কৰা হৈছে। এনে কাৰ্য্যৰ পৰা ৰাজ্যখনলৈ অধিক ৰাজহ অহাৰ উপৰিও সুৰাৰ চোৰাং কাৰবাৰ ৰোধ কৰিব পৰা যাব আৰু আৱকাৰী শুল্ক দিয়াটো বন্ধ কৰি অন্ততঃ ১০ কোটি বচাব পৰা যাব।

**(ঙ) বিদেশত বটলীকৃত বিলাতী সুৰাৰ ওপৰত আৰোপিত আমদানি শুল্ক ঃ**

বৰ্ত্তমানে বিদেশত বটলীকৃত বিলাতী সুৰাৰ ওপৰত কোনো ধৰণৰ আৱকাৰী শুল্ক প্ৰয়োগৰ ব্যৱস্থা নাই। অহা বিত্তীয় বছৰৰ পৰা প্ৰতি কাৰ্টুন স্কটচ্ সুৰাৰ ৬০০ টকা, ভদকা, জিন, ব্ৰাণ্ডি আৰু ৰামৰ ওপৰত ৩০০ টকা, ওৱাইনৰ ওপৰত ২০০ টকা আৰু বিয়েৰৰ ওপৰত ৬০ টকাকৈ আমদানী শুল্ক প্ৰৱৰ্ত্তনৰ প্ৰস্তাৱ কৰিছো। এই ব্যৱস্থাৰ জৰিয়তে বছৰি ৫০ লাখ টকাৰ অতিৰিক্ত ৰাজহ সংগ্ৰহ হ'ব বুলি আশা কৰিব পাৰি।

**চ)** মই বৰ্ত্তমান প্ৰচলিত আৱকাৰী বিধি আৰু আইনৰ সংশোধিত ঘটাব বিচাৰিছো। অতিৰিক্ত মুখ্য সচিব শ্ৰী চি. কে. দাস, আই এ এছক অধ্যক্ষ হিচাবে লৈ ইতিমধ্যে এখন কমিটি গঠন কৰি দিয়া হৈছে। আৱকাৰী শুল্ক Ad-Valorem অৰ্থাৎ মূল্যভিত্তিত আৰোপ কৰাৰ কথাও চিন্তা কৰা হৈছে।

১৩৫) যিবিলাক অবাণিজ্যিক গাড়ী মটৰ আৰু অ. এন. জি. চি. তথা অইল ইণ্ডিয়াই ব্যৱহাৰ কৰা গধুৰ যান-বাহনে ১৫ বছৰ কাল অতিক্ৰম কৰিছে তেনেবিলাক যান-বাহনৰ ওপৰত প্ৰতি ৫ বছৰে অতিৰিক্ত কৰ আৰোপ কৰাৰ প্ৰস্তাৱ কৰিছো। তিনিচকীয়া যান-বাহনৰ গৰাকী সকলক ১০ বছৰৰ যান বাহন কৰ এক কিস্তিত আদায় দিব পৰাকৈ

এটি বিকল্প সুবিধা প্ৰদান কৰাৰ প্ৰস্তাৱ কৰিছো।

**বাজেট প্ৰাক্‌কলন ২০০৫-০৬ :**

১৩৬)বৰ্ত্তমান মই আগন্তুক বিত্তীয় বছৰটোৰ বাজেট প্ৰাক্‌কলন উত্থাপন কৰিব খুজিছো। ২০০৫-০৬ চনৰ বাজেটত ৰাজ্যৰ একত্ৰীকৃত নিধিৰ মুঠ ১৮৬৩৭.৭৮ কোটি টকাৰ ৰাজহ আদায় দেখুওৱা হৈছে। তাৰে ১৩৩১৪.৬৯ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ৫৩২৩.০৯ কোটি টকা মূলধন শিতানত। একত্ৰীকৃত নিধিৰ মুঠ ৰাজহ আদায়ৰ সমীক্ষাটো ৩ নং তালিকাত দেখুওৱা হৈছে। ৰাজহুৱা খণ্ডৰ অধীনত ৩৩৩২.৬৬ কোটি টকা আদায়ৰ সংযোজনৰ পিছত সৰ্ব্বমুঠ আদায়ৰ পৰিমাণ হ'ব ২১৯৭০.৪৪ কোটি টকা। ৰাজহ শিতানত ধৰা ১৩৭৫৩.৮৬ কোটি টকাৰ খৰচকে ধৰি একত্ৰীকৃত নিধিৰ ২০০৫-০৬ বৰ্ষৰ সৰ্ব্বমুঠ ব্যয়ৰ পৰিমাণ হ'ব ২০০৮৬.৫২ কোটি টকা। ইয়াৰে ৰাজহ শিতানত ১৩৭৫৩.৮৬ কোটি টকা আৰু মূলধন শিতানত ৬৩৩২.৬৬ কোটি টকা। ৪ নং তালিকাত ২০০৫-০৬ চনৰ একত্ৰীকৃত নিধিৰ শীৰ্ষ ব্যয় সমূহ বিতং ভাৱে দেখুওৱা হৈছে। এতেকে ৰাজহুৱা খণ্ডত হোৱা ব্যয়ৰ ২৬৮১.৬৬ কোটি টকাকে ধৰি বছৰটোত সৰ্ব্বমুঠ ব্যয়ৰ পৰিমাণ হ'ব ২২৭৬৮.১৮ কোটি টকা। বছৰটোত ৭৯৭.৭৮ কোটি টকাৰ ঘাটিৰে সামৰণি পৰিব। আৰম্ভণি ঘাটি ১৬৪৮.৪৭ কোটি টকাকে ধৰি ২০০৫-০৬ চনৰ বছৰটোত মুঠ ঘাটিৰ পৰিমাণ ২৪৪৬.২১ কোটি টকা হ'ব পাৰে।

১৩৭)ৰাজহুৱা শিতানৰ ঘাটি ২০০৪-০৫ চনৰ বাজেটত দেখুওৱা ১৯৫৬.৬৮ কোটি টকা কমি আহি ২০০৫-০৬ চনৰ বাজেটত ৪৩৯.১৭ কোটি

টকা হোৱাটো বোধহয় মাননীয় সদস্যসকলৰ নিশ্চয় দৃষ্টিগোচৰ হৈছে। ২০০৫-০৬ চনৰ ৰাজহ শিতানৰ ঘাটি মুঠ ৰাজহ আদায়ৰ ৩.৩০ শতাংশ হ'ব বুলি নিৰূপণ কৰা হৈছে। সেইদৰে ৰাজহ শিতানৰ ঘাটি ৰাজ্যিক ঘৰুৱা উৎপাদনৰ (জি এচ ডি পি) ২০০৫-০৬ চনত সৰ্ব্বমুঠ ০.৯৭ শতাংশ হ'ব বুলি নিৰূপণ কৰা হৈছে। এই দুয়োটা অনুপাতেই গ্ৰহণযোগ্য সীমাৰেখাৰ যথেষ্ট ভিতৰত। ২০০৫-০৬ চনৰ

Table-1

Expenditure on Salaries, Wages and Pension

| | (Rupees in crores) |
|---|---|
| 1996-97 | 2181 |
| 1997-98 | 2436 |
| 1998-99 | 2962 |
| 1999-2000 | 4264 |
| 2000-01 | 4319 |
| 2001-02 | 4799 |
| 2002-03 | 4913 |
| 2003-04 | 5903 |
| 2004-05 | 6188 |
| 2005-06 | 6144 |

বিত্তীয় ঘাটি ৩০৯০ কোটি টকা ই সৰ্ব্বমুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ ৬.৮২ শতাংশ।

১৩৮)মাননীয় অধ্যক্ষ মহোদয়, এই বাজেটখনৰ জৰিয়তে মই ৰাজ্যৰ অৰ্থনৈতিক দিশ নিৰ্ণয় কৰাৰ উপৰিও ইয়াক এক নতুন গতিশীলতা প্ৰদান কৰিব বিচাৰিছো। এই বাজেটৰ জৰিয়তে কেইবাখনো উন্নয়নমূলক আঁচনি হাতত ল'বলৈ প্ৰস্তাৱ কৰিছো যদিও ইয়াৰ ফলত

Table-2

Indicative percentage shares of major items of expenditure from the Consolidated Fund in 2005-06

(Rupees in crores)

| | 2004-05 | 2005-06 | Difference |
|---|---|---|---|
| Salary, Wages and Pension | 21% | 30% | (+) 9% |
| Debt Servicing | 35% | 29% | (-) 6% |
| Development Expenditure | 20% | 36% | (+) 16% |
| Non-Development Expenditure | 22% | 3% | (-) 19% |
| Other Administrative Expenditure | 2% | 2% | (-) 0% |

যাতে আমাৰ বিত্তীয় শৃংখলা বাহাল ৰখাত কোনো বাধাৰ সৃষ্টি নহয় তাৰ ওপৰত মই সজাগ দৃষ্টি ৰাখিছো আৰু সকলো ধৰণৰ সতৰ্কতা অৱলম্বন কৰিছো।

## Table-3

### Estimate of Inflows into the Consolidated Fund of the State in 2005-06

(Rupees in crores)

| | 2004-05 | 2005-06 | Difference |
|---|---|---|---|
| State Taxes | 2740 | 3199 | (+) 459 |
| Non Tax Revenue | 3421 | 1064 | (-) 2357 |
| Share of Central Taxes | 2703 | 3074 | (+) 371 |
| State Plan Grants | 3201 | 3442 | (+) 241 |
| Non Plan Grants from Centre | 690 | 757 | (+) 67 |
| Grants from the Centre (CSS) | 1278 | 1779 | (+) 501 |
| Loans from the Centre | 1963 | 1544 | (-) 419 |
| Other Capital Receipts | 11004 | 3779 | (-) 7226 |

## Table-4

### Estimate of Outflows into the Consolidated Fund of the State in 2005-06

(Rupees in crores)

| | 2004-05 | 2005-06 | Difference |
|---|---|---|---|
| Power (ASEB) | 848 | 1149 | (+) 301 |
| Irrigation & Flood Control | 410 | 489 | (+) 79 |
| Crop Husbandary | 172 | 248 | (+) 76 |
| Industries & Minerals | 213 | 220 | (+) 7 |
| Social Welfare & Nutrition | 894 | 543 | (-) 351 |
| Health & Family Welfare | 684 | 628 | (-) 56 |
| Roads and Bridges & Transport | 609 | 974 | (+) 365 |
| Police | 911 | 869 | (-) 42 |
| Repayment of Ways and Means Adv. | 6420 | 3050 | (-) 3370 |
| Debt Servicing | 3904 | 2687 | (-) 1217 |
| Education, Sports & Culture | 3198 | 3554 | (+) 356 |
| Others | 11202 | 5676 | (-) 5526 |

মাননীয় অধ্যক্ষ মহোদয়, মোৰ ভাষণ ইমানতে সামৰি এই বাজেটখন মই পবিত্ৰ সদনত বিবেচনাৰ বাবে আগবঢ়ালো।

**Mr. Speaker :** The House stands Adjourned till 9 A.M. on 15th March, 2005

## ADJOURNMENT

The House than stood adjourned at 12-03 P.M. till 9 A.M. on Tuesday, the 15th March, 2005.

Dispur :
The 14th March, 2005

B.C. Das
Secretary,
Assam Legislative Assembly

# ANNEXURE -I

## GOVERNMENT OF ASSAM
## FINANCE (A & F) DEPARTMENT

No. F.M. 55/2003/6 Dated Dispur the 17th May, 2004

In pursuance of the recommendation of the Committee on Public Acconts in its Eighty Fifth Report, Governor of Assam is pleased to Constitute an Inquiry Committee headed by Shri M.S. Pangtey, IAS, Retd. C.V.C., Assam. The Joint Secretary to the Government of Assam Finance (A & F) Department will be the member Secretary of the Committee.

The terms of reference of the Committee will be :

1. To inquire into the circumstances leading to excess expenditure over the budget provision during the peirod from 1983-84 to 1999-2000 with reference to individual paras of the Report of the Comptroller and Auditor General for the relevant years.

2. To inquire whether the excess drawals were made with malafide intenstion and whether the excess drawals were made in violation of the financial rules and procedures including the procedure laid down in budget manual as well as instructions issued by Finance Department from time to time. If so, the Committee will fix responsibility.

3. To recommendation for prevention action against the persons found guilty.

4. To made recommendation for prevention of such excess drawals in future.

Committee will submit its report within a period of three months from the date of issue of the notification.

This cancels Govt's earlier Notification No. FM.55/2003/5 dtd. 4.3.2004.

Sd. J.P. Rajkhowa
Chief Secretary to the Govt. of Assam

Memo No. FM.55/2003/6-A Dated Dispur the 17th May, 2004

Copy to :

1. Shri M.S. Pangety, IAS (Retd.), Chief Vigilence Commissioner, Assam, Dispur.
2. Shri P.K. Bora, IAS (Retd.), Director General (Training), Govt. of Assam, Dispur.

   Administrative Staff College, Khanapara, Guwahati-22
3. All Commissioner & Secretary to the Govt. of Assam
4. P.S. to the Chief Secretary for information of Chief Secretary, Assam
5. P.S. to Addl. Chief Secretary (I) for Information of Addl. Chief Secretary, Assam
6. P.S. to Addl. Chief Secretary (II) for information Addl. Chief Secretary, Assam

7. P.S. to Chief Minister, Assam
8. P.S. to Minister of State Finance, Assam
9. Secretary, Assam Legislative Assembly for information of Chairman of the Committee on Public Accounts.
10. Joint Secretary to the Govt. of Assam, Finance (A&F) Department and Member Secy. of the Inquiry Committee for information and necessary action,
11. Deputy Secretary, Finance (BT) Department.
12. All Heads of Department
13. Director, Assam Govt. Press, Bamunimaidan, Guwahati-21 for publication in the Gazette.
14. Joint Secy. to the Govt. of Assam, Finance (EC-I)/ Finance (EC_II)/Finance (EC-III) Deptt.

By order etc.

(Hassan Ali)
Secretary to the Govt. of Assam
Finance Department
Government of Assam
Finance (Audit & Fund) Department

No. FM.55/2003/52 Dated Dispur, the 1st Feb/2005

## NOTIFICATION

The Governor of Assam is pleased to extend the period of submission of report of the Inquiry Committee headed by Shri M.S. Pangtey, IAS Retd. Chief Vigilence Commissioner, Assam, constituted vide notification No. FM.55/2003/6 dt. 17.5.2004 upto 31.3.2005.

Sd/ H. Ali

Commissioner & Secretary to the Govt. of Assam

Finance (A&F) Department, Dispur

Memo No. FM.55/2003/52-A Dated Dispur, the 1st Feb/ 2005

Copy to :

1. Shri M.S. Pangtey, IAS (Retd.), Chief Vigilence Commissioner, Assam, Dispur
2. Shri P.K. Bora, IAS (Retd.), Director General (Training), Govt. of Assam, Assam Administrative Staff College, Khanapara, Guwahati-22.
3. All Commissioner & Secretary to the Govt. of Assam.
4. P.S. to Chief Secretary for information of Chief Secretary (Assam)
5. P.S. to Addl. Chief Secretary (I) for information of Addl. Chief Secretary, Assam
6. P.S. to Addl. Chief Secretary (II) for information of Addl. Chief Secretary, Assam

7. P.S. to Chief Minister, Assam, Dispur.

8. P.S. to Minister of State Finance, Assam, Dispur.

9. The Secretary, Assam Legislative Assembly, Dispur for information of Chairman of the Committee on Public Accounts.

10. The Joint Secretary to the Govt. of Assam, Finance (A&F) Department and Member Secretary of the Inquiry Committee for information and necessary action.

11. The Deputy Secretary, Finance (Bt.) Department, Dispur, Guwahati-6.

12. All Heads of Department.

13. The Director, Assam Govt. Press, Bamunimaidan, Guwahati-21 for publication in the Gazette.

14. The Joint Secretary to the Govt. of Assam, Finance (EC-I)/Finance (EC-II)/Finance (EC-III) Department, Dispur, Guwahati-6.

By order etc.,
Commissioner & Secy. to the Govt. of Assam
Finance Department, Dispur

Distribution List of MV Tax Grant of 296.00 Lakhs sanctioned for the year 2004-05

| Name of ULBs | Total fund to be utilized by the ULBs under MV, Tax Grant |
|---|---|
| Dhubri Dist. | |
| Dbubri M.B. | Rs. 7.00 |
| Gouripur T.C. | Rs. 4.00 |
| Bilasipara T.C. | Rs. 1.00 |
| Chapar T.C. | Rs. 1.00 |
| Sapatgram T.C. | Rs. 3.00 |
| Kokrajhar Dist. | |
| Kokrajhar M.B. | Rs. 4.00 |
| Basugaon T.C. | Rs. 2.00 |
| Gossaigaon T.C. | Rs. 1.00 |
| Goalpara Dist. | |
| Goalpara M.B | Rs. 7.00 |
| Lakhimpur T.C. (G) | Rs. 4.00 |
| Bongaigaon Dist. | |
| Bongaigaon M.B. | Rs. 5.00 |
| Bijni T.C. | Rs. 3.00 |
| Abhayapuri T.C. | Rs. 2.00 |
| Kamrup Dist. | |
| Palasbari M.B. | Rs. 3.00 |
| North Guwahati T.C. | Rs. 5.00 |
| Rangiya M.B. | Rs. 10.00 |
| Nalbari | |
| Nalbari M.B. | Rs. 5.00 |
| Tihu T.C. | Rs. 1.00 |

Barpeta Dist.

| | |
|---|---|
| Barpeta M.B. | Rs. 4.00 |
| Barpeta Road M.B. | Rs. 5.00 |
| Sorbhog T.C. | Rs. 3.00 |
| Sarthebari T.C. | Rs. 5.00 |
| Pathsala T.C. | Rs. 1.00 |
| Howli T.C. | Rs. 7.00 |

Darrang Dist.

| | |
|---|---|
| Mangaldai M.B. | Rs. 8.00 |
| Kharupetia T.C. | Rs. 2.00 |
| Udalguri T.C. | Rs. 1.00 |
| Tangla T.C. | Rs. 3.00 |

Lakhimpur Dist.

| | |
|---|---|
| North Lakhimpur M.B. | Rs. 6.00 |
| Bihpuria T.C. | Rs. 3.00 |
| Dhakuakhana T.C. | Rs. 2.00 |
| Narayanpur T.C. | Rs. 1.00 |

Dhemaji Dist.

| | |
|---|---|
| Dhemaji T.C. | Rs. 5.00 |
| Silapathar T.C. | Rs. 1.00 |

Jorhat Dist.

| | |
|---|---|
| Jorhat M.B. | Rs. 10.00 |
| Moriani T.C. | Rs. 2.00 |

Sonitpur Dist.

| | |
|---|---|
| Tezpur M.B. | Rs. 6.00 |
| Biswanath Chariali T.C. | Rs. 3.00 |
| Rangapara T.C. | Rs. 1.00 |
| Gohpur T.C. | Rs. 3.00 |
| Dhekiajuli M.B. | Rs. 1.00 |

Nagaon Dist.

| | |
|---|---|
| Nagaon M.B. | Rs. 6.00 |
| Dhing T.C. | Rs. 3.00 |
| Hojai M.B. | Rs. 5.00 |
| Lumding M.B. | Rs. 3.00 |
| Kampur T.C. | Rs. 3.00 |
| Lanka M.B. | Rs. 3.00 |
| Doboka T.C. | Rs. 3.00 |

Morigaon Dist.

| | |
|---|---|
| Morigaon T.C. | Rs. 3.00 |

Sivasagar Dist.

| | |
|---|---|
| Sivasagar M.B. | Rs. 8.00 |
| Moran T.C. | Rs. 3.00 |
| Nazira M.B. | Rs. 5.00 |
| Sonari M.B. | Rs. 5.00 |
| Amguri M.B. | Rs. 4.00 |
| Simaluguri T.C. | Rs. 3.00 |

Golaghat Dist.

| | |
|---|---|
| Golaghat M.B. | Rs. 5.00 |
| Dergaon M.B. | Rs. 10.00 |
| Bokakhat T.C. | Rs. 3.00 |
| Sarupathar T.C. | Rs. 3.00 |
| Barpathar T.C. | Rs. 3.00 |

Dibrugarh Dist.

| | |
|---|---|
| Dibrugarh M.B. | Rs. 8.00 |
| Naharkatia T.C. | Rs. 2.00 |
| Chabua T.C. | Rs. 3.00 |

Tinsukia Dist.

| | |
|---|---|
| Tinsukia M.B. | Rs. 7.00 |

| | |
|---|---|
| Makum T.C. | Rs. 2.00 |
| Digboi T.C. | Rs. 3.00 |
| Doom Dooma T.C. | Rs. 3.00 |
| Margherita T.C. | Rs. 2.00 |
| <u>Cachar Dist.</u> | |
| Silchar M.B. | Rs. 10.00 |
| Lakhimpur T.C. | Rs. 3.00 |
| <u>Karimganj Dist.</u> | |
| Karimganj M.B. | Rs. 10.00 |
| Badarpur T.C. | Rs. 3.00 |
| <u>Hailakandi Dist.</u> | |
| Hailakandi M.B. | Rs. 5.00 |
| Lala T.C. | Rs. 3.00 |
| | Total Rs. 296.00 |

# ANNEXURE - II

## Fund released to the D.C.s & Chairman DUDA, Assam Under Swarna Jayanti Sahari Rojgar Yojana

(2004-05)

| | | |
|---|---|---|
| Kamrup (M) Distrtict | 1. G.M.C. | 55.41 |
| | 2. North Guwahati | 3.06 |
| Kamrup (R) District | 3. Palasbari M.B. | 1.09 |
| | 4. Rangia M.B. | 5.32 |
| Nalbari District | 5. Nalbari M.B. | 4.30 |
| | 6. Tihu T.C. | 1.24 |
| Barpeta District | 7. Barpeta M.B. | 7.01 |
| | 8. Pathsala T.C. | 2.35 |
| | 9. Howli T.C. | 3.43 |
| | 10. Sarthebari T.C. | 1.75 |
| | 11. Barpeta Road T.C. | 7.48 |
| | 12. Sorbhog T.C. | 1.79 |
| Darrang District | 13. Mangaldai M.B. | 4.40 |

| | | |
|---|---|---|
| | 14. Tangal T.C. | 3.13 |
| | 15. Udalguri T.C. | 2.93 |
| | 16. Kharupetia T.C. | 3.98 |
| Dhubri District | 17. Dhubri M.B. | 13.64 |
| | 18. Gauripur T.C. | 4.73 |
| | 19. Bilasipara T.C. | 8.40 |
| | 20. Chapar T.C. | 3.53 |
| | 21. Sapatgram | 3.22 |
| Goalpara District | 22. Goalpara M.B. | 11.00 |
| | 23. Lakhimpur T.C. | 3.13 |
| Bangaigaon District | 24. Bongaigaon M.B. | 11.58 |
| | 25. Bijni T.C. | 2.48 |
| | 26. Abhayapuri T.C. | 2.72 |
| Kokrajhar District | 27. Kokrajhar M.B. | 5.58 |
| | 28. Gossaigaon T.C. | 2.33 |
| | 29. Basugaon T.C. | 2.26 |
| Morigaon District | 30. Morigaon T.C. | 4.31 |
| Nagaon District | 31. Nagaon M.B. | 18.43 |
| | 32. Lanka M.B. | 7.60 |
| | 33. Dhing T.C. | 3.85 |

| | | |
|---|---|---|
| | 34. Hojai M.B. | 7.40 |
| | 35. Doboka T.C. | 2.75 |
| | 36. Lamding M.B. | 5.86 |
| | 37. Kamrup T.C. | 1.65 |
| Sonitpur District | 38. Tezpur M.B. | 12.71 |
| | 39. Dhekiajuli M.B. | 3.77 |
| | 40. Rangapara T.C. | 3.09 |
| | 41. Gahpur T.C. | 2.03 |
| | 42. Biswanath Chariali | 3.23 |
| Golaghat District | 43. Golaghat M.B. | 6.51 |
| | 44. Dergaon M.B. | 3.01 |
| | 45. Bokakhat T.C. | 1.70 |
| | 46. Sarupathar T.C. | 1.71 |
| | 47. Barpathar T.C. | 1.34 |
| Jorhat District | 48. Jorhat M.B. | 10.32 |
| | 49. Moriani T.C. | 4.96 |
| Sivasagar District | 50. Sivasagar M.B. | 9.48 |
| | 51. Nazira M.B. | 2.33 |
| | 52. Amguri M.B. | 1.41 |
| | 53. Sonari M.B. | 3.19 |

| | | |
|---|---|---|
| | 54. Moran T.C. | 1.06 |
| | 55. Simoluguri T.C. | 1.07 |
| Lakhimpur District 14.69 | 56. North Lakhimpur M.B. | |
| | 57. Bihpuria T.C. | 3.30 |
| | 58. Dhakuwakhana T.C. | 1.61 |
| Dibrugarh District | 59. Dibrugarh M.B. | 21.17 |
| | 60. Naharkatia T.C. | 2.65 |
| | 61. Chabua T.C. | 2.40 |
| Tinsukia District | 62. Tinsukia M.B. | 16.11 |
| | 63. Doom-Dooma T.C. | 4.16 |
| | 64. Makum T.C. | 2.73 |
| | 65. Digboi T.C. | 4.47 |
| | 66. Margherita T.C. | 3.65 |
| Hailakandi District | 67. Hailakandi M.B. | 6.32 |
| | 68. Lala T.C. | 2.31 |
| Cachar District | 69. Silchar M.B. | 26.41 |
| | 70. Lakhimpur T.C. (C) | 2.22 |
| Karimganj District | 71. Karimganj M.B. | 9.06 |
| | 72. Dadarpur T.C. | 2.28 |

| | | |
|---|---|---|
| Dhemaji District | 73. Dhemaji T.C. | 4.18 |
| | 74. Silapathar T.C. | 7.41 |
| Karbi Anglong District | 75. Diphu T.C. | 9.37 |
| | 76. Dokmoka T.C. | 0.99 |
| | 77. Hamren T.C. | 1.89 |
| | 78. Howraghat T.C. | 0.88 |
| | 79. Donkamonkam T.C. | 1.90 |
| | 80. Bokajan T.C. | 3.23 |
| N.C.Hills District | 81. Haflong T.C. | 5.20 |
| | 82. Mahur T.C. | 1.10 |
| | 83. Maibong T.C. | 1.25 |
| | 84. Umrangshu T.C. | 1.64 |
| | Grand Total : | 472.63 |

## ৰাষ্ট্ৰীয় বস্তি উন্নয়ন আঁচনিৰ জৰিয়তে পুঁজিৰ আৱন্টন পোৱা নগৰ সমূহৰ নাম আৰু টকাৰ পৰিমাণ (২০০৫-০৬)

| ক্ৰঃনং | নগৰৰ নাম | টকাৰ পৰিমাণ |
|---|---|---|
| ১। | গুৱাহাটী পৌৰ নিগম | ৬.০০ লাখ |
| ২। | উত্তৰ গুৱাহাটী পৌৰ নিগম | ৫.০০ লাখ |

| | | |
|---|---|---|
| ৩। | ডিব্ৰুগড় পৌৰ নিগম | ৮.০০ লাখ |
| ৪। | নাহৰকটীয়া নগৰ সমিতি | ৪.০০ লাখ |
| ৫। | ধুবুৰী পৌৰসভা | ১.৫০ লাখ |
| ৬। | বিলাসীপাৰা নগৰ সমিতি | ২.০০ লাখ |
| ৭। | চপটগ্ৰাম নগৰ সমিতি | ১.৮০ লাখ |
| ৮। | তেজপুৰ পৌৰসভা | ৫.০০ লাখ |
| ৯। | বিঃ চাৰিআলি নগৰ সমিতি | ৩.৮০ লাখ |
| ১০। | ঢেকীয়াজুলি পৌৰসভা | ৩.৮০ লাখ |
| ১১। | গহপুৰ নগৰ সমিতি | ৪.৮০ লাখ |
| ১২। | মঙ্গলদৈ পৌৰসভা | ৫.৫০ লাখ |
| ১৩। | খাৰুপেটীয়া নগৰ সমিতি | ৪.৮০ লাখ |
| ১৪। | শিলচৰ পৌৰসভা | ৭.০০ লাখ |
| ১৫। | লক্ষীমপুৰ নগৰ সমিতি | ২.১০ লাখ |
| ১৬। | উঃ লক্ষীমপুৰ পৌৰসভা | ৬.০০ লাখ |
| ১৭। | বিহপুৰীয়া নগৰ সমিতি | ৩.০০ লাখ |
| ১৮। | নলবাৰী পৌৰসভা | ৬.০০ লাখ |
| ১৯। | টিহু নগৰ সমিতি | ২.৫০ লাখ |
| ২০। | বঙ্গাইগাওঁ পৌৰসভা | ৩.০০ লাখ |
| ২১। | অভয়াপুৰী নগৰ সমিতি | ৩.০০ লাখ |
| ২২। | গোৱালপাৰা পৌৰসভা | ৩.০০ লাখ |
| ২৩। | বৰপেটা পৌৰসভা | ৭.০০ লাখ |

| | | |
|---|---|---|
| ২৪। | পাঠশালা নগৰ সমিতি | ৪.২০ লাখ |
| ২৫। | কৰিমগঞ্জ পৌৰসভা | ৩.০০ লাখ |
| ২৬। | যোৰহাট পৌৰসভা | ২৫.০০ লাখ |
| ২৭। | মৰিয়নী নগৰ সমিতি | ২.৫০ লাখ |
| ২৮। | শিৱসাগৰ পৌৰসভা | ৪.০০ লাখ |
| ২৯। | আমগুৰি পৌৰসভা | ২.৫০ লাখ |
| ৩০। | নাজিৰা পৌৰসভা | ২.৫০ লাখ |
| ৩১। | সোণাৰী পৌৰসভা | ২.৫০ লাখ |
| ৩২। | মৰাণ নগৰ সমিতি | ২.৫০ লাখ |
| ৩৩। | শিমলুগুৰি নগৰ সমিতি | ২.৫০ লাখ |
| ৩৪। | গোলাঘাট পৌৰসভা | ৫.০০ লাখ |
| ৩৫। | বোকাখাট নগৰ সমিতি | ২.৮০ লাখ |
| ৩৬। | দেৰগাওঁ পৌৰসভা | ৬.৬০ লাখ |
| ৩৭। | নগাওঁ পৌৰসভা | ৭.০০ লাখ |
| ৩৮। | হোজাই পৌৰসভা | ৩.৮০ লাখ |
| ৩৯। | ধিং নগৰ সমিতি | ৪.০০ লাখ |
| ৪০। | লংকা নগৰ সমিতি | ২.০০ লাখ |

# সৰু আৰু মজলীয়া নগৰৰ (IDST) জৰিয়তে পুঁজিৰ আবন্টন পোৱা নগৰ সমূহৰ নাম আৰু টকাৰ পৰিমাণ (২০০৪-০৫)

| ক্ৰঃনং | নগৰৰ নাম | কেন্দ্ৰীয় পুঁজি | ৰাজ্যিক পুঁজি |
|---|---|---|---|
| ১) | ধুবুৰী | ২.২৩ লাখ | ২.৫০ লাখ |
| ২) | নলবাৰী | ৪.৬৮ লাখ | ৮.৭৮ লাখ |
| ৩) | মঙ্গলদৈ | ৮.০৪ লাখ | ১০.০০ লাখ |
| ৪) | গোৱালপাৰা | ২.৩৫ লাখ | ১০.০০ লাখ |
| ৫) | যোৰহাট | ৭৫.০০ লাখ | |
| ৬) | গোলাঘাট | ৩২.৫০ লাখ | |
| ৭) | দেৰগাওঁ | ২৪.০০ লাখ | |
| ৮) | আমগুৰি | ১১.০০ লাখ | |
| ৯) | মাৰ্ঘেৰিটা | ৪২.৩৪ লাখ | |
| ১০) | টিহু | ২৪.০০ লাখ | |
| ১১) | ডিফু | ২৪.০০ লাখ | |
| ১২) | নাজিৰা | ২৪.০০ লাখ | |
| ১৩) | বিহপুৰীয়া | ১০.০০ লাখ | |
| ১৪) | পাঠশালা | ২৪.০০ লাখ | |
| ১৫) | কৰিমগঞ্জ | - | ৪.৫৭ লাখ |
| ১৬) | বঙ্গাইগাওঁ | - | ৯.৭৫ লাখ |

| | | | |
|---|---|---|---|
| ১৭) | শিৱসাগৰ | - | ৪.৮৩ লাখ |
| ১৮) | উত্তৰ লক্ষীমপুৰ | - | ৯.৫৭ লাখ |
| ১৯) | ৰঙিয়া | - | ১০.০০ লাখ |
| ২০) | বৰপেটা | - | ১৫.০০ লাখ |
| ২১) | মৰিগাওঁ | - | ২.২৯ লাখ |
| ২২) | ধেমাজি | - | ৮.৬৬ লাখ |
| ২৩) | হাইলাকান্দি | - | ১১.৩৩ লাখ |
| ২৪) | বোকাখাট | - | ১০.০০ লাখ |
| ২৫) | ডিগবৈ | - | ১০.৬৬ লাখ |
| ২৬) | ডিব্রুগড় | - | ৮.৪০ লাখ |
| ২৭) | হোজাই | - | ৮.০০ লাখ |
| ২৮) | বিশ্বনাথ চাৰিআলি | - | ৮.৬৬ লাখ |
| ২৯) | সোণাৰী | - | ৭.০০ লাখ |
| ৩০) | গহপুৰ | - | ৭.০০ লাখ |
| ৩১) | উত্তৰ গুৱাহাটী | - | ৭.০০ লাখ |
| ৩২) | বিলাসীপাৰা | - | ৭.০০ লাখ |
| ৩৩) | ওডালগুৰি | - | ১৬.০০ লাখ |
| ৩৪) | লক্ষীপুৰ (কাছাৰ) | ২৪.০০ লাখ | - |
| | মুঠ | ৩৩২.১৪ লাখ | ১৯৬.৪০ লাখ |

# ORGANISATIONWISE BREAK UP OF SURRENDERED MILITANTS

## Period of Surrendered : 01.01.2001 to 28.02.2005

TOTAL SURRENDER : 4768

| | |
|---|---|
| ULFA | 1168 |
| NDFB | 776 |
| BLT | 2648 |
| BTF | 15 |
| MULTA | 48 |
| RNSF | 2 |
| KUKI | 9 |
| KLNLF | 7 |
| KLO | 4 |
| ISFI | 2 |
| UPDS | 3 |
| ACMF | 2 |
| ANVC | 1 |
| ASF | 17 |

| | |
|---|---|
| ATTF | 1 |
| BCF | 3 |
| MUM | 42 |
| HM | 1 |
| HUZ | 5 |
| NSCN | 4 |
| PLA | 1 |
| PULF | 3 |
| TLTF | 4 |
| UNLF | 2 |
| TOTAL | 4768 |

## স্বৰ্ণজয়ন্তী স্বনিয়োজন আঁচনিৰ জৰিয়তে জিলা সমূহক দিয়া অনুদান ঃ

| ক্রঃনংঃ | জিলাৰ নাম | আৱণ্টিত টকা (লাখ হিচাপত) |
|---|---|---|
| ১) | কামৰূপ | ৩০.৩৬ |
| ২) | বৰপেটা | ১২.৭৯ |
| ৩) | নলবাৰী | ২.৭৯ |
| ৪) | দৰং | ৬.৫১ |

| | | |
|---|---|---|
| ৫) | ধুবুৰী | ২১.৮৮ |
| ৬) | গোৱালপাৰা | ৯.৬১ |
| ৭) | বঙাইগাওঁ | ৭.২৬ |
| ৮) | কোকৰাঝাৰ | ৩.৪০ |
| ৯) | মৰিগাওঁ | ২.৩৮ |
| ১০) | নগাওঁ | ২৩.৪৬ |
| ১১) | শোণিতপুৰ | ১২.৯০ |
| ১২) | গোলাঘাট | ৬.৮১ |
| ১৩) | যোৰহাট | ৩.৯৪ |
| ১৪) | শিৱসাগৰ | ৬.৫১ |
| ১৫) | লক্ষীমপুৰ | ১৭.০৬ |
| ১৬) | ডিব্ৰুগড় | ৮.২৬ |
| ১৭) | তিনিচুকীয়া | ১১.২৭ |
| ১৮) | হাইলাকান্দি | ৫.১৬ |
| ১৯) | কাছাৰ | ১৩.১৫ |
| ২০) | কৰিমগঞ্জ | ৪.৯৪ |
| ২১) | কাৰ্বি আংলং | ৮.৫১ |
| ২২) | উত্তৰ কাছাৰ পাৰ্বত্য জিলা | ১.৮১ |
| ২৩) | ধেমাজি | ১২.০৭ |
| | | মুঠ -২৩২.৮২ |

# ANNEXURE - V

প্ৰতি,

উপায়ুক্ত মহোদয়, ধুবুৰী জিলা, ধুবুৰী

তাং ঃ ১০/৯/০৪

বিষয় ঃ পুলিচ বিষয়াৰ পক্ষপাতমূলক কাম-কাজৰ বিৰুদ্ধে ৰাজহুৱা অভিযোগ।

মহোদয়,

বিহিত সন্মানপূৰ্বকভাৱে জনাও যে বিলাসীপাৰা আৰু বগৰীবাৰী থানাৰ পুলিচ বিষয়াসকলে সাধাৰণ ৰাইজে দালাল, বিভিন্ন আঁচনিৰ টকা আত্মসাৎকাৰী, কৰ্মচাৰী, ব্যক্তিৰ বিৰুদ্ধে কেচ দিলে অভিযুক্ত ব্যক্তিসকলৰ বিৰুদ্ধে আগ নাবাঢ়ি তেওঁলোকক বৰঞ্চ সহায়হে কৰি আহিছে। আনহাতে ধনী ও দালাল শ্ৰেণীৰ লোক সাধাৰণ ৰাইজৰ বিৰুদ্ধে পৰিকল্পিতভাৱে মিছা কেচ দিলেও তাৰ বিপক্ষে ৰাইজক ধৰি আনি হায়ৰাণ-হাৰাশাস্তি কৰিও চলিছে। তাৰেই ২/৪ টা উদাহৰণ আপোনাৰ জ্ঞাতাৰ্থে আৰু ক্ষীপ্ৰ বিহীত ব্যৱস্থাৰ বাবে দাঙি ধৰা হ'ল। প্ৰকাশ থাকে যে জিলা অধীক্ষক, অতিৰিক্ত অধীক্ষক, মহকুমা আৰক্ষী বিষয়া মহোদয়সকলক তেনে বহু বিষয় লিখিত ও মৌখিকভাৱে কেবাবাৰো জনোৱা হ'ল - কিন্তু সুফল নাপালো (আৰক্ষী বিষয়া সকলে এতিয়াও দালাল ও দুৰ্নীতিপৰায়ণ লোকসকলৰ লগত হাত মিলাই চলিছে)।

১) (ক) বিলাসীপাৰা থানাৰ কেচ নং ৫৩/২০০২ ধাৰা ৪০৬/৪০৯/৪২০ ৰ আচামীক গ্ৰেপ্তাৰ নকৰি কোৰ্টৰ পৰা জামিন পোৱাৰ সুবিধা কৰি

দিলে পুলিছে। কেচটোৰ বিষয় তন্নতন্নকৈ তদন্ত কৰি চোৱাও হ'ল – কিন্তু 'চাৰ্চশ্বিট' নপঠাই আচামীক বচাই দিয়াৰ ষড়যন্ত্ৰহে কৰি আছে পুলিছে (আঁচনিৰ টকাও গৰীবৰ দৈনিক মঞ্জুৰীৰ টকা আত্মসাৎ এই কেচৰ বিষয়বস্তু)।

(খ) থানাখনৰ কে চ নং ১০১/২০০২ ধাৰা ৩৮০ ৰ আচামীক 'ফাইনেল ৰিপৰ্ট' দি বচাই দিয়া হ'ল (অথচ আচামীৰ ঘৰৰ পৰা চুৰি বয়-বস্তু উদ্ধাৰ হল)। চুৰি বস্তুৰ উদ্ধাৰ হোৱা কেচৰ আচামীক বচাই দি তাৰ বিপৰীতে 'ফাইনেল ৰিপৰ্ট' দিয়া হ'ল কেনেকৈ ?

২) বিলাসীপাৰা থানাৰ কেচ নং ৪০/২০০৩ ধাৰা ১৪৮/১৪৯/৪২৭/৩৩৬/৩২৫/৩৭৯/৩০৭ ৰ আচামীসকলক গ্ৰেপ্তাৰ নকৰি কেচটোৰ বিপক্ষে 'ফাইনেল ৰিপৰ্ট' দাখিল কৰা হ'ল (অথচ পুলিচৰ সন্মুখতেই কেচৰ ঘটনাটো সংঘটিত হ'ল) বহু ৰাইজে এই ঘটনাৰ সাক্ষী। অথচ কেচটোৰ বিপক্ষে 'ফাইনেল ৰিপৰ্ট' দিয়া হ'ল কেনেকৈ ? পুলিচৰ এনে কাৰ্য্যই তেওঁলোকৰ নগ্ন চৰিত্ৰক উদঙাই দিয়া নাইনে ?

৩) বিলাসীপাৰা থানাৰ কেচ নং ৮৫/২০০৩ ধাৰা ৪০৬ ৰ আচামীসকলৰ .... বিৰুদ্ধে প্ৰামাণাদি গ্ৰহণ কৰিও তেওঁলোকক বচাই দি 'ফাইনেল ৰিপৰ্ট' দিয়া হ'ল । ফলত আঁচনিত কাম কৰা শ্ৰমিক মজুৰিৰ টকা নাপালে আৰু ৰাইজে চলা-ফুৰা কৰা ৰাস্তাৰ কাম আধৰুৱা হৈ থাকিল।

৪) বিলাসীপাৰা থানাৰ কেচ নং ৪৮৬/২০০৩ ধাৰা ১২০ (বি) ৪২৭/৫০০ নং ৭৭/২০০৪ ধাৰা ৫০০/৫০১, নং ৮১/২০০৪ ধাৰা

৪০৬/৪২০, নং ৮৫/২০০৪ ধাৰা ৩৭৯/৩৪ ৰ আচামী সকলৰ বিৰুদ্ধে যথেষ্ট প্ৰমাণাদি গ্ৰহণ কৰিও তেওঁলোকক গ্ৰেপ্তাৰ নকৰি বচাই দিয়াৰ ষড়যন্ত্ৰতহে লিপ্ত হৈছে পুলিচে।

৫) বিলাসীপাৰা থানাৰ কেচ নং ১৫৫/২০০৪ ধাৰা ৪০৯/৪২০, নং ১৫৬/২০০৪ ধাৰা ৪০৬/৪০৮/৪০৯/৪২০ আৰু বগৰীবাৰী থানাৰ কেচ নং ৯২/২০০২ ধাৰা ৪০৩/৪০৬৬/৪২০, নং ১০১/২০০২ ধাৰা ৪০৬/৪২০/৫০৬, নং ১৪/২০০৩ ধাৰা ১২০ (বি)/৩৪ ৰ আচামীৰ বিৰুদ্ধে যথেষ্ঠ প্ৰমাণ আদি গ্ৰহণ কৰিও পুলিচে তেওঁলোকক গেপ্তাৰ নকৰি বচাই দিয়াৰ চেষ্টাহে চলাইছে।

৬) বগৰীবাৰী থানাৰ কেচ নং ৯১/২০০৪ ধাৰা ৪০৬/৪০৯/১২০/৫০৬ ৰ মাত্ৰ এজন আচামীৰ গ্ৰেপ্তাৰ কৰি বাকী আচামীসকলৰ গেপ্তাৰ নকৰি পুলিছে তেওঁলোকৰ লগত বহি চাহ খাই মেল পাতি থকাৰ ৰহস্য কি ? লক্ষণীয় যে হাইকৰ্টে কেচটোৰ আচামী সকলৰ জামিনৰ দৰখাস্ত খাৰিজ কৰি দিছে। তথাপিও পুলিচে চকুৰ আগত পাইও সেই আচামীসকলক গেপ্তাৰ নকৰাৰ কাৰণ কি ?

গতিকে মহোদয়ক সবিনয় প্ৰাৰ্থনা জনাওঁ যে মহোদয়ে দয়া কৰি ঘটনাবোৰৰ তদন্ত কৰি পুলিচৰ দুৰ্নীতিমূলক তথআ পক্ষপাতমূলক কাম-কাজৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ দানে আমাক কৃতাৰ্থ কৰে যেন । ইতি

প্ৰতিলিপি ঃ

১) মুখ্য সচিব, অসম, দিশপুৰ

২) আয়ুক্ত / সচিব গৃহ ও ৰাজনৈতিক বিভাগ, অসম, দিশপুৰ

৩) আৰক্ষী সঞ্চালক প্ৰধান, অসম, গুৱাহাটী

বিনীত ৰাইজৰ হৈ -

জিয়াৰ উদ্দিন (বিলাসীপাৰা থানাৰ কেচ নং ১০১/০২ ৰ এজাহাৰকাৰী আৰু লগতে ৮২ জনৰ স্বাক্ষৰ

প্ৰতি,

ধুবুৰী জিলাৰ আৰক্ষী মহোদয়ৰ সমীপেষু,

তাং ঃ ২৫/০১/২০০৫

**বিষয় ঃ বিলাসীপাৰা থানাৰ পুলিচ বিষয়াৰ বিবেকহীন, মইমতালী তথা অনৈতিক কাম কাজৰ বিৰুদ্ধে অভিযোগ।**

মহাশয়,

সন্মাপূৰ্বক ভাৱে জনাও যে আমি নিম্ন অভিযোগকাৰি দুজনে প্ৰমাণিত দুটা ঘটনাৰ বিপৰীতে বিলাসীপাৰা থানাত যথাক্ৰমে ১৮-১১-০৪ ইং আৰু ২৫-১-০৫

